# দুধনৈ মহাবিদ্যালয় আলোচনী

উনবিংশ সংখ্যা • ৩১তম বৰ্ষ • ২০০৫ - ২০০৬ শিক্ষা বৰ্ষ



তত্বাৱধায়ক ঃ ৰজত ৰাভা

সম্পাদিকা ঃ অমৃতা ৰাভা

# দুধনৈ মহাবিদ্যালয় আলোচনী

বাৰ্ষিক প্ৰকাশ

৩১তম বৰ্ষ ঊনবিংশ সংখ্যা

২০০৫-০৬ শিক্ষাবৰ্ষ

**তত্ত্বাৱধায়ক**

ড° ৰজত ৰাভা

**সম্পাদিকা**

অমৃতা ৰাভা

# দুধনৈ মহাবিদ্যালয় আলোচনী

**সম্পাদনা সমিতি :**

**সভাপতি :**
অধ্যক্ষ ড° গোপাল ফুকন, এম. এচ. চি., পি. এইচ. ডি.

**তত্বাৱধায়ক :**
ড° ৰজত ৰাভা, এম. এ. (ডবল), পি. এইচ. ডি.

**সম্পাদিকা :**
অমৃতা ৰাভা

**সদস্যবৃন্দ :**
হৰকুমাৰ নাথ, এম. এ., এম. ফিল.
দিপালী ডেকা, এম. এচ. চি., বি. এড.
জীৱেশ্বৰ কোচ, এম. এ.
ৰূপজ্যোতি মজুমদাৰ, এম. এ.
স্বৰ্ণ বসুমতাৰী, *(সাধাৰণ সম্পাদক)*

**বেটুপাত :**
মনোজ

**ছপা :**
*চিটি অফছেট, আনন্দনগৰ, আদাবাৰী তিনি আলি, গুৱাহাটী-১২,*
*ফোন : ০৩৬১-২৫৭১২৬৯, মো : ৯৪৩৫৫-৪০৪৪৬*

# শ্ৰদ্ধাঞ্জলি

**ন জয়তে ম্ৰিয়তে বা কদাচিন্নায়ং**
**ভূত্বা ভবিতা বা ন ভূয়ঃ।**
**অজো নিত্যঃ শাশ্বতোহয়ং পুৰাণো**
**ন হন্যতে হন্যমানে শৰীৰে।।**

কলা-সাহিত্য-সংস্কৃতি তথা নিজ
জাতিৰ অস্তিত্ব ৰক্ষা কৰিবলৈ নিজৰ
বৰ্ত্তমানক আমাৰ উজ্জ্বল ভৱিষ্যত গঢ়
দিবলৈ প্ৰাণাহুতি দিলে সেই শ্বহীদ
আৰু



জন্ম : ১৯ অক্টোবৰ ১৯৮৭, মৃত্যু : ২ অক্টোবৰ ২০০৬

**দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰী, আমাৰ আটাইৰে মৰমৰ মামনী চৌধুৰীৰ বিদেহী আত্মাৰ সদ্‌গতিৰ অৰ্থে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।**

*সম্পাদনা সমিতি*

# সূচীপত্ৰ

**প্ৰবন্ধ**


প্ৰতিভা আৰু প্ৰত্যাহ্বান ● সোনালী ৰাভা।। ১
আমাৰ পৰিৱেশ : এটি পৰ্য্যালোচনা ● আব্দুল কাদেৰ।। ৩
প্ৰেম : যৌৱনৰ সম্ভ্ৰান্ত অতিথি ● ৰিপুঞ্জয় পাটগিৰী।। ৫
বিশ্বৰ প্ৰান্তে প্ৰান্তে অলৌকিক ৰহস্যময়তা ● মমিতা ৰাভা ।। ৮
অসমীয়া মাধ্যমৰ বিদ্যালয়ত সংকট ● বীৰেণ ভূঞা ।। ৯
নাৰী প্ৰগতি আৰু আমি ● ৰূপা ৰাভা ।। ১১
শিমলুৰ শোভা ● অৰ্পিতা ৰাভা ।। ১২
জৈৱ-সন্ত্ৰাসবাদ আৰু ইয়াৰ ৰেহৰূপ ● তপন চন্দ্ৰ কলিতা ।। ১৩
'যুৱমহোৎসৱ'— ডায়েৰীৰ এখিলা পাত ● নিবেদিতা চৌধুৰী ।। ১৬
এক অচিনাকি প্ৰজন্ম ● জিতুমনি পাঠক ।। ১৯
কিনথুপ ● কল্যাণ বৰপূজাৰী ।। ২২
কলেজ, মন আৰু যুৱ-চাম ● সমৰ সৰকাৰ ।। ২৪
নৈতিকতাহীন এই সমাজ ● বাপন ৰাভা ।। ২৫
দুধনৈ মহাবিদ্যালয়ৰ বড়ো নৃত্য শিল্পীদলৰ কেৰেলাত সু-নাম অৰ্জন ● আবুল হুছেইন ।। ২৬
মহাকাশ অভিযান ডিছকভাৰীৰ প্ৰত্যাৱৰ্তন আৰু ভৱিষ্যতত মানৱ ● দ্বিপেন ৰাভা ।। ২৮
'বৰগীত'ৰ আদি কথাৰ চমু - অনুভৱ ● অনুপম পাটগিৰী ।। ৩২
শ্ৰীমন্ত শংকৰদেৱৰ অনুবাদ কলা—এটি আলোচনা ● হৰকুমাৰ নাথ ।।৩৪
মোৰ দৃষ্টিত প্ৰেম... ● হেমন্ত বড়ো ।। ৩৭


অসমীয়া কবিতা


অস্ফুট অনুভূতি, কেশৱ শৰ্মা ভাণ্ডাৰী।। ৩৯ ● অনুভূতি, ছন্দামিতা দাস ।। ৩৯ ● নিজান বনৰ গান, মিনাক্ষী দৈমাৰী ।। ৪০ ● তুমি আহিলে, বৰ্ণালী ৰয় ।। ৪০ ● চকুলো, বাণীকান্ত নাথ ।। ৪১ ● মনৰ গুঞ্জন, শ্ৰী গীতাঞ্জলি ৰয় ।। ৪১ ● নিত্যতা, ৰাজীৱ খাখ্‌লাৰী ।। ৪২ ● যৱনিকা, নিবেদিতা চৌধুৰী ।। ৪২ ● কিবা এটা কোৱানা!, ড° মিনতি চৌধুৰী ।। ৪৩ (ভূঞা) ● তেজ, সঞ্জয় কলিতা ।। ৪৩ ● নিঃসঙ্গতা, সমৰ সৰকাৰ ।। ৪৪ ● কাজল, বিষ্ণু ৰাভা ।। ৪৪ ● স্মৃতি, ড° গায়ত্ৰী দাস ।। ৪৪


**গল্প**


নিথৰ মধুক্ষণ ● শ্ৰী দৰ্শনা নাথ ।। ৪৫
নৈতিক ● সোণালী ৰাভা ।। ৪৭
ত্যাগ ● বৰ্ণালী ৰাভা ।। ৪৯
বাইক ● শ্ৰী ধীৰাজ নাথ ।। ৫১
বিষাদৰে ভৰা চিঠি এখন ● প্ৰণিতা ৰাভা ।। ৫২
হৃদয়ৰ একুৰা জুই ● দিলীপ কুমাৰ ৰাভা ।। ৫৩
আশাৰ বিভীষিকা ● বিউতী শইকীয়া ।। ৫৮
জীৱনৰ বৰ্ণমালা ● শুক্ৰচাদ সূত্ৰধৰ ।। ৬০
ডেউকা ভঙা চৰাই ● বাণীকান্ত নাথ ।। ৬২
সুখৰ বতৰা ● বৰ্ণালী ৰাভা ।। ৬৪
অনুভৱে অনুভৱে তোমাৰ প্ৰেম ● বৰ্ণালী ৰায় ।। ৬৬
এজনী অহংকাৰী ছোৱালীৰ লোককথা ● অৰ্পিতা ৰাভা ।। ৬৯


**ৰাভা কবিতা**


● আয়ানি খুৰাং, উৰ্বশী ৰাভা ।। ৭০ ● আঙি নাচিকায় গোলাপ পাৰ, শ্ৰী তৰিণি ৰাভা ।। ৭০ ● ফাৰিনি প্ৰামচি, মহেন্দ্ৰ ৰাভা ।। ৭১ ● কানিতা নাঙা, তিনুবালা ৰাভা ।। ৭১ ● নাছিনি পাৰ, হেমলতা ৰাভা ।। ৭২ ● মৌল বায়নি ছাত্ৰান, শ্ৰী আনন্দ চন্দ্ৰ ৰাভা ।। ৭২ ● শান্তিনি পাৰেক, নবনীতা চাৰাঙা ।। ৭২


**বড়ো বিভাগ**


आथिखालनि ब'र राव आरो बेनि बिबान ।। 73
● सम, बिनिता बसुमतारी ।। 75 ● मोदै, पबन कुमार बर ।। 75 ● रजे, रिंकुमनि बसुमटारी ।। 75 ● दोंबा लिमारिक, खुंग्रा कचारी ।। 76 ● अखाफोर, जीउमाश्री बसुमटारी ।। 76 ● मानो ?, मुश्री नेरसोन जो: बसुमटारी ।। 76
Need For A Relook At The Undergraduate Education System Of India ● Ms. Dipali Deka || 77
Death ● Nandita Hajong || 80
Plays That Never Grow Old ● Jutika Basumatary || 81
Renaissance Movement in India and Nawab Abdul Latif ● Prof. Abdul Mozid Mandal || 82
The Man Who Discovered Outer Space ● Nandita Hazong || 84


**POEM**


● Sky, Kuntala Das || 85 ● To You, Dipankar Rajbongshi || 85 ● Stranger, Amit Rabha || 85 ● Patriotism,Nakul Kachary || 86 ● What is life?, Mehjubin Bosir || 86 ● Heart's Emotion, Dharmendra Boro Patgiri || 87
বিভাগীয় সম্পাদক-সম্পাদিকাৰ প্ৰতিবেদন ।। ৮৭-৯৭
মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাসমূহৰ ফলাফল ।। ৯৮

# অধ্যক্ষৰ কলম



সাম্প্ৰতিক কালত অসমৰ প্ৰাদেশীকৃত কলেজ সমূহৰ শিক্ষাৰ মান প্ৰত্যাশিত ধৰণে উন্নত হৈছে বুলি ক'ব নোৱাৰি। সময় থাকোতেই এই দিশত সঠিক পদক্ষেপ নল'লে অসম চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত ঐতিহ্যমণ্ডিত কলেজ সমূহৰ মান দিনক দিনে অৱনতিৰ ফালেলৈ ধাৱিত হ'ব। শিক্ষকতা এটি মহান বৃত্তি। এই বৃত্তিত নিয়োজিত সকলৰ অনিবাৰ্যভাৱে থাকে সামাজিক দায়বদ্ধতা। এই বৃত্তিৰ অধিকাৰী সকলক অৱসৰ গ্ৰহণ কৰাৰ পাছতো সমাজে সন্মান যাচে। আগৰ দিনত শিক্ষক-শিক্ষয়িত্ৰীসকলে কম উপাৰ্জন কৰিলেও তেখেত সকল উচ্চ সা-সন্মানৰ অধিকাৰী আছিল। বৰ্তমান কালতো এই সন্মান অটুট ৰাখিবলৈ শিক্ষকসকলে নিজৰ উজ্জ্বল ভাবমূৰ্তি অক্ষুণ্ণ ৰাখিব লাগিব।

চৰকাৰৰ সুস্পষ্ট শিক্ষানীতিৰ অভাৱ, গুৱাহাটী বা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰম্পৰাগত ছিলেবাছ, ভৱিষ্যত কৰ্ম সংস্থানৰ প্ৰতিশ্ৰুতি বহন নকৰা পাঠ্যক্ৰম, উচ্চ শিক্ষাৰ দায়িত্বত থকা আমোলা বিষয়া সকলৰ অদূৰদৰ্শিতা আৰু বিশেষকৈ অধ্যক্ষ সমন্বিতে শিক্ষক-শিক্ষয়িত্ৰীৰ ক্ৰমবৰ্ধমান দায়িত্বহীনতা, কৰ্মৰ প্ৰতি আন্তৰিক নিস্পৃহাই অসমৰ প্ৰাদেশীকৃত কলেজ সমূহৰ অৱক্ষয়ৰ মূল কাৰণ। সেয়েহে আমাৰ ইয়াৰ বহু ছাত্ৰ-ছাত্ৰীয়ে দিল্লী, বাঙ্গালোৰ, পুনে, কলিকতা আদি চহৰৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানলৈ শিক্ষা গ্ৰহণ কৰিবলৈ ধাৱিত হয়। অসমতো কাঠফুলাৰ দৰে গঢ় লৈ উঠা ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান সমূহতে অভিভাৱকসকলে তেখেত সকলৰ ল'ৰা-ছোৱালীক পঢ়োৱাৰ মানসিকতাই চৰকাৰ নিয়ন্ত্ৰিত কলেজসমূহৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম হোৱাটো আন এটা কাৰণ। অৱশ্যে ব্যক্তিগত শিক্ষানুষ্ঠান সমূহৰ ৰিজাল্ট যথেষ্ট উচ্চত। ব্যক্তিগত খণ্ডৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ গুণগত শিক্ষাৰ মানদণ্ড প্ৰাদেশীকৃত কলেজ সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীতকৈ উন্নত নহয়। কিন্তু ব্যক্তিগত খণ্ডৰ শিক্ষক-শিক্ষয়িত্ৰী লগতে ছাত্ৰ-ছাত্ৰীৰ নিয়মানুবৰ্তিতা, নিষ্ঠা, আন্তৰিকতা আৰু পৰিচালনা সমিতিৰ বাধ্যতামূলক অনুশাসন ব্যৱস্থাৰ বাবে পৰীক্ষাৰ ফলাফল ভাল হোৱাৰ মূল কাৰণ।

প্ৰাদেশীকৃত কলেজ সমূহত শিক্ষক-শিক্ষয়িত্ৰীয়ে যদি নিয়মিত ভাৱে কলেজত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীৰ প্ৰতি দায়িত্ব লৈ ক্লাছ কৰে তেন্তে ৰিজাল্ট আগতকৈ অন্তত শতকৰা ১০ ভাগ উন্নত হব।

এইটো স্বীকাৰ্য যে এনে বহু শিক্ষক-শিক্ষয়িত্ৰী আছে যি সকলে কলেজখনকে নিজৰ ঘৰ বুলি ভাবি কলেজখনৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে দেহে কেহে লাগি থাকে। দুই চাৰিজন শিক্ষক-শিক্ষয়িত্ৰীৰ নিষ্ঠা ও কৰ্তব্যপৰায়ণতাৰ উদাহৰণ এনেধৰণৰ যে কলেজখনৰ ৰিজাল্ট বেয়া হ'লে তেখেতসকলৰ টোপনি নাহে। শিক্ষক সমাজৰ বাবে এইটো গৌৰৱৰ কথা। এনে নিষ্ঠাবান শিক্ষক-শিক্ষয়িত্ৰীৰ পৰিমাণ যিমানেই বৃদ্ধি হ'ব সিমানেই অনুষ্ঠানখনৰ লগতে সমাজখনৰো শ্ৰীবৃদ্ধি হ'ব। বৰ্তমান কালত কলেজ সমূহত আদৰণী সভা আৰু কলেজ নিৰ্বাচনীত প্ৰায়েই বিশৃঙ্খল ঘটা দেখা যায়। আদৰণী সভা আৰু কলেজ নিৰ্বাচনৰ এই বিশেষ দিন দুটাত অধ্যক্ষ আৰু সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰম্ভণীৰ পৰা শেষলৈকে উপস্থিত থাকি, ছাত্ৰ-ছাত্ৰীৰ লগত সহযোগিতা আগবঢ়ালে সম্পূৰ্ণভাৱে বিশৃঙ্খলতা ৰোধ কৰিব পাৰি।

অসমৰ শিক্ষা জগতৰ উজ্জ্বল ভবিষ্যতৰ কথা ভাবি অধ্যক্ষই হওঁক কিম্বা শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দই হওঁকএটা কথা মনত ৰাখিব লাগে যে তেখেত সকল এটা নিৰ্দিষ্ট সময়ৰ বাবেহে কলেজত চাকৰি কৰে, কিন্তু কলেজখনে যুগ যুগ ধৰি অঞ্চলৰ লগতে দেশখনৰ মানৱ সম্পদ গঢ়াৰ স্থায়ী অনুষ্ঠান। এনে হেন মহান অনুষ্ঠানৰ প্ৰতি শ্ৰদ্ধা জনাই সকলোৱে মিলিজুলি সাধ্যানুযায়ী কাম কৰি গ'লে নিজৰ লগতে শিক্ষা জগতৰো মান অক্ষুণ্ণ থাকিব।

# সম্পাদকীয়



প্ৰতিবেদনৰ আৰম্ভনিতে মই সেই বীৰ শ্বহীদ সকলক এবাৰ শ্ৰদ্ধাৰে সুঁৱৰিব খুজিছো যি সকলে ব্যক্তি স্বাৰ্থৰ বিপৰীতে সমাজৰ স্বাৰ্থত একদিনষ্ঠতাৰে আত্মনিয়োগ কৰি তথা আত্ম বলিদান দি স্বদেশ আৰু লগতে জাতিটোক বিদেশীৰ কবলৰ পৰা আঁতৰাই বিশ্ব দৰাবাৰত এক সুকিয়া স্থানত অধিষ্ঠিত কৰিলে। সেই মহাত্মাসকলৰ পূণ্যস্মৃতিৰ বেদীত মই অশ্ৰু অঞ্জলি নিবেদিছো।

২০০৫-২০০৬ বৰ্ষৰ দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ আলোচনী সম্পাদিকাৰ দায়িত্বভাৰ অৰ্পন কৰি মহাবিদ্যালয়খনৰ বৌদ্ধিক দিশটি লৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়া সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধবী সকলোলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মই আলোচনী সম্পাদিকা হিচাপে দুধনৈ মহাবিদ্যালয়ৰ ২০০৫-২০০৬ বৰ্ষৰ আলোচনীখনি প্ৰকাশৰ ক্ষেত্ৰত সফল বা বিফল কেনে ধৰণৰ সেৱা আগবঢ়ালো এই মূহুৰ্ত্তত সেয়া নিশ্চয় আপোনালোকে বিচাৰ কৰিব পাৰিছে। আলোচনী সম্পাদনা সম্পৰ্কত মোৰ পূৰ্ব্বৰ তেনে কোনো বিশেষ অভিজ্ঞতা নাছিল। সঁচা কথা কবলৈ গ'লে স্বইচ্ছাৰে মই এই পদত উঠা নাছিলো। শুভাকাংশী বন্ধু-বান্ধৱী সকলৰ উৎসাহ-উদ্দীপনাই আজি মোৰ মনত এই গুৰু দায়িত্ব গ্ৰহণ কৰিবলৈ প্ৰেৰণা যোগালে।

**মহাবিদ্যালয়ৰ আলোচনীখনিৰ সম্পৰ্কত দুআষাৰ :—**

এখন মহাবিদ্যালয়ৰ আলোচনী বুলি ক'লে আমি এনে এখন বিশেষ পত্ৰিকাৰ কথা বুজি পাঁও য'ত সেই মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰু সকলৰ নিজস্ব প্ৰতিভা সমূহ তেওঁ লোকৰ লিখনিৰ মাধ্যমেৰে প্ৰকাশিত হয় আৰু লগতে মহাবিদ্যালয়খনৰ বৌদ্ধিক দিশটোৰ মানদণ্ডৰ এটি স্পষ্ট ধাৰণা ল'ব পৰা যায়। সেয়েহে আলোচনীখনিৰ গুণগত মানদণ্ড উন্নত কৰিবলৈ আমি সকলোৱে যত্নপৰ হোৱা উচিত। আলোচনীএখন উন্নত মানদণ্ডৰ হব লাগিলে কেবল মাত্ৰ ইয়াক দেখিবলৈ ধুনীয়াকৈ ছপোৱাটোৱেই প্ৰথম গুৰুত্বপূৰ্ণ উদ্দেশ্য হব নোৱাৰে, আলোচনীখনত অন্তৰ্ভূক্ত লিখনি সমূহৰ বিষয়বস্তুবোৰৰ সৌন্দৰ্য, ইয়াৰ তথ্য, ৰুচি আৰু নৈতিক উদ্দেশ্যহে হব লাগিব অতি গুৰুত্বপূৰ্ণ বিষয়। এখন ভাল আলোচনী তত্বগধুৰ লিখনি ৰস ৰচনা, আৰু বিভিন্ন জ্ঞান বৰ্দ্ধক বিষয় তথা তথ্যৰ সমাহাৰ হোৱাৰ লগতে দেখিবলৈ শুৱনি হোৱাটো অৱশ্যেই বাঞ্ছনীয়।

**মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল, শিক্ষাগুৰুসকল আৰু ইয়াৰ বাৰ্ষিক আলোচনী খন :—**

এখন মহাবিদ্যালয়ৰ আলোচনীখনৰ সম্পৰ্কত ছাত্ৰ-ছাত্ৰী সকলৰ গধুৰ দায়িত্ব আছে, কাৰণ আলোচনীখন প্ৰকাশ কৰি উলিয়াবৰ কাৰণে যিবিলাক লিখনিৰ প্ৰয়োজন হয় সেইবোৰ মুখ্যত : ছাত্ৰ-ছাত্ৰী সকলে সৃষ্টি কৰাটো বাঞ্ছনীয়। ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ নিজস্ব আদৰ্শ, চিন্তা তথা ভাবধাৰাক এই আলোচনীখনিৰ মাধ্যমেৰে প্ৰকাশ কৰাৰ এটি সুবৰ্ণ সুযোগ লাভ কৰিব পাৰে। আমাৰ পুজনীয় শিক্ষাগুৰু সকলেও তেওঁলোকৰ মূল্যবান লিখনিসমূহ আলোচনীখনিলৈ প্ৰকাশৰ বাবে আগবঢ়াই ইয়াক উন্নত মানদণ্ডৰ কৰি গঢ়ি তোলাত অৰিহনা যোগোৱাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলকো লিখাৰ মহান অভ্যাস গঢ়ি তুলিবলৈ প্ৰেৰণা যোগাব পাৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধবী সকলে নিজস্ব লিখনি সমূহ স্বইচ্ছাৰে আলোচনী সম্পাদিকা সম্পাদকক দিবলৈ আগ্ৰহী হোৱা উচিত। নিজৰ মহাবিদ্যালয়খনৰ বাৰ্ষিক আলোচনীখন উন্নত মানদণ্ড হোৱাটো আমি প্ৰত্যেকে বিচৰা উচিত। গুৱাহাটি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত সকলো মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী সমূহৰ মাজত চলি অহা প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনে শীৰ্ষস্থান লাভ কৰাটো আমি সকলোৱে আন্তৰিকতাৰে কামনা কৰা উচিত অৱশ্যেই তাৰ বাবে লাগিব আমাৰ সকলোৰে গভীৰ অধ্যয়ন, সাধনা, আৰু অক্লান্ত শ্ৰম।

মোৰ কাৰ্যকালত আলোচনীখনি প্ৰকাশৰ কাৰণে যিখিনি লিখনিৰ প্ৰয়োজন হৈছিল সেইখিনি গোটাবলৈ মই যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল। সেইবাবেই আলোচনীখন প্ৰকাশ কৰাত অনিচ্ছাকৃত ভাবেই যথেষ্ট পলম হৈগ'ল।

পৰিশেষত, প্ৰতিবেদনখনি সমাপ্ত কৰাৰ আগ মূহুৰ্ত্তত মই শলাগ ল'ব বিচাৰিছো সেই ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবীসকলৰ যিসকলে অশেষ ত্যাগ স্বীকাৰ কৰি মোলৈ সহায়ৰ হাত আগবঢ়াইছিল। আলোচনী বিভাগৰ তত্বাবধায়ক প্ৰবক্তা মাননীয় ড° ৰজত ৰাভা, দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় মাননীয় ড° গোপাল ফুকন, প্ৰবক্তা শ্ৰীযুত হৰকুমাৰ নাথ, প্ৰবক্তা মাননীয়া দীপালী ডেকা, মাননীয় জীবেশ্বৰ কোঁচ আৰু শ্ৰীযুত ৰূপজ্যোতি মজুমদাৰ দেৱলৈ তেওঁলোকে বিভিন্ন ধৰণে আগ বঢ়োৱা পৰামৰ্শ তথা সহায়ৰ বাবে মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেওঁলোকৰ বহুমূলীয়া উপদেশ তথা নিৰ্দ্দেশনা অবিহনে হয়টো মই এই কামখিনি নিয়াৰিকৈ সমাধা কৰিবলৈ সক্ষম নহলোহেতেন।

সদৌ শেষত কাৰ্যকালৰ সময়ছোৱাত অজানিতে কৰা ভূল ক্ৰটিৰ বাবে সকলোৰে ওচৰত মই সবিনয়ে ক্ষমা-ভিক্ষা মাগিছো। লগতে দুধনৈ মহাবিদ্যালয় তথা ইয়াৰ ছাত্ৰ একতা সভাৰ এক উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ চমু প্ৰদিবেদনখনি সামৰিছোঁ।

জয়তু দুধনৈ মহাবিদ্যালয়

(জয় আই অসম)

**শ্ৰীঅমৃতা ৰাভা**

আলোচনী সম্পাদিকা



Some Members of Executive Body, Dudhnoi College Students' Union 2006



Members of 'Editorial Board', College Magazine

**Left to Right :** Prof. R. Mazumdar (Member), Prof. H. Nath (Member), Dr. R.C. Rabha (Prof. incharge) Dr. G. Phukan (Principal, President), Prof. Ms. D. Deka (Member), Miss A. Rabha (Editor), Prof. J. Koch (Member).



**Ms. Karabi Nath**
Secured 77.2% marks in
HS IInd Year Arts Exam 2006



**Ms. Ananda Karmakar**
Secured 75% marks in
HS IInd Year Arts Exam 2006



**MR. DUDHNOI COLLEGE 2006**
Sri. Dijen Daimary

## DUDHNOI COLLEGE STUDENTS' UNION, 2005 - 2006



**Nityananda Mech**
General Secretary



**Miss Amrita Rabha**
Editor, College Magazine



**Sri Atus Boro**
Secretary, Major Games



**Sri Amit Rabha**
Secretary, Football & Crocket



**Miss Luna Basumatary**
Secretary, Girls' Common Room



**Sri Nabajyoti Rabha**
Editor, Board Magazine



**Sri Khungkhra Kachary**
Secretary, Social Service



**Sri Hemanta Boro**
Secretary, Cultural



**Sri Dharmendra Boro Patgiri**
Secretary, Boys' Common Room

# দুধনৈ মহাবিদ্যালয় আলোচনী

বাৰ্ষিক প্ৰকাশ
৩১তম বৰ্ষ ঊনবিংশ সংখ্যা
২০০৫-০৬ শিক্ষাবৰ্ষ

**তত্ত্বাৱধায়ক**
ড° ৰজত ৰাভা

**সম্পাদিকা**
অমৃতা ৰাভা

# দুধনৈ মহাবিদ্যালয় আলোচনী


**সম্পাদনা সমিতি :**

**সভাপতি :**
অধ্যক্ষ ড° গোপাল ফুকন, *এম. এচ. চি., পি. এইচ. ডি.*

**তত্বাবধায়ক :**
ড° ৰজত ৰাভা, *এম. এ. (ডবল), পি. এইচ. ডি.*

**সম্পাদিকা :**
অমৃতা ৰাভা

**সদস্যবৃন্দ :**
হৰকুমাৰ নাথ, *এম. এ., এম. ফিল.*
দিপালী ডেকা, *এম. এচ. চি., বি. এড.*
জীৱেশ্বৰ কোচ, *এম. এ.*
ৰূপজ্যোতি মজুমদাৰ, *এম. এ.*
স্বৰ্ণ বসুমতাৰী, *(সাধাৰণ সম্পাদক)*

**বেটুপাত :**
মনোজ

**ছপা :**
*চিটি অফছেট, আনন্দনগৰ, আদাবাৰী তিনি আলি, গুৱাহাটী-১২,*
*ফোন : ০৩৬১-২৫৭১২৬৯, মো : ৯৪৩৫৫-৪০৪৪৬*




# প্ৰতিভা আৰু প্ৰত্যাহ্বান


সোনালী ৰাভা
উ. মা. ২য় বৰ্ষ (কলা)


পৃথিৱীত এনে বহু ধৰণৰ বহু লোক আছে যিসকলে চকুৰে নেদেখে, কাণেৰে নুশুনে বা চলা-ফিৰা কৰিব নোৱাৰে। শাৰীৰিক বাধা গ্ৰস্ততাৰ হেতু তেওঁলোকৰ নানা সমস্যা থাকে। কিন্তু মনোবলৰ সহায়ত তেওঁ লোকেও ৰচনা কৰিব পাৰে ইতিহাসৰ নতুন অধ্যায়। সাফল্যৰ পথত বাধাগ্ৰস্ততা কোনো হেঙাৰ হব নোৱাৰে।

ৰোগ-ব্যাধিয়েও বহু সময়ত বহু প্ৰতিভাসম্পন্ন জনকো সৃষ্টিশীল কৰ্মত আগুৱাই যোৱাত বাধাৰ সৃষ্টি কৰে। অথচ সেই বাধাকো অতিক্ৰম কৰিব পাৰি যদি থাকে প্ৰচুৰ ইচ্ছাশক্তি।

সৃষ্টিশীল মনৰ কোনোজনৰ বাবে অপ্ৰকাশ্য অনুভৱক সাকাৰ ৰূপ দিব নোৱাৰাৰ যন্ত্ৰণা হৈ পৰে দূৰ্বিসহ। সৃষ্টিশীল মানুহৰ মন সাধাৰণতে অতিকে স্পৰ্শ কাতৰ। সৃষ্টিৰ তাড়নাত ককবকাই থকা জনৰ যন্ত্ৰণাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। এক নিবিড় নিৰ্জনতাত চুব গৈ থাকি ভিন্নৰ মাজতো নিঃসঙ্গ, উদাস মনেৰে এই যন্ত্ৰণাৰ ছবি ফুটাই তোলাৰ সাধনাৰ মাজতে থাকে লেখকৰ অনাবিল আনন্দ। প্ৰাপ্তিৰ সীমানা কল্পনাৰ দিকবলয়। চুই চাব খোজা সেই প্ৰাপ্তিৰ সীমাৰেখাৰ দিকবলয়। লেখকৰ সুখ, দুখ নিৰবদি নিৰন্তৰ। কলম থমকি ৰয় অথচ সৃষ্টিৰ তাড়না স্ৰোতে সৃষ্টিশীল জনৰ প্ৰাণত হাঁহাকাৰৰ পাৰ ভাঙে। চিত্ৰকৰ থমকি ৰয়, ৰং তুলিকাই উপলুঙা কৰে, সন্তুষ্টিৰ হাঁহি বিৰিঙি উঠিবলৈ নৌ পাওঁতেই অনুভৱৰ কেচা সেউজীয়া ৰং লেখকৰ হাতৰ মুঠিতে টুকুৰ টুকুৰ হয়।

কবিতা এটাই পাখি মেলি উৰিবলৈ ধৰোতেই কবিৰ মোহভঙ্গ ঘটে। আধা লেখা পাণ্ডুলিপিৰ মাজত হৃদয় জোকাৰি যোৱা অনুভৱে মৃত্যুৰ সমাধি ৰচে। এক অৰ্থত সৃষ্টিৰ তাড়নাই লেখক শিল্পীৰ মনৰ মাজত সৃষ্টি কৰে তথাপিও ইয়াৰ মাজতে আছে প্ৰকাশৰ দূৰত্ব বাসনা। সৃষ্টিৰ আনন্দৰ অতল গহ্বৰলৈ কোনোবাজন বাচি থাকে, কোনো বা জন নিজৰ অস্তিত্বকে হেৰুৱাই পেলায়। আৰু কোনো কোনোজনক কোনো বিশেষজনে নিৰ্দয় ভাৱে হত্যা কৰে। ঠুনুকা হয় ৰূঢ় বাস্তৱৰ সতে চুক্তি ভঙ্গ কৰে।

প্ৰতিভাৰ কালিকা প্ৰতিভাৰ সংজ্ঞা নিৰূপণ কৰিবলৈ গৈ চাৰ্লচ ডিকেনচে কৈছিল — One percent talent and ninty nine percent capacity for painstaking. ডিকেনচৰ বিচাৰত প্ৰতিভা হ'ল এভাগ সাধাৰণ বুদ্ধি আৰু নিৰানব্বৈ ভাগেই হ'ল কষ্ট স্বীকাৰ কৰিব পৰা সামৰ্থ। বহুতৰ বিশ্বাস জন্মসূত্ৰেই কোনোজনে প্ৰতিভাক কঢ়িয়াই লৈ আহে। তেনে ধাৰণাকেই লৈ বহুতেই কয় কবি, শিল্পীৰ জন্ম হয় তৈয়াৰ কৰা নহয়। এই কথাও সত্য যে পৃথিৱীৰ প্ৰতিজন সুস্থ সৰল, মানুহেই যিকোনো এটা কামৰ উপযুক্ত। পৰিতাপৰ বিষয় হ'ল কোনোজন কোনটো কৰ্মৰ বাবে উপযুক্ত, কোনোজন কেনে প্ৰতিভাৰ অধিকাৰী সেইটো উপযুক্ত বিচাৰ কৰি উলিওৱাটোহে।

প্ৰতিভাৰ এক নিজস্ব কলিকা আছে। যিদৰে ধূলিকণা এটিৰো নিজস্ব অস্তিত্ব প্ৰকাশৰ একোটি মাধ্যম আছে। দুবৰিত নিযৰৰ অথবা ৰ'দ লাগি জিলিকি উঠা বালি-চন্দা এটিয়েও নিজৰ অস্তিত্বক উজ্বলাই তোলাৰ দৰে সৃষ্টি সাধকে প্ৰতিভাক সসীমৰ পৰা অসীমলৈ লৈ যায়। তাহানিৰ ঋষি মুণি সকলে নিৰ্বাণ লাভৰ বাবে সাধনাত মগ্ন হোৱাৰ দৰে সৃষ্টিশীল লেখক, শিল্পীৰ সৃষ্টিকৰ্মৰ বাবে তেনে কঠোৰ সাধনাৰ বিকল্প নাই। সাধনাত ভোগতকৈ ত্যাগৰ বাসনা বেছি। কোনোজন মহৎ শিল্পী, সাহিত্যিকৰ জীৱন যোৱা কৃচ্ছ সাধনাৰ ফোল ভোগ কৰে লক্ষ লক্ষ জনে অনাদি অনন্ত কাল। প্ৰতিভাৰ কালিকাক সঁচা ৰূপ দিবলৈ কঠোৰ শ্ৰম, অধ্যাবসায়ৰ প্ৰয়োজন। য'ত সন্তুষ্টিৰ পৰিমান সাধাৰণতেই কম, অসন্তুষ্টি, অপ্ৰাপ্তিৰ যন্ত্ৰণাই সৃষ্টিশীল জনৰ মন প্ৰাণ ক্ষত-বিক্ষত কৰি তোলে। চকুৰ আগতে ঘটি থকা বৈচিত্ৰময় নানা ঘটনাক শিল্পীক ৰূপ দিয়াৰ কথা চিন্তা কৰিও কবি, শিল্পী সাহিত্যিকৰ মন বহুসময়ত হতাশাগ্ৰস্তহৈ উঠে। নিসৰ্গৰ বিপুলায়তন বৈভৱৰ ওচৰত মানুহ সদায় নিঃসহায় পুতৌৰ পাত্ৰ। পুৱাৰ ৰদোজ্জ্বলতাক কোনো চিত্ৰকৰে কেনভাতে তুলি ধৰিবলৈ যাওঁতে—হয়তো দুচকুৰে দুধাৰি চকুলো বৈ আহে। কি ৰঙৰে চুই যাব পাৰে সেই নিসৰ্গৰ বিস্ময়। এটোপাল মাত্ৰ নিয়ৰ তাৰ বুকুতে শত সহস্ৰ যুগৰ বিস্ময় বিমুগ্ধ সৌন্দৰ্যৰ তনু বিচাৰি ফুৰোতে কবিৰ মন প্ৰাণ যন্ত্ৰণাৰ উৎসলৈ পৰিণত হোৱাৰ মিলন সঁচা ছবি সেয়া বহু সময়তে

অপ্ৰকাশ্য হৈয়েই ৰৈ যায়। অসহায় বোধে অস্থিৰ কৰি তোলে সৃষ্টিশীল মনৰ মাজত ভাৱ কল্পনা নিৰবধি স্ৰোতা। অথচ সীমাবদ্ধতাই সংকুচিত কৰি আনে সৃষ্টি দিগন্তৰ সীমাৰেখা। প্ৰতিভাৰ অভাৱ নে সৃষ্টিসাধনাৰ প্ৰতি যথোচিত শ্ৰমৰ অভাৱ এই সীমাবদ্ধতাৰ কাৰণ? শব্দৰ কালিকাৰ ওচৰত কলম থমকি ৰয়। অপ্ৰাপ্তিৰ যন্ত্ৰণাই ক্ষত বিক্ষত কৰি তোলা হৃদয়ৰ ছবি অংকন কৰিব নোৱাৰাৰ অক্ষমতাই কোনো চিত্ৰকৰ, শিল্পীক তিল্ তিল্কৈ মৃত্যু—গহ্বৰলৈ মেলি দিয়ে। কি নিদাৰুণ এই পৰিণতি। ইয়েটছৰ দৰে মহান কবিয়ে যন্ত্ৰণাক তুলি ধৰি কৈছে—

I could recover if I shricked
My heart's agony
To Passing bird, but I am
Dumb from human dignity.

প্ৰতিভা কেতিয়াবা জন্মসূত্ৰে আৰু বহুসময় সৃষ্টি সাধনাৰ ফলস্বৰূপে পোৱা যায়। বহু বিশাল প্ৰতিভাৰ গৰাকী হৈয়েও কেতিয়াবা প্ৰতিভাৰ স্ফুৰণ কলিতেই যেন মৰহি যায়। নানা প্ৰত্যাহ্বান, নানা ঘাত-প্ৰতিঘাতে কেতিয়াবা ৰুদ্ধ কৰে সৃষ্টিশীল জনৰ সেই পথ।

প্ৰতিভা বিকাশৰ পথত প্ৰত্যাহ্বান কেৱল আজিৰ কথা নহয়। যুগ যুগ ধৰি এনে প্ৰত্যাহ্বানে প্ৰতিভাধৰ সকলক উপযুক্ত স্বীকৃতি লাভৰ পৰা বঞ্চিত কৰাৰ লগতে জীৱন কৰি তুলিছে ক্ষত-বিক্ষত। যন্ত্ৰণাৰ পৰিধি নেওচি যিসকলে সৃষ্টিকৰ্মৰে জীৱনবোধৰ সন্ধানত ব্ৰতী হৈছে সেই সকলৰ পৰাই সমাজজীৱনে লাভ কৰিছে মহৎ অৱদান। প্ৰাচ্য-পাশ্চাত্যৰ শিল্প সাহিত্যৰ ক্ষেত্ৰত তেনে উদাহৰণ দেখাৰ। সমালোচকৰ আক্ৰোশমূলক আচৰণত অতিষ্ঠ, হতাশাগ্ৰস্থ হৈ বহুতো প্ৰতিভা কলিতেই মৰহি যোৱাৰ দৰে বহুতৰ বাবে সেয়া আশীৰ্বাদতো পৰিণত হৈছে। এনে সকলো ধৰনৰ প্ৰত্যাহ্বান নেওচি আগুৱাই যাব পৰা সকলেই প্ৰকৃতাৰ্থ সৃষ্টি সাধনাৰ শীৰ্ষ স্থান আৰোহন কৰিবলৈ সক্ষম হৈছে। সেইসকলৰ হাতত‌েই শিল্প সাহিত্যৰ ভৱিষ্যত সুৰক্ষিত বুলি আশ্বস্ত হ'ব পাৰি।

ইয়াৰ ওপৰিও শাৰীৰিক ভাৱে বাধাগ্ৰস্থ লোকসকলেও কেনেকৈ তেওঁলোকৰ অদম্য মনোবলৰ সহায়ত ৰচনা কৰিব পাৰে ইতিহাসৰ নতুন অধ্যায় তাৰ উদাহৰণ অলেখ আছে। সাফল্যৰ পথত বাধা গ্ৰস্থতা কোনো হেঙাৰ হ'ব নোৱাৰে। সেই সকল মহান ব্যক্তি কেইজনমান হ'ল—হেলেন কেলাৰ, ষ্টিফেন হকিন্স, সুধাচন্দ্ৰন বা ৰিতম ডেকাৰ দৰে ব্যক্তি।

তেনে এজন মহান ব্যক্তি হ'ল গুৱাহাটীৰ আমবাৰী অঞ্চলৰ উদীয়মান যুবক সংগ্ৰামজ্যোতি চৌধুৰী। তেওঁ কথা ক'ব নোৱাৰে আৰু কাণেৰেও নুশুনে। কিন্তু হাতৰ তুলিকাৰে জীৱন্ত কৰি তোলে এখনৰ পিছত আন এখন চিত্ৰ। তেওঁৰ অসামান্য প্ৰতিভাৰ বিষয়ে বাকশক্তিহীন সংগ্ৰামৰ হৈ মাতৃয়েই কৈ গৈছিল সংগ্ৰামৰ সংগ্ৰামী সত্তাৰ কথা। অৱশ্যে সংগ্ৰামজ্যোতিয়ে অকল চিত্ৰকলাৰ ক্ষেত্ৰতে পাৰদৰ্শী এনে নহয়, খেলা-ধূলা ইত্যাদিতো সমানেই আগ্ৰহী। তেওঁ এজন সুদক্ষ ফুটবল খেলুৱৈও।

তেনেকুৱা আন এজন আজন্ম দৃষ্টিহীন কিন্তু গভীৰ আত্ম-বিশ্বাসী লোক হ'ল স্বেচ্ছাসেৱী সংগঠন এটিত কৰ্মৰত প্ৰসন্ন কুমাৰ পিল্লা। পূৰ্বে অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ যুটীয়া সঞ্চালক ৰূপে কাৰ্যনিৰ্বাহ কৰা পিল্লা হ'ল ইংৰাজী সাহিত্যৰ এম. এ আৰু আইনৰো স্নাতক। তেওঁ অনেক বাধা হেলাওঁৰে অতিক্ৰম কৰি আহি এই পৰ্যায়ত উপনিত হৈছে।

আত্ম মৰ্যাদা সম্পৰ্কে সচেতন আৰু অতি সংবেদনশীল এই ব্যক্তি গৰাকীয়ে এঘন্টাযোৰা সাক্ষাৎকাৰত নানা দিশত আলোকপাত কৰি গৈছিল। তেওঁ কোৱা সুদীৰ্ঘ বক্তব্যৰ সাৰমৰ্ম হ'ল—

* শাৰীৰিকভাৱে বাধাগ্ৰস্ততা মানে অক্ষমতা নুবুজায়।
* সকলো শাৰীৰিক বাধাগ্ৰস্ততাই মৌলিক শক্তিৰে ভৰপুৰ।
* বাধাগ্ৰস্ততা পুতৌ বা সহানুভূতিৰ ক্ষেত্ৰ নহয়, বৰঞ্চ ই মানৱ অধিকাৰ আৰু উন্নয়নৰ স'তে জড়িত বিষয়।
* মানৱ বৈচিত্ৰিক মানি ললেহে বাধাগ্ৰস্ত সকলৰ প্ৰতি সুবিচাৰ কৰা হ'ব।
* বাধাগ্ৰস্তসকল মুখা-মুখি হোৱা যিবোৰ বাধা আঁতৰ কৰাৰ বাবে কাৰ্যকৰী পদক্ষেপৰ প্ৰয়োজন।
* বাধাগ্ৰস্ত সকলোৰেই মৰ্যাদাপূৰ্ণ জীৱন অতিবাহিত কৰাৰ অনুকুল পৰিৱেশ সৃষ্টি কৰিব লাগিব।

যিসকলৰ অমায়িক ব্যক্তিত্বই সকলোকে মুগ্ধ কৰিছিল। তেওঁলোকৰ আদৰ্শ অনুকৰণীয়।

# আমাৰ পৰিৱেশ : এটি পৰ্য্যালোচনা

আব্দুল কাদেৰ

আমাৰ চাৰিওফালে থকা জড় বা অজড়, ভৌতিক বা অভৌতিক, মাটি, পাণী আৰু বায়ুৰ ওপৰিও আমাৰ সামাজিক আৰু আৰ্থিক অৱস্থাও আমাৰ পৰিৱেশৰ অন্তৰ্ভুক্ত। আজিৰ পৰা কেই বা দশকখান আগলৈকে মানুহে পৰিৱেশ বা পাৰি পাৰ্শ্বিকতাৰ বিষয়ে বৰকৈ চিন্তা-চৰ্চা কৰা নাছিল। কাৰণ তেওঁলোকৰ কাম কাজে প্ৰকৃতি আৰু পৰিৱেশৰ ওপৰত তেতিয়ালৈকে যি প্ৰভাৱ পেলাইছিল, প্ৰকৃতিয়ে নিজে তাক চম্ভালিলে, পৰিশোধন কৰি সুস্থিৰ হৈ থাকিব পাৰিছিল।

মানুহে উন্নত কাৰিকৰি কৌশল আয়ত্ব কৰি দ্ৰুত গতিত প্ৰকৃতি আৰু পৰিৱেশ বিধ্বংশ কৰিবলৈ লোৱাৰ ফলত পৰিৱেশৰ সহন-সীমা পাৰ হৈ গৈছে। এতিয়া এনে দিন আহিছে যে বিনষ্ট আৰু প্ৰদুষিত পৰিৱেশৰ ফলত জীৱ জগতৰ অশেষ ক্ষতি হবলৈ আৰম্ভ কৰিছে আৰু আটাইতকৈ বেছি ক্ষতি গ্ৰস্ত হৈছে মানুহ নিজেই। চিকিৎসা বিজ্ঞানৰ উন্নতিৰ লগে লগে আমাৰ পৰিৱেশৰ যথেষ্ট পৰিবৰ্ত্তন হৈছে আৰু পৃথিৱীৰ জনসংখ্যা দ্ৰুত হাৰত বৃদ্ধি পাবলৈ ধৰিছে। অত্যাধিক জনবিস্ফোৰণৰ ফলত নানা ভাৱে প্ৰাকৃতিৰ ওপৰত চাপ পৰিছে আৰু প্ৰকৃতিৰ ভাৰ সাম্যতা বিনষ্ট হৈছে। তাৰোপৰি এই বৰ্দ্ধিত জনসংখ্যাৰ বাবে ভূমিৰ নাটনি হৈছে। খাদ্য শস্য আৰু অন্যান্য শস্যৰ উৎপাদনৰ ওপৰত গুৰুত্ব আৰোপ কৰি পৃথিৱীৰ প্ৰায়ে সকলো দেশেই উন্নত বীজ, কৃষিৰ উন্নত সা-সজুলি, কীট নাশক দ্ৰব্য, উন্নত ধৰণৰ ঔষধ পাতি, ৰাসায়দিক সাৰ ইত্যাদিৰ সৰবৰাহ বৃদ্ধি কৰিছে। উন্নত কৃষি ব্যৱস্থাৰ ফল স্বৰূপে মানৱ সমাজত দুৰ্ভিক্ষ নাইকিয়া হৈছে ঠিকেই, কিন্তু আধুনিক কৃষি ব্যৱস্থাৰ সম্প্ৰসাৰনে আমাৰ পৰিৱেশ যথেষ্ট পৰিমানে প্ৰদূষিত কৰিছে। কৃষিক্ষেত্ৰত ব্যৱহাৰ কৰা ৰাসায়নিক সাৰ আৰু ঔষধ পাতিয়ে মাটিৰ উপৰি ভাগত থকা বিভিন্ন প্ৰকাৰৰ অণুজীৱ যেনে: ভেকুৰ, বেক্টেৰিয়া, কেঁচু, কুমটি আদি প্ৰাণীৰ যথেষ্ট অদিষ্ট সাধন কৰে। মাটিৰ উপৰি ভাগত থকা এই অণুজীৱ সমূহে মাটিত হিউমাছৰ পৰিমান বৃদ্ধি কৰে আৰু মাটিৰ উৰ্ব্বৰতা বঢ়ায়। হিউমাছ যুক্ত মাটিৰ পাণী ধাৰণ ক্ষমতা বেছি। ৰাসায়নিক সাৰ প্ৰয়োগ কৰাৰ ফল স্বৰূপে মাটিত থকা এই অণুজীৱ সমূহৰ মৃত্যু ঘটে আৰু মাটিত হিউমাছৰ পৰিমান কমি যায়। এইদৰে কৃষি ক্ষেত্ৰত ব্যৱহাৰ কৰা ৰাসায়নিক সাৰে জীৱ জগতৰ ক্ষতি সাধন কৰি পৰিৱেশৰ ভাৰ-সাম্যতা হানি কৰিছে। কৃষি ক্ষেত্ৰত ব্যৱহাৰ কৰা ছুপাৰ ফছফেটৰ ফলত উদ্ভিদদেহত কপাৰ, জিংক আদিৰ অভাৱ হোৱাৰ ওপৰিও এনে উদ্ভিদৰ ৰোগ প্ৰতিৰোধ কৰাৰ ক্ষমতা কমি যায়। তাৰোপৰি নাইট্ৰজেন, পটাছিয়াম, ফছফৰাছ জাতীয় সাৰ অত্যাধিক প্ৰয়োগ কৰিলে শস্যত প্ৰটিনৰ পৰিমান কমি যায়। এনেকুৱা কম প্ৰটিনযুক্ত খাদ্য শস্য জীৱজন্তু তথা মানৱ জাতিৰ বাৱে ক্ষতিকাৰক। সেই বাবে বৰ্ত্তমান জীৱজন্তু তথা মানুহৰ বেমাৰ আজাৰ বেছি হৈছে। বিশেষকৈ মানুহৰ আয়ু কমিয়ে, অকালতে মৃত্যু হৈছে, কম বয়সতে চুলি পকিছে, চুলি সৰিছে, চকুৰ দৃষ্টি শক্তি কমিছে, উচ্চতা কমি আহিছে, শাৰীৰিক ভাৱে দূৰ্ব্বল হৈছে, ইত্যাদি উপসৰ্গৰ বাবে কৃত্ৰিম পদ্ধতিত ব্যয়হাৰ কৰা ৰাসায়নিক সাৰ আৰু কীট নাশক দ্ৰব্য সমূহেই জগৰীয়া।

সভ্যতাৰ ক্ৰম বিকাশৰ লগে লগে বিভিন্ন উদ্যোগ কল-কাৰখানা, শিল্প প্ৰতিষ্ঠান আদি গঢ়ি উঠিছে। ইয়াৰ ফল স্বৰূপে নানা ধৰণৰ পাৰ্শ্ব প্ৰতিক্ৰিয়া ঘটি প্ৰকৃতিৰ ভাৰসাম্য বিনষ্ট হৈছে। কয়লা, পেট্ৰলিয়ামজাত দ্ৰব্য, প্ৰাকৃতিক গেছ, পেট্ৰল, ডিজেল, কেৰাচিন আদিৰ দহনৰ ফলত নিৰ্গত হোৱা ধোৱাই বায়ু প্ৰদূষণ কৰে। কাৰখানা, ভাপইঞ্জিন, মটৰ গাড়ী আদিৰ পৰা নিৰ্গত ধোৱাই পৰিৱেশ কলুষিত কৰিছে। ইয়াৰ লগলাগিছে কাৰ্বন-ডাই-অক্সাইড, কাৰ্বন-মন-অক্সাইড, ক্লৰিন, নাইট্ৰজেনৰ অক্সাইড সমূহ, হাইড্ৰজেন ক্লৰাইড, এম'নিয়া আদি বিষাক্ত গেছ। ছালফাৰ-ডাই-অক্সাইড গেছ বায়ুমণ্ডলৰ ওপৰৰ স্তৰত জলীয় বাম্পৰসৈতে বিক্ৰিয়া কৰি ছালফিউৰিক এছিডৰ সৃষ্টি কৰে। এই এছিড কুৱলী, বৰষুণৰ কনাৰ লগত বণাঞ্চলত, কৃষিভূমিত বা জন-সমাগমৰ মাজত নামি আহে। এই গেছ সমূহ আমাৰ স্বাস্থ্যৰ পক্ষে অত্যন্ত ক্ষতিকাৰক।

পৰিৱেশৰ ভাৰসাম্য আৰু প্ৰদূষণ প্ৰতিৰোধত উদ্ভিদৰ ভূমিকা অতি গুৰুত্ব পূৰ্ণ। উদ্ভিদৰ পৰা হোৱা পৰিৱেশৰ প্ৰভূত উন্নতিৰ কথা মনত ৰাখি জধেমধে নাকাটি উদ্ভিদ ৰোৱাৰহে ব্যৱস্থা কৰিব লাগে। উদ্ভিদে একোখন

ঠাইৰ পৰিৱেশ নিকা কৰাৰ উপৰিও মানুহ আৰু প্ৰকৃতিৰ লগত এটি সুন্দৰ নন্দনতাত্বিক সম্বন্ধ স্থাপন কৰে। উদ্ভিদে বায়ু প্ৰদূষণ, জল প্ৰদূষণ, শব্দ প্ৰদূষণ আদি ৰোধ কৰে নতুবা এইবোৰৰ পৰিমান কমায়। উদ্ভিদৰ পাতে বায়ুত থকা ছালফাৰ-ডাই-অক্সাইডক ছালফেট লৈ ৰূপান্তৰ কৰে। ছালফাৰ-ডাই-অক্সাইডক ছালফেট জাতীয় যৌগতকৈ অধিক ক্ষতিকাৰক। বহল পাতযুক্ত উদ্ভিদ প্ৰজাতি সমূহে ঠেক, দীঘলীয়া চিৰিলা-চিৰিলি পত্ৰযুক্ত উদ্ভিদতকৈ অধিক পৰিমানে ধূলি-বালি শোষণ কৰে। এই ক্ষেত্ৰত আহঁত, আম, দেবদাৰু আদি উদ্ভিদ প্ৰজাতি বিশেষভাৱে উল্লেখযোগ্য। সেউজীয়া উদ্ভিদে সালোক-সংশ্লেষণ প্ৰক্ৰিয়াৰ দ্বাৰা কাৰ্বহাইড্ৰেট জাতীয় খাদ্য প্ৰস্তুত কৰোতে কাৰ্বন-ডাই-অক্সাইড গেছ শোষণ কৰে আৰু অক্সিজেন বায়ুমণ্ডলত এৰিদিয়ে। এনেদৰে সেউজীয়া উদ্ভিদে এই দুই গেছৰ ভাৰ-সাম্য ৰক্ষা কৰাত সহায় কৰে। কাৰ্বন-ডাই-অক্সাইডৰ মাত্ৰা বায়ুমণ্ডলত বৃদ্ধিপাযে ভূ-মণ্ডলৰ উষ্ণতা বৃদ্ধিত প্ৰভাৱ পৰে। পৰীক্ষাৰ দ্বাৰা প্ৰমানিত হৈছে যে অক (Quercus suger) গছে বায়ুমণ্ডলৰ নিম্নস্তৰত থকা অ'জন গেছ শোষণ কৰাৰ লগতে বায়ুমণ্ডলৰ পৰা নাইট্ৰজেন অক্সাইড আৰু ছালফাৰ-ডাই-অক্সাইড শোষণ কৰি বায়ু প্ৰদূষণ ৰোধ কৰে।

অণুজীৱ সমূহে বিশেষকৈ বেক্‌টেৰিয়া, ভেকুৰ আৰু একটিনমাইচিটিছে মৃত উদ্ভিদ আৰু প্ৰাণী দেহৰ পাচন ঘটায়। বস্থতো অণুজীৱই কৃষিক্ষেত্ৰত ৰাসায়নিক জীৱনাশক প্ৰস্তুত কৰা কাৰখানা সমূহৰ পৰা নিৰ্গত হোৱা জীৱ নাশকৰ অৱশেষ সমূহ, চৰ্ম শোধনকাৰী উদ্যোগ আদিৰ পৰা নিৰ্গত হোৱা গধুৰ ধাতু সমূহৰ জীৱ লঘুকৰন (biodegration) প্ৰক্ৰিয়াত ভাগলৈ পৰিৱেশ নিকাকৰণত সহায়ৰ হাত আগবঢ়ায় বহুতো অণুজীৱই আকৌ পেট্ৰলিয়াম আৰু পেট্ৰলিয়ামজাত সামগ্ৰীৰ দ্বাৰা হোৱা পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰন কৰিব পাৰে।

কৃষিক্ষেত্ৰত জধেমধে ৰাসায়নিক সাৰ, অ পতৃমনাশক, তৃণনাশক, ভেকুৰ নাশক আদিৰ ব্যৱহাৰ নুণ্যতম কৰি নাইবা সমূলি ব্যৱহাৰ বন্ধ কৰি তাৰ ঠাইত জৈৱসাৰ, সেউজসাৰ, কেচুমটা সাৰ আদি ব্যয়হাৰ কৰি সকলো পিনে অনুকূলতা ৰক্ষা কৰিব পাৰি। একেদৰে কীট বা ভেকুৰ নাশক দ্ৰব্য ব্যৱহাৰৰ পৰিবৰ্তে জৈৱিক প্ৰক্ৰিয়াৰ ব্যৱহাৰ কৰিলে প্ৰদূষণৰ পৰা কিছুপৰিমানে হাত সাৰিব পাৰি।

আজিকালি বজাৰত বহল ভিত্তিত পলিথিনৰ দ্ৰব্য, বিশেষকৈ পলিথিনৰ মোনা বিক্ৰি হৈ থাকে। এই বোৰ প্ৰকৃতিত ক্ষয় নাযায় সেই বাবে এই বোৰ মাটিত পোতাগৈ থাকিলে উদ্ভিদৰ বৃদ্ধিত বাধাৰ সৃষ্টি হয়। তাৰোপৰি পুৰিলে এইবোৰৰ পৰা বিষাক্ত কাৰ্বন-ডাই-অক্সাইড আৰু কাৰ্বন-ডাই-অক্সাইড গেছ নিগত হৈ বায়ুমণ্ডল দূষিত কৰে। গতিকে পলিথিন মোনাৰ ব্যৱহাৰ বন্ধ কৰি বিকল্প হিচাপে কাপোৰৰ মোনা ব্যৱহাৰ কৰিলে মাটি তথা বায়ু প্ৰদূষণৰ পৰা কিছু পনিমানে হাত সাৰিব পাৰি।

পৰীক্ষাৰ দ্বাৰা প্ৰমানিত হৈছে যে চেলভিনিয়া, লেমানাএফলা, পাণী মেটেকা আদিয়ে গধূৰ ধাতু আৰু বিষাক্ত পদাৰ্থৰ দ্বাৰা প্ৰদূষিত জলভাগ শোষণ কৰে।

গতিকে আমাৰ পৰিৱেশ নিকা কৰিবলৈ হলে আমি সজাক হব লাগিব। এইক্ষেত্ৰত লাগিব আমাৰ সকলোৰে সহায়, সহযোগ আৰু মনোযোগ। ইয়াৰ বাবে চৰকাৰী বা বেচৰকাৰী নিকায়ৰ জৰিয়তে আমি সকলোৰে প্ৰদূষণ মুক্ত কাৰ্য ব্যৱস্থা হাতত লব লাগিব, নহলে অদূৰ ভৱিষ্যতে ই আমাৰ বংশধৰ সকলৰ বাবে অতি বিপদজনক হব।

# প্ৰেম : যৌৱনৰ সম্ভ্ৰান্ত অতিথি

ৰিপুঞ্জয় পাটগিৰী
স্নাতক দ্বিতীয় বৰ্ষ

'মনত পৰেনে মই ভিক্টোৰিয়াৰ পঁথাৰত
এদিন শীতৰ গধুলি
তোমাৰ শৰীৰ ভৰ্ত্তি জুইৰ উম টল টল
কৈছিলোঃ নন্দিনীহু মনত ৰাখিবা
ভালপোৱা মানে আমৰণ এক ৰক্ত ৰূপাংগন'
— পূৰ্ণেন্দু পত্ৰী-অণু:হোমেন বৰগোঁহাঞি

**প্ৰেমৰ সংজ্ঞ :**

Love is devine, miracle of civilization, wisdom of the fool and folly of the wise.

প্ৰেম কি? প্ৰেমৰ সংজ্ঞা কি? যুগে যুগে মানুহে অনুভৱ কৰি আহিছে প্ৰেমৰ মহত্ব। দুহাতেৰে আকোৱালি লব খুজিছে প্ৰেমৰ সীমাহীন পৰিধি। ৰিচ পৰাতিনাৰি নামৰ কিশোৰী গৰাকীক দেখিয়েই প্ৰেমত পৰিছিল ডানে, যাৰ নাম দিছিল তেওঁ বিয়েট্ৰিছ। সৃষ্টি হ'ল এক ইতিহাস প্ৰসিদ্ধ অমৰ প্ৰেম কাহিনী ডিভাইন কমেডি। প্ৰেমৰ বাবেই সৃষ্টি হ'ল গ্যেটেৰ যুগজয়ী গ্ৰন্থ ফাউষ্ট, হোমাৰৰ ইলিয়াদ, ওডিচি, কালিদাসৰ অভিজ্ঞনম্ শকুন্তলম। প্ৰেমৰ বাবেই অমৰ হ'ল ৰোমিও-জুলিয়েট, লাইলা মজনু, পেগমিলিয়ন আৰু গেলাছিয়া।

Love is the seeking and maintenance of one's own value in the mind of another. সকলো প্ৰেমৰে মূল উদ্দেশ্য হৈছে প্ৰেমস্পদৰ মনত নিজৰ আত্মাৰ চৰম মূল্যপ্ৰাপ্তি আৰু প্ৰতিষ্ঠা।

প্ৰেম পোহৰ, প্ৰেম বন্তি, প্ৰেম জীৱন, প্ৰেম শক্তি, প্ৰেম শব্দ, প্ৰেম সংগীত, প্ৰেম আশা, প্ৰেম আনন্দ, প্ৰেম উদ্যম, প্ৰেম উৎসৱ, সকলো যুদ্ধজয়ৰ প্ৰেম প্ৰথম পতাকা, সকলো সৃষ্টিৰ প্ৰেম প্ৰথম উৎস, সকলো গতিৰে প্ৰেম সুখময় আৰম্ভনি।

প্ৰেম জীৱন বুৰঞ্জীৰ এটি অধ্যায়। কাৰোবাৰ হৃদয়ত প্ৰেমে জীয়াই থকাৰ মন্ত্ৰ প্ৰদান কৰে, প্ৰদান কৰে মৃত্যুৰ মতে যুঁজ দিয়াৰ অধিকাৰ, প্ৰদান কৰে জীৱন সংগ্ৰামত জয়ী হোৱাৰ প্ৰেৰণা।

সপোন, সৌন্দৰ্য্য, আৱেগ আৰু ৰোমান্স যোবনৰ চাৰিটা উপাদান। যৌৱনক সঠিক দিশত পৰিচালিত কৰিবলৈ সকলো উপাদানৰ সমূহীয়া শক্তিতকৈ বেছি শক্তিৰ প্ৰয়োজন। প্ৰয়োজন হয় যুক্তি আৰু আৱেগৰ সহাৱস্থান। কলেৰিজৰ ভাষাত, "Sure, I had Iranken in dreams and still my body drank." সপোনৰ এই আমেজেই যৌৱনক বহু পৰিমাণে আছন্নকৰি ৰাখে। যৌৱন বসন্তৰ ফৰকাল পুৱা, বৃদ্ধত্ব শীতৰ কুঁৱলীৰ ঢকা ধূসৰ সন্ধিয়া। যৌৱনত বহু কথা শিকা হয়, পৈনত বয়সতহে বুজি পদক্ষেপ আছিল সঠিক, কোনবোৰ ভুল।

যৌৱনে প্ৰকাশ বিচাৰে। খেল-ধেমালী, সাহিত্য, সংগীত এইবোৰ যৌৱনৰ একোটা আত্মাপ্ৰকাশৰ পথ। কিন্তু তাকে নাপালে সৃষ্টিশীল যৌৱন কেৱল দেহজ কামনাৰ জৰিয়তে প্ৰশমিত হবলৈ বাধ্য। সেইবাবে সংৰক্ষণশীল মানুহৰ সন্তান প্ৰায়েই বিপথে যোৱা দেখা যায়।

**বিজ্ঞানৰ দৃষ্টিত প্ৰেম :**

আমেৰিকাৰ নিউয়ৰ্ক ষ্টেট চাইকিয়াটিক ইন্সটিটিউটৰ ড° উনাল্ড এফ. ক্লিন আৰু মাইকেল আৰ লিয়েবেথৰ মতে ৰোমা ঞ্চিত প্ৰেমৰ মূহুৰ্তত কোনো কোনো ব্যক্তিৰ ক্ষেত্ৰত এম্ফেটেমাইন নামৰ এবিধ ৰাসায়নিক পদাৰ্থৰ ক্ষৰণ বৃদ্ধিপায়, আকৌ কিছুমানৰ ক্ষেত্ৰত ই ভাঙি টুকুৰাটুকুৰ হৈ যায়। আমি যেতিয়া প্ৰেমৰ শিহৰণত নিজেকে হেৰুৱাই পেলাওঁ তেতিয়াই মগজুৰ পৰা নিঃসৰণ হয় ফিনাইল-ইথাইল-এমিন নামৰ আন এবিধ ৰাসায়নিক পদাৰ্থ যি আমাৰ মনক অপাৰ্থিৱ সুখত আছন্ন কৰি ৰাখে। Oxytosin নামৰ আন এবিধ ৰাসায়নিক পদাৰ্থৰ বাবে নাৰী পুৰুষৰ ইজনে সিজনক স্পৰ্শ কৰাৰ প্ৰৱণতা জাগে। Oxytosin ৰ মাত্ৰা পুৰুষৰ তুলনাত নাৰীৰ বেছি। ১৯৯২ চনত জাপানৰ অহিঅ' টেস্ট ইউনিবাৰচিটি অব মেডিচিনৰ বিজ্ঞানী সকলে গৱেষণা কৰি নিৰ্ণয় কৰিছিল যে প্ৰেমত পৰিলে ৰোগৰ

বিৰুদ্ধে যুজিব পৰা T এন্টিবডিৰ মাত্রা বৃদ্ধি পায়।

"তোমাৰ গুছি যোৱা দিনবোৰেৰে তিতি আছে মোৰ গাৰুৰ গিলিপ"

প্ৰেমত অপ্ৰত্যাশিতভাৱে অহা বিচ্ছেদ অসহনীয়। তেতিয়া বন্ধ হৈ যায় মগজুত ফিনাইল-ইমাইল এমিনৰ ক্ষৰণ। বিচ্ছেদৰ জলন্ত দুৰ্ভগীয়া প্ৰত্যাখ্যাত যুৱক-যুৱতীসকল কলৈ যায়। যায় সুৰাৰ সন্ধানত। কাৰণ? কাৰণ সুৰাত আছে প্ৰচুৰ পৰিমানে ফিনাইল-ইথাইল-এলিন।

ড° লিয়েবেথে প্ৰেমৰ ক্ষেত্ৰত অতিমাত্ৰা হতাশাগ্ৰস্ত অথবা উল্লাসিত হোৱা ব্যক্তিৰ চাৰিত্ৰিক বৈশিষ্ট্যও বিশ্লেষণ কৰি দেখুৱাইছে। তেখেতৰ মতে Hysteroid dysphoria ত ভোগা এইসকল ৰোগী দেখাত অতি আকৰ্ষণীয়, যথেষ্ট কৰ্মকুলতা সম্পন্ন, কিন্তু এওঁলোকৰ কৰ্য্যক্ষমতা নিৰ্ভৰ কৰে প্ৰেমানুভূতিৰ উচ্চ আৰু নিম্ন অৱস্থানৰ ওপৰত।

অপৰিপক্ক খোজ : সফলতা বিফলতা ইত্যাদি :—

সাধাৰণতে কৈশোৰ অৱস্থাত ল'ৰা-ছোৱালীৰ মাজত যি আকৰ্ষণ হয়, সি প্ৰকৃততে সদায় লগপাই থকা বা ওচৰা ওচৰিকৈ থকা সকলৰ ক্ষেত্ৰত হোৱা বিপৰীত লিংগৰ প্ৰতি সহজাত আকৰ্ষণ। ইয়াত প্ৰকৃত প্ৰেমৰ গভীৰতা আশা কৰিব নোৱাৰি। যৌৱনৰ দুৱাৰ দলিত ভৰি থৈ বহুতে দৈহিক আকৰ্ষণৰ বাবেই সহজতে কাৰোবাক প্ৰেম নিবেদন কৰিব পাৰে, অথচ মানসিক পৰিপক্কতাৰ অভাৱতেই প্ৰেমৰ মহত্ব, দায়িত্ববোধ আদি কাৰকৰ অনুপস্থিতি এনে প্ৰেম সফল হোৱাৰ উদাহৰণ খুব কমেইহে দেখা যায়। যৌৱন প্ৰাপ্ত হলে মানুহৰ শাৰীৰিক আৰু মানসিক উভয় দিশতেই পৰিপক্কতা আহে। উচিত অনুচিত বিচাৰ কৰি সঠিক দিশত পৰিচালিত হবৰ বাবে যুক্তিপূৰ্ণ স্থিতি গ্ৰহণ কৰিবৰ যোগ্যতা এই সময়তে মানুহে লাভ কৰে।

তথাপি ভুল হয়। ডেকা গাভৰু উভয়ে নিজকে শুদ্ধবুলি ভাৱে। উভয়ে সিদ্ধান্তত অটল হৈ থাকে। কোনো কাৰো ওচৰত সৰু হ'ব নোখোজে, দিন যোৱাৰ লগে লগে পৰস্পৰৰ প্ৰতি পৰস্পৰৰ অভিযোগ বাঢ়িবলৈ ধৰে, আত্মসন্মানে বাধা দিয়ে। আৰম্ভ হয় ব্যক্তিত্বৰ সংঘাত। এটা সৰু ভুল বুজাবুজিয়েই প্ৰেমৰ দৰে এক সুন্দৰ সম্পৰ্কৰ ইতি পেলাবৰ বাবে যথেষ্ট। যি সম্পৰ্ক বহু কষ্টেৰেহে গঢ়ি তুলিব পাৰি, সংঘাতে কিন্তু মুহূৰ্ত্ততে চিঙি চুৰমাৰ কৰি দিব পাৰে সেই সম্পৰ্কৰ সৌধ।

বিষাদ কেনেকৈ আহে সংগোপনে? বিচ্ছেদ? প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠোতে কোনেও হয়তো নাভাবে, এদিন বিচ্ছেদে ভাঙি-চিঙি লৈ যাব পাৰে সপোনৰ ঘৰ, বিবৰ্ণ হৈ পৰিব পাৰে ভাৱনাৰ চৌপাশ, বুকুৰ বিষাদ প্ৰান্তত লিখি থৈ যাব কোনোবাই সপোন ভঙাৰ ইতিহাস। তথাপিও বিচ্ছেদ আৰু বিফল হয় প্ৰেম, কাৰণ দেখাত প্ৰেম তযমান সহজ, তাতোকৈ প্ৰকৃততে ই হাজাৰগুণে কঠিন।

জুই জ্বলে, জুই। প্ৰত্যাখ্যাত মানুহ জ্বলি পুৰি মৰে বিচ্ছেদৰ জুইত। অথচ যাক আপোন বুলি ভবা হয়, তেওঁক জানো পাহৰিব পাৰি? স্মৃতি হৈ পৰে তেওঁ, কেতিয়াও মচি দিব নোৱাৰা স্মৃতি। মগজুৰ ভিতৰৰ একশ্ৰেণী বিশেষ কোষত সঞ্চিত হৈ থাকে সময়ৰ বুকুত এৰি থৈ অহা কাৰোবাৰ চিনাকী খোজ, চিনাকী মুখ অথচ অচিনাকী মন।

আমি যেন যন্ত্ৰ:—

মুৰছান্ট! বিখ্যাত সাহিত্যিক আলবেয়াৰ ক্যেমুৰ অমৰ সৃষ্টি Out sider ৰ মুখ্য চৰিত্ৰ। ফৰাচী অধিকৃত ইজৰাইলৰ এখন চহৰত অকলশৰীয়া জীৱন যাপন কৰা মুৰছান্টআছিল সমগ্ৰ জাগতিক ক্ৰিয়া প্ৰতিক্ৰিয়া সম্পৰ্কে উদাসীন ব্যক্তি। মাকৰ মৃত্যুৱেও যাক বিচলিত কৰিব পৰা নাই, যি মাকৰ মৃত্যুৰ পাছদিনাই সাগৰৰ পাৰলৈ আহি প্ৰেমিকাৰ সতে গা ধুইছে, সন্ধিয়া কাৰ্টুন ছবি উপভোগ কৰিছে আৰু যৌন সম্ভোগত লিপ্ত হৈছে। প্ৰকৃততে মুৰছান্ট কোনো মানসিক বিকাৰগ্ৰস্ত ব্যক্তি নাছিল। দ্বিতীয় মহাসমৰৰ ধ্বংসলীলাই কঢ়িয়াই অনা নিৰাপত্তাহীনতা আৰু অনিশ্চয়তাৰ চিকাৰ আছিল মুৰছান্ট। দ্বিতীয় মহাসমৰে মানুহক ভীতিগ্ৰস্ত যান্ত্ৰিকতাপূৰ্ণ সমাজৰ পৰা হেৰাই গৈছিল প্ৰেমৰ আৱেগ-অনুভূতি, হেৰাই গৈছিল ইজনৰ প্ৰতি সিজনৰ আন্তৰিকতা যেন কোনো কাৰো বাবে প্ৰয়োজনীয় নহয়, কাৰো বাবে কোনেও একো ভাবিবলগীয়া নাই।

যাৰ সতে মুনছান্ট সাগৰতীৰত একেলগে গা ধুইছিল, চিনেমা চাইছিল তেওঁৰ সতে কিন্তু কোনো 'প্ৰেম'ৰ সম্পৰ্ক নাছিল, নাছিল আন্তৰিকতাপূৰ্ণ মৰম ভালপোৱা। যন্ত্ৰ মানৱৰ দৰে তেওঁক কিন্তু বিয়া কৰাবলৈও প্ৰস্তুত আছিল মুৰছান্ট।

দ্বিতীয় মহাসমৰে সমাজৰ পৰা মোহাৰি নিলে পাৰস্পৰিক সহযোগিতা, আন্তৰিকতা, হৃদয়ৰ গভীৰতা, লগতে সাহিত্য সংস্কৃতিৰ পৰাও হেৰাই গ'ল ৰোমান্তিকতা। শ্বেক্সপীয়েৰৰ পৰা আলবাৰ্টো মোৰাভিয়া, লাওপাৰ্ডিৰ কবিতাৰপৰা মলিয়েৰৰ নাটকলৈ, বালজাকৰ পৰা মোপাছাঁলৈ সাহিত্যত যি প্ৰেমৰ প্ৰবাহ লক্ষ্য কৰা গৈছিল, দ্বিতীয় মহাসমৰৰ পিছত সাহিত্যত তাক খুব কমেইহে দেখা যায়।

মুৰছান্টৰ হৃদয়ত প্ৰেম নাথাকিব পাৰে, তথাপিও তেওঁৰ হৃদয়ত সততা আছিল যি সেই সময়ৰ পটভূমিত আছিল বিৰল, হয়তো বৰ্তমানেও।

**প্ৰেমৰ পৰিৱৰ্ত্তিত ৰূপ: কিছু স্খলন, আত্মহননৰ সহজ পথ:—**

প্ৰেম সম্বন্ধে বৰ্ত্তমানৰ ভোগবাদী সমাজৰ ধাৰণাওঁ পৰিৱৰ্ত্তিত হৈছে। প্ৰেম পৰিণত হৈছে ভোগৰ সামগ্ৰীত যাৰ বাবে প্ৰেম বুলিলেই কিছুমানুহৰ মন কোঁচ খাই আহে। নতুন প্ৰজন্মৰ বহুতেই প্ৰেমৰ স্বৰ্গীয় পৱিত্ৰতা হেৰুৱাই পেলাইছে, হেৰুৱাইছে প্ৰেমৰ নান্দনিক সৌন্দৰ্য্য। সকলোৱে কেৱল দেহজকামনাকে আগস্থান দিয়ে, আগস্থান দিয়ে যৌন লিপ্সাক, য'ত প্ৰেমৰ গভীৰতা নাই হৃদয়ৰ বান্ধোন নাই আন্তৰিকতা।

তাহানিৰ প্ৰেম আছিল নৈৰ ঘাটত, আহঁতৰ তলত, আপোনজনৰ সুঁহুৰি শুনি উত্ৰাৱল হৈ পৰা চেনেহীৰ হাতৰ তামোলকনত , বছৰৰ বিহুৰ বিহুৱানখনত। কিন্তু আজিৰ পৰিৱৰ্ত্তিত সমাজ ব্যৱস্থাত প্ৰেমৰ যি বৈশিষ্ট্যগত পৰিৱৰ্ত্তন ঘটিছে সি সঁচাকৈ চিন্তনীয়। বিশ্বায়নৰ কুফলত বহুজাতিক কোম্পানী আৰু আমাৰ দেশীয় পুঁজিপতিসকলৰ হাতোৱাৰ চেপাত প্ৰেম নগ্ন যৌনতাত পৰিণত হৈছে। আজিৰ যুৱক যুৱতীয়ে নিজৰ মানসিক শূণ্যতা পুৰাবলৈ ড্ৰাগছ, মদ আদিত ডুবাৰদৰে 'যৌন প্ৰেমত'ও ডুবিছে। ইয়াত সাৰপাণী যোগাইছে প্ৰিন্ট মিডিয়া আৰু ইলেকট্ৰনিক মিডিয়াই যি প্ৰেম, সৌন্দৰ্য্যক পণ্য সামগ্ৰীত পৰিণত কৰি সমস্যাত ককবকাই থকা যুৱক-যুৱতীক মানসিক

যৌন সুখ প্ৰদানকৰি প্ৰেমৰ সাংস্কৃতিক অনুভৱক হত্যা কৰি আহিছে।

**উপসংহাৰঃ**

প্ৰেম জীৱনৰ এক মহত্তম উপলব্ধি। দিন, বাৰ, বছৰৰ বাবে প্ৰেমৰে নাথাকে। সময়, পৰিবেশ অথবা বসয়ৰ লগত প্ৰেমে স্বাক্ষৰিত নকৰে কোনো চুক্তি। এনে প্ৰেমৰ বাবে জানো এটা বিশেষ দিনৰ দৰকাৰ? প্ৰেমৰ উৎসৱ হিচাপে ভেলেন্টাইন ডে'ৰ কিমান আৱশ্যকতা আছে সেয়া বিচাৰ্য্য বিষয়। স্বৰ্গীয় প্ৰেমৰ অনুভূতিক বহুজাতিক বেপাৰীয়ে পৰিণত কৰিছে ব্যৱসায়িক লাভালাভৰ উৎসৱত। যি প্ৰেম হৃদয়ত নিৰৱধি বৈ থাকে আনৰ বাবে হৰ্ষ আৰ উল্লাসৰ কাৰণ হৈ, স্মৃতি হৈ, বেদনা হৈ আমি সেই প্ৰেমৰ জয়গান গাও আহক।

**কৱি প্ৰণৱ কুমাৰ বৰ্মণৰ ভাষাতঃ**

... আহা, প্ৰেমৰ এই পাৰঘাটলৈ যুদ্ধপ্ৰিয় যৌৱন
আনা চুৰ কৰি স্বৰ্গৰ পৰা জুই
হাঁহি হাঁহি ছহিদ দুখৰ চিৰালফটা পথাৰত
এদিন প্ৰেমৰ পৰা শ্ৰেণীমুক্তি, তাৰ পৰা বিপ্লৱ
এদিন প্ৰেমৰ পৰা বিস্ফোৰণ
এদিন এনেদৰে হালধীয়াৰ পৰা সকলো সেউজীয়া
উদং আখলৰ পৰা তৰাখচিত আকাশ,
আকাশৰ বুকুৰ জোন বেলি তৰা
উৰুখা হৃদয়ৰ পৰা সপোনৰ সুউচচ অট্টালিকা
আহা এই প্ৰেমৰ পাৰঘাটলৈ নিৰুদ্দিষ্ট স্বপ্নৰহিত তৰুণ
বিনিময় কৰা জীৱনবোধৰ অমল অকাতৰ ছাঁ
এই পৃথিৱী তোমালোকৰ ভালপোৱাৰ বিনিময়ত নিলাম হ'ব
যি আহি আছে প্ৰেমৰ এই পাৰঘাটলৈ — স্বাগতম
প্ৰেম মানে শইচৰ উছৱ আৰু স্বাধীনতাৰ যুদ্ধ
প্ৰেম মানে বোধিদ্ৰুমৰ ছাঁ আৰু প্ৰজ্ঞাৰ পতাকা ...

# কৌতুক

ভট্টদেৱ চৌধুৰী
উ. মা. ২য় বৰ্ষ (কলা)

১. বিনা টিকেটেৰে ভ্ৰমণ কৰা ডেকা এজন ধৰা পৰাত চেকাৰক তেওঁ যুক্তি দেখুওৱালে এনেদৰেঃ ডাঙৰীয়া সকলো বস্তুৱেই জনতাৰ। এই ৰেল আমাৰ টিকট আমাৰ। গতিকে কিহৰ কাৰণে পইচা দি টিকট কাটিব লাগে?
টিকট চেকাৰে হাঁহি এটা মাৰি কলে :— জেল খনোতো আপোনালোকৰ বলক...।

২. পোষ্টমাষ্টৰ এজনে ৰাতি মদ খাই আহি বহু সময় খুঁজি যেনিবা ঘৰৰ দুৱাৰখন খুলিলে, কিন্তু দেখে যে কোঠাটো তেনেই সৰু হৈ গৈছে, তাত সোমোৱা অসম্ভৱ। মনৰ দুখতে তেওঁ গোটেই ৰাতিটো বাহিৰতে কটালে। পুৱা সাৰ পাই দেখে যে তেওঁ লেটাৰ বক্স এটাৰ আগত শুই আছে আৰু তাৰ সৰু ঢাকোনখনহে মেল খাই আছে।

# বিশ্বৰ প্ৰান্তে প্ৰান্তে অলৌকিক ৰহস্যময়তা

মমিতা ৰাভা

যুৰি গেলাৰ। জন্ম ইজৰাইলত। ষাঠিৰ দশকত এওঁৰ কাৰ্যকলাপে ব্ৰিটেইন আৰু আমেৰিকাতাত আলোড়নৰ সৃষ্টি কৰিছিল। 'যুৰি গেলাৰ'ৰ অবিশ্বাস্য, অতি প্ৰাকৃত ক্ষমতাৰ অন্ত নাই। চাবিৰ পৰা আৰম্ভ কৰি যিকোনো ধাতব সামগ্ৰী নিমিষতে টুকুৰিয়াই ভাঙি দিব পাৰে। চলমান ঘড়ীৰ পিনে এবাৰ চাই তাক অচল কৰি দিব পাৰে। অথবা বহুদিনৰ অচল ঘড়ী পুনৰ জীৱিত কৰিব পাৰে নতুবা যি মানুহক যুৰিয়ে কোনো দিনে দেখা নাই, তেওঁৰ প্ৰতিচ্ছবিৰ নিখুঁত বৰ্ণনা দিব পাৰে কোনোবাদিন তেওঁ বতাহত ভাঁহি থাকিব পাৰে। দূৰত থাকিয়েই টেবুলৰ কিতাপ বহীবোৰ অনায়াসে মাটিত পেলাই দিব পাৰে। শেষৰ ক্ষমতাটো সকলোতকৈ অদ্ভুত; মুহূৰ্তৰ বাবে বস্তু কেইপদমান অদৃশ্য কৰি দিব পাৰে। ইয়াত কোনো যন্ত্ৰপাতিও ব্যৱহাৰ কৰা নহয়। বস্তুটোৰ পিনে মুখ কৰি মাথোঁ তেওঁ বহি থাকে। অনেকেই ভাৱে-ইয়াত নিশ্চয় কোনো অভিসন্ধি লুকাই আছে। কিন্তু অনেক চেষ্টা কৰাৰ পাছতো কোনো বিশ্বাসযোগ্য ব্যাখ্যা উলিয়াব পৰা নগ'ল। বৰং যিপাট চাবিৰ ফালে চায়েই চালিত কৰিছিল; তেওঁ গুচি যোৱাৰ পিছতো বিজ্ঞানীসকলৰ সন্মুখত সেইপাট চাবি চলিয়েই থাকিল। টেবুলৰ ওপৰৰ পৰা বহী-কিতাপবোৰ শূন্যতে উঠা-নমা কৰি থাকিল। যুৰি গেলাৰ তেনেহ'লে ভৌতিক ক্ষমতাৰ অধিকাৰী নেকি? নে তেওঁৰ সতে কোনো প্ৰেতাত্মাই ক্ৰিয়া কৰে? নে কোনো অশৰীৰী তেওঁৰ স'তে সহাৱস্থান কৰে। থোৰতে ক'বলৈ হ'লে এই পৰ্যন্ত ন ন আৱিষ্কাৰেৰে সমৃদ্ধ বিজ্ঞানেও কোনো ব্যাখ্যা আগবঢ়াব পৰা নাই।

**মৃত্যু আৰু মৃত্যুৰ পাছত—**

জীৱনৰ অনেক ৰহস্য, অনেক সমস্যা বিজ্ঞানে সমাধান কৰিব পাৰিছে ঠিকেই। কিন্তু মৃত্যু সম্পৰ্কে এতিয়াও বিস্তৃত ব্যাখ্যা কৰা হোৱা নাই। হয়তো এই কাৰণেই মৃত্যুৰ পৰৱৰ্তী সময়ত মানুহৰ অৱস্থা কি হয়, সেই বিষয়ে তথ্যৰ অভাৱ বাবেই এপিনে ভূত-প্ৰেত, পিশাচ আৰু নানা ভয়ংকৰ অশুভ শক্তিৰ কল্পনা কৰা হয়। গল্প অথবা উপকথাবোৰো বিশ্লেষণ কৰিলে দেখা যায় ভূতৰ অস্তিত্ব পৃথিৱীৰ প্ৰায় সকলো মানুহেই কল্পনা কৰে কৰবাৰ আকৌ কোনো উপজাতিৰ মাজত এনে বিশ্বাস আছে যে ভূতবোৰ ঈশ্বৰৰ অংশ মাথোন। এইবোৰে উপকাৰো কৰিব পাৰে। ক্ষতিও কৰিব পাৰে। সেয়ে ভূতক সন্তুষ্ট ৰখা হয় নিয়মিত বলি, প্ৰসাদ আৰু বিভিন্ন পূজা-অৰ্চনাৰ যোগেদি। অন্যান্য প্ৰাচীন সংস্কৃতিত ভূতক বোলা হয় অতৃপ্ত আত্মা, যি বাৰে বাৰে জীৱনৰ সমীপলৈ আহে অতৃপ্তিবোৰক তৃপ্ত কৰাৰ মানসেৰে। মৃতকৰ দেশ তাৰ নাম 'হেপি হান্টিং গ্ৰায়ণ্ড', 'দি এলিচিয়ান ফিল্ডছ', 'ভালথাল্লা'—সি যিয়েই নহওঁক সেই দেশৰ কোনো কোনো মৃতকে শান্তি পায় আৰু পৃথিৱীৰ পৰিধিলৈ ঘূৰি আহিবলগা হয়। আমেৰিকাৰ খ্যাতনামা মনস্তত্ববিদ 'উইলিয়াম জেমছ'ৰ মতে এক বা একাধিক মানুহে নিজৰ যোগাযোগৰ বলত ভূত সৃষ্টি কৰিব পাৰে। অন্য এক মনোবিজ্ঞানী 'এফ ডব্লিউ মায়াৰচৰে' এইদৰে বিশ্বাস কৰে যে কোনো মানুহৰ বিষয়ে অবিৰত ধ্যান কৰোঁতে সন্মুখত সেই ব্যক্তিৰ প্ৰতিচ্ছবি দৃশ্যমান হয় আৰু মানুহক এইদৰে পৃথিৱীলৈ লৈ অহা হয়। অনেক ব্যক্তিৰ সান্নিধ্যলৈ আহিলেও মাত্ৰ বিশেষ কোনোৱা জনক ভাবিলে মৃত্যুৰ পিছতো দেখা পাব পাৰি সেই ব্যক্তিত্ব। তেনে চিন্তাৰ পৰাই হয়তো 'প্লেনছেট'ৰ কথা ভবা হৈছিল, ৰবীন্দ্ৰনাথেও 'প্লেনছেট'ৰ প্ৰসংগতে 'মিডিয়াম'ৰ কথা আহি পৰে। মিডিয়াম হ'ল এজন ব্যক্তি, যি সহজেই মৃতকৰ সতে যোগাযোগ স্থাপন কৰিব পাৰে। কিছুমান মিডিয়াম ব্যৱহাৰকাৰী কেতিয়াবা মৃতকৰ সতে সংযোগ স্থাপন কৰোঁতে অৰ্ধ চেতন বা অচেতন হৈ পৰে বিদেহী আত্মাৰ প্ৰভাৱত। এইবোৰত বস্তুতৰেই গভীৰ বিশ্বাস। কেৱল 'মিডিয়াম' বোৰেই নহয়, সাধাৰণ মানুহো সময়ত ভূতগ্ৰস্ত হয়। তেওঁলোকৰ শৰীৰ পৰিচালনা কৰে কোনো বিদেহী আত্মাই। তেওঁলোকৰ কাৰ্যকলাপ আৰু আচৰণ ব্যৱহাৰ সম্পূৰ্ণৰূপে প্ৰেতৰ দ্বাৰাই পৰিচালিত হয়। ইংৰাজীত এই ঘটনাক কোৱা হয় 'এক্সৰছিজম'। 'এক্সৰছিষ্ট' নামৰ হলিউডৰ চিনেমাত এই ধৰণৰ এটা ভয়ংকৰ ঘটনা কোৱা হৈছে। অনেক বিজ্ঞানীয়ে এই ধৰণৰ ভূতগ্ৰস্ত অৱস্থাৰ সত্যতা সম্পৰ্কে সংশয় প্ৰকাশ কৰে আৰু তেওঁলোকৰ মতে এই অৱস্থা স্বাভাৱিকতেই 'নিউৰচিত' বা অন্য মনোবিকাৰৰ নামান্তৰ মাথোন।

# অসমীয়া মাধ্যমৰ বিদ্যালয়ত সংকট

বীৰেণ ভূঞা
পৰিসংখ্যা বিজ্ঞান বিভাগ

প্ৰতিগৰাকী সচেতন পিতৃ-মাতৃয়ে নিজৰ শিশুটি ডাঙৰ হৈ অহাৰ লগে লগে সিহঁতৰ শিক্ষা সম্পৰ্কে চিন্তিত হৈ উঠাটো স্বাভাৱিক। কাৰণ সকলোৱে নিজৰ ল'ৰা-ছোৱালীক সুশিক্ষিত কৰি তোলাৰ লগতে ভৱিষ্যতে সু-সংস্থাপিত হোৱাটো বিচাৰে। সেয়েহে প্ৰত্যেকেই নিজৰ শিশুটিক উপযুক্ত বয়সতে প্ৰয়োজনীয় সকলো সা-সুবিধা থকা এখন ভাল বিদ্যালয়ত যাতে নাম ভৰ্তি কৰাব পাৰে তাৰ বাবে যত্নপৰ হৈ উঠে। পাৰ্থক্য মাথোন এইখিনিতেই—শিশুটিক কি মাধ্যমেৰে পঢ়োৱা উচিত হ'ব, তাকেলৈ কিছুমানে ভৱিষ্যত চিন্তা কৰি দোমোজাত পৰে।

সম্প্ৰতি অসমত সমৰ্থবান সকলক বাদ দিও বহুতো নিম্নবৃত্তিধাৰী আৰু দুখীয়ালোকেও নিজৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত ভৰ্তি কৰাবলৈ লৰা-ঢপৰা কৰা পৰিলক্ষিত হৈছে। আজি কিছুবছৰৰ পৰা তেনে কিছুমান শিক্ষা অনুষ্ঠানৰ সম্মুখত দোভাগ নিশাৰে পৰা নামভৰ্ত্তিৰ ফৰ্ম অনাৰ দীঘলীয়া শাৰী অন্তত গুৱাহাটী মহানগৰীত দেখা পোৱা যায়। এনেবোৰ মাধ্যমৰ নামভৰ্তিকৰণৰ একোখন ফৰ্মৰ মূল্য ১০০ টকাৰ পৰা ৩০০ টকা পৰ্যন্ত। তদুপৰি নামভৰ্তিকৰণত প্ৰয়োজন হোৱা টকাৰ পৰিমাণো লেখত ল'বলগীয়া। লগতে কিতাপ পত্ৰ, সাজপোছাকৰ খৰচ আৰু মাহে মাহে এক শকত অংকৰ মাচুল কৰ্তৃপক্ষক নিয়মিতভাৱে অভিভাৱকে আদায় দিব লাগে। তথাপি এনেবোৰ অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ অভাৱ নাই।

স্বাধীনতাৰ আগলৈ আৰু ঠিক স্বাধীনতা লাভ কৰা সময়ছোৱালৈ চালে দেখা যায়, অসমত ইংৰাজী মাধ্যমৰ অনুষ্ঠান প্ৰতিস্থাপনত মিছনাৰীসকলেহে আগভাগ লৈছিল। অৱশ্যে সেই সময়ত এনেবোৰ বিদ্যালয় গঢ়লৈ উঠাৰ কিছুমান সুকীয়া কাৰণো আছিল, কিন্তু সত্তৰ আশীৰ দশকৰ পিচৰে পৰা অসমত যি হাৰত ইংৰাজী মাধ্যমৰ বিদ্যালয় প্ৰাক-প্ৰাথমিককে ধৰি মাধ্যমিক পৰ্যায়লৈ স্থাপন হবলৈ ধৰিলে সেইটোহে নিতান্তই চিন্তনীয় বিষয়। উল্লেখযোগ্য যে সত্তৰ আৰু আশী দশকতে অসমত মাধ্যম আন্দোলন আৰু বিদেশী বিতাৰণৰ লগতে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনে সমগ্ৰ ৰাজ্যজুৰি গা কৰি উঠিছিল। ফলস্বৰূপে প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ৰ কথাটো বাদেই আশীৰ দশকত মহাবিদ্যালয়ৰ পাঠ্যক্ৰমতো ইংৰাজীৰ লগতে অসমীয়া ভাষাকো মাধ্যম হিচাপে প্ৰবৰ্তন কৰা হ'ল। যদিও কাৰ্যত অসমীয়া মাধ্যমৰ প্ৰবৰ্তন হ'ল ইয়াৰ পৰা উদ্ভৱ হোৱা বিভিন্ন সমস্যাসমূহৰ সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰা নহ'ল, ফলত ইংৰাজী মাধ্যমৰ প্ৰতি আকৰ্ষণ কমি যোৱাৰ বিপৰীতে অধিকতৰ হৈ পৰাহে দেখা গ'ল। সেয়েহে আজি মিছনাৰীসকলৰ কথাটো বাদেই বহুতো অনা অসমীয়া আৰু অসমীয়ালোকে এই সুবিধা গ্ৰহণ কৰি ব্যৱসায়ীক ভিত্তিত দেশৰ চুকে কোণে ইংৰাজী মাধ্যমৰ অনুষ্ঠান স্থাপন কৰিবলৈ ধৰিলে। সেই অনুপাতে ইয়াৰ চাহিদাও দিনে দিনে বাঢ়িবলৈ ধৰিলে। আশীৰ দশকৰ আগতে গুৱাহাটী আৰু ইয়াৰ আশে পাশে যিমান ইংৰাজী মাধ্যমৰ বিদ্যালয় আছিল, আশী দশকৰ পিচতে এই সংখ্যা বাঢ়ি আজি দহগুণৰো অধিক হ'ল। ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ বৰ্দ্ধিতকৰণে যে অকল এনেবোৰ বিদ্যালয়ৰ প্ৰতি বাঢ়ি অহা আকৰ্ষণকে উল্লেখ কৰিছে এনে নহয়; শিক্ষা যে লাহে লাহে নিম্ন পৰ্যায়তে ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ হ'ব লাগিছে তেনে এটি ভয়াবহ সংকটৰ ইংগিতো বহন কৰিছে।

যদিও প্ৰাক্ স্বাধীনোত্তৰ কালৰে পৰাই দেশৰ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ শিক্ষাত শিক্ষনৰ মাধ্যম হিচাপে ভাষাকলৈ উদ্ভৱ হোৱা সমস্যাৰ আজিও ওৰ পৰা নাই; তথাপি বিভিন্ন সময়ত ৰাষ্ট্ৰীয় শিক্ষা আয়োগসমূহে আগবঢ়োৱা পৰামৰ্শৱলী এই ক্ষেত্ৰত মন কৰিবলগীয়া কথা। এইখিনিতে কোঠাৰী আয়োগে প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ত মাতৃভাষা তথা আঞ্চলিক ভাষাৰ মাধ্যমেৰে শিক্ষা আহৰণ কৰিবলৈ দিয়া পৰামৰ্শৰ কথা উল্লেখ কৰিব পাৰি। এনেক্ষেত্ৰত অসমৰ শিক্ষা বিভাগ, বিশ্ববিদ্যালয় তথা চৰকাৰী পাঠ্যক্ৰম, পাঠ্যক্ৰমৰ বিষয় নিৰ্বাচন আৰু মাধ্যমৰ ক্ষেত্ৰত এক সুস্থিৰ সিদ্ধান্তলৈ অহাৰ বিপৰীতে ইয়াৰ ওপৰত পৰীক্ষা নিৰীক্ষা চলাই থকাহে দেখা গ'ল। প্ৰশ্ন হ'ল, যদিহে শিক্ষা বিভাগ সমূহে তথা চৰকাৰে ইংৰাজী মাধ্যমৰ বেচৰকাৰী অনুষ্ঠানসমূহ গঢ়লৈ উঠাত কোনো বাধা আৰোপ নকৰি কালক্ৰমত ইংৰাজী ভাষাকে মাধ্যম হিচাপে গ্ৰহণ কৰাটোৱেই বেচি

ফলপ্ৰসু হব বুলি ভাবিছে, তেন্তে তেনে এটি দিনলৈকে গ্ৰাম্য আৰু ভিতৰুৱা অঞ্চলৰ সৰ্বসাধাৰণ মানুহৰ ল'ৰা-ছোৱালীক এনে শিক্ষাৰ পৰা বঞ্চিত কৰাটো অনুচিত হ'ব। এনে ক্ষেত্ৰত এক সময় নিৰ্দ্ধাৰিত আঁচনিলৈ পৰ্যায়ক্ৰমে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহক নূন্যতম সকলো সা-সুবিধা প্ৰদানেৰে ইংৰাজী মাধ্যমলৈ উন্নিত কৰাৰ কাৰ্য ব্যৱস্থা গ্ৰহণ কৰাটোহে উচিত হ'ব। অন্যথাই এনে শিক্ষা ব্যৱস্থাই অদূৰ ভৱিষ্যতে অসমৰ জনসাধাৰণক তথা ছাত্ৰ-ছাত্ৰীক আৰ্থিকভাৱে সবল আৰু দুৰ্বল দুটা শ্ৰেণীত বিভক্ত কৰিব। সবল শ্ৰেণীয়ে অধিক ধন খৰচ কৰি ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ উন্নত মানৰ আধুনিক শিক্ষণ পদ্ধতিতে শিক্ষা গ্ৰহণ কৰিব আৰু দুৰ্বল শ্ৰেণীয়ে ইয়াৰ পৰা বঞ্চিত হৈ অসমীয়া মাধ্যমৰ এক অসুস্থ পৰিবেশত শিক্ষা লাভ কৰিব। যদিও বৰ্তমান অৱস্থাত ইংৰাজী ভাষা জনাতো বিভিন্ন দিশৰ পৰাই আৱশ্যক হৈ পৰিছে, তথাপি বৰ্তমান সময়ত বাধ্যতামূলক প্ৰাথমিক শিক্ষা আৰু মাধ্যমিক পৰ্যায়ত ইয়াক মাধ্যম হিচাবে গ্ৰহণ কৰা উচিত নে অনুচিত হ'ব; তথা এনেবোৰ বিদ্যালয়ৰ প্ৰতি জনসাধাৰণৰ দিনে দিনে বাঢ়ি অহা আকৰ্ষণ ইয়াৰ শিক্ষণ মাধ্যম নে আন কিবা; এই বিষয়বোৰৰ তথ্যগত অধ্যয়ন আৰু আলোচনাৰ অধিক প্ৰয়োজন হৈছে। এইখিনিতে আন এটি মন কৰিবলগীয়া কথা, আজি কিছু বছৰৰ পৰা শৈক্ষিক দিশত বিশেষকৈ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উন্নত মানৰ কৃতিত্ব দেখুৱাব নোৱাৰাটো শিক্ষাৰ্থীসকলে ইংৰাজীভাষা ভালকৈ নজনা বা ইংৰাজী বিষয়ৰ ভাল ফল দেখুৱাব নোৱাৰাটো এটা কাৰণ হ'লেও এইটোৱেই একমাত্ৰ কাৰণ হ'ব নোৱাৰে। ভালকৈ চালে দেখা যাব গণিত, বিজ্ঞান আৰু সমাজ অধ্যয়নৰ দৰে বিষয়ত ভাল ফল দেখুৱাব নোৱাৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও ইংৰাজীৰ তুলনাত অতি কম বুলিব নোৱাৰি। আনহাতে ইংৰাজী বিষয়টো ভালকৈ জানিলেই বাকী সকলো বিষয়ত যে ভাল ফল দেখুৱাবলৈ সমৰ্থ হ'ব তাৰ কোনো নিশ্চয়তা নাই। গতিকে ইংৰাজী ভাষাটোৰ উন্নতি সাধিলেই এই গোটেইবোৰ সমস্যাৰ ওৰ নপৰে।

আজি অসমৰ সাধাৰণ আৰু দুৰ্বল শ্ৰেণীৰ মানুহেও পাৰিলে যে নিজৰ সন্তানক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়াব খোজে, এই কথাত কোনো সন্দেহ নাই। আনকি অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ শিক্ষকেও নিজৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়োৱাৰ প্ৰতিহে আগ্ৰহ দেখুৱায়। এনে মানসিকতা গঢ়লৈ উঠাৰ অন্তৰালত একমাত্ৰ ইংৰাজী ভাষাৰ প্ৰতি দেখুৱা মোহ অন্তৰ্নিহিত হৈ আছে বুলি ভাবিলে ভুল কৰা হ'ব। এনেবোৰ স্কুলৰ পৰিবেশ শিক্ষাব্যৱস্থা, নাম ভৰ্তিৰ বয়স, শিক্ষণ প্ৰক্ৰিয়া, অনুশাসন, নিয়মীয়া শ্ৰেণী, প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ নিযুক্তি, উন্নত মানৰ সা-সুবিধাকে ধৰি কিছু বছৰৰ পৰা হাইস্কুল শেষান্ত পৰীক্ষাত দেখুৱা কৃতিত্বইহে অধিক প্ৰভাৱিত আৰু আকৰ্ষিত কৰিছে। তদুপৰি আন এক গুৰুত্বপূৰ্ণ কাৰণ হৈছে অসমীয়া মাধ্যমৰ প্ৰাথমিক বিদ্যালয়ত প্ৰাক্ প্ৰাথমিক শিক্ষাস্তৰৰ অভাৱ। বৰ্তমান আধুনিক প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগৰ ফলত উদ্ভৱ হোৱা সামাজিক আৰু অৰ্থনৈতিক পৰিবৰ্তনে মানুহৰ জীৱন-প্ৰণালী-গতি ক্ষিপ্ৰ কৰি তুলিছে। ফলত কৰ্মব্যস্ত পিতৃ-মাতৃয়ে নিজৰ শিশুটিক অসমীয়া মাধ্যমৰ প্ৰাথমিক বিদ্যালয়ত নামভৰ্ত্তি কৰাবলৈ ছয় বছৰৰ বয়সলৈকে বাট চাই থকাটো সমস্যা হৈ পৰাৰ লগতে সিহঁতৰ শিক্ষণ বয়সৰ কিছু সময় অথলে যোৱা বুলি অনুভৱ কৰিছে। গতিকে বহু অভিভাৱকে উপায়ন্তৰহৈ শিশুটিক সুবিধা থকা ইংৰাজী মাধ্যমৰ বিদ্যালয়লৈ পঠোৱাৰ সিদ্ধান্ত লৈছে।

অৱশ্যে আজিৰ পৰা পোন্ধৰ/বিশ বছৰ আগলৈ চালে অসমৰ বেচিভাগ মানুহৰ মনত এনে মানসিকতা গঢ় লোৱা পৰিলক্ষিত নহয়। আজিৰ পঞ্চাশ ষাঠি বছৰীয়া বিদ্বানলোক সকললৈ চালে এই কথা অধিক পৰিস্কাৰ হৈ পৰে। তেওঁলোকৰ প্ৰায় সকলোবোৱেই চহৰৰ নাইবা গাওঁ অঞ্চলৰ অসমীয়া মাধ্যমৰ পাঠশালাতে শিক্ষাজীৱনৰ পাতনিমেলি মেট্ৰিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ উপৰিও কৃতিত্ব অৰ্জনত সমৰ্থ হৈছিল। পৰবৰ্তী কালতো উচ্চ শিক্ষা ইংৰাজী মাধ্যমেৰে গ্ৰহণ কৰি পৰীক্ষাত কৃতিত্ব দেখুৱাৰ উপৰিও দেশ বিদেশত শিক্ষা লাভ কৰি উচ্চ প্ৰশংসা লাভ কৰিবলৈ সমৰ্থ হৈছিল। অথচ সেইবোৰ অসমীয়া মাধ্যমৰ বিদ্যালয়ে আজি অতীত গৌৰৱ অক্ষুণ্ণ ৰখাত অসমৰ্থ হৈ পৰিছে; নিশ্চয় ইয়াৰ কাৰণ নোহোৱা নহয়। তেনে সময়তো যে ইংৰাজী মাধ্যমৰ বিদ্যালয় অসমত একেবাৰেই নাছিল, এনে নহয়। আজিৰ নামজ্বলা কেইবাখনো ইংৰাজী মাধ্যমৰ বিদ্যালয় তেতিয়াও আছিল; কিন্তু আজিৰ কৃতিত্বহে সেই সময়ত দেখুৱাব পৰা নাছিল।

কথা হ'ল, যিবোৰ ল'ৰা-ছোৱালীৰ মাত কথা অসমীয়া, অসমীয়া ভাষা-সংস্কৃতিৰ লগত জন্ম লগ্নৰে পৰা পৰিচিত তেনে কিছুমানে আজি বিদেশী ভাষা এটাক আয়ত্ব কৰি পাঠ্যক্ৰমৰ সকলো বিষয় ইংৰাজীতে লিখি, হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভাল ফল দেখুৱাবলৈ সমৰ্থ হোৱাৰ উপৰিও প্ৰশংসা অৰ্জন কৰিবলৈ সক্ষম হৈছে; অথচ তেওঁলোকৰে মাজৰ এক বৃহৎ শতাংশই একে বিষয়কে মাতৃভাষাত লিখি ভালফল দেখুৱাত অসমৰ্থ হোৱাৰ কাৰণ নিশ্চয় ভাষা (মাধ্যম) হ'ব নোৱাৰে, নিশ্চিতভাৱে ইয়াৰ কাৰণ আনহে হ'ব লাগিব।

গতিকে সময় থাকোতেই এনেবোৰ কথা চিন্তাচৰ্চা কৰা উচিত হব। ইয়াৰ বাবে ৰাজ্যজুৰি আলোচনা বিলোচনা কৰাৰ লগতে শিক্ষা বিভাগসমূহে অধ্যয়ন আৰু গৱেষণাৰ মাজেৰে অসমীয়া মাধ্যমৰ বিদ্যালয়ে সন্মুখীন হোৱা সংকটৰ প্ৰকৃত কাৰণবোৰ উদ্ভাৱন কৰি এনে বিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰা মঙ্গল হ'ব। এই ক্ষেত্ৰত শিক্ষাবিদ ডঃ মেধীৰ অধ্যক্ষতাত গঠন হোৱা শিক্ষা আয়োগে আগবঢ়োৱা পৰামৰ্শৱলীৰ কাৰ্যকৰী ব্যৱস্থা গুৰুত্ব সহকাৰে গ্ৰহণ কৰা আৱশ্যক। অন্যথা ভৱিষ্যতে অসমৰ শিক্ষা ব্যৱস্থাটোৱেই গভীৰ সংকটৰ সন্মুখীন হোৱাৰ আশংকা নুই কৰিব নোৱাৰি।

# নাৰী প্ৰগতি আৰু আমি

ৰূপা ৰাভা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা বিভাগ)

ভাৰতীয় সংবিধানে পুৰুষ-মহিলা নিৰ্বিশেষে সকলো শ্ৰেণীৰ নাগৰিককে শিক্ষা-দীক্ষা কৰ্ম-সংস্থাপন আদিত সম অধিকাৰ প্ৰদান কৰিছে। ইতিমধ্যে বহু মহিলাই সেই অধিকাৰ তথা সুযোগ গ্ৰহণ কৰি সফলতাৰ উচ্চ শিখৰত আৰোহণ কৰিছে। আমি সকলোৱে জানো যে আমাৰ মাজৰে একাংশ প্ৰতিভাশালী মহিলাই যেনে — কল্পনা চাওলাই মহাকাশত বিচৰণ কৰিলে, অৰুন্ধতী ৰায়, ঝুম্পা লাহিড়ীৰ দৰে সুলেখিকাই সাহিত্যত আন্তঃৰাষ্ট্ৰীয় খ্যাতি পাবলৈ সক্ষম হৈছে। ভাৰতৰ প্ৰথম মহিলা আই, পি, এছ কিৰণ বেদীৰ দৰে কৰ্তব্য পৰায়ণ আৰু সাহসী মহিলাই ৰাষ্ট্ৰসংঘৰ দৰে এটা আন্তৰ্জাতিক অনুষ্ঠানত ভাৰতক প্ৰতিনিধিত্ব কৰিলে। অসমৰ জীয়ৰী মামণী ৰয়চম গোস্বামীয়ে ভাৰতৰ সৰ্বোচ্চ সাহিত্য বঁটা জ্ঞানপীঠ বঁটা লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিলে। তেনেদৰে ৰাজনীতি, কলা-সংস্কৃতি আৰু ক্ৰীয়া জগততো ভাৰতীয় মহিলাই অন্তঃৰাষ্ট্ৰীয় খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। আনকি বিদেশৰ কৰ্মক্ষেত্ৰতো ভাৰতীয় মহিলাই সন্মানজনক পদবীত নিযুক্ত হৈছে। ই আমাৰ বাবে সঁচাকৈয়ে বৰ গৌৰৱৰ বিষয়। সেয়ে হ'লেও অতি মুষ্টিমেয় মহিলাইহে বিভিন্ন ক্ষেত্ৰত তেনে পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। ভাৰতীয় নাৰীৰ স্থিতিৰ সামগ্ৰীক ছবিখন চালে আমি এক পুতৌ লগা ৰূপহে দেখিবলৈ পাওঁ। ভাৰতবৰ্ষৰ কেৰেলা আৰু মিজোৰামৰ বাদে আটাইকেইখন ৰাজ্যতে মহিলাৰ শিক্ষাৰ হাৰ নিম্ন আৰু অসমত ইয়াৰ হাৰ প্ৰায় ৬০ শতাংশ। গতিকে অসমত মহিলাৰ উপযুক্ত শিক্ষা অবিহনে প্ৰগতি কেতিয়াও আশা কৰিব নোৱাৰি। সেয়েহে স্ত্ৰী-শিক্ষাৰ প্ৰয়োজনীয়তাক উপলব্ধি কৰি জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল — ''পৰিয়ালৰ এজন পুৰুষক শিক্ষা দিয়া মানে কেৱল তেওঁকেই শিক্ষিত কৰা কিন্তু এজনী মহিলাক শিক্ষিত কৰা মানে গোটেই পৰিয়ালটোক শিক্ষিত কৰা।'' অৰ্থাৎ এগৰাকী উপযুক্ত শিক্ষাৰে শিক্ষিত, মহিলাইহে পৰিয়ালটোক সু-শিক্ষা প্ৰদান কৰাৰ লগতে প্ৰগতি আৰু সমৃদ্ধি আনি দিব পাৰে। পৰ্যবেক্ষণ কৰিলে দেখা যায় যে ভ্ৰৰতবৰ্ষৰ যি কেইখন ৰাজ্যত মহিলাৰ শিক্ষিতৰ হাৰ কম সেই কেইখন ৰাজ্যতহে নাৰী নিৰ্যাতনৰ দৰে ঘটনাসমূহ সঘনে সংঘটিত হৈ থকা দেখা যায়। আমাৰ অসমতো ইয়াৰ প্ৰভাৱ কমা নাই; বৰং বাঢ়িছেহে। শিক্ষাৰ পোহৰ নোপোৱা অনুন্নত অঞ্চলবোৰত কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ বলি হৈ মহিলাক ডাইনী সজাই হত্যা কৰা ঘটনা আমি প্ৰায় বাতৰিকাকত সমূহত পঢ়িবলৈ পাওঁ। দাবী কৰা মতে পিতৃ-গৃহৰ পৰা যৌতুক আনিব নোৱাৰি বহু মহিলাই স্বামীগৃহত লাঞ্ছিতা হৈ মৃত্যুক সাৱটি লোৱা আমি দেখিছো। আৰ্থিকভাৱে দুৰ্বল বহু পৰিয়ালৰ বহু সংখ্যক যুৱতীক চাকৰি বা বিয়াৰ প্ৰলোভনেৰে পলুৱাই আনি এচাম কুখ্যাত নাৰী ব্যৱসায়ী চক্ৰই এই যুৱতীসকলক মৌনকৰ্মী হিচাপে নিয়োগ কৰিছে। কন্যা সন্তানক শিক্ষা-দীক্ষাৰ সুযোগ নিদি কেৱল গৃহকৰ্মত আবদ্ধ কৰি ৰাখিছে। বিবাহৰ বাবে কোনো মানসিক প্ৰস্তুতি নথকা ফুলকুমলীয়া ছোৱালীক বিয়া দি নিচেই কম বয়সত গৰ্ভধাৰণ কৰিবলৈ বাধ্য কৰোৱা হৈছে, যাৰ ফলত এই মহিলাসকলে শাৰীৰিক তথা মানসিকভাৱে দুৰ্বল সন্তান জন্ম দিয়াৰ লগতে নিজেও পুষ্টিহীনতা, ৰক্তহীনতা আদি ৰোগৰ চিকাৰ হৈছে। আনহাতে অসমৰ চাহবাগিছা সমূহত সৰহভাগ মহিলা শ্ৰমিকে শিক্ষাৰ পোহৰ পোৱা নাই। এওঁলোকৰ বেছিভাগেই অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱা সত্বেও স্বামীৰ হাততে লাঞ্ছিতা হ'বলগীয়া হয়। চাহবাগিছা সমূহত সস্তীয়া মদৰ অবাধ প্ৰচলনে এক বিষাক্ত পৰিবেশৰ সৃষ্টি কৰাৰ লগতে কিমান লোকৰ জীৱন ধ্বংস কৰিছে তাৰ হিচাপ নাই। কোৱা নিষ্প্ৰয়োজন যে এই মদৰ ব্যৱসায়ী সৰহভাগ মহিলা। ইয়াৰ দ্বাৰা তেওঁলোকৰ সন্তান সকলো প্ৰভাবান্বিত নোহোৱাকৈ থকা নাই। চৰকাৰৰ কোনো কল্যাণকামী আঁচনিয়ে এওঁলোকক ঢুকি পোৱা নাই। বিভিন্ন ৰাজনৈতিক দল সমূহে এওঁলোকৰ সৰলতা আৰু নিৰক্ষৰতাৰ সুযোগ লৈ 'ভোট বেংক' হিচাপে ব্যৱহাৰ কৰিছে। উপযুক্ত শিক্ষাৰ বাবেই এইসকল লোকে জীৱন-যাপনৰ প্ৰকৃত কলা আয়ত্ত কৰিব পৰা নাই। এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা লব লাগিব 'সদৌ অসম মহিলা সমিতি', কাম্ভ্ৰিমেন এছচিয়েশ্যন, অসম লেখিকা সন্থা, নিখিলভাৰত মহিলা সমিতি আদিৰ দৰে শক্তিশালী মহিলা সংগঠন সমূহে। এই সংগঠন সমূহে এইসকল লোকক প্ৰকৃত জীৱন-যাপনৰ কলা শিকাব লাগিব। সকলোকে সক্ৰীয় কৰি তুলিব লাগিব। তেওঁলোকৰ কৰুণ জীৱনগাঁথা লেখাৰ মাজেৰে পোহৰলৈ আনিব লাগিব।

# শিমূলৰ শোভা

সংগ্ৰাহক
অৰ্পিতা ৰাভা

সকলোৱে হয়তো বেড্‌মিন্টন নেখেলিলেও শ্বাটল্ ককতো দেখিছা। তুমি যদি এটা 'কক' ক উজ্জ্বল ৰঙা বা তেজৰঙা ৰঙেৰে বোলাই দিয়া তেন্তে শিমূল ফুলটোৰ ভাল ধাৰণা এটা কৰিব পাৰিবা।

গাঢ় ৰঙা ফুলেৰে উপচি পৰা পাত নোহোৱা ওখ গছ এজোপা কল্পনা কৰা; তেতিয়া তুমি বুজিব পাৰিবা বসন্তকালত শিমূল গছজোপা কি অদ্ভুত সুন্দৰ হয়। সৌন্দৰ্য আৰু উজ্জ্বলতাত এই গছজোপাৰ লগত তুলনা কৰিব পৰা গছ পৃথিৱীত নাই বুলিলেও হয়।

শিমূল গছ তুমি হয়তো দেখিছা হাবিত নাইবা আমাৰ নগৰৰ আলিবাটৰ দাঁতিত। এই জোপা গছে বেচ ছাঁ দিয়ে। ফুল ধৰাৰ আগতে ইয়াৰ পাতবোৰ অলপ দিনৰ কাৰণেহে সৰি যায়। ইয়াৰ গুটিবোৰ বগা তুলাৰে আবৃত। গ্ৰীষ্মকালত এই তুলাবোৰ সামান্য বতাহতে বহু দূৰলৈ উৰি উৰি যায়। এইবোৰ তুলাৰে সূতা কাটি কাপোৰ বব নোৱাৰি। মাত্ৰ গাৰু আৰু আসনত (কুশন) ভৰোৱাৰ কাৰণেহে ইয়াক ব্যৱহাৰ কৰা হয়।

আনবিলাক গছৰ দৰেই শিমূল গছো আমাৰ অন্ধবিশ্বাসৰ লগত জড়িত হৈ আছে। মধ্যপ্ৰদেশৰ অৰণ্যত বাস কৰা "মুৰিয়া" জাতিৰ মানুহে যতেই এখন গাঁও পাতে তাতেই পোন প্ৰথমে ঠাইখনৰ সোঁমাজতে এজোপা শিমলূ গছ ৰোৱে। আন আন উপজাতিৰ মানুহেও শিমলূ কাঠৰ খুটা এটা পোতে আৰু বিয়াত দৰা-কন্যাই ইয়াৰ চাৰিওফালে ঘূৰে। ইয়াৰ কাঠেৰে ভাটৌৰ মূৰ্তি এটা সাজি বিবাহ মণ্ডপত ওলোমাই থয়, কাৰণ ভাটৌ হৈছে অৰণ্যদেৱতাৰ প্ৰতীক।

শিমলূ কাঠ বৰ কোমল, কেতিয়াবা ইয়াৰে খেলনা তৈয়াৰ কৰা হয়। মাছমৰীয়া মানুহে জালৰ পূজা কৰিবলৈকো ইয়াক ব্যৱহাৰ কৰে। গুটিবোৰ গৰু-ম'হৰ পুষ্টিকৰ খাদ্য হিচাপে মূল্যবান আৰু গছৰ ছালৰ পৰা ওলোৱা গম আঠা আয়ুৰ্বেদিক বৈদ্যসকলে ঔষধত ব্যৱহাৰ কৰে।

শিমলূ গছৰ ফুল ৰং আৰু প্ৰাচুৰ্য্যৰ কাৰণে যিমান বিখ্যাত বতৰৰ দিনত ফুলত পৰিবলৈ অহা বহু সংখ্যক চৰাইৰ কাৰণেও সিমান বিখ্যাত। কিছুমান চৰাই আহে ডাঙৰ ৰঙাফুলটোত থকা মৌ খাবলৈ, কিছুমান আহে ফুলটোৰ ভিতৰৰ পিনে তলত ৰাতিৰ ভিতৰত ডুব গৈ মৰি থকা হাজাৰ হাজাৰ পোক-পৰুৱা বিচাৰি। কিছুমান আকৌ আহে ইয়াৰ কোমল কাঠত ফুটা কৰি বাঁহ সাজি-ল'বৰ কাৰণে। কিয়নো এইজোপা গছৰ নৰম কাঠত খোৰোং সজা সহজ। এইদৰেই যি কাৰণেই নহওক ৰাতিপুৱাৰ পৰা ৰাতি লৈকে শিমলূ গছজোপাত চৰাই ভৰি থাকে।

শিমলূ গছৰ ওপৰত আহি পৰা চৰাই বিলাকৰ ভিতৰত আছে বহু সংখ্যক কাউৰী। ইহঁতে দিনৰ দিনটো গৃহস্থক আমনি কৰাৰ আগতে ফুলৰ মৌ খাই লয়। নানা ধৰণৰ মইনা চৰাইও আহে আৰু বহিবৰ ঠাই বিচাৰি কাজিয়াৰ সৃষ্টি কৰে। "বাৰবেট" (কেচুলুকা জাতীয় এবিধ চৰাই) আৰু বুলবুলী, ধোৱা-কাউৰী আৰু বুলি ইত্যাদি নানা জাতৰ চৰায়ে যেন গছজোপাত ভোজহে পাতেহি। চৰাইৰ লগতে কেৰ্কেটুৱাই সিহঁতৰ শকত নোমাল নেজদাল নচুৱাই চিঞৰ বাখৰ কৰি ডালৰ ওপৰত ইটোৱে সিটোৰ লগত খেলা কৰি অ'ৰ পৰা তলৈ বগাই ফুৰে। ইয়াৰ ফলত সকলো সময়তে ফুলবোৰ খহি মাটিত সৰি পৰিবলৈ ধৰে।

গোলাপী ময়না বা গোলাপ ৰঙৰ "ষ্টাৰলিং" চৰাইবোৰেই বোধ কৰো শিমূল গছৰ আটাইতকৈ বেছি চকুত পৰা দৰ্শক। ইহঁতে অকলে নাহে, জাক পাতি আহে, আৰু ইহতঁৰ গাৰ ৰং ফুলৰ ৰঙৰ লগত মিলি যায়। ইহঁতে ইমান চিঞৰ বাখৰ লগায় যে কোনোবাই ভাবিব যেন বৰ সাংঘাতিক কাজিয়াহে লাগিছে। কিন্তু এই গোলাপী ময়নাবোৰে পিচে কাজিয়া নকৰে। সিঁহতে কেৱল ৰং ধেমালিত মতলীয়া হৈ পৰে।

দুজন চিকাৰীৰ এটা সাধু আছে। তেওঁলোক দুজনে যে মাহত এদিন ৰাতিপুৱা মধ্যপ্ৰদেশৰ অৰণ্যত সোমাই কিছু চিকাৰ ব গৰ পিচত জিৰণী লৈ আছিল। ওপৰতে আছিল ডালে-পাতে বিস্তাৰিত ওখ শিমলূগছ এজোপা আৰু তাৰ ডালৰ পৰা ওলমি আছিল প্ৰায় এক ডজন মান বৰ মৌৰ চাক; এজন চিকাৰীয়ে একোকে নাভাবি তেওঁৰ পাইপটো জ্বলালে। পাইপৰ ধোৱা ওপৰলৈ উঠি যোৱাত মৌবোৰ তললৈ নামিল আৰু তৎক্ষণাত চিকাৰী দুজনক চাৰিওফালে ভো-ভোৱাই আগুৰি ধৰিলে। বেচেৰা চিকাৰী দুজনে পেপুৱা লাগি এমাইলৰো বেছি বাট দৌৰী দৌৰী পলাই গৈ এখন নৈৰ পাৰ পালেগৈ। তেওঁলোকক মৌৱে এনে শিশুপাল খেদা দিলে আৰু থকা সৰকা কৰিলে যে সিহঁতৰ আক্ৰমণৰ পৰা ৰক্ষা পৰিবলৈ কেইবা ঘন্টালৈকে তেওঁলোকে থুতৰি লৈকে পানীত ডুবি থাকিব লগা হ'ল।

# জৈৱ-সন্ত্ৰাসবাদ আৰু ইয়াৰ ৰেহৰূপ

তপন চন্দ্ৰ কলিতা

সাম্প্ৰতিক কালত সমগ্ৰ বিশ্বৰ আৰ্থসামাজিক তথা ৰাজনৈতিক প্ৰেক্ষাপটত সৰ্বাধিক চৰ্চিত বিষয় সমূহৰ ভিতৰত সন্ত্ৰাসবাদ নিঃসন্দেহে এক অণ্যতম বিষয়। সন্ত্ৰাসবাদী সকলৰ কূটাঘাটমূলক কাৰ্য, হত্যা, ধ্বংস আদিৰ খবৰ স্থানীয়ৰ পৰা আন্তৰ্জাতিক পৰ্যায়লৈকে ৰেডিও, দূৰদৰ্শন বাতৰি কাকত আদি বিভিন্ন প্ৰচাৰ মাধ্যমৰ জৰিয়তে প্ৰতিনিয়ত প্ৰচাৰিত হৈ থকাৰ উপৰিও বিভিন্ন পৰ্যায়ত সন্ত্ৰাসবাদ প্ৰতিৰোধী সংগ্ৰাম, কৰ্মশালা, আলোচনা চক্ৰ আদি অনুষ্ঠিত হৈ থকাটো সৰ্বজন বিদত। মণ কৰিব লগীয়া যে ভিন ভিন অঞ্চল, জাতি-গোষ্ঠী তথা দেশৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আদি অবস্থাৰ ভিন্নতাৰ ওপৰত নিৰ্ভৰ কৰি সন্ত্ৰাসবাদৰ উৎস, কাৰ্যকলাপ, চৰিত্ৰ, উদ্দেশ্য আৰু দৃষ্টিভংগী বেলেগ বেলেগ হোৱা দেখা যায়। ইয়াৰ ফল স্বৰূপে বিগত দুটা দশকত আন্তৰ্জাতিক পৰ্যায়ত বিভিন্ন দেশৰ প্ৰতিনিধিৰ উপস্থিতিত কেবালা নিও আলোচনা অনুষ্ঠিত হৈ যায় যদিও আজি পৰ্যন্ত সন্ত্ৰাসবাদৰ এক সৰ্বসন্মত সংজ্ঞা নিৰ্দ্ধাৰণ কৰিব পৰা নাই। অৱশ্যে আন্তৰ্জাতিক সংজ্ঞা নাথাকিলেও এই কথাও নিশ্চয় কোনো দ্বিমত নাথাকিব যে "যি কাৰ্যৰ দ্বাৰা কোনো ব্যক্তি, গোষ্ঠী, দল-সংগঠন তথা ৰাষ্ট্ৰ আদিয়ে নিজৰ প্ৰতিপত্তি জাহিৰ কৰিবলৈ নাইবা স্বাৰ্থ-পূৰণ কৰিবলৈ প্ৰতিপক্ষ তথা জনসাধাৰণক বাহুবলেৰে ত্ৰাসিত কৰি ৰাখে সেয়াই সন্ত্ৰাসবাদ। এইটো সহজে অনুমেয় যে যেতিয়াই মানুহে নিজৰ ক্ষমতা, প্ৰতিপত্তি ৰক্ষাৰ দৌৰত শংকিত হৈ পৰে, নিজকে অসুৰক্ষিত অনুভৱ কৰে তেতিয়াই প্ৰতিপক্ষক কাবু কৰিবলৈ নাইবা জনসাধাৰণক ত্ৰাসিত কৰি নিজকে শক্তিশালী হিচাপে প্ৰতিপন্ন কৰিবলৈ সন্ত্ৰাসবাদৰ আশ্ৰয় লয়। কেৱল স্থান কালভেদে তাৰ চৰিত্ৰৰ হৈ পৰিবৰ্ত্তন হোৱা দেখা যায়।

সন্ত্ৰাসবাদৰ সংজ্ঞা যিয়েই নহওঁক কিয়, বৰ্তমান সমগ্ৰ বিশ্ববাসী তথা মানৱ সভ্যতাৰ সন্মুখত সন্ত্ৰাসবাদ নিঃসন্দেহে এক জটিল নৃগোষ্ঠীয়, আৰ্থসামাজিক -ৰাজনৈতিক প্ৰত্যাহবান। উল্লেখযোগ্য যে সন্ত্ৰাসবাদক বৰ্তমান সমাজৰ জ্বলন্ত সমস্যা হিচাপে অভিহিত কৰা হৈছে যদিও নতুন নহয় বৰং ই মানৱ প্ৰজাতিৰ জন্মলগ্নৰ পৰাই চলি অহা এক সহজাত প্ৰবৃতি। মানুহে আদিম যুগৰ পৰাই আত্মৰক্ষা, চিকাৰ, গোষ্ঠীবিবাদ, যুদ্ধ-বিগ্ৰহ আদিত নিজৰ ক্ষমতা প্ৰতিপন্ন কৰিবলৈ যাঁঠি-জোং, ঢাল-তৰোৱাল ধনুকাৰ আদি সঁজুলি ব্যৱহাৰ কৰিছিল, কেৱল সময়ৰ লগে লগে এই সঁজুলি বোৰৰ দ্ৰুত পৰিবৰ্তন সাধিত হৈছে। কোৱা বাহুল্য যে মানৱ জাতিৰ সুখ সমৃদ্ধিৰ বাবে যুগে যুগে মহাপুৰুষ, দাৰ্শনিক, চিন্তানায়ক, তথা বিজ্ঞাণী সকলৰ কষ্ট, ত্যাগ আৰু জীৱন যোৱা সাধনালব্ধ ফচল, তত্ত্ব প্ৰযুক্তি কৌশল আদি এচাম স্বাৰ্থন্বেষী ব্যক্তিয়ে নিজস্বাৰ্থ চৰিতাৰ্থৰ বাবে ধ্বংসাত্মক কাৰ্যত ব্যৱহাৰ কৰি আহিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ লগে লগে যেনেদৰে সমাজৰ প্ৰতিটো দিশতেই অভিনৱ পৰিবৰ্তন সাধিত হৈছে তেনেদৰে সন্ত্ৰাসবাদী সকলেও পূৰ্বৰ যাঁঠি-জোংৰ সলনি অত্যাধুনিক মৰনাস্ত্ৰ, বিশেষকৈ কুৰি শতিকাত ৰাসায়নিক, পাৰমানৱিক অস্ত্ৰ ব্যৱহাৰ কৰিবলৈ লয় আৰু অতি সাম্প্ৰতিক কালত সকলোতকৈ ভয়াবহ জৈৱাস্ত্ৰ তথা জৈৱ সন্ত্ৰাসৰ আশ্ৰয় লোৱা পৰিলক্ষিত হৈছে।

জৈৱ সন্ত্ৰাসবাদ কি? চমুকৈ কবলৈ হ'লে সন্ত্ৰাসবাদ যেতিয়া জীৱৰ মাধ্যমেৰে সৃষ্টি কৰা হয় অৰ্থাৎ সন্ত্ৰাসবাদী সকলে যেতিয়া জীৱ-জন্তু নাইবা ইয়াৰ উপজাত দ্ৰব্য অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰে তাকেই সাধাৰণতে জৈৱ সন্ত্ৰাস আখ্যা দিয়া হয়। আধুনিক প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগে জীৱবিজ্ঞান, চিকিৎসা বিদ্যা, জৈৱপ্ৰযুক্তিবিদ্যা অনুজীৱ বিদ্যা অনুবংশিক বিদ্যা আদি ক্ষেত্ৰত নাটকীয় পৰিবৰ্তন সাধিত কৰিছে। তাৰ লগে লগে আমাৰ চৌদিশে থকা বিভিন্ন ধৰণৰ প্ৰাণী, উদ্ভিদ, অনুজীৱ আদিৰ গঠণ, প্ৰকৃতি, ৰাসায়নিক সংযুক্তি আদিৰ পুংখানুপুংখ অধ্যয়ন সম্ভৱ হৈ পৰিছে; কিন্তু পৰিতাপৰ কথা যে জীৱ সমূহৰ অধ্যয়নলব্ধ তথ্যৰ আধাৰত সন্ত্ৰাসবাদী শক্তি সমূহে নিজ স্বাৰ্থসিদ্ধিৰ বাবে মাৰাত্মক বেমাৰৰ বীজাণু/জীৱাণু, ক্ষতিকাৰক পদাৰ্থ আদি প্ৰতিপক্ষ তথা জনসাধাৰণৰ লগতে অন্যান্য জীৱজন্তুৰ মাজত মেলিদি সুদূৰ প্ৰসাৰি ক্ষতি কৰাত ব্যৱহাৰ কৰিবলৈ লৈছে।

জৈৱ সন্ত্ৰাসবাদৰ মাধ্যম আৰু প্ৰকাৰ :— জৈৱ সন্ত্ৰাসবাদৰ মাধ্যম আৰু প্ৰকাৰ মনকৰিব লগীয়া। বিভিন্ন ধৰণৰ জীৱ-জন্তু, অণুজীৱ আদি ভিন ভিন

পৰিস্থিতিত অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হয়। উদাহৰণ স্বৰূপে উল্লেখ কৰিব পাৰি যে যুদ্ধৰ সময়ত প্ৰতিপক্ষক কাবু কৰিবলৈ নাইবা মানসিক আৰু শাৰিৰীক ভাৱে চাপত ৰাখিবলৈ নানা ধৰণৰ জীৱ-জন্তুক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হয়। বিষধৰ সাপ, বৃশ্চিক, বৰল মৌমাখি, বিষাক্ত কীট পতংগ আদি ক্ষুধাতুৰ অৱস্থাত ৰাখি কৃত্ৰিম উপায়েৰে খণ্ডাল কৰিলৈ প্ৰতিপক্ষৰ সৈন্য নাইবা জনসাধাৰণৰ মাজত এৰিদিয়া হয়। তদুপৰি বিভিন্নধৰণৰ বেমাৰৰ বীজাণু যেনে জলাতংক, প্লেগ, যক্ষ্মা, বসন্ত, হেপাটাইটিছ আদি কুকুৰ, মেকুৰী, বান্দৰ, এন্দুৰ-নিগনি আদি জন্তুৰ দেহত সুমুৱাইদি প্ৰতিপক্ষৰ মাজত মেলি দি এইবোৰ ৰোগ বিয়পাই দিয়া হয়। অতি সাম্প্ৰতিক কালত জৈৱাস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা আৰু পূৰ্ণ সম্ভাৱণা তেনে কিছুমান ভয়ানক অনুজীৱ হ'ল — ডেংগ'ভাইৰাছ, এইচ. আই. ভি. (Human Immune virus), বসন্ত ভাইৰাচ (Small pox), বৰ আই (Chicken pox), নাইবা Herpis Joster, এনকেফেলাইটিছ, হেপাটাইটিছ, এনথ্ৰাক্স, চাৰ্চ (SARS) (Seveve Acute Resporatory Syndome) ভাইৰাছ, ডিপথেৰিয়া Hantaan ভাইৰাছ (Causes haemorrhegic fever with renal syndrome), Ebola, Martburg, less virus (causes haemorrhegic fever with flue) ইত্যাদি। এই অনুজীৱ সমূহ ব্যৱহাৰ কৰাৰ কাৰণ হ'ল অতি সহজে এইবোৰ বায়ু, পাণী, কাপোৰ খাদ্য নাইবা বিভিন্ন জীৱ-জন্তুৰ মাধ্যমেৰে প্ৰতিপক্ষৰ মাজত মেলি দিব পাৰি লগতে কেই মুহূৰ্ত মানৰ ভিতৰতে ই মহামাৰীৰ সৃষ্টি কৰিব পাৰে। ফলত প্ৰতিপক্ষ ত্ৰাসিত হৈ পৰাৰ লগতে শাৰিৰীক তথা মানসিক ভাৱে ভাগি পাৰে। আনহাতে সংশ্লিষ্ট শাসক গোষ্ঠী যুদ্ধৰ সলনি দুৰ্গত লোকৰ চিকিৎসা অধিক মনোনিবেশ কৰিবলৈ নৈতিক ভাৱে বাধ্য হৈ পৰে।

এই সকলোবোৰৰ উপৰি মানুহ নিজেও যে সন্ত্ৰাসবাদৰ জঘণ্য হাতিয়াৰ তাৰ শত সহস্ৰ উদাহৰণ আমাৰ চৌপাশে বিৰাজমান। মানুহে নিজৰ স্বাৰ্থৰ বাবে কিমান জঘণ্য/পাশৱিক পৰ্যায়লৈ নামিব পাৰে তাক বুজাবলৈ দুটা উদাহৰণ উল্লেখ কৰা হ'ল।

কিছু বছৰ আগতে কাইৰ'টৰ (Cairotore) ত এজন সন্ত্ৰাসবাদীয়ে Wasfi Tale নামৰ মন্ত্ৰী এজনক ৰাজপথত আক্ৰমন কৰি বুকুফালি কলিজা উলিয়াই খাই পেলাইছিল। ঠিক তেনেদৰে কংগ' যুদ্ধৰ সময়ত জাইৰিৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰপতি মব'তো চিচি চেইক' (Moboto se se Seiko) ই তেওঁৰ প্ৰতিদন্দ্বি তথা সদ্যপৰাজিত ভূতপূৰ্ব ৰাষ্ট্ৰপতি Patrik lummaba ক কাৰ্যালয় কক্ষতেই কামুৰি মাংস খাই পেলাই। এই কাৰ্যৰ দ্বাৰা দেখুৱাই দিছিল যে তেওঁলোকৰ বিৰুদ্ধাচৰণ কৰা যিকোনো ব্যক্তিৰ ভৱিষ্যৎ কি হ'ব পাৰে।

ইতিহাস :— জৈৱ সন্ত্ৰাসবাদক অত্যাধুনিক আখ্যা দিলেও ইয়াৰ ইতিহাস নতুন নহয়। ওঠৰ শতিকাত আমেৰিক্যত-উপনিৱেশিক শাসনৰ সময়ত বৃটিছ সকলে বসন্ত বেমাৰৰ (Small pox) ভাইৰাছ কম্বল জাতীয় কাপোৰৰ মাধ্যমত বিয়পাই এই বেমাৰৰ প্ৰাদুৰ্ভাৱ ঘটাই জনসাধাৰণক কাবু কৰি শাসন যন্ত্ৰ বাহাল ৰখাৰ চেষ্টা কৰিছিল।

১৯৩০ আৰু ১৯৪০ চনত চীনদেশ আক্ৰমনৰ সময়ত জাপানে প্লেগ ৰোগৰ ভাইৰাচ (Yersinia pestis) চীনা জনসাধাৰণৰ মাজত মেলিদি মহামাৰীৰ সৃষ্টি কৰি কাবু কৰি পেলাই ছিল। বাংলাদেশৰ স্বাধীনতা যুদ্ধৰ সময়ত ভাইৰাচ জানিত চকুৰ Conjun ctivitis ৰোগে ব্যাপক হাৰত বিস্তৃত হৈ পৰে। ই আনকি বাংলাদেশৰ সীমান্তবৰ্তী আমাৰ দেশৰ উত্তৰপূৰ্বাঞ্চলৰ ৰাজ্য সমূহ আৰু পশ্চিমবংগতো আতংকময় পৰিবেশৰ সৃষ্টি কৰিছিল। প্ৰত্যক্ষ প্ৰমান নাথাকিলেও ই এক পৰিকল্পিত আক্ৰমন নাইবা পৰীক্ষা আছিল বুলি সন্দেহ কৰাৰ থল নুই কৰিব নোৱাৰি।

জৈৱ সন্ত্ৰাসৰ এক আমোদজনক কিন্তু ভয়ানক উদাহৰণ হ'ল ১৯৮৪ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ অৰিগণ ৰেষ্টুৰেণ্টত সংঘটিত চালাড (পইজনিং) বিষক্ৰিয়া। প্ৰাপ্ত তথ্য মতে ১৯৮৪ চনত U. S. A. ৰ এক স্থানীয় নিকায়ৰ নিৰ্বাচনত বিৰোধী পক্ষৰ প্ৰাৰ্থীক হৰুৱাবলৈ এটা দলে অভিনৱ পন্থা গ্ৰহণ কৰিছিল। নিৰ্বাচনৰ দিনা ভোট গ্ৰহণৰ আগ মুহূৰ্তত ভোটাৰ সকলৰ বাবে অৰিগ'ণ নামৰ ৰেষ্টুৰেণ্ট এখনত আহাৰৰ ব্যৱস্থা কৰে আৰু বিৰোধী পক্ষৰ ভোটাৰ/সমৰ্থক সকলক চালম'নেলা, ষ্টেফাইল'ককচি প্ৰকৃতিৰ ভেকুঁৰৰ টক্সিন মিহলি চালাড পৰিবেশন কৰা হয়। উল্লেখযোগ্য যে উক্ত টক্সিনবোৰ সুগন্ধি আৰু সুস্বাদু যদিও বিষাক্ত। এনে বিষাক্ত টক্সিন যুক্ত চালাড খাই শ শ ভোটাৰ পেটৰ বিষ আৰু ডায়েৰীয়া সদৃশ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ পৰে। ফলত ভোটাৰৰ অভাৱত বিৰোধী পক্ষৰ প্ৰাৰ্থী জন পৰাজিত হয়।

২০০২ চনত আমেৰিকা যুক্তৰাষ্টৰ ৱাচিংটণ চহৰত অৱস্থিত বিশ্ববাণিজ্য কেন্দ্ৰত আক্ৰমৰ্ণৰ পিছত সমগ্ৰ বিশ্বতেই এনথ্ৰাক্স আক্ৰমণৰ বিভাষিকা বিৰাজ কৰিছিল। বৰ্তমান চীনদেশত SARS এ ত্ৰাসৰ সৃষ্টি কৰি আছে। এই ধৰণৰ ত্ৰাস কোনো সন্ত্ৰাসবাদী শক্তি তথা শত্ৰু ৰাষ্ট্ৰৰ পৰীক্ষা মূলক ব্যৱহাৰ হিচাপে ভাবি লোৱাৰ যথেষ্ট থল আছে। কাৰণ মুক্ত বাণিজ্যৰ পৰা আৰম্ভ কৰি সাম্প্ৰতিক বিশ্বৰ ৰাজনৈতিক প্ৰেক্ষাপটত উন্নত (ধণী) ৰাষ্ট্ৰ বোৰৰ মাজত বজাৰ দখলৰ কূট কৌশলে চৰম সীমাত উপনীত হৈছে। আনহাতে আৰ্থসামাজিক প্ৰেক্ষাপটত সন্ত্ৰাসবাদী শক্তি সমূহেও নিজৰ প্ৰতিপক্ষক এ সেকা দিবলৈ যিকোনো কাৰ্যতেই লিপ্ত হোৱাৰ প্ৰৱণতা যথেষ্ট বৃদ্ধি পাইছে।

জৈৱ সন্ত্ৰাসবাদ আৰু আন্তৰ্জাতিক স্থিতি :— আন্তৰ্জাতিক ক্ষেত্ৰত জৈৱ সন্ত্ৰাসবাদ তথা জৈৱাস্ত্ৰৰ প্ৰয়োগ সম্পৰ্কে পোনপ্ৰথমবাৰৰ বাবে ১৯২৫ চনৰ ১৭ জুনত ৰাষ্ট্ৰসংঘৰ জেনেভা সন্মিলনত আলোচনা কৰা হয় আৰু ইয়াৰ নিষিদ্ধকৰণৰ বাবে সৰ্বসন্মত প্ৰস্তাৱ গ্ৰহণ কৰা হয়; কিন্তুপৰিতাপৰ বিষয় যে সেই প্ৰস্তাৱ হৈয়েই থাকিল, লগতে কাৰ্যক্ষেত্ৰত ইয়াৰ প্ৰসাৰ ঘটাহে পৰিলক্ষিত হ'ল। ইয়াৰ সুদীৰ্ঘ ৪৩ বছৰ পিছত আৰ্থাৎ : ১৬৭ চনত U. K. এ অনুজৈৱিক অস্ত্ৰৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ নিষিদ্ধ কৰণৰ বাবে এক আন্তৰ্জাতিক সন্মিলনৰ পোষকতা কৰে আৰু ৰাষ্ট্ৰসংঘত আবেদন জনাই। এই প্ৰচেষ্টাৰ ফলশ্ৰুতিত ১৯৭২ চনৰ ১০ এপ্ৰিলত U. S. A., U. K., USSR দেশ তিনিখনে B. T. W. C. (Biological and Toxin Weapons Convention) শীৰ্ষক চুক্তিত স্বাক্ষৰ কৰি এক ইতিহাস ৰচনা কৰে। পৰৱৰ্তী কালত অৰ্থাৎ ১৯৭৩ চনৰ মাৰ্চ মাহত ভাৰতকে ধৰি বিশ্বৰ ১৪৩ খনদেশে উক্ত চুক্তিত স্বাক্ষৰ কৰি প্ৰায় সমগ্ৰ বিশ্বই একমুখে জৈৱাস্ত্ৰৰ প্ৰয়োগ আৰু উৎপাদন নিষিদ্ধ ঘোষণা কৰে। ইমানৰ পিছতো কিন্তু উন্নত দেশ সমূহে গোপনে কিন্তু পূৰ্ণোদ্যমে জৈৱাস্ত্ৰ প্ৰস্তুত কাৰ্য আৰু

আনুসংগিক গৱেষণা কাৰ্য চলাই আছে। তথ্যবিজ্ঞ মহলে বিভিন্ন সমীক্ষাৰ পৰা U. S. A. ৰাচিয়া প্ৰমুখ্যে বৰ্তমান প্ৰায় ১৭ খন দেশত জৈৱাস্ত্ৰ মজুত থকা বুলি সন্দেহ প্ৰকাশ কৰিছে। অৱশ্যে সাম্প্ৰতিক কালৰ সন্ত্ৰাসবাদীৰ দৌৰাত্মৰ প্ৰতি লক্ষ্য কৰিলে ইয়াৰ প্ৰাচুৰ্য আৰু অধিক হোৱাৰ সম্ভাৱণা নুই কৰিব নোৱাৰি।

জৈৱসন্ত্ৰাসবাদৰ ভয়াবহতা আৰু আমাৰ কৰণীয় :— ওপৰত উল্লেখ কৰি অহা হৈছে যে জৈৱ সন্ত্ৰাসবাদ সমগ্ৰ মানৱ সভ্যতাৰ বাবেই এক অৱশ্যাম্ভাৱি প্ৰত্যাহবান, ই আন পাৰমানবিক অস্ত্ৰতকৈও ভয়ানক কাৰণ —

১) জৈৱাস্ত্ৰ সমূহৰ ব্যৱহাৰ অতি সহজ, ইয়াৰ বাবে কোনো যন্ত্ৰ-পাতি আদিৰ প্ৰয়োজন নহয়। সেয়ে প্ৰয়োগ কৰিব সকলে অনায়াসে যতে ততে প্ৰয়োগ কৰিব পাৰে।

২) ই অতি সহজে মানুহ তথা অন্যান্য জীৱ জন্তুৰ মাজত বিয়পি পৰে। জীৱ দেহত আক্ৰমন কৰাৰ পাছত দ্ৰুত হাৰত বংশ বৃদ্ধি কৰে ফলত সময় বৃদ্ধিৰ লগে লগে আক্ৰমণৰ মাত্ৰাত বৃদ্ধি হয় লগতে নতুন নতুন অঞ্চললৈ সংক্ৰমিত হৈ মহামাৰীৰ সৃষ্টি কৰে।

৩) অণু জৈৱীক অস্ত্ৰ তথা অণুজীৱ সমুহে মুহূৰ্তৰ ভিতৰতে অতি নগণ্য সংখ্যকৰ পৰা বংশ বৃদ্ধি কৰি বৃহৎ অঞ্চল সামৰি লয়। ই কেৱল দেশৰ মানৱ সম্পদৰেই ক্ষতি সাধন নকৰে সমগ্ৰ প্ৰকৃতিৰ সম্পদ ৰাজিৰও অনিষ্ট সাধন কৰে।

৪) জৈৱাস্ত্ৰ সমূহে মানুহ তথা জীৱ-জন্তুক শাৰিৰীক ভাৱে সুণিয়া কৰাৰ লগতে তিল তিল কৈ মৃত্যুৰ মুখলৈ ঠেলি দিয়ে। ফলত জনসাধাৰণ অৰ্থিক আৰু শাৰিৰীক ভাৱে সৰ্বশ্ৰান্ত হোৱাৰ লগতে মানসিক ভাৱে ভাগি পৰে।

৫) সৰ্বতোকৈ গুৰুত্বপূৰ্ণ ভয়াৱহতা হ'ল এবাৰ প্ৰকৃতিত এৰি দিয়াৰ পিছত বিশেষকৈ অণুজীৱ সমূহ মানুহ, জীৱ-জন্তুৰ আদিৰ দেহত বহু বছৰলৈ সুপ্ত অৱস্থাত থাকিযাঁব পাৰে আৰু উপযুক্ত পৰিবেশ পালেই পুণৰ সক্ৰিয় হৈ মহামাৰীৰ সৃষ্টি কৰিব পাৰে। উল্লেখ যোগ্য যে কিছুমান বেমাৰৰ বীজাণু মানুহৰ মাজৰ পৰা নিৰ্মূল কৰিব পাৰিলে বণ্য জীৱ-জন্তুৰ দেহৰ পৰা সম্পূৰ্ণ নিৰ্মূল কৰা সম্ভৱ নহয়।

ওপৰৰ চমু আলোচনাত পৰা আমি ক'ব পাৰো যে জৈৱ সন্ত্ৰাসবাদ নিঃসন্দেহে মানৱতা তথা মানৱ সভ্যতাৰ ওপৰত এক মোক্ষম আঘাট। এনে এক ভয়ানক পৰিস্থিতিৰ সৈতে মুখামুখী হৱলৈ তথা সাম্ভাব্য বিপদৰ পৰা মানৱ সভ্যতাক ৰক্ষা কৰিবলৈ মানুহে সাহসেৰে যুঁজ দিব লাগিব। এইক্ষেত্ৰত "Prevention is better than Cure" আপ্ত বাক্যশাৰী এশ শতাংশই প্ৰযোজ্য। জৈৱ সন্ত্ৰাসৰ কবলৰ পৰা মানৱ সভ্যতাক ৰক্ষা কৰিবলৈ সমাজৰ সকলো স্তৰৰ সচেতন ব্যক্তি বিশেষকৈ শিক্ষক, বুদ্ধিজীৱি, ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰচাৰ মাধ্যমে জন সচেতনতা গঢ়িতোলাৰ গুৰু দায়িত্ব মুৰপাতি লব লাগিব। অন্যথা সময়ে নিশ্চয় কাকো ক্ষমা নকৰিব।

## মহৎলোকৰ বাণী

১. মই কেৱল একেটা কথাকে জানো, সেইয়া হ'ল মই একো নাজানো।

—চক্ৰেটিচ।

২. শিক্ষাৰ উদ্দেশ্য মন প্ৰশস্ত কৰা, চিন্তা শক্তি বঢ়োৱা শিক্ষাৰ্থীক নানা ভাব দি ভৱিষ্যত জীৱন-যুদ্ধত দেশৰ আৰু জগতৰ কল্যাণ সাধনত সৰ্বতো প্ৰকাৰে যোগ্যবান কৰা।

—তৰুণৰাম ফুকন।

৩. নজনাটো সিমান লাজৰ কথা নহয়, শিকিবলৈ যত্ন নকৰাটো যিমান।

—বেঞ্জামিন ফ্ৰেঙ্কলিন।

৪. আমি যি জানো সি অতি সামান্য। আমি যি নাজানো, তাৰ সীমা নাই। এতেকে নিজকে জ্ঞানী বুলি ভবা অনুচিত।

—পাপেলচ্।

৫. আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পৱিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা।

—চক্ৰেটিচ।

# 'যুৱমহোৎসৱ'—
# ডায়েৰীৰ এখিলা পাত

নিবেদিতা চৌধুৰী

অতীতৰ মধুৰতম মুহূৰ্ত্তবোৰ অতীত গৰ্ভত স্মৃতি ৰূপত ঠাহ খাই থাকে। স্মৃতিৰ শুকান পাতবোৰৰ খৰখৰণিয়ে ঝংকাৰ তোলে মনত। হঠাৎ আজি লিপিবদ্ধ কৰিবলৈ লৈছো মনৰ ডায়েৰীৰ দুৱাৰ খুলি অহা স্মৃতিৰ পাতবোৰক।

'যুৱমহোৎসৱ' নামটো শুনিছে ছাগে? সেয়ে বিগত কেইবা বছৰৰ পৰাই গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত অনুষ্ঠিত হৈ অহা 'আন্তঃমহাবিদ্যালয় যুৱমহোৎসৱ' ৪/৫ দিনীয়া কাৰ্যসূচীৰে মহা আনন্দৰে পাতি অহা উৎসৱ।

এই 'আন্তঃমহাবিদ্যালয় যুৱমহোৎসৱ' সুনিয়াৰীকৈ চলোৱাত দায়িত্ব লয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰৰ ছাত্ৰ-ছাত্ৰীসকলে। আৰু ইয়াতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনস্থ কলেজ সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে দূৰ-দূৰণিৰ পৰা আহি গোট খায়হি।

আচলতে কি জানে, আলোচনী সম্পাদিকা অমৃতাৰ উচটনিৰ বাবে লিখিবলৈ কলম হাতত তুলিছো। লিখনিটো যদি হ'য় হওঁক, নহ'য় যদি নহওঁক। তথাপিতো আলোচনীৰ পাত ভৰিব। আৰু সুন্দৰ অলংকাৰ যুক্ত নহ'লেও চেষ্টা কৰিছোঁ বুলি পাঠকে নিশ্চয় বুজি পাব।

এই মহোৎসৱৰ উদ্দেশ্য কি বুলি ক'লে এইটোৱে ক'ব পাৰি— অসমৰ (গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনস্থ) মহাবিদ্যালয়সমূহৰ সামূহিক মিলন আৰু প্ৰতিভাৰ মাপকাঠিডাল জোখাৰ এক সুপ্ৰচেষ্টাই 'আন্তঃমহাবিদ্যালয় যুৱমহোৎসৱ'ৰ মূল উদ্দেশ্য।

এই মহোৎসৱতে ভিন্ ভিন্ ঠাইৰ কলেজ সমূহৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাক বিকশিত কৰিবলৈ সুয়োগ পায়। লগতে নতুন নতুন কলা-সংস্কৃতিৰ লগত চিনাকী হ'বলৈও সুবিধা পায়। মহাবিদ্যালয়ৰ তাকৰ প্ৰতিযোগীক লৈ প্ৰতিযোগিতাত জয়ীসকলে প্ৰতিভাৱান প্ৰতিযোগীসকলৰ লগত যুঁজ কৰিবলৈ সুযোগ আৰু লগতে অজ্ঞতাখিনি জ্ঞাত কৰিবলৈ উৎসাহ পায়।

'সুযোগ পালে ততালিকে লবা; নোপোৱাখিনি থাকিল বাকী।' ছাগে, ২০০৫ চনৰ ৩-৭ জানুৱাৰীৰলৈকে 'কলেজ-সপ্তাহ'ত আমাৰ নাটক 'মুক্তি'যে প্ৰথম পুৰস্কাৰ প্ৰাপ্ত হৈ আমাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ মঞ্চত অৰ্থাৎ এখন ভয়ংকৰ যুদ্ধক্ষেত্ৰত যুঁজিবলৈ সুযোগ দিলে। আন্ধাৰ ফালি ওলাই অহা সূৰ্যৰ কিৰণেৰেহে জগত পোহৰ কৰি তোলে আৰু তাৰ বাবে সূৰ্যৰ ওচৰত আমি চিৰকৃতজ্ঞৰ লগতে প্ৰণিপাত জনাওঁ। তেনেদৰে নাটকখনক মঞ্চলৈ আনোতে যিসকল ব্যক্তিয়ে কষ্টক কষ্ট বুলি নাভাবি আমাৰ লগত ছাঁটোৰ দৰে লাগি আছিল তেখেত সকলৰ নাম নল'লে লিখনিটোৱে অসম্পূৰ্ণ হৈ ৰ'ব। সেই চিৰনমস্য ব্যক্তি তিনিগৰাকী হ'ল— আমাৰ মৰমৰ পদুমী (পদু) বা, দিবাকৰ শৰ্মা আৰু হৰগোবিন্দ ডেকা চাৰ। লগতে নাটকখন কৰাত সহযোগিতা আগবঢ়োৱা সকলোকে ধন্যবাদ জ্ঞাপন কৰিলো।

দুধনৈ কলেজৰ শিক্ষকবৃন্দৰ আশীৰ্বাদ মনে-প্ৰাণে গ্ৰহণ কৰি ৮ জানুৱাৰীৰ দিনৰ এটা মান বজাত আমাৰ দলটোৱে ন-উদ্যমেৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদলৈ আগবাঢ়ি গ'লো। অ' আমাৰ দলটোৰ লগত তত্ত্বাৱধায়ক হিচাপে শ্ৰীযুত হৰগোবিন্দ ডেকা চাৰ আৰু শ্ৰীযুত মণিদীপ বড়ো চাৰ গৈছিল। আবেলি পৰত কৃষ্ণচূড়াৰ দেশ পালো। ঠেলাৰে বয়-বস্তুবোৰ হোষ্টেলৰ কাষলৈকে অনালো। চাৰহঁতে আমাৰ কলেজৰ নামটো পঞ্জীয়নভুক্ত কৰাৰ পিছতে মণিদীপ চাৰৰ চিনাকী ভাৰতী বা আৰু জোনালী বায়ে 'গান্ধী ভৱন'ত থকাৰ ব্যৱস্থা কৰাই দিলে। ল'ৰা কেইটা আৰু চাৰহঁতে ছাত্ৰানিবাসতেই থাকিলে।

প্ৰতিযোগিতাসমূহৰ কথা লিখিবই আছে নহ'য়। এই মহোৎসৱত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা পতা হ'য়। তাৰ ভিতৰত পোষ্টাৰ মেকিং, কাৰ্টুনিং, ক্লে মডেলিং, ক'লাজ, পেইন্টিং সংগীত বিভাগত (বৰগীত, লোকগীত, পৰম্পৰাগত জনজাতীয় গীত, লঘু শাস্ত্ৰীয় সংগীত, শাস্ত্ৰীয় কণ্ঠ সংগীত, তালবাদ্য (যন্ত্ৰ স.) স্বৰ বাদ্য (য: স:), জ্যোতিসংগীত, বিষ্ণু সংগীত, ৰবীন্দ্ৰ সংগীত, পাশ্চাত্য সংগীত, সমবেত সংগীত), তৰ্ক, বক্তৃতা, কুইজ, সাংস্কৃতিক শোভাযাত্ৰা, একাংক নাট, শাস্ত্ৰীয় নৃত্য, লোক নৃত্য, মুকাভিনয় ইত্যাদি ইত্যাদি।

এই প্ৰতিটো প্ৰতিযোগীতাত সকলো প্ৰতিযোগীয়ে বিভিন্ন ধৰণৰে প্যাৰদৰ্শিতা দেখুৱাবলৈ প্ৰচেষ্টা চলায়। নিজকে পৰীক্ষা কৰিবলৈ সক্ষম কৰায় য়ে আমি নিজে কিমান জানো আৰু আমাৰ আত্মবিশ্বাসৰ গভীৰতা কিমান।

পুৰাৰ পোহৰ পৰাৰ লগে লগে সকলোৰে জাগ্ৰত হৈ কৰ্মৰত হোৱাৰ দৰে আমিও ৯ তাৰিখ (জানুৱাৰী, ২০০৫)ৰ পৰাই সাজু হৈ উঠিলো। প্ৰথম কাৰ্যসূচীৰূপে সাংস্কৃতিক শোভাযাত্ৰা। এই শোভাযাত্ৰাৰ উদ্বোধক হিচাপে অভিনেত্ৰী মৃদুলা বৰুৱাই উদ্বোধনী কৰিছিল। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° গজেন্দ্ৰ নাথ তালুকদাৰ, আছুৰ উপদেষ্টা ড° সমুজ্জল ভট্টাচাৰ্য আদি বিভিন্ন বিশিষ্ট ব্যক্তিয়ে ভাষণ দিয়ে।

বাঃ এই শোভাযাত্ৰা কি বিচিত্ৰৰঙী। মাটিৰ প্ৰলেপ সনা মূৰ্তিৰূপিনী স্বয়ং মানুহে উষা, চিত্ৰলেখা, ছদ্মবেশী মহাদেৰ, হনুমান, বিভিন্ন ধৰণৰ কৃষ্টিৰ সমদলৰে আৰু বিভিন্ন ধৰণৰ গীত-বাদ্যৰে বিশ্ববিদ্যালয়ৰ চৌহদ মুখৰিত হৈ উঠিল।

শোভাযাত্ৰাৰ কাৰ্যসূচী সমাপ্ত কৰি ভাত খাবলৈ গ'লো। ভাত খাই উঠিছো মাত্ৰ, তেনেতে খবৰ আহিল নাটকখন আজি ৰাতি ৮ বজাত। আটাইকেইজনীয়ে লৰা-লৰিকৈ হোষ্টেললৈ আহি যাৰ যি পোছাক কৰি চাৰহঁতে থকা হোষ্টেললৈ গ'লো। তাত ৰিহাৰ্চেল আৰম্ভ। প্ৰথম বিশ্ববিদ্যালয়ৰ মঞ্চত কৰিবলৈ লোৱা বাবে ছাগে ভয়টো বেয়াকৈ ভিতৰত সোমাই গৈছিল। এই ভয় গুচাবলৈ সক্ষম কৰাইছিল ডেকা চাৰ আৰু নিৰঞ্জন মামা। এওঁলোক দুজনৰ ইতিবাচক চিন্তাৰে মোক মঞ্চত নিৰ্ভীক ভাৱে অভিনয় কৰিবলৈ সাহস দিছিল। জানেনে? নাটকখন কৰি উঠাৰ পিছত আৰু এবাৰ মঞ্চস্থ কৰিবলৈ মন গৈছিল। ডেকা চাৰে যেতিয়া ভাল হৈছে বুলি কৈছিল তেতিয়া মনটোৰে সকাহ পোৱাৰ লগতে আগলৈ কিবা কৰাৰ উৎসাহ পালে।

আৰু এটি নতুন পুৱা...

১০ জানুৱাৰী। ৰাতিপুৱাতে চাৰহঁতে থকা ছাত্ৰাবাসলৈ গৈয়ে মণিদীপ চাৰৰ লগত কেন্টিনলৈ বুলি দুলু, দৰ্শনা, পপি, মহানন্দ দা আৰু মই ওলাই গ'লো।

ৰিঙিয়াই মাতি থকা হোষ্টেলখনলৈ ছাগে চাৰৰ সাউতকৈ মনত পৰিল। তৎক্ষণাত প্ৰস্তাৱটো দিলে চাৰে 'ব'লা মই থকা A.T. 7 Boys Hostel খনলৈ যাঁও।' আমিও ফুৰিব পৰাৰ আনন্দত 'বলক' বুলি কৈ দিলো। হোষ্টেলখনলৈ গৈ ভালে লাগিল। বিশেষকৈ দাদাবিলাকে চাৰক জনোৱা সন্মান দেখি। চাৰে থকা ৰুমটোতে বহিছিলো। আহল-বহল, দুখন টেবুল, বিছনা আদিৰে কোঠাটো ভৰপুৰ। দেখি ভাল লাগিছিল যে এখন টেবুলৰ আগৰ বেৰখনত 'সৰস্বতী'ৰ ফটো আঁৰা আছিল। চাহ-পানী খুৱাই, চা-চিনাকী হৈ দুপৰীয়া সময়ত তাৰ পৰা উভতি আহিলো।

আবেলি পৰত আমাৰ দলটোৰ নৃত্য প্ৰতিযোগিতাত ভাগ ল'বলৈ বুলি আটাইয়ে অডিটৰীয়ামলৈ বুলি গ'লো।

আৰে এইবোৰ দেখোন দেখাই নাছিলো—ম'হ খেদা গীত আদি। প্ৰতিযোগিতা চাই খুবেই উপকৃত হ'লো। ৰাতি সমবেত সংগীতৰ ৰিহাৰ্চেল দিলো।

১১ জানুৱাৰী, ০৫ চনৰ দিনটো। দিনটো কোৱাচৰ ৰিহাৰ্চেল কৰাৰ পিছত আৰু আবেলি পৰত সাজি-কাচি অডিটৰীয়ামলৈ গ'লো কাৰণ সন্ধিয়াতে আকৌ মুকাভিনয় আছে নহ'য়। মুকাভিনয় দেখিলেহে লেখিব। আচৰিতভাৱে আকৰ্ষণীয়। ৰাতি ১.৩০ মান বজাত আমাৰ সমবেত সংগীতটো গাইছিলো।

এটি নতুন পুৱা :

১২ তাৰিখ, জানুৱাৰী। পুৰস্কাৰ বিতৰণীৰ দিন। ৰাতিপুৱাতেই ছাত্ৰাবাসলৈ আহিলো। কিমান যে নাচিছিলো, আৰতি...শেষত 'কাটালাগা দল' বুলি জোকোৱা হ'ল। আমাক দেখাৰ পিছত দমদমা, কলিয়াবৰ, দৰং আদি কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে হাৰমনিয়াম, ঢোল, পেপা, গিটাৰ লৈ ফিল্ডলৈ ওলাই আহিল। তাৰ পিছত গাৰো, বিহু, ৰাভা, গীত নৃত্যৰে একাকাৰ হৈ উঠিল। সকলোৰে নৃত্য উপভোগ কৰিলে।

কুঁৱলীৰ আঁৰ ফালি বেলিটো ওলাও-নোলাওকৈ লাজৰ ওৰণি গুচাইছে হে মাত্ৰ গোটেইকেইজনে অডিটৰীয়ামৰ ফিল্ডখনত উপস্থিত। বেলি সম্পূৰ্ণ হোৱা ৰুটিখনৰ দৰে আটাইকেইজনে বহি লৈ ৰুমাল চুৰি খেলাত ব্যস্ত। দুৰ্ভাগ্যবশত ডেকা চাৰে খেলখনত ভাগ ল'ব নোৱাৰিলে। কি জানেনে যিয়ে কোবটো খাব সিয়ে মাজত গৈ নাচিব লাগে। নক'ব আৰু এইখেলখন উপভোগ কৰা মানুহ। আৰু মণিদীপ চাৰৰ 'হস্তীৰ কন্যা' নাচটোৰে সকলোকে আপ্লুত কৰিলে।

লাহে লাহে বেলি মূৰৰ ওপৰ পোৱাত 'মঞ্চত ৰেগিং' চলিল। আন আন অঞ্চলৰ পৰা অহা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পাৰ্গতালি দেখি অনুভৱ কৰিছিলো আমি কিমান পিছপৰা। মণিদীপ চাৰ আৰু অভিজিত 'হস্তীৰ কন্যা' নৃত্যটিকে প্ৰদৰ্শন কৰিলে।

ঠিক সূৰ্য অস্তগামিত হোৱাৰ সময় হওঁ হওঁ তেতিয়াই শ্ৰীযুত তৰুণ গগৈ, মুখ্যমন্ত্ৰী ডাঙৰীয়া আহি দুআষাৰ ভাষণ দি গ'লহি।

আমি চাৰিটা পুৰস্কাৰ পালো নহ'য়। নাটখনত নাপালো যদিও নাটকৰ এটা চৰিত্ৰ বুঢ়ী (দুলুমণি)য়ে 2nd Best actress, মৃগেন দায়ে জ্যোতি সংগীতত ১ম, জোনমণি বায়ে ২য় পৰম্পৰামূলক গীত আৰু সমবেত সংগীতত ৩য় পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলো। পুৰস্কাৰ লোৱা মুহূৰ্তটো এটা অবিস্মৰণীয় মুহূৰ্ত। গোটেই দলটোৱে ঢোল, পেঁপা, গীত পৰিবেশন কৰি পুৰস্কাৰ আনিবলৈ যায়। কিমান যে আনন্দত কিৰিলি পাৰে, কিমানে চকুলোৰ লোটক বোৱায়।

এই পৰ্ব শেষ হোৱাৰ পিছতেই ৰাতি সাংস্কৃতিক সন্ধিয়া। মৃগেন দায়ে গীত পৰিবেশন কৰিলে।

সকলোৰে নিজ নিজ ঠাইলৈ উভতি যায়। তেনেকৈ আমিও ১৩ জানুৱাৰীৰ ৰাতিপুৱাই আমাৰ নিজৰ ঠাইলৈ সকলোকে 'যাঁও' বুলি কৈ উভতি আহিলো। লগত আনিলো এবুকু আনন্দৰে ভৰপুৰ অতীত আৰু কলেজখনৰ সুনাম। অইন অইন বছৰৰ পৰা বাঢ়ি অহা সুনাম মই জনাত তত্ত্বাৱধায়ক হিচাপে শ্ৰীযুত হৰকুমাৰ নাথ চাৰৰ দিনত আমাৰ মহাবিদ্যালয়ে এই

মহোৎসৱত যোগদান কৰি লোকনৃত্যত সোণৰ পদক প্ৰাপ্ত হৈ বিশ্ববিদ্যালয়ৰ হৈ মণিপুৰত যোগদান কৰিছিল। প্ৰতিবছৰে আমাৰ মহাবিদ্যালয়ে এই মহোৎসৱত যোগদান কৰি সুনাম বাঢ়িওৱাৰ লগতে, সন্মান অটুট ৰাখিছে। আৰু আগলৈ ৰাখিব বুলি ভগৱানৰ ওচৰত মোৰ প্ৰাৰ্থনা।

এই মহোৎসৱে বিভিন্ন ঠাইৰ পৰা অহা মহোৎসৱৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এক সমন্বয়ৰ সাঁকো সৃষ্টি হয়। প্ৰত্যেকজনে ভাতৃত্ববোধ, বন্ধুত্বৰ বান্ধোনৰ শিকলিৰে বান্ধ খাই পৰে। প্ৰত্যেকজনে প্ৰত্যেকজনক বুজিবলৈ সুবিধা পায়। নানা ফূৰ্তি-তামাচাৰে এই মহোৎসৱৰ আটাইকেইটি পৰ্ব পালন কৰে। সময় যোৱাৰ লগে লগে দিন বাৰো বাগৰি গৈ থাকে আৰু শেষৰ দিনটো 'পুৰস্কাৰ বিতৰণী সভা' এয়া এক আনন্দৰ ক্ষণ। বহু ধৰণৰ ডাঙৰ ডাঙৰ মুখ্য অতিথিৰ পৰা যেতিয়া পুৰস্কাৰ গ্ৰহণ কৰা হয় তেতিয়া নিজকে সৌভাগ্যৱান বুলি গণ্য কৰা হয় আৰু জীৱনত কিছু কৰিবলৈ প্ৰেৰণা পোৱা যায়।

আচলতে আমি কলেজত থাকিলে অনুভৱ কৰিব নোৱাৰো যে আমি কলেজখনক কিমান ভালপাওঁ আৰু তাৰ লগত জড়িত প্ৰত্যেকজনকে কিমান গুৰুত্ব দিও। ইমানখিনি আমি এই উৎসৱত অনুভৱ কৰিব পাৰো। কিমানখিনি আমি কলেজৰ কাৰণে কৰিব পাৰো বা কলেজখনৰ প্ৰতি আমাৰ গুৰুত্ব কিমান।

এই মহোৎসৱলৈ সকলোৱে অৰ্থাৎ প্ৰত্যেকে কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰাটো বাঞ্ছনীয়। অসমৰ মহাবিদ্যালয়সমূহৰ এনে বহু ছাত্ৰ-ছাত্ৰী আছে, যিয়ে যুৱ-মহোৎসৱৰ বিষয়ে সামান্য ক'ণো নাজানে। এই মহোৎসৱ যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ এক নিজস্ব অনুষ্ঠান তাক বহুতেই তলকিব নোৱাৰে। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ নিজস্ব দোষ নথকা নহ'য়। কাৰণ বিদ্যালয়ৰ ঠেক গণ্ডীৰ স'তে নিজক খাপ-খুৱাই ল'বৰ বাবে ছাত্ৰ-ছাত্ৰীসকল বহু পৰিমাণে নিজেই নিজৰ পৰিচালক হ'ব লাগে। তেওঁলোকে নিজৰ লগতে চৌপাশটো বিচাৰি চোৱাৰ যি মানসিকতা তাৰ চৰম বিকাশ হোৱাটো প্ৰয়োজন।

দ্বিতীয়তে, মহাবিদ্যালয় কৰ্তৃপক্ষও ইয়াৰ বাবে সমানে জগৰীয়া। কিয়নো, ছাত্ৰ-ছাত্ৰীসকলক মহাবিদ্যালয়ে পৰিচালনা কৰিবলৈ লোৱাৰ মুহূৰ্তত পৰিচালনা কমিটিয়ে সততে ছাত্ৰ-ছাত্ৰীক সামাজিকভাৱে উদ্বুদ্ধ কৰি তুলিব লাগে। প্ৰায়ভাগ মহাবিদ্যালয়ত কৰ্তৃপক্ষৰ হেমাহিৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে বাহিৰৰ জগতখনৰ একো খবৰ নোপোৱাকৈ থাকে। বিশেষকৈ গাঁও অঞ্চলৰ ছাত্ৰ-ছাত্ৰীবোৰ এইক্ষেত্ৰত কিছু অজ্ঞ। তেওঁলোক বাহিৰৰ জগতৰ লগত পৰিচয় হওঁতে বহুত পলম হয়। যদিহে মহাবিদ্যালয় পৰিচালনা সমিতি বা কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীক পোহৰৰ পথৰ সন্ধান নিদিয়ে তেন্তে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ পথ এন্ধাৰ হোৱাটো স্বাভাৱিক।

সামৰণিত, এই যুৱ মহোৎসৱত গঢ়ি উঠা সমন্বয়ৰ সাঁকোডাল আৰু কটকটীয়া হৈ উঠক। প্ৰত্যেকে সহযোগিতা কৰক। ভাতৃত্ববোধ, একাত্ববোধ আৰু জাতীয়তাবোধ বাজি থাকক এয়ে মোৰ একান্ত কামনা।

# মহৎলোকৰ বাণী

সংগ্ৰাহক : নৱজ্যোতি ৰাভা

স্নাতক ১ম বৰ্ষ (কলা)

১. আজি সকলোৱে পঢ়িব জানে কিন্তু কি পঢ়িব লাগে তাক কোনেও নাজানে।

— বাৰ্ণাৰ্ড শ্ব'।

২. আমাৰ এনেকুৱা হৃদয়ৰ আৱশ্যক যি সাগৰৰ নিচিনা গভীৰ আৰু আকাশৰ নিচিনা উদাৰ।

— স্বামী বিবেকানন্দ।

৩. উদ্দেশ্য যদি মহৎ হয় কৰ্তব্যত যদি শিথিলতা নাথাকে, ব্যৰ্থতা কেতিয়াও আহিব নোৱাৰে।

— ৰবীন্দ্ৰ নাথ ঠাকুৰ।

৪. একাগ্ৰতা থাকিলে অন্তৰৰ পবিত্ৰ বাসনা সদায় সফল হয়।

— মহাত্মা গান্ধী।

# এক অচিনাকি প্ৰজন্ম

জিতুমনি পাঠক

**ৰিণি ৰিণি ভাঁহি অহা বেসুৰা সংগীতৰ তাল :**

**ঘটনাক্ৰম : ১:** অতি যত্নেৰে প্ৰতিপালিত শাকনি বাৰীখন উদভীয়া গৰুজনীয়ে মহতীয়াই নিয়া দেখি পীতাম্বৰ শইকীয়াৰ বুকুখন মোচৰ খাই গ'ল। থাউকতে পোৱা এচাৰিডাল হাতত লৈ গৰুজনীক দুচাট মান ভালকৈ দিয়াৰ মনাসেৰে 'হেই হেই' বুলি খেদি যোৱা শইকীয়া গৰুজনীৰ কাষ পাই থমকি ৰ'ল। খাদ্যাভাৱত শুকাই নেৰেলা চেপেটা লগা এজনী গৰু। তাইৰ এই পুতৌ লগা ৰূপ দেখি উঠা হাতখন উঠা ভাজতেই ৰৈ গ'ল শইকীয়াৰ। উগ্ৰমূৰ্ত্তি ধাৰণ কৰি খেদি যোৱা শইকীয়াৰ এই নমনীয়তাত গৰুজনীয়ে যথেষ্ট পৰিমাণে আশ্বস্ত হৈ নিৰ্লিপ্ততাৰে তেওঁৰ গাৰ কাষেদিয়েই খোলা জপনাখনৰে বাহিৰলৈ ওলাই গ'ল। ছন্দপতনৰ অব্যক্ত ক্ষোভত জপনাখন খোলাত যাজনক উদ্দেশ্যি মুখৰ ভিতৰতে ভোৰ-ভোৰাই শইকীয়া পদূলি মুখলৈ আগবাঢ়ি গৈ থাকোতেই তেওঁৰ কাণসমনীয়া পুতেকটো আহি ৰিক্সাৰ পৰা নমাত জপনাখন বন্ধ কৰিব নে নকৰে তেনে এটা বিমূঢ় ভাৱত তেওঁ পদূলিমুখত থিয় দি ৰ'ল। ৰিক্সাৰ পৰা নমা পুতেকৰ ৰিক্সাৱালাটোৰ সৈতে ভাড়াক লৈ হোৱা উখনা-উখনিকণ তেওঁ হৃদয়ঙ্গম কৰিবলৈ চেষ্টা কৰি থাকোঁতেই পলকতে ঘটি গ'ল ঘটনাটো। পুতেকৰ প্ৰচণ্ড গোৰত কেইবাহাত দূৰত্ব চিত-ভেলেঙা খাই পৰিল সেই অস্থিচৰ্মসাৰ ৰিক্সাৱালা। শইকীয়াৰ গাটো জিকাৰ খাই উঠিল; তড়িৎ গতিৰে চকুৰ আগেৰে পাৰ হৈ গ'ল দুখন ছবি, এখন হাড়ে-চালে লগা গৰুজনীৰ আৰু আনখন ট-ট-কৈ কামিহাড় জিলিকি থকা ৰিক্সাৱালাটোৰ। নিজৰ অতি মৰমৰ শাকনি বাৰীখন মহতিয়াই নিয়া গৰুজনীক এচাট লগাব নোৱাৰা পীতাম্বৰ শইকীয়াই থৰ লাগি অবাক চাৱনিৰে পুতেকৰ মুখলৈ চাই ৰ'ল।

**ঘটনাক্ৰম : ২:** দোভাগ ৰাতি বৰপোনা ঘৰলৈ উভতি আহোঁতে ভৰি কেইটাই কৰা সেই বিশেষ শব্দ কেইটা মাকজনীৰ চিনাকি হৈ পৰিছিল আৰু সেয়েহে শব্দকেইটা শুনাৰ লগে-লগে শাহুৰেকৰ ভৰি পিটিকি থকা বৰপোনাৰ মাক একেকোবে পাকঘৰ পালেহি। জোতাযোৰ নোখোলাকৈ সি ভাতৰ পাতত বহিছে; কিন্তু কিবা এটা কোৱা মানেই কথা বেগতিক হ'ব বুলি জানিয়েই মাকজনী মনে-মনে থিয় হৈ ৰ'ল। ঢাকোনখন গুচায়ে সি মুখ বিকটাই দিলে। 'এইবোৰ কাৰ মূৰ ৰান্ধিছ বুঢ়ী'—বুলি কাঁহীখন বেৰলৈ মাৰি পঠিয়ালে। মাকজনীৰ নাকৰ কাষেদিয়েই গৈ কাঁহীখন বেৰত আচাৰ খাই পৰিল। সিক্ত দুনয়নেৰে মাকজনীয়ে বৰপোনালৈ চাই ৰৈ ভাবিলে, তাৰ প্ৰতিপালনত ক'ত ভুল ৰৈ গ'ল তেওঁলোকৰ! মৰম-চেনেহ, উপযুক্ত নৈতিক শিক্ষা-ক'তোটো কাৰ্পণ্য কৰা নাছিল; অথচ তেওঁলোক দুয়োৰে বংশত কেতিয়াও নেদেখা এই অদ্ভুত চৰিত্ৰটোৰ জন্ম হ'ল কিদৰে? ই জানো তেওঁলোকৰে সন্তান! নিজৰ আঁচলৰ আঁৰত ডাঙৰ কৰা বৰপোনা আজি মাকৰ বাবেই অচিনাকি, এক দুৰ্বোধ্য সাঁথৰ।

**ঘটনাক্ৰম : ৩, ৪, ৫, ৬...**

**তোমালোক কোন গ্ৰহান্তৰৰ প্ৰাণী :**

আজিকালি খিৰিকি খন খুলিবলৈ ল'লেই মই শংকিত হৈ পৰোঁ বন্ধ কোঠালীৰ ভিতৰত 'সকলো ঠিকে আছে'ৰ কৃত্ৰিম পৰিৱেশ এটা সৃষ্টি কৰিবলৈ প্ৰয়াস কৰোঁ। খিৰিকিখন খুলিলেই যে প্ৰত্যক্ষ কৰিব লগা হয় কিছুমান অচিন চৰিত্ৰৰ টিঘিল-ঘিলনি, সিহঁতৰ দৌৰাত্ম্যত স্তব্ধ হৈ যাব খোজে মোৰ অৱশিষ্ট মানৱীয়তাকণ। অথচ প্ৰতিটো মুহূৰ্তত অনুভৱ কৰোঁ চৌপাশে ইহঁতৰ উপস্থিতি, সিহঁতৰ লগত উঠা বহা কৰোঁ, একেলগে ফুৰোঁ; তথাপিওঁ...তথাপিওঁ ইমান ওচৰত থকাৰ পিছতো ভাৱ হয় ইহঁত মোৰ চিনাকি নহয়, যেন কোনো এক অচিন গ্ৰহৰ বাসিন্দা। মাজে মাজে চেষ্টা কৰোঁ ইহঁতৰ মানসিক জগত খনত এবাৰ জুমি চাবলৈ, চাওঁ, কিন্তু ঝাৰে বাৰে হতাশ হওঁ। পৃথিৱীৰ সমগ্ৰ জটিলতাই যেন তাত স্তূপীকৃত হৈ আছে। ক্ষয়িষ্ণু অৰ্থনীতি, সংস্থাপনহীনতা, অশান্তি জৰ্জৰ পৰিয়াল—এনে ধৰণৰ কিছুমান কাল্পনিক সংকল্পনাত বান্ধি ইহঁতৰ মনঃস্তত্ত্বক বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰোঁ, কিন্তু বাৰে বাৰে উজুটি খাওঁ। সুন্দৰ সুখী পৰিয়াল, স্বচ্চল অৰ্থনৈতিক অৱস্থা আদি সকলো ধৰণৰ সুন্দৰ কাৰকে বিস্তাৰ কৰা পৰিৱেশ এটাৰ পৰাও দেখোন প্ৰতিনিধিত্ব কৰিছে এই অদ্ভুত চৰিত্ৰবোৰে। ইহঁতৰ

সংখ্যা কমক চাৰি জামিতিক গতিত বৃদ্ধি পোৱা পৰিসংখ্যাই অশনি সংকেত কঢ়িয়াই আনিছে মানৱ সভ্যতাৰ বাবে। এয়েই নেকি মানৱ বিৱৰ্তনৰ চূড়ান্ত পৰ্যায়, য'ৰ পৰা আৰম্ভ হৈছে নিঃশিম অন্ধকাৰলৈ এক অন্তহীন যাত্ৰা, যাৰ সংকেত কঢ়িয়াই আনিছে এই অদ্ভুত, অচিনাকি চৰিত্ৰবোৰে!

নিজকে নিজে প্ৰবোধ দিওঁ, সান্ত্বনা লওঁ—এই আশংকা অমূলক, ভিত্তিহীন। উত্থান-পতনৰ এক দীৰ্ঘ পৰিক্ৰমাৰে হাজাৰ বছৰীয়া কষ্টোপাৰ্জিত এই সভ্যতা সংস্কৃতি কেতিয়াও এইদৰে নিঃশেষ হৈ যাব নোৱাৰে। নিজৰ ধাৰণাকে সুদৃঢ় কৰিবলৈ যুক্তিৰ জাল গুঠোঁ। মাজে-মাজে বৈজ্ঞানিক ধাৰণা এটাক কৰ্ষণ কৰোঁ—পিতৃপুৰুষৰ সম্পূৰ্ণ বিপৰীত ধৰ্মী চৰিত্ৰ বহন কৰা এই চাম প্ৰজন্মক জীৱ বিজ্ঞানৰ সূত্ৰ এটাৰে বিশ্লেষণ কৰিব পৰা যায় নেকি? মেণ্ডেলৰ সেই বিখ্যাত বংশগতিৰ সূত্ৰ-প্ৰতিটো সন্তানে যে কঢ়িয়াই আনে পিতৃ বা মাতৃৰ কিছুমান শাৰীৰিক বৈশিষ্ট্য; কিন্তু তাতোটো ঘটে কেতিয়াবা ছন্দপতন, সৃষ্টি হয় নব্য শাৰীৰিক বৈশিষ্ট্যধৰ্মী কিছুমান প্ৰাণীৰ। বৈজ্ঞানিক পৰিভাষাত উৎপৰিবৰ্তন বুলি জনা সেই ঘটনাই প্ৰাণী এটাৰ সম্পূৰ্ণ জিনিয় গাঠ নিয়েই সলনি কৰি পেলায়, যাৰ ফলত আগমন ঘটে পিতৃ-মাতৃৰ বিসদৃশ এক চৰিত্ৰৰ; কিন্তু এই পৰিবৰ্তন কেৱল শাৰীৰিক বৈশিষ্ট্যতে সীমাৱদ্ধ নে! মানুহৰ মানসিক জগত খনত জানো উৎপৰিবৰ্তনে কোনো ধৰনৰ ক্ৰিয়া নকৰে! নহলে পিতৃ-মাতৃৰ সম্পূৰ্ণ বিপৰীত ধৰ্মী এই চাম চৰিত্ৰৰ সৃষ্টি হ'ল ক'ৰ পৰা? ইহঁতটো অন্য গ্ৰহৰ বাসিন্দা নহয়, আমাৰেই সতি-সন্ততি। তেন্তে কিহে প্ৰৰোচিত কৰে ইহঁতক, কিহৰ বাবে এই ভিন্ন-অদ্ভুত আচৰণ?

মনৰ মাজত এনে বিক্ষিপ্ত ভাৱবোৰে তোলপাৰ লগাই থকাৰ সময়তে মাজে-মাজে মনলৈ আলবেয়াৰ ক্যামুৰ কথা, তেওঁৰ বিখ্যাত উপন্যাস 'দ্য আউটচাইদাৰ' অভিনৱত্বই সৃষ্টি কৰা আলোড়নৰ কথা। অস্তিত্ববাদী ধাৰণাৰে সংপৃক্ত উপন্যাসখনৰ নায়ক 'মাৰছো'ক ক্যামুৱে উপস্থাপন কৰিছিল অস্থিৰ মানসিকতাৰ এক ৰহস্যময় চৰিত্ৰ হিচাপে, অথচ বাহ্যিক দৃষ্টিত মাৰছো আছিল এজন সুস্থ, সবল, দেখনিয়াৰ স্বাভাৱিক যুৱক, কিন্তু নিমাখিত যেন লগা এই যুৱকৰ মানসিক জগতখন এবাৰ অৱলোকন কৰিলেই যি কোনো সুস্থ, স্বাভাৱিক মানুহ আতংকিত হৈ পৰিবলগীয়া কথা। মাৰছো আছিল এনে এক চৰিত্ৰ, যি আচৰিত ধৰণে জীৱন জগত সম্পৰ্কে উদাসীন। মাৰছোৰ ভাৱাবেগহীন সেই নিৰ্লিপ্ত আচৰণে প্ৰতি মূহুৰ্তে গা শিয়ৰাই তোলে; জীৱন সম্পৰ্কে, মানৱ মনঃস্তত্ব সম্পৰ্কে নতুনকৈ এবাৰ ভাৱিবলৈ বাধ্য কৰায়। অদ্ভুত, অস্থিৰ চৰিত্ৰ এই মাৰছো, যিয়ে মাকৰ মৃত্যুৰ খবৰ পাইও হোটেললৈ গৈ পেট পূৰাই খাইহে মাকক ৰখা 'অল্ড হ'ম' খনলৈ গৈছিল। অথচ খিয়ালি মনোভাৱৰ এই যুৱকৰ কফিন খুলিও মাকৰ মুখখন শেষবাৰলৈ চাবলৈ ইচ্ছা জাগ্ৰত হোৱা নাছিল, অল্ড হ'মৰ ৰখীয়াজনৰ অনুৰোধ সত্বেও। মাকৰ সৎকাৰৰ সময়ছোৱাত সি চিন্তা কৰি আছিল আবেলিলৈ লগ কৰিবলগীয়া প্ৰেমিকা মেৰীৰ কথা। ভৱামতে সৎকাৰৰ পিছতে মেৰীক লৈ সাগৰৰ পাৰত সাতুৰি-নাদুৰি কটালে আৰু গধুলি দুয়োজনে একেলগে বহি এখন হাস্যমধুৰ চিনেমা উপভোগ কৰিলে। মাৰছোৰ এই কাৰ্যই কিন্তু মেৰীৰ প্ৰতি থকা আন্তৰিকতা প্ৰতিফলিত কৰা নাছিল, কাৰণ মেৰীয়ে আগবঢ়োৱা বিবাহৰ প্ৰস্তাৱত সি উদাসীন ভাৱে জনাইছিল যে এই সম্পৰ্কে সি একো চিন্তাই কৰা নাই, অৱশ্যে তাই বিচাৰিলে সি তাইক বিয়া কৰাব পাৰে। প্ৰসঙ্গতে এইটোও জনাই দিছিল যে যি কোনো ছোৱালী এজনীয়ে আহি তাক এইদৰে বিবাহৰ প্ৰস্তাৱ দিয়ে তেন্তে তাৰ উত্তৰো একেটাই হ'ব।

ঘটনাক্ৰমে এই মাৰছো এদিন এটা হত্যাকাণ্ডত লিপ্ত হৈ পৰিল। ঘটনাক্ৰমে বুলি এই কাৰণেই কোৱা হৈছে যে হত্যাকাণ্ডটোত মাৰছোৰ কোনো বিশেষ উদ্দেশ্য নিহিত হৈ থকা নাছিল, যি এক ব্যতিক্ৰম। আনকি মানুহজনক গুলিয়াই মৰাৰ আগমূহুৰ্তটো তাৰ মনত এনে ভাৱ এটাই ক্ৰিয়া কৰি আছিল যে কাৰোবাক মাৰি পেলোৱা বা নমৰা একেই কথা; তত্ৰাচ সূৰ্যৰ ৰশ্মিয়ে চকুত দিয়া আমনিৰ বাবেই মানুহজনৰ বুকু ছাৰিজাই গুলিৰে থকা-সৰকা কৰি দিছিল। হত্যাৰ অভিযোগত মাৰছো আচামীৰ কাঠগড়াত থিয় হ'ব লগাত পৰিছিল অথচ তাতো সি নিজৰ ভৱিষ্যত জীৱন সম্পৰ্কে প্ৰদৰ্শন কৰিছিল চূড়ান্ত উদাসীনতা। বিচাৰকে ঘটনাটোৰ বাবে সি অনুতপ্ত হৈছেনে নহয় সোধা প্ৰশ্নৰ উত্তৰত কৈছিল যে সি অনুশোচনাৰ পৰিৱৰ্তে এই অবান্তৰ কথা-বতৰাবোৰত বিৰক্তিহে অনুভৱ কৰিছে। মাৰছোৰ পক্ষৰ উকিলে যেতিয়া তাক বচাবলৈ উত্তপ্ত যুক্তি তৰ্কত লিপ্ত হৈছিল, সেই সময়ত মাৰছোৱে কোৰ্টৰ বাহিৰত আইচক্ৰিম বেচি ফুৰা ফেৰীৱালাৰ ক্ষীণকৈ ভাঁহি অহা শব্দবোৰ অনুধাৱন কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু সেইসময়ত কোৰ্টৰ ভিতৰত চলি থকা বাক্-বিতণ্ডাই ইমান উত্তপ্তৰূপ লৈছিল যে তাৰ পক্ষে বাহিৰৰ শব্দবোৰত মনঃসংযোগ স্থাপন কৰাটো অসম্ভৱ হৈ পৰিছিল আৰু সকলোবোৰ বিৰক্তিয়ে তাৰ মনত এটা বমিৰ ভাৱ উদ্ৰেক কৰিছিল।

বিচাৰকে চূড়ান্ত ৰায়দানত এই অদ্ভুত চৰিত্ৰটিৰ বাবে মৃত্যুদণ্ডকে উচিত শাস্তি বুলি গণ্য কৰিলে। মৃত্যু-সন্নিকট বুলি জানিও মাৰছোৱে সেই সম্পৰ্কেই আছিল একেবাৰে নিস্পৃহ। বিচাৰকে নিজৰ সমৰ্থনত তাৰ কিবা ক'ব লগা আছে নেকি বুলি সোধাত ভাৱালেশহীন ভাৱে 'নাই' বুলি চমু উত্তৰ এটা দি তাক বন্দী কৰি ৰখা অন্ধকাৰ কুঠৰীটোলৈ যাবলৈ খৰখেদা লগাইছিল। তাৰ মনত তেতিয়া মাথো এই কথাটোৱে ক্ৰিয়া কৰি আছিল যে বমিৰ ভাৱটো বন্ধ কৰিবলৈ হলে অকলশৰে, শান্তিৰে কিছু বিশ্ৰামৰ প্ৰয়োজন। সেয়েহে অন্ধকাৰ কোঠালিটোত শান্তিৰে পৰি থকা মাৰছোক যেতিয়া পাদুৰী এজনে জীৱন মৃত্যু সম্পৰ্কে তত্বগধুৰ কথা ক'বলৈ আৰম্ভ কৰিছিল, মাৰছো তেতিয়া ইমানেই বিৰক্ত হৈ পৰিছিল যে পাদুৰীজনক শাৰীৰিকভাৱে প্ৰহাৰ কৰিবলৈয়ে উদ্যত হৈছিল। মৃত্যুদণ্ড বাহাল হোৱাৰ আগমূহুৰ্তত কিছু চিন্তা ভাৱনাৰ অন্তত মাৰছোৱে এই ভাৱি প্ৰশান্তি অনুভৱ কৰিছিল যে মৃত্যু যেতিয়া অৱধাৰিতই, দহবছৰ পিছত মৰা বা দহবছৰ আগেয়ে মৰা, কথা দুটাৰ মাজত বিশেষ কোনো পাৰ্থক্য নাই।

**আজিৰ নৱ প্ৰজন্মত যেন 'মাৰছো' তোমাৰেই প্ৰতিফলন :**

আজিৰ যুৱ প্ৰজন্মক যেতিয়া সংগোপনে লক্ষ্য কৰোঁ, প্ৰতিনিয়ত অনুসৰণ কৰোঁ যেতিয়া তেওঁলোকৰ আৱৰ্ত, ভিতৰি-ভিতৰি শংকিত হয় পৰে তেতিয়া মন। এইয়া যে মাৰছোৰ পুনৰ জন্ম, সমগ্ৰ সত্তাত মাৰছোৰ

'অবিকৃত প্ৰতিফলন। দোষ কাক দিম! এই দল পুনাৰ্বিভাৱ হোৱা 'মাৰছো'ক নে সিহঁতৰ বীজ কঢ়িয়াই অনা পিতৃ-মাতৃক! আচল বিচাৰত এওঁলোক কোনো দোষী নহয়; এইয়া কোনো তাৎক্ষণিক ঘটনাৰ প্ৰতিক্ৰিয়া নহয়। প্ৰকৃততে, বহু যুগ পতিত আমাৰ অধঃপতিত, ক্ষয়িষ্ণু সমাজ ব্যৱস্থাই ক্ৰমে কিছু আৱেগ-প্ৰৱণ যুৱ প্ৰজন্মক জীৱন-জগত সম্পৰ্কে কৰি তুলিছে উদাসীন। সমাজ-জীৱনৰ ঘোৰতৰ সংকটত এচাম আৱেগ-প্ৰৱণ স্বতন্ত্ৰবাদী সত্তাই একাকীকত্ব আৰু হতাশাৰ চিকাৰ হৈ শামুকে খোলাৰ ভিতৰত আবদ্ধ হোৱাৰ দৰে চূড়ান্ত আত্মকেন্দ্ৰিকতাৰ আৱৰণৰ তলত নিজকে লুকুৱাই পেলাইছে। জীৱন সম্পৰ্কে এওঁলোকৰ ধাৰণা অস্পষ্ট, ধূসৰ; জীয়াই থকাৰ তাগিদাত জীয়াই থাকিব লগা হোৱা হেতুকে জীৱন হৈ পৰিছে বোজা স্বৰূপ। জীৱনৰ মধুৰতম সৌন্দৰ্য উপভোগ কৰাত এওঁলোক হৈ পৰিছে সম্পূৰ্ণৰূপে ব্যৰ্থ। সেয়েহে নিজৰ জীৱন সম্পৰ্কে এওঁলোক অকণো সচেতন নহয়, সেইদৰে আনৰ জীৱনও অবাবতে লওঁতে অকণো কুণ্ঠাবোধ নকৰে। প্ৰকৃততে, জীয়াই থকাৰ কোনো উদ্দেশ্যই এওঁলোকৰ বোধগম্য নহয়। যিদৰে তেওঁলোকে জীৱনত অনুভৱ কৰে এক পৰম শূণ্যতা, ঠিক একেদৰে অসচেতন মনত উদ্ভৱ হয় মৃত্যুৰ অৱশ্যম্ভাৱিতাৰ পৰা উৎসাৰিত পৰম যন্ত্ৰণা। এনে এক দোদুল্যমান মানসিক স্থিতিয়ে সৃষ্টি কৰে এই অচিনাকি চৰিত্ৰবোৰৰ। সাধাৰণ দৃষ্টিত এওঁলোকক আমি মানসিক বিকৃতিৰ চিকাৰ বুলি কৈ সান্ত্বনা লভিব পাৰোঁ, কিন্তু এনে ধৰণৰ অচিনাকি চৰিত্ৰবোৰে যেতিয়া গোটেই জগতখন আৱৰি পেলাব, তেতিয়া এওঁলোক কিদৰে আমাৰ বাবে অচিন হৈ ৰ'ব? কিদৰে অস্বীকাৰ কৰিম এওঁলোকৰ অগ্ৰাসী অস্তিত্বক? তেনে পৰিস্থিতিত আমি বোৰ হৈ পৰিম সংখ্যালঘু, অস্বাভাৱিক আৰু এই অস্বাভাৱিক চৰিত্ৰবোৰে লাভ কৰিব স্বাভাৱিকতাৰ মৰ্যাদা। তেনে—এখন সমাজৰ কথা ভাবি কল্পনা কৰি মই শিয়ৰি উঠোঁ, মানৱতাৰ অৱক্ষয়ৰ নিৰ্লজ্জ প্ৰদৰ্শনে নতজানু কৰে মোৰ 'জীৱশ্ৰেষ্ঠ'ৰ দাম্ভিকতাৰে থিয় হৈ ৰোৱা উদ্ধত শিৰ; অথচ কেনে নিঃসহায় আজি মই। স্খলিত মানৱতাৰ চূড়ান্ত মুহূৰ্ততো পালন কৰিছোঁ নীৰৱ দৰ্শকৰ ভূমিকা। মোৰ স্বপ্নৰ উত্তৰ-আধুনিক সমাজখনক মানৱতাৰ মৃদু মলয়া বতাহৰে বা দিয়াৰ সকলো পথ কি ৰুদ্ধ হৈ গ'ল?

**এইয়া যুঁজাৰ সময়, যুটিবদ্ধ হৈ অপশক্তিক প্ৰতিহত কৰাৰ সময় :**

দিগন্ত ব্যাপি তিল-তিল কৈ গঢ়ি উঠা মোৰ স্বৰ্ণৰ সৌধ কেতিয়াও এইদৰে ভাঙি চূড়মাৰ হৈ যাব নোৱাৰে, কেতিয়াও এইদৰে পদদলিত হ'ব নোৱাৰে মানৱতা কিছুমান হৃদয়হীন প্ৰস্তৰ খণ্ডৰ ওচৰত। এইয়া যুঁজাৰ সময়, জীৱনৰ নান্দনিক তাৎপৰ্য হেৰুৱাই পেলোৱা অচিনাকি চৰিত্ৰবোৰক প্ৰতিহত কৰাৰ সময়। যি কোনো উপায়ে আমি ৰোধ কৰিব লাগিব এওঁলোকৰ এই সৰ্বগ্ৰাসী অগ্ৰসানক। আত্মকেন্দ্ৰিকতাৰ আৱেষ্টনীত পিষ্ট হৈ যোৱা এই মুমুৰ্ষ প্ৰাণবোৰক উলিয়াই আনিব লাগিব মানুহৰ মাজলৈ। জীৱনত মধুৰতম সৌন্দৰ্যক উপলব্ধি কৰিবলৈ তেওঁলোকক দিব লাগিব সুযোগ আৰু সুবিধা। ইয়াৰ অতিকে প্ৰয়োজন এখন সুস্থিৰ, সুস্থ সমাজৰ, যি গঢ়ি উঠিব নৈতিক মূল্যবোধৰ ভিত্তিত আৰু এনে এখন সমাজ গঢ়াত হাত উজান দিয়াৰ প্ৰয়োজন প্ৰত্যেক গৰাকী সুস্থ মানসিকতাৰ ব্যক্তিৰ। কেৱল নিজে ঠিকে থাকি সমাজ ব্যৱস্থাৰ এই ভয়ংকৰ ক্ষয়িষ্ণুতাক ৰোধ কৰাটো সম্ভৱ নহয়। নিজৰ নৈতিক চৰিত্ৰ উন্নত কৰাৰ লগতে সমাজখনৰো নৈতিকতাৰ ভেটি সুদৃঢ় কৰাত যত্নোপৰ হোৱা উচিত। নহলে মই ঠিকে থাকিলেই মোৰ সতি-সন্ততিয়েও পোন বাটে যাব বুলি হাত সাৱটি বহি থাকিলে হয়তো আমাৰ অজ্ঞাতে প্ৰত্যেকৰ ঘৰতে আগমণ ঘটিব এনে এক অচিনাকি চৰিত্ৰৰ।

## মহৎলোকৰ বাণী

বিষ্ণু প্ৰসাদ উপাধ্যায় (মুন্না)
স্নাতক ১ম বৰ্ষ (কলা)

১. পৃথিৱীখন তেওঁলোকৰেই, যিসকল শান্ত আৰু উৎসাহী।

—শ্ৰী মদ্ভাগৱত গীতা

২. কৰ্মই উপাসনা, হাঁহিয়েই জীৱন, যি জীৱনৰ সুখ আৰু দুখ সমানে অনুভৱ কৰিব পাৰে তেওঁহে জীয়াই থকাৰ সম্পূৰ্ণ সৌন্দৰ্য উপভোগ কৰিব পাৰে।

—চৰ্দাৰ বল্লভভাই পেটেল

# কিনথুপ

কল্যাণ বৰপূজাৰী
গণিত বিভাগ

একোটা ঐতিহাসিক ঘটনাত সৰু সুৰা দুই এটা চৰিত্ৰই পালন কৰা ভূমিকা সৰ্বদাই দৃষ্টি আকৰ্ষণ কৰি আহিছে। শ্ৰীৰামচন্দ্ৰই সেতু বান্ধিবৰ সময়ত এটা ক্ষুদ্ৰ নিগনিয়ে মুখেৰে মাটি কঢ়িয়াই শুভ কাৰ্যত ভাগ লৈছিল। ভাৰতৰ স্বাধীনতা সংগ্ৰামতো তেনেকুৱা সৰু বৰ অগন্তি মানুহৰ বিষয়ে পোৱা যায়। বৃটিছ ৰাজ্যৰ বিৰুদ্ধে প্ৰবল পৰাক্ৰমেৰে যুদ্ধ কৰা নাগাসকলৰ খনমা ৰণৰ কাহিনিটোত আমি বিচাৰি পাওঁ বৃটিছ ভাৰতীয় সেনা বাহিনিৰ (British Indian Army) বীৰ যোদ্ধা চৰ্দাৰ বাহাদুৰ বেলবং কছাৰীৰ নাম।

পৃথিৱীৰ বিস্ময়কৰ সৃষ্টি হিমালয়। সুউচ্চ পৰ্বতমালা। খৰস্ৰোতা বাৰিধাৰা আৰু বিচিত্ৰ মানব সমাজৰ সমাহাৰে আজিও মানুহক বাৰে বাৰে আহ্বান জনায়। হিমশীতল মৃত্যুৰ আলিংগনকো নেওচা দি দৌৰি যায় হিমালয়ৰ বুকুলৈ সৌন্দৰ্যৰ সুধা পান কৰি জীৱনৰ তৃষ্ণাক দূৰ কৰিবৰ বাবে। সূৰ্যাস্তৰ লগে লগে নিঃশব্দৰ বোকোচাত উঠি আহে বিষণ্ণতা। স্থবিৰ জীৱনযাত্ৰা। পাহাৰৰ অলপ মাটিত খেতিখোলা, পশুপালন, নিজৰাৰ পানী কঢ়িয়াই দিন ভিক্ষা প্ৰাণ ৰক্ষা। তথাপিও মানুহে স্বপ্ন দেখে, শৃংখলিত দৈনন্দিন চক্ৰৰ পৰা বহল পৃথিৱীৰ পোহৰত অৱগাহন কৰা মুক্তিৰ স্বপ্ন। কাৰণ মুক্তিয়েই মানুহৰ মনত লুকাই থকা অন্তিম চেতনা, যাৰ বাবে অভাব অনাটন হৈ পৰে তুচ্ছ। চলি থাকে অন্তহীন যাত্ৰা স্বপ্নক সাকাৰ কৰিবৰ বাবে। এনে এক স্বপ্নকে বুকুত বান্ধি সকলো পংকিল পথ অতিক্ৰম কৰি চিকিমৰ এক যুবকে ইতিহাসৰ পাতত কেনেদৰে নিজৰ নাম লিপিবদ্ধ কৰিছিল — তাৰেই এক বিস্ময়কৰ কাহিনি আগবঢ়াইছো।

স্বাধীনতা লাভ কৰাৰ বহু বছৰৰ আগতেই স্থাপন কৰা হৈছিল ভাৰতীয় জৰীপ বিভাগ বা Survey of India. তাৰেই এজন বিষয়া আছিল কেপ্টেন হাৰমেন। তেওঁ ধাৰণা কৰিছিল যে তিব্বতৰ মানস সৰোবৰৰ পৰা ওলাই অহা চাংপো (Tshangpo) নদীয়েই অসমত ব্ৰহ্মপুত্ৰ নাম লৈছে; কিন্তু প্ৰমাণ? কোনে মানি ল'ব প্ৰমাণ বিনে? উচ্চমান বিশিষ্ট যন্ত্ৰপাতি, উপগ্ৰহৰ দ্বাৰা বিহংগম জৰীপ মানুহৰ মনৰ পৰা শতেক যোজন আঁতৰত। টেলিগ্ৰাফ সেৱাৰ শৈশৱকাল। তথাপিও চিমলাত থকা উচ্চবিষয়া সকলক জনাই দিলে তেওঁ প্ৰমাণ কৰিব। মাথো সময়ৰ প্ৰয়োজন। অনুৰোধ গ্ৰাহ্য হ'ল। সন্ধান হ'ল এনে এক যুৱকৰ যাৰ আছে প্ৰচণ্ড শাৰীৰিক আৰু মানসিক শক্তি। এবাৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত যি কেতিয়াও স্বীকাৰ নকৰে প্ৰত্যাগমন। চিকিমৰ এক অখ্যাত গাঁৱত বিচাৰি পালে সেই যুবকক যাৰ নাম কিনথুপ। দুবেলা দুমুঠিৰ বাবে প্ৰাণান্তকৰ পৰিশ্ৰম কৰা দৰিদ্ৰ পৰিয়াল। শিক্ষাৰ নামত বৌদ্ধমঠত কিছুদিন পৰিচাৰকৰ কাম-কুলীন শ্ৰেণীৰ পৰিচৰ্যা। অৱতাৰী লামাই নিৰ্দেশন কৰা পথেৰে নিৰ্বাণ লাভৰ নিষ্ফল প্ৰয়াসক অস্বীকাৰ কৰি মুক্তিৰ বিকল্প পথৰ সন্ধানত কেপ্টেইন হাৰমেনৰ ওচৰত নিঃস্বৰ্ত আত্মসমৰ্পণ। চিকিমৰ পৰা মানস সৰোবৰ পৰ্যন্ত পদব্ৰজে যাত্ৰা কৰি চাংপো নদীৰ পাৰত আখৰে আখৰে পালন কৰিব প্ৰভুৰ আদেশ।

পথ প্ৰদৰ্শক ৰূপে এক চীনা সন্যাসীৰ হাতত কিনথুপক অৰ্পণ কৰি কেপ্টেইন উলটি গ'ল চিমলালৈ। এতিয়া মাথো প্ৰতীক্ষা। কৰণীয় কৰ্তব্য সমাপন কৰিব সেই যুবকে। নাম কিনথুপ। জটিলতা কপটতা যাৰ তাপৰো বাজ-কুলৰো বাজ।

কিন্তু মুখত বুদ্ধৰ বাণী আৰু হাতত জপমালা লৈ চেন্‌ৰেদিৰ (জীৱন্ত বিগ্ৰহ-দালাই লামা) দৰ্শনৰ বাবে অহা চীনা সন্যাসীয়ে বিশ্বাসঘাতকতা কৰিলে। বিক্ৰী কৰি দিলে কিনথুপক দাসৰূপে এজন ধনী মানুহৰ ওচৰত। অহোৰাত্ৰ পৰিশ্ৰম। নামমাত্ৰ আহাৰ আৰু সামান্য জিৰণি। দিন আহে ৰজনী আহে। শেষ নহয় দাসৰ জীৱন। তথাপিও নিৰ্বাপিত নহয় আশাৰ বন্তি। মনৰ এচুকত পুহি থয় মুক্তিৰ সামন্তক মণি। সুযোগ আহে এদিন। সকলোৰে অন্যমনস্কতাৰ সুযোগ লৈ দাসত্বৰ পৰা নিমৰ্ম-পলায়ন। পৰ্বতৰ মাজে মাজে অৰণ্যৰ মাজে মাজে চন্তৰীক ফাঁকি দি অনাহাৰ অনিদ্ৰাৰ মাজত ভয়ংকৰ যাত্ৰা। ক্ৰমাৎ এৰি আহে দাসত্বৰ অমাবস্যা। মুক্তিৰ আনন্দই ত্বৰান্বিত কৰে গতি। চৰৈবেতি চৰৈবেতি।

অৱশেষত উপনীত হয় চাংপোৰ তীৰত। জিৰাবলৈ সময় নাই। ভোক ভাগৰক কাতি ধৰি থৈ পূৰ্ণ উদ্যমেৰে লাগি যায় কেপ্টেইন হাৰমেনৰ

আদেশ পালনৰ বাবে। জংঘলৰ গছ কাটি আনি কাঠৰ টুকুৰা জমা কৰি থয়। ভাগৰত থমকি ৰয় হাতৰ কুঠাৰ। অলপ জিৰণি লৈ পুনৰ আৰম্ভ কৰে।

নদীৰ পাৰত সৰু সুৰা পৰ্বতৰ ৰূপ লয় কাঠৰ টুকুৰাই। মুখত বিৰিঙি উঠে সাফল্যৰ হাঁহি। ভোক পিয়াহ ভাগৰে হাৰমানে পৰিশ্ৰমৰ ওচৰত। ধ্ৰুব নক্ষত্ৰৰ দৰে স্থিৰ লক্ষ্য। দুৰ্বাৰ আকাঙ্ক্ষাই ইন্ধন যোগাৰ উদ্যমক। পুনৰ হাতত কুঠাৰ লৈ কাঠ কটাত লিপ্ত হয়। নিজৰাৰ পানী আৰু গছৰ ফলমূল মাত্ৰ আহাৰ।

তীব্ৰ মানসিক সংঘাটে শাৰীৰিক অনুভূতিক নাইকিয়া কৰি দিয়াৰ উদাহৰণ আছে কিন্তু উদৰৰ ক্ষুধা আৰু কণ্ঠৰ তৃষ্ণাক হেলাৰঙে কাতি কৰি অহোৰাত্ৰ হাতত কুঠাৰ লৈ গছ কাটি থকা কোন এই বিস্ময় যুবক? বিস্ফোৰিত নেত্ৰে নিৰীক্ষণ কৰে গাওঁবাসীয়ে। দৰিদ্ৰ গ্ৰাম্য জীৱন। আহাৰ পানী যোগায়, ঔষধি গছ লতিকাৰে চিকিৎসা কৰে।

ঋতু আহে ঋতু যায়। দিবাৰাত্ৰ একক প্ৰচেষ্টাৰে নদীৰ পাৰত জমা কৰে কাঠৰ টুকুৰাৰ সৰু সৰু পাহাৰ।

খৰালি শুকাই নদী। নদীয়ে ৰূপ লয় নিজৰাৰ। পানীৰ সলনি থাকে মাত্ৰ পাথৰ। তাতেই নিক্ষেপ কৰে সমস্ত কাঠৰ টুকুৰা যাতে পানী আহিলেই উটি যায় সোঁতৰ লগত। দুৰ্গম পথ অতিক্ৰম কৰি উভতি আহে কেপ্টেইনৰ কাষলৈ। ভগ্ন শৰীৰ। তথাপিও প্ৰাণ প্ৰাচুৰ্যৰে ভৰা দুচকুত পৰম তৃপ্তি। কৰ্তব্য পালনৰ তৃপ্তি।

কেবলগ্ৰাম (Cablegram) আহে অসমলৈ। ঠায়ে ঠায়ে মোতায়েম হয় জৰীপ বিভাগৰ কৰ্মচাৰী। কেপ্টেইন হাৰমেন, কিনথুপ, সকলো একত্ৰিত হৈ চাই থাকে ব্ৰহ্মপুত্ৰৰ বুকুলৈ পৰম আশাৰে; কিন্তু ক'ত কাঠৰ টুকুৰা ভৰ বাৰিষাৰ ধলৰ বুকুত? অথলে যাব নেকি কিনথুপৰ অক্লান্ত পৰিশ্ৰম?

অৱশেষত সাফল্যৰ বতৰা লৈ ভাঁহি আহে হাজাৰ হাজাৰ কাঠৰ টুকুৰা যিবোৰ নিক্ষেপ কৰা হৈছিল চাংপোৰ শুকান বক্ষত। হিমালয়ৰ বৰফ গলি পানী হৈ নামি আহিল নিৰ্দিষ্ট পথেৰে। কঢ়িয়াই আনিলে কিনথুপৰ অক্লান্ত পৰিশ্ৰমৰ ফল। প্ৰতিষ্ঠা কৰিলে কেপ্টেইন হাৰমেনৰ ধাৰণা যে চাংপোৱেই হৈছে ব্ৰহ্মপুত্ৰৰ আদি সোঁত। মানস সৰোবৰৰ পৰা বঙ্গোপ সাগৰলৈকে প্ৰবাহমান বিশাল জলৰাশিয়ে সোঁৱৰাই দিয়ে মৃত্যুৰ লগত ৰণ কৰি পৃথিৱীত নিজৰ অস্তিত্বক চিৰযুগমীয়া কৰা সেই অমৃতৰ সন্তানক। নাম যাৰ কিনথুপ।

উৎস :- নিসিদ্ধ দেশেৰ ঘুম ভাঙছে

ৰচনা :- সৌৰীন সেন। উজ্জ্বল সাহিত্য মন্দিৰ (১৯৯৩)

পৰিশিষ্ট :- চীনা আগ্ৰাসনৰ আগমুহূৰ্তত তিব্বতৰ সামাজিক ৰাজনৈতিক পৰিস্থিতিৰ ওপৰত লিখা উক্ত কিতাপখনৰ পৰা কাহিনিৰ জুমুধিটো লোৱা হৈছে। তাতে কিছু কল্পনাৰ ৰহন সানি সাধ্যমতে সজাই পৰাই পাঠকৰ বাবে আগবঢ়াইছো।

# মহৎলোকৰ বাণী

১. তুমি নিজৰ ভৰিত নিজে থিয় হোৱা। আন কোনেও তোমাক সহায় কৰিব নোৱাৰে।
—বুদ্ধদেৱ।

২. মানুহক ঘৃণা কৰাটো সহজ কথা কিন্তু মানুহক ভাল পাবলৈ চেষ্টা কৰাটো কঠিন কথা।
— সৰ্বপল্লী ৰাধাকৃষ্ণণ।

৩. পাপক ঘৃণা কৰিবা; কিন্তু পাপীক ঘৃণা নকৰিবা।
— মহাত্মা গান্ধী।

৪. জীৱনত সাফল্য অৰ্জন কৰিবলৈ হলে দুটা বস্তুৰ প্ৰয়োজন অভিজ্ঞতা আৰু আত্মবিশ্বাস।
— মাৰ্ক টোৱেইন।

৫. জ্ঞানৰ অহংকাৰ, ধৰ্মৰ অহংকাৰ সকলো বিসৰ্জন দি নিজকে তৃণাদপি ক্ষুদ্ৰ জ্ঞান কৰি চলিলেই প্ৰকৃত ধৰ্ম পথৰ সন্ধান পাব।
— শংকৰাচাৰ্য।

৬. "তুমি সাহসী হোৱা, কাৰোবাক হত্যা কৰিবলৈ নহয়, তুমি ঘিন কৰাজনক আকোৱালি লবলৈ। প্ৰেমে কাৰো মাজত বিভাজন নানে।"
— মাদাৰ টেৰেছা।

# কলেজ, মন আৰু যুৱ-চাম

সমৰ সৰকাৰ
স্নাতক ২য় বৰ্ষ

কলেজত প্ৰথম দিন। মনত ভয় সংশয় আৰু লাজৰ সমষ্টি। এটি পৰিৱেশৰ পৰা আহি আন এটি নতুন পৰিৱেশত প্ৰথম খোজ দিয়াৰ যিটো আমোদ, যিটো মাদকতা সেইটো কেৱল যিজনে অনুভৱ কৰে সেই ন-অনুভৱৰ মাজতে লুকাই আছে সেই ন-পৰিৱেশৰ ন-স্বপ্ন ন-ন ৰহস্য। সততে কবলৈ গ'লে কলেজৰ প্ৰথম দিনটোত মই মোৰ কলেজৰ যিটো প্ৰাকৃতিক সৌন্দৰ্য্য, তাৰ প্ৰেমত পৰিছিলো। কিন্তু কোৱা বাৎসল্য যে সময়ৰ গতিত মই অনুভৱ কৰিব পাৰিছিলো যে আমাৰ কলেজৰ নাইবা আমাৰ মহাবিদ্যালয়ৰ যিটো প্ৰাকৃতিক সৌন্দৰ্য্য, যিটো বহিঃ সৌন্দৰ্য্য, সেই সৌন্দৰ্য্যৰ সমানে আন আন বিভিন্ন ক্ষেত্ৰতো মই মহাবিদ্যালয়ৰ দাসত্ব স্বীকাৰ কৰিছিলো। আমাৰ যিবিলাক ছিনিয়ৰ (জ্যেষ্ঠ) ছাত্ৰ-ছাত্ৰী আছিল তেওঁলোকৰ পৰা সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা, উৎসাহ উদ্দীপনা আৰু যথোপযুক্ত সময়ত উচিত পৰামৰ্শ পাইছিলো। মই ভবাৰ দৰে মোৰ একোৱে কঠিন নহ'ল। কলেজত কেইদিনমান যোৱাৰ পাছত মই অনুভৱ কৰিব পাৰিছিলো যে কলেজখন কিছুদিনতে মোৰ অতি আপোন হৈ পৰিছিল। কিছুদিনতে মই মোৰ কলেজৰ পৰিৱেশৰ লগত লীন হৈ গৈছিলো। কলেজতো মই মোৰ ঘৰৰ দৰে শিক্ষা আৰু শাসন কৰাৰ দৰে শিক্ষক-শিক্ষয়িত্ৰীৰূপী অভিভাৱক, উৎসাহ-উদ্দীপনা আৰু সহায় কৰাৰ বাবে দাদা বাইদেউ আৰু সম বয়সীয়াৰ দৰে বন্ধু-বান্ধৱ পাইছিলো। আচল অৰ্থত ক'বলৈ গ'লে কলেজখন মোৰ বাবে এক পৰিয়ালস্বৰূপ হৈ পৰিছিল, য'ত নেকি 'পৰ' বুলি কোৱা শব্দটোৰ অস্তিত্ব মই বিচাৰি পোৱা নাছিলো।

কলেজত কিছুদিন ক্লাছ কৰাৰ পিছত, মোৰ অনুভৱ হৈছিল যে স্কুলীয়া জীৱন আৰু কলেজীয়া জীৱনৰ মাজত এক বৃহৎ পাৰ্থক্য আছে যদিও দুয়োৱে আমেজ সুকীয়া সুকীয়া। কিন্তু এদিনাখন হঠাৎ মোৰ কলেজীয়া জীৱনত ন আনন্দৰ, ন-পৰিৱৰ্তনৰ উদ্ভৱ হ'ল। এনে অনুভৱ হ'ল যেন কোনোবাক দেখিলে মোৰ হৃদয়ৰ গতিটো বাঢ়ি যায়, কোনোবাই কাষত থাকিলে জীৱনৰ সকলো বস্তুৱেই, সকলো আনন্দই যেন মোৰ লগত আছে। কোনোবাক দেখিলেই মনত শিহৰণ জগা, কোনোবাই এটি মিচিকীয়া হাঁহি মাৰিলেই যেন হৃদয় অ'ত ত'ত বিচৰণ কৰে, এনে অৱস্থা আপোনালোকৰ লগত কেতিয়াবা হৈছেনে? হয়তো হ'বও পাৰে, এইটোৱে মোৰ লগতো হৈছিল। যিটো শব্দই স্বৰ্গীয় সুখ, আনন্দৰ অনুভৱ কৰায় সেই শব্দটোৱেই হৈছে — প্ৰেম। এই প্ৰেমৰ মোহজালত মইয়ো বন্দী হৈ পৰিছিলো। যাৰ লগত মোৰ এই প্ৰেমৰ উদ্গীৰণ ঘটিছিল সেইজনী হৈছে মোৰেই খুব কাষৰ বান্ধৱী, নাম — নেহা। হয় নেহা মোৰেই বান্ধৱী। খুব ধুনীয়া, বৰ মৰমিয়াল ছোৱালী।

দিনৰ পিছত দিন, মই তাইৰ প্ৰেমত পৰিছিলো। মই শুনিছিলো যে প্ৰেমত পৰিলে এনে হয়, তেনে হয় কিন্তু হয়তো এইটোৱেই মোৰ প্ৰেম। তাইৰ মিচিকীয়া হাঁহিৰ মাজত মই পৃথিৱীৰ সকলো বিষাদ পাহৰি যাও ক্ষন্তেকৰ বাবে হ'লেও। সঁচা অৰ্থত ক'বলৈ গ'লে তাইৰ হাঁহিৰ ৰহস্যৰ অনুসন্ধানত মই ব্যস্ত। মানুহৰ বহুতো ৰঙীন সপোন থাকে, বাস্তৱত ৰূপায়িত কৰাৰ আশা সকলোৰে থাকে। কিন্তু কিছুমানৰ সময়ৰ নিষ্ঠুৰতাৰ বলি হ'ব লগা হয়, হয়তো তাকেই কয় ভাগ্য। কিন্তু আজি মইয়ো এজন ভুক্তভোগী। সেইয়া হয়তো আছিল যৌৱনৰ খলকনিত হোৱা মোৰ ভুল। হয়তো ছোৱালীৰ আচল ৰূপ এইটোৱেই। মোৰ বহুদিনৰ সপোন এক মুহূৰ্ততে ভাঙি-ছিঙি ধূলিসাৎ হৈ গ'ল। সেই বাবেই হয়তো কবি হীৰেণ ভট্টাচাৰ্যই 'ভোগালী' কবিতাটো লিখিছিল। "তুমিতো জানাই এই কবিৰ ........... প্ৰেম নিশ্চয় এনেকুৱাই, আৱৰণ খুলি হৃদয় জুৰায়।"

মোৰ আশাৰ পাপৰি ছিঙি, তাই গ'ল আঁতৰি। আমি সকলোৱেই গোলাপ ফুলৰ সৌন্দৰ্য্যৰ প্ৰশংসা কৰোঁ, কিন্তু প্ৰতিজন মানুহেই ভাবি চোৱা উচিত যে সেই ফুলৰ ৰাণী গোলাপৰ লগত বিষাক্ত কাঁইটও বিদ্যমান। সময় বাগৰি যায়, এই সময়ৰ লগত মানুহৰ চিন্তাধাৰাৰো পৰিৱৰ্তন হয়। সেয়েহে মই কব বিচাৰিছোঁ যে উচিত সময়ত যথোপযুক্ত কাম কৰিব লাগে। এতিয়া আমাৰ শিক্ষা গ্ৰহণ কৰাৰ সময়, ভৱিষ্যতত এজন সফল মানুহ হোৱাৰ পূৰ্ব প্ৰস্তুতিৰ সময়। গতিকে এই সময়ৰ মূল্য নুবুজি অভাৱতে এই মূল্যৱান সময় নষ্ট কৰাটো আমাৰ কাৰো বাবে সমীচিন নহয়। গতিকে যিটো মোৰ লগত হৈ গ'ল, সেইটো যাতে অইন কাৰো লগত নহ'ক, তাৰ বাবেই মই এইটো আপোনালোকলৈ আগবঢ়ালো। আমাৰ যুৱ-মানসিকতাৰ, যুৱ চামৰ ভুৱা প্ৰতিচ্ছবিৰো প্ৰলেপ দিয়া, এই চিন্তাধাৰাৰ পৰিৱৰ্তন বিচাৰি।

# নৈতিকতাহীন এই সমাজ

বাপন ৰাভা
স্নাতক প্ৰথম বৰ্ষ

সমাজ! তিনিটা আখৰৰ এটা শব্দ। এই সমাজ গঢ়ে মানুহে। মানৱজাতিৰ সকলো ধৰণৰ বিকাশ ঘটে এইখন সমাজতে, আৰু সুস্থ সবল সমাজৰ জৰিয়তে শিশুৰ সুস্থ মানসিকতাৰ বিকাশ ঘটে।

আজিৰ যুগ কম্পিউটাৰৰ যুগ। আজিৰ এই কম্পিউটাৰৰ যুগত মানুহৰ লগতে সমাজ ব্যৱস্থাৰো আমূল পৰিৱৰ্তন ঘটিছে আৰু এই পৃথিৱীখনক সৰু কৰি পেলাইছে। এই কম্পিউটাৰ যুগতে শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত এনে এটা আমূল পৰিৱৰ্তন ঘটাইছে যে শিক্ষাগ্ৰহণক ইমান সহজ কৰি পেলাইছে যে পৃথিৱীত ন-ন আৱিষ্কাৰৰ লগতে দেশ-বিদেশৰ সুখ-দুখৰ পৰা আদি কৰি মনোৰঞ্জনলৈকে ইণ্টাৰনেটৰ জৰিয়তে আমি ঘৰত বহিয়ে গ্ৰহণ কৰাৰ লগতে উপভোগ কৰিব পাৰিছো। যাৰ কাৰণে আমি নিজকে গৌৰৱ কৰিব বিচাৰো আমি আধুনিক যুগৰ আধুনিক মানৱ বুলি নিজকে গৌৰৱ কৰি শান্তিৰ জয়গান গাব বিচাৰিছো, তেনেহ'লে নিশ্চয় আমি তাক ভূল কৰা হ'ব। কাৰণ আমি এইখন পৃথিৱীত শান্তিৰে থাকিব পাৰিছোনে? যি সময়ত নানান ধৰণৰ নতুন নতুন তথ্যৰ কৌশলি বিদ্যাৰ আৱিষ্কাৰৰ জয় গান গাইছো সেই সময়তে এফালে গুলি বাৰুদৰ ধোৱাৰে মানুহে মানুহৰ ওপৰত শোষণ অত্যাচাৰ চলাই অশান্তিৰ সৃষ্টি কৰিছে। এফালে আমি যেনেকৈ উপকৃত হৈছো আনফালে তেনেই বিস্তৰ ক্ষতি কৰাৰ লগতে মানুহক বিপাকত পেলাইছো। আজিৰ যুগত ল'ৰা ছোৱালীয়ে কোনো এটা বিষয়ত শিক্ষা গ্ৰহণ কৰাৰ পিছত কৰ্মসংস্থানৰ লগতে তাৰ বিকাশ সাধন কৰাৰ পথ তেনে ৰুদ্ধ।

আমি যিখন পৃথিৱীত বাস কৰি আহিছো এইখন পৃথিৱী এতিয়া এক বিষাক্ত পৃথিৱীলৈ ৰূপান্তৰিত হোৱাৰ পিনে আগবাঢ়িছে। এতিয়া ইয়াত সুস্থ-সবল সমাজ গঢ়াৰ পথ ক্ৰমান্বয়ে নোহোৱা হৈ পৰিছে। নোহোৱা হৈ পৰিছে জীয়াই থকাৰ শান্তিৰ বাতাবৰণ। প্ৰেম, সততা, নৈতিকতা এইবোৰ লাহে লাহে একোটা আভিধানিক শব্দত পৰিণত হৈছে। ইয়াত ঠক প্ৰৱঞ্চনা হিংসাৰে ভুৰি পৰিছে। মানুহৰ প্ৰতি, মানুহৰ বিশ্বাস ক্ৰমান্বয়ে নোহোৱা হৈ পৰিছে। আমি যিমানে নতুন সমাজ এখনৰ মূল্যবোধ সম্পন্ন সমাজৰ কথা নকও কিয় ইয়াৰ যে কোনো ভিত্তি নাই, সেই কথা আমি সকলোৱে অনুভৱ কৰোঁ। এক ভয়াৱহ ভৱিষ্যতৰ ফালে আমি অগ্ৰসৰ হৈ আছোঁ — এই অমোঘ সত্যটোক স্বীকাৰ কৰিবলৈ টান পাই আমি একেবোৰ কথাকেই চৰ্বিত চৰ্বন কৰি থাকো। আমি এনে এটা জাতিৰ বংশধৰ, যাৰ নিজৰ ভাষাটোৰ প্ৰতি, নিজৰ সংস্কৃতিৰ প্ৰতি, নূন্যতম শ্ৰদ্ধাকনো নাই। আমি এনে এখন সমাজত বাস কৰো, য'ত অকনো নিৰাপত্তা নাই, য'ত কেইটামান টকাৰ লোভত সহপাঠীয়ে সহপাঠীক নৃশংসভাৱে হত্যা কৰিব পাৰে। আধুনিকতাৰ দোহাই দি মাক-বাপেকে নিজৰ ছোৱালীক বজাৰৰ পণ্য সামগ্ৰীৰ দৰে উলিয়াই দিব পাৰে; তেনেকুৱা এখন সভ্য সমাজৰে আমি নাগৰিক! ভৱিষ্যত আমাৰ ল'ৰা-ছোৱালীলৈ আমি বাৰু কি থৈ যাম — বিবেকহীন কিছুমান মানুহ, এখন পংগু আৰু দায়িত্বহীন সমাজ আৰু এখন বিষাক্ত পৃথিৱী। সকলোৱে ভাবি চাওকচোন মোৰ ল'ৰা-ছোৱালীক যদি মই নিৰ্মল বতাহ সেৱন কৰিবলৈ দিব নোৱাৰো, এটা সুন্দৰ আৰু সুস্থ মনৰ গৰাকী কৰি তুলিব নোৱাৰো; তেতিয়াহ'লে মোৰ ল'ৰা-ছোৱালীক এই পৃথিৱীলৈ অনাৰো মোৰ কোনো নৈতিক অধিকাৰ নাই। অকল মাক বাপেক বোলাবলৈকেতো আমি ল'ৰা-ছোৱালী জন্ম দিব নোৱাৰো, আৰু পালেও দিয়া উচিত হবনে?

# দুধনৈ মহাবিদ্যালয়ৰ বড়ো নৃত্য শিল্পীদলৰ কেৰেলাত সু-নাম অৰ্জন

আবুল হুছেইন
অধ্যাপক ৰসায়ন বিজ্ঞান বিভাগ

২০০৫ চনৰ দুই অক্টোবৰৰ পৰা আঠ অক্টোবৰ লৈ কেৰালাৰ কোল্লাম নগৰৰ জনপ্ৰিয় অনুষ্ঠান মাহমুদু আৰ্ট এণ্ড স্পৰ্টচ ক্লাব আৰু নেহৰু যুৱ কেন্দ্ৰ, কোল্লামৰ যুটীয়া উদ্যোগত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় সংহতি কেম্পত দুধনৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক দলে বড়ো নৃত্য পৰিৱেশন কৰি ভূয়সী প্ৰশংসা আৰু সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল। তেৰজনীয়া সাংস্কৃতিক দলটোৰ নেতৃত্বত মই নিজেই আছিলো। সাংস্কৃতিক দিশত জ্ঞান থকা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰবক্তা শ্ৰীহৰগোবিন্দ ডেকা আমাৰ লগতে গৈছিল আৰু বিভিন্ন দিশত দিহাপৰামৰ্শ আগবঢ়াইছিল আমাৰ দলটোত মুঠ ছজন ল'ৰা আছিল আৰু ছোৱালী আছিল পাঁচজনী। ল'ৰাৰ ভিতৰত আছিল বিজু বড়ো, পবন কুমাৰ বড়ো, ললিত দৈমাৰী, ছৰমেন্দ্ৰ খাকলাৰী, লাচিত বসুমতাৰী, (মাদলবাদক) আৰু নীৰেন বড়ো (বাহীবাদক)। ছোৱালীৰ ভিতৰত আছিল টিনামণী দৈমাৰী, ফুলেশ্বৰী কছাৰী, ৰেছমা দৈমাৰী, ৰেণুকা দৈমাৰী (গায়িকা) আৰু শেৱালী বসুমতাৰী। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গোপাল ফুকন ছাৰে অহাযোৱাৰ বাবদ কিছু আৰ্থিক সাহায্যদি সুবিধা কৰি দিছিল। সাংস্কৃতিক দলটোক কেৰালালৈ লৈ যোৱাত মই নিজেই গোৱালপাৰা জিলা নেহৰু যুৱ কেন্দ্ৰৰ সমন্বয়ক আতোয়াৰ ৰহমানৰ লগত যোগাযোগ কৰিছিলো আৰু যাবতীয় কামকাজ আগতেই ঠিকঠাক কৰি লৈছিলো।

আমি দুধনৈৰ পৰা ২৭ চেপ্তেম্বৰত ৰাওনাহৈ ৩০ চেপ্তেম্বৰত কেৰেলাৰ কোল্লাম নগৰত গৈ উপস্থিত হৈছিলো। অতি উলহ মালহেৰে আমাৰ ল'ৰা ছোৱালীবোৰে কৌতুহলপূৰ্ণ মন আৰু উৎসুক দৃষ্টিভংগীৰে গন্তব্যস্থানত পদাৰ্পণ কৰিছিল। আয়োজকসকলৰ মুক্ত মন আৰু হৃদয়ৰ পৰা বিপুল আদৰণি পাই আমাৰ দলৰ প্ৰত্যেকেই অতি আনন্দিত আৰু সুখী হৈছিল। অভ্যৰ্থনা আৰু অতিথি সেৱা আছিল সুহৃদয়পূৰ্ণ আৰু উৎসাহজনক। অসমৰ সংস্কৃতিৰ প্ৰতি সমগ্ৰ জনগণৰেই আছিল ইচ্ছা প্ৰবল আৰু আকৰ্ষণ। ৰাষ্ট্ৰীয় সংহতি কেম্পটোত যোগ দিবলগীয়া দলবোৰৰ ভিতৰত আমিয়েই নিৰ্দিষ্ট সময়ৰ এদিন আগতে উপস্থিত হৈছিলো। আমি ভাবিছিলো আয়োজক সকলে তাৰ বাবে আমাক কিছু বেয়াই পাব। আমাৰ




ধাৰণা তথা ভাৱনা যে সঠিক নাছিল সেয়া আয়োজক মণ্ডলীৰ আতিথ্যৰে পৰাই স্পষ্ট হৈছিল। দুই অক্টোবৰ আছিল সাংস্কৃতিক অনুষ্ঠানৰ প্ৰথম দিন। জম্মু আৰু কাশ্মীৰ, পঞ্জাব, কৰ্ণাটক, অসম, তামিলনাডু আৰু কেৰালাৰ মুঠ তেইশটা দলে অংশগ্ৰহণ কৰিছিল। প্ৰতিটো দলেই যথাসাধ্য চেষ্টা কৰিছিল ভাল পৰিবেশনত। কিন্তু আমাৰ দুধনৈ মহাবিদ্যালয়ৰ বড়ো নৃত্যই সকলোৰে মন যেনেকৈ স্পৰ্শ কৰিব পাৰিছিল অন্যকোনো দলেই সেই কৃতিত্ব অৰ্জন কৰিব যে পৰা নাই সেয়া দৰ্শকৰ সমৰ্থনৰ পৰাই উপলব্ধি কৰা গৈছিল। এনেকি আয়োজক মণ্ডলীয়ে আমাৰ দলটোকেই শ্ৰেষ্ঠদল বুলি ঘোষণা কৰিছিল। প্ৰথমদিনৰ অনুষ্ঠানত আমাৰ দলটোৱে ৰনচণ্ডী বড়ো নৃত্য পৰিবেশন কৰিছিল। নৃত্যৰ আগমুহূৰ্তত মই নৃত্যৰ কাহিনীভাগ ইংৰাজীত শুনাই দিছিলো। ৰেণুকা দৈমাৰীৰ কণ্ঠত আৰু নীৰেনৰ বাঁহিৰ যাদুকৰী সুৰৰ লহৰত ৰুদ্ৰমূৰ্তি ধাৰণ কৰি পৰিবেশন কৰা নৃত্যত দৰ্শকৰ সহাঁৰি আছিল স্বতঃস্ফুৰ্ত। দলটো মঞ্চৰ পৰা নমামাত্ৰকেই কেইবাজনো সাংবাদিকে ঘেৰি ধৰি নৃত্যৰ বিৱৰণি লিখি লৈছিল। তিনি অক্টোবৰত চেন্নাইনৰ পৰা প্ৰকাশিত সৰ্বভাৰতীয় ইংৰাজী বাতৰি কাকত The Hindu, মালয়ালম ভাষাৰ সৰ্বাধিক প্ৰচাৰিত বাতৰি কাকত মনোৰমা আৰু মাতৃ ভূমিত ৰঙীনফটোৰে অতি

গুৰুত্বসহকাৰে অসমৰ ৰাণী শিৰোনামাৰে প্ৰকাশ পাইছিল। এই বাতৰি পাইযেই ত্ৰিবান্দ্ৰম দূৰদৰ্শনৰ পৰা দূৰদৰ্শনৰ কৰ্মী আহি আমাক সাক্ষাৎ কৰিছিল। ৰণচণ্ডী নৃত্যৰ কেইবাটাও শ্বট ভি. ডি. ও কেমাৰাত আবদ্ধ কৰি মোৰ সাক্ষাৎকাৰ লৈছিল আৰু পিছদিনা অৰ্থাৎ চাৰি অক্টোবৰত দূৰদৰ্শনযোগে প্ৰচাৰ কৰিছিল। তাৰ পিছতেই সাংবাদিক সকলে প্ৰায়ে মোক খেদি ফুৰিছিল বুলি ক'লেও অত্যুক্তি নহব কিজানি। আমাৰ কলেজৰ দলটো অসমৰ দল হিচাপে চহৰখনত জনাজাত হোৱাই নহয় জনপ্ৰিয়তাও লাভ কৰিছিল। তিনি অক্টোবৰ অৰ্থাৎ সাংস্কৃতিক সন্ধিয়াৰ দ্বিতীয় দিনা আমাৰ ছোৱালীসকলে "বাৰদৈছিখিলা" বড়ো নৃত্য পৰিবেশন কৰি সমূহ দৰ্শকক মুগ্ধ কৰে। দৰ্শকসকলে আমাৰ নৃত্য দলটোক খোলাখুলিকৈ প্ৰশংসা কৰে। বহুতেই কেমেৰা লৈ আমাৰ কাষ চাপে। দৰ্শকৰ বিপুল সঁহাৰি আৰু সমৰ্থনত আমাৰ ছোৱালী শিল্পীসকলে উৎসাহ উদ্দীপনা লাভ কৰে। আমাৰ দলটো আৰু কাশ্মীৰৰ দলটোৰ প্ৰতি দৰ্শকৰ আশা আকাংক্ষা আছিল বেছি। দুয়োটা দলেই সুন্দৰ পৰিবেশন কৰিছিল। কিন্তু জাকজমকতা আৰু শৰীৰৰ মুভমেন্ট নিসন্দেহে বড়ো নৃত্যত বেছিকৈ ফুটি উঠে বাবে দৌৰত আমিয়েই অগ্ৰাধিকাৰ পাইছিলো।

চাৰি অক্টোবৰত আটাইবোৰ দলকেই কেৰেলাৰ চুনামি প্ৰভাৱিত অঞ্চল দেখুৱাবলৈ লৈ গৈছিল। আমি সেইবোৰ অঞ্চলৰ মানুহৰ লগতো ভাৱৰ আদান প্ৰদান কৰিবলৈ সুযোগ লাভ কৰিছিলো। সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানত বড়ো আধুনিক নৃত্য পৰিবেশন কৰিছিল ৰেণুকা দৈমাৰী, ৰেচমা আৰু শেৱালীয়ে। বৰ সুন্দৰ হৈছিল নৃত্য। আহল বহল সাংস্কৃতিক ভৱনৰ চুকেকোণে বড়ো আধুনিক নৃত্যৰ প্ৰতিধ্বনিত উৎফুল্লিত হৈ পৰিছিল দৰ্শকবৃন্দই।

পাঁচ অক্টোবৰত আমি আটাইবোৰ দলেই বিশ্ববিখ্যাত "আস্তামোদী" হ্ৰদলৈ গৈছিলো। সুন্দৰ দু-মহলীয়া জাহাজখনত আমি আৰু কাশ্মীৰীসকলে ওপৰৰ মহলাত আৰামেৰে ছিটতবহি নিটিল, ফটফটীয়া হ্ৰদৰ পানীত ইমূৰৰ পৰা সিমূৰলৈ সুন্দৰ আৰু মনোৰম প্ৰাকৃতিক দৃশ্য উপভোগ কৰিছিলো। সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানত সেই দিনা "বাগৰুম্বা" বড়ো নৃত্য পৰিবেশন কৰিছিল আমাৰ ছোৱালী শিল্পীসকলে। প্ৰতিটো দিনতেই বেলেগ বেলেগ নৃত্য পৰিবেশন কৰা হেতুকে আয়োজকসকলে আৰু দৰ্শকসকলেও বৰ ভাল পাইছিল আমাৰ শিল্পীসকলক।

ছয় অক্টোবৰৰ পুৱাৰ ভাগত আমাৰ আটাইবোৰ দলকেই ওচৰতে থকা ইঞ্জিনিয়াৰিং কলেজৰ প্ৰদৰ্শনী চাবলৈ গৈছিল। তাত মোক আৰু কাশ্মীৰৰ এজনক দলপতি হিচাপে ফুলেৰে সম্বৰ্দ্ধনা জনাইছিল। আমি সকলোৱে তেওঁলোকৰ স্বভাৱজনিত সহায় সহযোগিতাত প্ৰদৰ্শনীৰ বস্তুবোৰ তন্ন তন্ন কৈ পৰ্যবেক্ষণ কৰি আনন্দ লাভ কৰিছিলো। সেইদিনা সন্ধিয়া আমাৰ কোনো কাৰ্যসূচী নাছিল কাৰণ সেইদিনাৰ অনুষ্ঠান আছিল সম্পূৰ্ণ স্থানীয় শিল্পীৰ।

শেষৰ দিনা অৰ্থাৎ সাত অক্টোবৰ আছিল আমাৰ শেষৰ দিন। সেইদিনাৰ মুকলি সভাত কেৰালাৰ কেইবাজনো মন্ত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল। তেখেতসকলে অসমৰ অৰ্থাৎ আমাৰ মহাবিদ্যালয়ৰ নৃত্য দলটোক বৰ প্ৰশংসা কৰিছিল। সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানত আকৌ ৰণচণ্ডী নৃত্যৰে মঞ্চ কঁপাই তুলিছিল আমাৰ শিল্পীসকলে। সেইদিনা দ্বিতীয়বাৰৰ বাবে ৰণচণ্ডী নৃত্য উপভোগ কৰি দৰ্শক মোহিত হৈছিল। কেৱলযে নৃত্যতেই আমাৰ দলটোৱে প্ৰশংসা বুটলিছিল এনে নহয়। আমি থকা ঘৰখনৰ সৈতে অৰ্থাৎ আমাক যত ৰখা হৈছিল সেইঘৰৰ মানুহবোৰৰ সৈতেও আমাৰ সম্পৰ্ক আছিল অতি আপোন। আমি যেন তেখেতসকলৰ পৰিয়ালৰ সদস্য হৈ পৰিছিলো থকা দিন কেইটাত। মাহমুদু আৰ্ট এণ্ড স্পৰ্টচ ক্লাবৰ সভাপতি ছাৰাৰ উদ্দিন আহমেদ আছিল অতি দয়ালু, মৰমিয়াল ব্যক্তি। প্ৰতিটো ক্ষেত্ৰতেই তেখেতে সহায়ৰ হাত আগবঢ়াইছিল। তেখেতৰ ঘৰত আমাক কেইবাসাজো ভাত অতি যত্নেৰে খুৱাইছিল। তেওঁলোকৰ প্ৰত্যেকজন ব্যক্তিৰেই আতিথ্য আছিল স্বতঃস্ফুৰ্ত। আমি কেৰেলাৰ পৰা অকল সুনামেই অৰ্জন কৰি ওভোতা নাছিলো। আমি উভতি আহোতে কঢ়িয়াই আনিছিলো তেখেতসকলৰ মৰম, চেনেহ আৰু এবুকু আশা, আকাংক্ষা।

# মহাকাশ অভিযান ডিছকভাৰীৰ প্ৰত্যাৱৰ্তন আৰু ভৱিষ্যতত মানৱ

দ্বিপেন ৰাভা
স্নাতক ৩য় বৰ্ষ (কলা)



মানুহ অতি জ্ঞান-পিপাসু। সেয়ে বিভিন্ন বিষয়ৰ জ্ঞান আহৰণতে সুস্থ মস্তিস্কৰ লোকসকলে নিজকে আজীৱন ব্যস্ত ৰাখে। সেয়েহে কস্মিনকালেও তেওঁলোকৰ জ্ঞান অন্বেষণৰ ধাৰাৰ পৰিসমাপ্তি ঘটিব বুলি আশা কৰিব নোৱাৰি। চকুৰ আগত দেখি থকা দৃশ্য বা ঘটনাপ্ৰবাহক কেৱল দৰ্শনতে সীমিত নাৰাখি প্ৰধানকৈ এচাম লোকে মনক চেকুৰাব লাগিছে দুৰ্বাৰ গতিত অদৃশ্য আৰু অব্যক্ত ঘটনাৰ প্ৰকৃত কাৰণ নিৰ্ণয়ৰ বাবে, যাৰ ফলত সম্ভৱ হৈ উঠিছে জল, স্থল, বায়ু আনকি ভূগৰ্ভৰ অভ্যন্তৰণ আৰু বায়ুমণ্ডলৰ সিপাৰৰ সুদূৰ মহাকাশৰ তথ্য আহৰণৰ লগতে মহাকাশৰ পৰা পৃথিৱী বা অন্য গ্ৰহ-উপগ্ৰহৰ বিষয়ে বিস্তাৰিত অধ্যয়ন চলোৱাৰ। বিজ্ঞানীৰ নিৰলস প্ৰচেষ্টাৰ পৰিপ্ৰেক্ষিততে প্ৰথমে এৰোপ্লেন আৰু পাছত লাহে লাহে আকাশৰ উৰ্দ্ধত বিশ্বব্ৰহ্মাণ্ডৰ পৰা নানা তথ্য উদ্ধাৰ তথা পৰীক্ষা-নিৰীক্ষাৰ বাবে ৰকেট, কৃত্ৰিম উপগ্ৰহ আৰু মহাকাশ যানৰ উৎক্ষেপন সম্ভৱপৰ হ'ব ধৰিলে। মহাকাশযানত উঠি মানুহ মহাকাশলৈ যোৱাৰ লগতে মহাকাশৰ বহল চোতালত ভৰি দি খোজ কঢ়া এখন যানৰ লগত আন এখন যানৰ সংযোগ ঘটোৱা, মহাকাশতেই যানৰ মেৰামতি ঘটোৱা আৰু সৰ্বোপৰি মহাকাশতেই ঘণ্টা, দিন, মাহ বা বছৰ দিন কটাই নিৰ্ধাৰিত কাৰ্যসূচী মতে মানৱ বিহীন বা মানৱ সংযোজিত যানক ভূ-পৃষ্ঠৰ সু-নিৰ্দিষ্ট স্থানত যথাসময়ত অৱতৰণ ঘটোৱা কথাবোৰ আজি বিস্ময়কৰ হৈ থকা নাই। সময় বিশেষে আসোঁৱাহ বিজুতিয়ে আহুকাল বা বিপৰ্যয়ৰো উদ্ৰেক ঘটাইছে। তৎসত্ত্বেও কিন্তু মহাকাশ বিজ্ঞানীৰ মনোবল ভাঙি পৰা নাই, বৰঞ্চ দুগুণ উৎসাহেৰে ঘটনাৰ পুনৰাবৃত্তি নঘটাৰ উপায় উদ্ভাৱনত তেওঁলোকে নিজকে নিয়োজিত কৰিব লাগিছে।

উল্লেখযোগ্য যে মহাকাশ উৎক্ষেপনত মানৱ-সংযুক্ত প্ৰথমখন যান হৈছে "ভষ্টক"। ১৯৬১ চনৰ ১২ এপ্ৰিল তাৰিখে ছোভিয়েট ৰুছিয়াৰ USSR Academy of Science ৰ ফালৰ পৰা মহাকাশচাৰী য়ুৰি গাগাৰিণৰ তত্ত্বাৱধানত প্ৰেৰণ কৰা স্পুটনিক উপগ্ৰহই পৃথিৱী প্ৰদক্ষিণ কৰাৰ পৰাই মহাকাশত মানুহৰ দ্বাৰা প্ৰত্যক্ষ অধ্যয়নৰ শুভাৰম্ভ কৰা হয়। "স্পুটনিকৰ" পূৰ্বে আমেৰিকাই "মেৰিনাৰ-২" নামৰ এখন মানৱবিহীন মহাকাশযান শুক্ৰ গ্ৰহ অভিমুখে উৎক্ষেপন কৰিছিল। শুক্ৰ গ্ৰহৰ চাৰিওফালে মেৰিনাৰে তিনি সপ্তাহ পৰিভ্ৰমণ কৰি পৃথিৱীলৈ ঘূৰি আহিছিল। মহাকাশ ভ্ৰমণৰ ক্ষেত্ৰত নিয়মিতভাৱে মানৱবিহীন যান তথা মানৱ-সংযুক্ত যানৰ দুৰ্যোগ তথা দুৰ্ঘটনাৰ নজিৰ বহুত পোৱা যায়। ১৯৬৭ত মহাকাশযান "ছয়ুজ-১"ৰ পৃথিৱী প্ৰত্যাৱৰ্তনৰ সময়ত মহাকাশচাৰী কোমাৰঙৰ মৃত্যু ঘটে। ১৯৬৯ত মহাকাশযান 'ছয়ুজ-৫'ৰ যাত্ৰী মহাকাশচাৰী বৰিছ ভলীন'ভ কৌশলৰে যানখনৰ পৰা ওলাই এটা ঘৰৰ ওপৰত পৰি প্ৰাণ ৰক্ষা কৰিছিল। মহাকাশ ভ্ৰমণৰ অন্তত পৃথিৱীলৈ ঘূৰি অহাৰ সময়তে "ভলীনভে ছয়ুজ-৫"ৰ নিয়ন্ত্ৰণ হেৰুৱাই বায়ুমণ্ডলত প্ৰৱেশ কৰে। মৃত্যু নিশ্চিত জানিও যানখনত থকা পেৰাছুটেৰে তললৈ জাপ মাৰি প্ৰাণ ৰক্ষা কৰে "ভলীন'ভে"। অনুৰূপ ঘটনা সংঘটিত হয় চন্দ্ৰলৈ বুলি উৰা মৰা এপলো—১৩ৰ যাত্ৰী "জিম-লভেল", "জন ছুইগাৰ্ড" আৰু "ফ্ৰেড হেইছৰ" ক্ষেত্ৰতো। যানখনৰ মুখ্য শক্তিৰ উৎসত বিজুতি দেখা দিয়াৰ পিছতে এক বিস্ফোৰণ সংঘটিত হয় যদিও নিয়ন্ত্ৰণ কক্ষৰ সহযোগত এপলো-১৩ই চন্দ্ৰ পৃষ্ঠত অৱতৰণৰ পূৰ্বেই এক বিশেষ কৌশলৰে পৃথিৱী লৈ ঘূৰী আহে। ১৯৬০ত ৰাছিয়াৰ দুই খলপীয়া ৰকেট 'আৰ-১৬'ৰ বিস্ফোৰণ ঘটি ভূপতিত হয়।





এই দুৰ্ঘটনাত কমেও ৯১জন লোকে প্ৰাণ হেৰুৱাই ছিল। ১৯৬৭ত "এপলো-১" নামেৰে জনাজাত এই অভিযানৰ সময়ত মহাকাশ যানৰ ভিতৰত থকা ক্ৰটিপূৰ্ণ বৈদ্যুতিক ছুইচৰ পৰা ফিৰঙতি ওলাই যান খনত থকা বিশুদ্ধ অক্সিজেনে অগ্নিকাণ্ডৰ সৃষ্টি কৰে। ফলস্বৰূপে ৰকেটৰ একেবাৰে ওপৰত থকা কমাণ্ড মহাকাশচাৰী ক্ৰমে "ভাৰ্জিল গ্ৰছিম", "এড হোৱাইট" আৰু "ৰজাৰ ছাকীয়ে" শোকাৱহ মৃত্যুক সাৱটি লব লগা হৈছিল। ১৯৭৭ চনত বায়ুমণ্ডলত প্ৰৱেশ কৰা সময়ত ছেলিউট-৫ৰ ধ্বংসপ্ৰাপ্তিৰ তথ্যই মহাকাশত উঠা নমাৰ সময়ত যান বা যাত্ৰীৰ দুৰ্ঘটনা বিপদগ্ৰস্ততাৰ স্বাক্ষৰ বহন কৰে। ১৯৮০ত ৰাছিয়াৰ প্লেছেশ্ৰ মহাকাশ কেন্দ্ৰত ইন্ধন ভৰাই থকাৰ সময়তে "ভষ্টক"ৰ বিস্ফোৰণ ঘটি ৫০ জন লোকৰ মৃত্যু হৈছিল।

উল্লেখযোগ্য যে বিংশ শতিকাৰ মাজভাগত আৰম্ভ হোৱা মহাকাশ গৱেষণা আৰু অভিযান আছিল আমেৰিকা আৰু ৰাছিয়াৰ শ্ৰেষ্ঠতাৰ প্ৰতিযোগিতা। ১৯৮১ৰ আগলৈ মহাকাশ উৎক্ষেপনবোৰত মানৱ সংযোগী যানক মহাকাশলৈ একোখন ৰকেটৰ দ্বাৰাহে প্ৰেৰণ কৰা সম্ভৱ হৈছিল। কিন্তু ১৯৮১ত আমেৰিকাৰ National Aeronantic and space Administration সংক্ষেপে "NASA"ৰ ফালৰ পৰা এক স্বয়ংক্ৰিয় যানৰ সহায়ত উৰণ ভ্ৰমণ আৰু মহাকাশ অধ্যয়ন সফল কৰি তোলা হয়। চন্দ্ৰলৈ মানুহ পঠাই সফল হোৱাৰ পাছত আমেৰিকাই মহাকাশত মানুহ পঠিয়াবলৈ স্পেছ ছাটল বা মহাকাশ ফেৰীযান প্ৰগ্ৰেম গ্ৰহণ কৰে। স্পেছ ছাটল ব্যৱহাৰৰ উদ্দেশ্য আছিল এই যানখনক বিমানৰ দৰে ব্যৱহাৰ কৰি মহাকাশলৈ যাব পৰা যায়। NASAই এই আচণিৰ আধাৰত নিৰ্মাণ কৰা প্ৰথম ছাটলখন আছিল "কলম্বিয়া"। ৰকেটৰ দৰে আকাশলৈ উঠে আৰু বিমানৰ দৰে পিছত নামি আহিব পৰাটোই কলম্বিয়াৰ মূল বৈশিষ্ট্য। তেতিয়া যিকোনো বিমান বন্দৰৰ ৰান-ৱেত ইয়াৰ অৱতাৰণ সহজসাধ্য হৈ উঠে। যি কোনো সামৰিক বা অসামৰিক উপগ্ৰহো ইয়াৰ জৰিয়তে পৃথিৱীৰ ওচৰ কক্ষপথত স্থাপন কৰাটোও সম্ভৱ। পূৰ্বৰ মহাকাশযান উৎক্ষেপনৰ কাৰ্যত প্ৰতিবাৰতে একোটা ৰকেট নষ্ট, হোৱাৰ বাটটো কলম্বিয়াই বন্ধ কৰে। দেখাত ই এখন জেট বিমানৰ দৰে, যাৰ শক্তি ১৪০ খন জাম্বোজেটৰ সমান। বিশ্বৰ প্ৰথম খন মহাকাশযান "কলম্বিয়াক" ১৯৮১ চনৰ ১২ এপ্ৰিল তাৰিখে উৎক্ষেপন কৰা হয়। উৎক্ষেপনৰ সময়ত ছাটলখনক এটা প্ৰকাণ্ড ৰকেটৰ লগত সংযোগ কৰি দিয়া হয়। NASAৰ দ্বাৰা নিয়োজিত দুজন মহাকাশচাৰীয়ে কলম্বিয়াত উঠি মহাকাশত ৫৪ ঘন্টা কটাই ৩৬ বাৰ পৃথিৱীক প্ৰদক্ষিণ কৰাৰ পিছত ১৪ এপ্ৰিল তাৰিখে ঘূৰি আহে। কলম্বিয়াৰ পিছত নিৰ্মাণ কৰা হৈছিল চেলেঞ্জাৰ, ডিছকভাৰী আৰু আটলান্টিছ। ১৯৮২ত চেলেঞ্জাৰ প্ৰথমবাৰ মহাকাশলৈ গৈছিল। ইয়াৰ পিছত ১৯৮৩ আৰু ১৯৮৫ত ক্ৰমে উৎক্ষেপন কৰা হৈছিল ডিছকভাৰী আৰু আটলান্টিছ। আশ্চৰ্যৰ বিষয় যে এতিয়ালৈকে NASAৰ দ্বাৰা নিৰ্মাণ কৰা ৫খন মহাকাশযানৰ ভিতৰত কলম্বিয়া আৰু চেলেঞ্জাৰ বৰ্তমান ধ্বংসৰ গৰাহত পৰি নিঃচিহ্ন হৈ গৈছে। তথাপি ডিছকভাৰী, আটলান্টিছ আৰু এণ্ডেভৰ (১৯৯১) যান তিনিখন অক্ষত অৱস্থাত আছে। ১৯৮৬ চনৰ ১৮ জানুৱাৰী তাৰিখে ফ্ল ৰিডাৰ কেপকেনাভেৰলৰ পৰা উৰা মৰা NASAৰ দ্বিতীয় মহাকাশযান চেলেঞ্জাৰৰ পতন হৈছিল। এই মহাকাশযানখন আকাশলৈ নিক্ষেপ কৰাৰ সময়ত ৭জন মহাকাশচাৰীক লোৱা হৈছিল। কিন্তু দুৰ্ভাগ্যবশত যানখনে উৰণ আৰম্ভ কৰাৰ মাত্ৰ ৭৩ ছেকেণ্ডৰ পিছতে এক প্ৰচণ্ড বিস্ফোৰণৰ দ্বাৰা বিস্ফোৰিত হৈ "চেলেঞ্জাৰ" ধ্বংসপ্ৰাপ্ত হয়। ২০০৩ চনৰ ২ ফেব্ৰুৱাৰীৰ কলম্বিয়া পতনৰ ঘটনাটো আছিল NASAৰ ইতিহাসত সৰ্ববৃহৎ অঘটন। ২০০৩ চনৰ ১৬ জানুৱাৰী তাৰিখে আমেৰিকাৰ ফ্লৰিডাৰ কেনেডি মহাকাশ কেন্দ্ৰৰ পৰা প্ৰেৰণ কৰা হৈছিল কলম্বিয়াক। কিন্তু যাত্ৰা কালতেই ইয়াৰ কেনা লাগিল, উৰণৰ সময়ত ইয়াৰ ইন্ধন টেংকীৰ পৰা কেইটুকুৰামান তাপ প্ৰতিৰোধকাৰী টাইলচ এৰাই গ'ল। ফলত সকলো পৰীক্ষা-নিৰীক্ষাৰ অন্তত ১৬ দিনীয়া এই বিশেষ অভিযানটোৰ পৰি সমাপ্তি ঘটাই পৃথিৱী ঘূৰী অহাৰ সময়ত বায়ুমণ্ডলত প্ৰৱেশ কৰাৰ সময়ত ২০০,০০০ ফুট উচ্চতাত ফ্লৰিডাৰ কেনেডি মহাকাশ কেন্দ্ৰত অৱতৰণৰ পূৰ্বেই আমেৰিকাৰ চেন্ট্ৰেল টেক্সাছৰ আকাশত এক বিস্ফোৰণত ই ধ্বংস হয়। ফলত নিহত হয় ভাৰতীয় বংশোদ্ভৱ কল্পনা চাওলাকে ধৰি ছয় মাৰ্কিন মহাকাশচাৰী।

কলম্বিয়া পতনৰ পিছত সংবাদ মাধ্যমৰ প্ৰতিবেদন সমূহত এটা কথাই প্ৰকাশ পাইছিল যে মহাকাশ যানৰ নিৰাপত্তাৰ দিশটো NASAই অৱহেলা কৰিছিল। কিন্তু এনে ধৰনৰ সমালোচনাই মাৰ্কিন ৰাষ্ট্ৰপতি, চৰকাৰ আৰু NASAই গুৰুত্ব সহকাৰে নললে। বৰং NASAৰ ন-জনীয়া উপদেষ্টাৰ এখন সমিতিৰ মাজৰ পাঁচজন সদস্যই ছাটল যান খনৰ নিৰাপত্তা সম্পৰ্কত প্ৰশ্ন তোলাত তেওঁলোকক NASAই সমিতিৰ পৰাই বৰ্খাস্ত কৰিছিল। এই কাৰ্যত ক্ষুণ্ণ হৈ এজন বিশেষজ্ঞই NASA ত্যাগ কৰিছিল। এজন বিজ্ঞানীৰ অভিযোগ অনুসৰি অধিক ব্যয়বহুল হলে মাৰ্কিন চৰকাৰে মহাকাশ অভিযান বাতিল কৰিব বুলি আশংকা কৰি NASAই অধিক ব্যয়ৰ দিশটো ঢাকি ৰাখি সীমিত পুজিৰেই মহাকাশ অভিযান চলাই যাবলৈ বিচাৰিছিল। NASAৰ তদন্তকাৰী বিজ্ঞানী সকলে কলম্বিয়াৰ দুৰ্ঘটনাৰ প্ৰাথমিক কাৰণ হিচাপে উৎক্ষেপনৰ সময়ত ইন্ধনৰ আধাৰ (External fucal Tromte)ৰ ইনচুলেচনৰ এটা টুকুৰা ভাগি পৰাটোকেই ইয়াৰ কাল হল বুলি সন্দেহ কৰিছে। কিন্তু NASAই পিছত দাবী কৰে যে মহাকাশত থকা কিছুমান আৱৰ্জনাৰ টুকুৰাই খুন্দা মৰাৰ ফলতে কলম্বিয়াত কেনা লাগিছিল। নিজৰ এই দাবীটো সাব্যস্ত কৰিবলৈ যোৱা ৪ ফেব্ৰুৱাৰী, ২০০৩ ত ফ্লৰিডাৰ "কেপ কেনেভাৰেলত" NASAই মহাকাশৰ কিছুমান আৱৰ্জনাই কলম্বিয়াৰ বাওফালৰ পাখিত খুন্দা মৰাৰ অস্পষ্ট ছবিৰ এটা ভিডিঅ' ইমেজ প্ৰচাৰ

কৰে। কিন্তু এনে স্থলত প্ৰশ্ন হয় যে NASAই এই ঘটনাটো জানিও মহাকাশচাৰী কেইজনক উদ্ধাৰ কৰিবলৈ চেষ্টা নকৰিলে কিয় ?

সকলো সমালোচনাৰ অন্ত পেলাই ২০০৫ৰ ২৬ জুলাইত অন্য এক মহাকাশযান ডিছকভাৰী মহাকাশলৈ প্ৰেৰণ কৰে। কিন্তু এইবাৰো যাত্ৰা কালতেই ডিছকভীৰত বিজুটি ঘটিল। কলম্বিয়াত যি বিজুটি ঘটি ধ্বংস হৈছিল সেই একে বিজুটিয়ে ডিছকভাৰীৰ ক্ষেত্ৰতো দেখা দিলে। উৎক্ষেপনৰ সময়ত ডিছকভাৰীৰ হাইড্ৰজেন ইন্ধনৰ টেংকত ফাইবাৰৰ দুটা টুকৰাই সমস্যাৰ সৃষ্টি কৰে। ইয়ে NASAই বিজ্ঞানীসকলৰ লগতে মহাকাশচাৰী সকলোকো আমনি কৰে। পিছত যেনিবা মহাকাশতে ডিছকভাৰীৰ মহাকাশচাৰী "ষ্টিফেন ৰবিন্সনে" এক নতুন কৌশল অবলম্বন কৰি স্পেচ ৰাকৰ জৰিয়তে "ফাইবাৰৰ" দুটা টুকুৰা মেৰামতি কৰে—যি যানখনৰ বাবে অতি বিপদজনক হৈ পৰিছিল। ডিছকভাৰী বেয়া হৈ পৰা জিৰস্কপ আতৰাই নতুন যন্ত্ৰাংশ স্থাপন কৰে আৰু দ্বিতীয়তে দুটা "প্ৰট্ৰুডিং থাৰ্মেল ফিলাৰ" নতুনকৈ স্থাপন কৰে। অৰশ্যে মহাকাশত এৰি দিয়া এই বেয়া অংশবোৰ ভাহি থাকি পিছত মহাকাশযানত খুন্দা মাৰি সমস্যাৰ সৃষ্টি কৰাৰ আশংকাও প্ৰবল বুলি কোৱা হৈছে। কাৰণ এটা ইন্ধন টেংকৰ পৰা খহি পৰা টুকুৰাই কলম্বিয়া যানখনৰ পাখিত খুন্দা মাৰি এটা ফুটাৰ সৃষ্টি কৰিছিল আৰু ইয়েই যানখনৰ পতনৰ মূল কাৰণ আছিল। কিন্তু এইবাৰ ডিছকভাৰী যে মহাকাশতে যি মেৰামতি কৰি ইতিহাস সৃষ্টি কৰিলে-ই মহাকাশ বিজ্ঞানত প্ৰথম। ডিছকভাৰীত দেখা দিয়ে এনে বিজুতিয়ে বিভিন্ন মহলে সফল প্ৰত্যাৱৰ্তনৰ বাবে অপেক্ষা কৰিবলগা হ'ল। সম্পূৰ্ণ দু-সপ্তাহ মহাকাশত অতিবাহিত কৰা ডিছকভাৰীয়ে এই সময়খিনিত অন্তঃৰাষ্ট্ৰীয় মহাকাশ আস্থান (স্পেচ চেণ্টাৰ) টোৰ লগ লাগিছিল। ডিছকভাৰীয়ে মহাকাশ আস্থানটোলৈ ১২টন সা-সামগ্ৰী কঢ়িয়াই নিছিল। এইবোৰৰ ভিতৰত আছে মহাকাশ আস্থানটোৰ বাবে যন্ত্ৰ-পাতি, কম্পিউটাৰ, ৰচদ-পাতি ইত্যাদি। এই আস্থানটোৰ ইতিপূৰ্বে যোৱা দুজন মহাকাশচাৰী আছে। প্ৰত্যাৱৰ্তনৰ বাবে দুদিন পূৰ্বে ডিছকভাৰীয়ে মহাকাশ স্পেচ চেণ্টাৰটোৰ লগত সম্পৰ্ক বিচ্ছিন্ন কৰিছিল। ইয়াৰ পিছত ডিছকভাৰীয়ে প্ৰত্যাৱৰ্তনৰ বাবে যানখনৰ যন্ত্ৰপাতিবোৰ সক্ৰিয় কৰি তোলে। পিছত "এডৱাৰ্ডছ" বিমান ঘাটিত ইয়াক সফল ভাবে অৱতাৰণ কৰা হয়।

ডিছকভাৰীৰ বিজুতি আৰু মেৰামতিৰ পৰিপ্ৰেক্ষিতত বিভিন্ন মহলে যি শংকাৰ আৰু উত্তেজনা প্ৰকাশ কৰিছিল সি মাৰ গ'ল। ঘূৰি আহোতে যানখনৰ বেগ আছিল প্ৰতি ঘন্টাত ২৭,৩৬৩ কিলোমিটাৰ আৰু এই বেগতে পৃথিৱীৰ পৰা ১২০ কিলোমিটাৰ উচ্চতাত যানখনে বায়ুমণ্ডলত প্ৰৱেশ কৰে। বেগ হ্ৰাস কৰিবলৈ যানখনক চাৰিবাৰ একতীয়া কৰা হৈছিল আৰু অৱশেষত লছ এঞ্জেলছৰ ফালৰ পৰা প্ৰশান্ত মহাগৰৰ ওপৰেদি আহি প্ৰচণ্ড শব্দৰে ধৰণী আহি কপাই এডৱাৰ্ডছ এয়াৰফৰ্চ বেছৰ ৰানৱে স্পৰ্শ কৰে। যোৱা ২৬ জুলাইত যোৱা ডিছকভাৰীয়ে ১৪ দিনত ২১৯ বাৰ পৃথিৱীক প্ৰদক্ষিণ কৰি মুঠতে ৯,৩৩ নিযুত কিলোমিটাৰ দৈৰ্ঘ্য পৰিভ্ৰমণ কৰে। ডিছকভাৰীৰ সফল অভিযানৰ ফলত NASAই লাভ কৰিছে মহাকাশ বিজ্ঞানৰ লগত জড়িত বহুতো তথ্য। এইবাৰৰ মহাকাশচাৰী সকলে পদাৰ্থ বিজ্ঞানৰ পৰা চিকিৎসা বিজ্ঞানলৈকে বিভিন্ন ক্ষেত্ৰৰ বহু পৰীক্ষা-নিৰীক্ষা সম্পন্ন কৰে। মহাকাশ সম্পৰ্কীয় তথ্যৰে নাছাই এতিয়া এখন নতুন অধিক উন্নত মহাকাশযান নিৰ্মাণ কৰিব বুলি ঘোষণা কৰিছে। উল্লেখনীয় যে আশীৰ দশকৰ পুৰণি প্ৰযুক্তিৰে নিৰ্মিত ডিছকভাৰী যানখন বেছ পুৰণি হৈ পৰিছে বাবে ইয়াৰ প্ৰত্যাহাৰৰ বাবে বিভিন্ন মহলে পৰামৰ্শ আগবঢ়াইছে। এতিয়ালৈকে এই যানখনে ৩০ বাৰ মহাকাশলৈ গৈ সুকলমে উভতি আহিছে। সৰ্বোপৰি এই যাত্ৰাৰে NASAই মহাকাশ অভিযানত নিজৰ জয়যাত্ৰা একপ্ৰকাৰ অক্ষুণ্ণ ৰাখিল। কলম্বিয়াৰ পতনৰ পিছত NASAই কেবাটাও মহাকাশ অভিযান স্থগিত ৰাখিছিল। কিন্তু ডিছকভাৰীৰ সফলতাৰ পিছত কেবাটাও মহাকাশ অভিযান চলাই যোৱাৰ ঘোষণা কৰিছে। তাৰ ভিতৰত আছে মঙ্গল গ্ৰহলৈ মানুহ পঠিওৱাৰ এক ব্যয়বহুল মহাকাশ অভিযান।

গোটেই বিশ্ববাসীয়ে জানি থোৱা উচিত যে আমেৰিকা যুক্তৰাষ্ট্ৰ সৎ নিষ্ঠাবান, কৰ্মঠ আৰু মেধাৱী লোকেৰে ভৰা দেশ হলেও বিজ্ঞান-গৱেষণাৰ ক্ষেত্ৰত অতি স্বাৰ্থপৰ দেশ। NASAই মহাকাশ অভিযানেৰে যি সাফল্য অৰ্জন কৰিছে তাৰপৰা মানৱজাতিৰ কোনো সামগ্ৰিক সুফল সাধন হোৱা নাই। মাৰ্কিন মহাকাশ গৱেষণাৰ প্ৰত্যক্ষ সু-ফল সমূহৰ পৰা বিশ্ববাসী বহু দূৰৈত। এইবোৰৰ পৰা উপকৃত হৈছে মাৰ্কিন চৰকাৰ বা দেশখনৰ বিভিন্ন ব্যৱসায়িক সংস্থা আৰু বহুজাতিক কোম্পানীবোৰ। মহাকাশ গৱেষণাৰ সুফল ব্যৱহাৰ কৰি মাৰ্কিন ব্যৱসায়িক সংস্থা প্ৰতিষ্ঠানবোৰে সমগ্ৰ বিশ্বত নিজৰ বাণিজ্যৰ প্ৰসাৰ ঘটাইছে। শক্তিশালী হৈছে মাৰ্কিন প্ৰতিৰক্ষা ব্যৱস্থা। শীতল যুদ্ধৰ সময়ত আমেৰিকাই Star War পৰিকল্পনাৰে শত্ৰুক মহাকাশৰ পৰাই আক্ৰমণ কৰাৰ যি পৰিকল্পনা কৰিছিল সেয়া সচাঁকৈয়ে দেশখনে পৰিত্যাগ কৰিলে বুলি কব পৰা নাযায়। কাৰণ দেশখনৰ যুদ্ধ কৌশল এতিয়াও মহাকাশৰ উপগ্ৰহ, মহাকাশ আস্থান আদিৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। শত্ৰু সজাই কোনো ৰাষ্ট্ৰক বা মানুহক হত্যা কৰিবলৈ আমেৰিকাই এইবোৰ আঁচনিৰ বাবে ব্যয় কৰা ধন আহৰণ কৰে বিশ্বত চলাই থকা নিজৰ সাম্ৰাজ্যবাদী নীতিৰে।

**ভৱিষ্যতত মানৱ :** বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰ সমূহে যিধৰণে মহাকাশ অভিযান চলোৱাৰ পৰিকল্পনা কৰিছে—এই সমূহলৈ চাই অনুমান কৰিব পাৰি যে ভৱিষ্যতত মানুহে অন্য গ্ৰহত বসবাস কৰাটো সম্ভৱ হৈ উঠিব। সৃষ্টি কৰিছে উন্নত ধৰণৰ মহাকাশ যান যিয়ে মহাকাশত বিচৰণত সুচল কৰি তুলিব। যন্ত্ৰ মানৱ সংযুক্ত বৃহৎ বৃহৎ মহাকাশযানে পৃথিৱীৰ চাৰিওফালে বিচৰণ কৰিব। মহাকাশত স্থাপন হব কেবাটাও বৃহৎ মহাকাশ ষ্টেচনৰ। যত মহাকাশ যান সমূহ জিৰণী লব পাৰিব।

মহাকাশত স্থাপন কৰা টেলিস্কোপ সমূহে বৰ্তমান বহুত মহাকাশ সম্পৰ্কে তথ্য প্ৰেৰণ কৰিছে। অগণন তৰা, বাষ্পীয় মেঘৰ কুণ্ডলী যত তৰাৰ জন্ম হয়, মৃত তৰা, গ্ৰহ সৃষ্টিৰ প্ৰাথমিক অৱস্থা, কেবাটাও হাটি পতি ইত্যাদি বোৰে জ্যোতিৰ্বিজ্ঞানত আলোড়ন সৃষ্টি কৰিছে। সুদৰ ভৱিষ্যতত অন্য নক্ষত্ৰৰ গ্ৰহ বাসীৰ সৈতে পৃথিৱী বাসীৰ সংযোগ ঘটিব আৰু পৃথিৱীখন ধ্বংস হোৱাৰ পূৰ্বে অন্য গ্ৰহত মানৱ বিচৰণ কৰিব পাৰিব। উচ্চ প্ৰযুক্তি সম্পন্ন কম্পিউটাৰ, যন্ত্ৰ ইত্যাদিবোৰে পৃথিৱীখন ভৰি পৰিব। লগে লগে সৃষ্টি হব উন্নত ধৰণৰ বিভিন্ন মাৰণাস্ত্ৰ আৰু লগতে বিভিন্ন গ্ৰহ বাসীৰ সৈতে Star Warৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

**মহাকাশত ভাসমান চহৰ নিৰ্মাণৰ পৰিকল্পনা :**

সেইদিনটো আৰু হয়তো বেছি দূৰত নাই যিদিনা মহাকাশৰ শূণ্যতাত বা গ্ৰহ উপগ্ৰহৰ বুকুত গঢ়া চহৰত বসবাস কৰিব পৃথিৱীৰ মানুহ। মানুহে মহাকাশ চৰ্চাৰ আৰম্ভণিতে আশা কৰিছিল যে যোৱা শতাব্দীৰ আঠৰ দশকৰ ভিতৰত মহাকাশত চহৰ গঢ়ি তোলা যাব। ইতিমধ্যে মহাকাশত গৈ মাহৰ পাছত মাহ, আনকি এবছৰৰো অধিক সময় কটাইছে মহাকাশচাৰী সকলে। মহাকাশত খোজ কাঢ়ি ফুৰিছে। গৱেষণা কৰিছে। কিন্তু সেই সকলোবোৰ কৰিছে মহাকাশ ছেচনত থাকি। মহাকাশ চহৰ এতিয়াও গঢ়ি উঠা নাই। কেনেকুৱা হব এই মহাকাশ চহৰ? মাৰ্কিন ঔপন্যাসিক এডৱাৰ্ড এভাৰেট হেল' এ তেওঁৰ 'ব্ৰিক মুন' কিতাপত প্ৰথমে বৰ্ণনা দিয়ে কল্পনাৰ মহাকাশ চহৰৰ। ইয়াৰ পাছত কল্পবিজ্ঞানৰ লেখক ''জুলে ভাৰ্ণে'' আৰু ''কাৰ্ড লেগউইজ''এ তেওঁলোকৰ কল্পবিজ্ঞানৰ কাহিনীত মহাকাশ চহৰৰ উল্লেখ কৰিছে। প্ৰযুক্তিগত বিচাৰত সঠিক তথ্য আৰু বিজ্ঞানৰ খুটিনাটি দিশবোৰ বিশ্লেষণ কৰি মহাকাশ চহৰ গঢ়াৰ সম্ভাৱনাৰ ক্ষেত্ৰত পৃথিৱীৰ মানুহক প্ৰথমে সপোন দেখুওৱায়, সেই সকলৰ ছোভিয়েট ৰাছিয়াৰ বিখ্যাত মহাকাশবিজ্ঞানী ''কনহানতাইন তিওল কোভস্কিয়ে''।

চন্দ্ৰত বা মংগল গ্ৰহত নহয়, মহাকাশৰ শূণ্যতাত প্ৰথমে যি মহাকাশ চহৰ গঢ়ি উঠিব সেয়া দেখাত বহুখিনি মটৰ চাইকেলৰ চকাৰ দৰে হব। পৰিকল্পনা অনুযায়ী চকাৰ বাহিৰৰ অংশত থাকিব ১২৮ মিটাৰ ব্যাসৰ এটা নলা। সম্পূৰ্ণ চকাৰ ব্যাস হব প্ৰায় ডেৰ কিলোমিটাৰ। চকাৰ বাহিৰৰ অংশৰ লগত কেন্দ্ৰৰ অংশৰ যোগ ৰাখিব ছটা নলে। এই নলৰ ভিতৰদি থাকিব যাতায়াতৰ পথ। দেখাত 'স্পোক'ৰ দৰে এই নলৰ ব্যাস হব ১৫ মিটাৰ।

প্ৰস্তাৱিত মহাকাশ চহৰত 'নিশা' বুলি একো নাথাকে। ২৪ ঘন্টাই সূৰ্যৰ পোহৰত জকমকাই থাকিব চাৰিও দিশে। সেই বাবে চহৰৰ ভিতৰত বিভিন্ন ঠাইত সূৰ্যৰ পোহৰ প্ৰতিফলনৰ বাবে সূৰ্যৰ ফালে মুখ কৰি বহুওৱা হব ডাঙৰ ডাঙৰ আয়না। যদি নিলাৰ প্ৰয়োজন হয় আয়নাৰ মুখবোৰ সূৰ্যৰ বিপৰীতে ঘূৰাই দিলে হল।

**পৃথিৱীৰ পৰা চন্দ্ৰলৈ যোৱাৰ পৰিকল্পনা :**

মহাকাশ চহৰ গঢ়ি উঠাৰ পাছত পৃথিৱীৰ পৰা নিয়মিত চন্দ্ৰলৈ বা ভাসমান চহৰলৈ মানুহ আৰু সামগ্ৰী আদি অনা নিয়া কৰিবলাগিব। এই কথা চিন্তা কৰি আমেৰিকাৰ বিজ্ঞানীসকলে মহাকাশবিমান নিৰ্মাণ কামত হাত দিছিল ৪০ বছৰ পূৰ্বে। 'স্ক্ৰেমজেট' ইঞ্জিনৰ নক্সা কামত লগাই মহাকাশবিমানৰ বাবে এনে এক ইঞ্জিন নিৰ্মাণ কৰিছে যি এতিয়াই ঘন্টাত ৮০০০ কি:মি: গতিত উৰিব পাৰে। শব্দতকৈ পাঁচগুণ বেছি গতিত উৰিব বাবে এই বিমান হব পাঁচগুণ বেছি গতিত উৰিবৰ বাবে এই বিমান হব 'হাইপাৰছোনিক প্লেন'। বিজ্ঞানীসকলৰ ধাৰণা, অচিৰেই এই গতিক শব্দতকৈ ১০ গুণ অধিক গতিবেগত, অৰ্থাৎ 'মেক-১০' গতিত লৈ যোৱা সম্ভৱ হব। তেতিয়া মহাকাশ বিমানৰ গতিবেগ হব ঘন্টাত ১৬,০০০ কিলোমিটাৰ। এই মহাকাশবিমানৰ সনে এক নাম দিয়া হৈছে 'এয়াৰ ব্লিডিং জেট'।

# ‘বৰগীত’ৰ আদি কথাৰ চমু - অনুভৱ

অনুপম পাটগিৰী
স্নাতক ১ম বৰ্ষ (কলা)

অসমৰ এক শুভ সন্ধিক্ষণত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ হৈছিল। তেওঁৰ সম-সাময়িক কবি তথা শংকৰদেৱৰ শিষ্যসকলৰ ভিতৰত অন্যতম প্ৰিয় শিষ্য আছিল মাধৱদেৱ। ৰসৰাজ বেজবৰুৱাৰ মতে শংকৰ-মাধৱৰ মণি-কাঞ্চন-সংযোগেৰে তেওঁলোকে প্ৰাচীন স্বদেশ অসমত ইতিহাসৰ পাতত সোণালী আখৰবোৰ চিকমিকণিৰে জিলিকি থকা দৃষ্টি নিক্ষেপ হয়। তাৰে ভিতৰত তেওঁলোকৰ ৰচনাবোৰ হ'ল — এক-শৰণ নাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে নাট পদ-পুথি আদি ৰচনা কৰাৰ উপৰিও ওখ আধ্যাত্মিকভাৱৰ বিবিধ ৰাগ-ৰাগিনী সংযুক্ত আৰু চৈধ্য প্ৰসংগৰ উপযোগী কিছুমান গীত ৰচনা কৰে। এই গীতবোৰক বৰগীত বোলে।

শংকৰ-মাধৱে বৰগীতবোৰ ৰচনা কৰিছিল চিৰসত্য কথা কিন্তু, তেওঁলোকৰ সেই সময়ত বৰগীতবোৰক বৰগীত বুলি আখ্যা দিয়া নাছিল। সময়ৰ গতিত পিছৰ পৰ্যায়ৰ বৈষ্ণৱ ভক্তই এই গীতবোৰক বৰগীত বুলি আখ্যা দিছিল। এই গীতবোৰৰ দৰে ৰাগযুক্ত গীত শংকৰদেৱৰ বহু আগৰ পৰা অসমত প্ৰচলিত আছিল। এই গীতবোৰ নিৰ্দিষ্ট ভাৱা, সুৰ ব্যৱহাৰ আৰু সীমাবদ্ধ পবিত্ৰতাৰ ওপৰত ৰচনা হৈছিল। সেই কাৰণে শংকৰদেৱৰ সম-সাময়িক কবি দুৰ্গা, পীতাম্বৰ আদিৰ গীতক বৰগীত বুলি আখ্যা দিয়া নাছিল।

আধুনিক অসমীয়া সাহিত্য সমালোচক সকলে বৰগীতক কিছুমান বিশেষ ধৰণে নামাকৰণ কৰিছে। সেইবোৰ হ'ল :

১। ড° বাণীকান্ত কাকতিয়ে বৰগীতক 'Noble Number' বুলি কৈছে।

২। কালিৰাম মেধিয়ে বৰগীতক 'Great Song or Song Celestial' বুলি কৈছে।

৩। দেৱেন্দ্ৰনাথ বেজবৰুৱাই এই গীতক 'Holly Song' বুলি কৈছে।

মহাপুৰুষ শংকৰদেৱে মূলতেই হ'ল বৰগীতৰ সৃষ্টিকাৰী। মহাপুৰুষজনাৰ মাত্ৰ ৩৪টা বৰগীতেৰে সীমাবদ্ধ। ইয়াৰ মূল কাৰণ হ'ল তেওঁৰ শিষ্য কমলা গায়ন নামে এজন ভকতে বৰগীতৰ পুথিৰ সংকলনখিনি আওঁৰাবলৈ নিওঁতে বন পোৰা জুইত অদৃশ্য হৈ পৰে। তাৰ পিছত সেই ভকতজনৰ মুখত ৰ'ল প্ৰায় ডেৰকুৰিমান হে। শংকৰদেৱৰ অন্তৰ বৰগীতবোৰ জুয়ে পোৰাৰ দৰে তেওঁকো পুৰিছিল। তাৰ পিছত হৃদয়ত আৰু গীতৰ সুৰ জাগ্ৰত অনুভৱ নকৰিলে। মনৰ বেজাৰত তেওঁ আৰু গীত ৰচনা নকৰি প্ৰিয় শিষ্য মাধৱদেৱক নতুনকৈ গীত ৰচনা কৰিবলৈ কয় আৰু সেই কাৰণেই মাধৱদেৱতকৈ শংকৰদেৱৰ গীতৰ সংখ্যা কম। মাধৱদেৱে ১৫৭টা বৰগীত ৰচনা কৰি শংকৰদেৱৰ ৩৪টা বৰগীত মিলি ১৯১টা বৰগীতেৰে পৰিপূৰ্ণ এখন পুথিত সন্নিবিষ্ট কৰিছিল।

বৰগীতৰ বিষয়বস্তুক কেন্দ্ৰ কৰি ছয়টা ভাগত ভাগ কৰিব পাৰি। সেইবোৰ হ'ল —

১) লীলা

২) বিৰহ

৩) বিৰক্তি

৪) পৰমাৰ্থ

৫) চোৰ আৰু

৬) চাতুৰি

(১) লীলা বিষয়ৰ গীতবোৰক আকৌ চাৰি ভাগত ভগাব পাৰি —

ক। জাগনৰ গীতত যশোদাই কৃষ্ণক নিদ্ৰাৰ পৰা জগাই দিয়া,

খ। চলনৰ গীতত মাখন ভাত লৈ গৰখীয়াৰ লগত কৃষ্ণ গৰু চাৰিবলৈ যোৱা,

গ। খেলনৰ গীতত গোপ শিশু আদিৰ লগত খেলা কৰা আৰু

ঘ। নৃত্যৰ প্ৰধান গীতত কৃষ্ণই নাচি নাচি গোপী সকলৰ পৰা দৈ, মাখন আদি বস্তু আদায় কৰাৰ কথা আছে।

(২) বিৰহ গীতত কৃষ্ণৰ অনুপস্থিতিত যশোদা আৰু আন আন গোপীৰ বিৰহ দুখৰ বৰ্ণনা আছে।

(৩) বিৰক্তি বিষয়ক গীতত সংসাৰৰ প্ৰতি কবিৰ আস্থাহীনৰ প্ৰকাশ পাইছে।

(৪) পৰমাৰ্থ গীতত পৰম পুৰুষ ভগৱানৰ আত্মসমৰ্পনৰ কথা প্ৰকাশ পাইছে।

(৫) আৰু (৬) ত চোৰ আৰু চাতুৰি বিষয়ক গীতত কৃষ্ণই দৈ, মাখন আদি চুৰ কৰি খোৱা, যশোদা আদিৰ লগত দুষ্টামি কৰা প্ৰভৃতি চিত্ৰ অংকন কৰিছে।

মহাপুৰুষ শংকৰদেৱৰ বৰগীত সমূহত পৰমাৰ্থ আৰু বিৰক্তি ভাৱৰ প্ৰাধান্য দেখা যায়। ইয়াৰ উপৰিও বিৰহৰ গীত এটা দুটা মান দৃষ্টিত পৰে। আনহাতে, মাধৱদেৱৰ গীত সমূহৰ দাস্য আৰু বাৎসল্য এই দুয়োটা ভাৱৰে গীত পোৱা যায় আৰু লগতে বালকৃষ্ণৰ চুৰি-চাতুৰি, খেলা, নৃত্য, জাগৰণ আৰু চলনৰ গীতৰ সংখ্যা বেছি। গীত, পদ, নাট সকলোতেই তেওঁ শ্ৰীকৃষ্ণৰ শিশু চৰিত্ৰ উত্তৰ ভাৰতত সুৰদাসৰ গীতসমূহৰ লগত ৰিজাব পাৰি।

মহাপুৰুষ দুজনাৰ বৰগীতবোৰ কিছুমান ভাৱভংগী এক বিশেষ ধৰণৰ প্ৰতিবিম্ব দৃষ্টিত পৰে। সেইবোৰ হ'ল —

এইগীতবোৰৰ ভাষা, সুৰ আৰু ব্যৱহাৰ আদিৰ ওপৰত ভিত্তি কৰি কব পাৰি এই গীতবোৰৰ সৃষ্টিৰ গাঠনিতে ভাষাই অন্যতম স্থান অধিকাৰ কৰিছে। এই ভাষাটোৱেই হ'ল 'ব্ৰজাবলী'। 'ব্ৰজাবলী' ভাষাটোৰ প্ৰাচীন অসমীয়া ভাষা আৰু ব্ৰজভাষাৰ মিশ্ৰণত ব্ৰজাবলী ভাষাৰ উদ্ভৱ হৈছিল। মৈথিলী ভাষাই ব্ৰজভাষাৰ প্ৰাণস্বৰূপ। সেইদৰে যিকোনো গীতত সুৰৰ অবিহনে গীতৰ অস্তিত্ব হ'ব নোৱাৰে তেনেদৰে বৰগীততো সুৰৰ উদ্ভৱ হৈছিল। এই গীতত সুৰ সংযোগ কৰি মধুৰ শ্ৰুতি লাভ কৰিবলৈ সক্ষম হৈছিল। এইগীতবোৰৰ পবিত্ৰ হৃদয়েৰে অদৃশ্য ভগবানৰ ওচৰত স্মৰণ কৰি গাইছিল আৰু এই গীতবোৰক 'বৰ' আখ্যাৰে আখ্যায়িত কৰি আন কবিসকলৰ পৰা উচ্চখাপত ৰাখিছিল। এইগীতবোৰ উল্লেখনীয় নিয়ম হ'ল — বিভিন্ন সময়ত নিৰ্দিষ্ট ৰাগৰ গীতহে গোৱা।

এই তথ্যখিনি সংগ্ৰহ কৰা পুথিবোৰ হ'ল —

(১) অসমীয়া সাহিত্যৰ ৰূপৰেখা।

(২) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত।

(৩) অসমীয়া সাহিত্যৰ দৃষ্টিপাত।

# কৌতুক

সঞ্জয় কলিতা

স্নাতক ৩য় বৰ্ষ

গিৰিয়েকক পেপাৰখন মন দি পঢ়ি থকা দেখি ঘৈণীয়েকে সুধিলে : 'হেৰি, ইমান মন দি আপুনি কি পঢ়িছে?

ঃ বিজ্ঞাপন এটা চাইছো।

ঃ কিহৰ বিজ্ঞাপন?

ঃ 'পাত্ৰী লাগে'ৰ বিজ্ঞাপন।

ঃ আপুনি তাৰ মানে দ্বিতীয় বিবাহ কৰিব নেকি?

ঃ কতনো দ্বিতীয় বিবাহ কৰাম! পাত্ৰীৰ লগত এই খনহে মোৰ—বিবাহ হ'ব। প্ৰথম বিবাহখন অপাত্ৰীৰ লগত হে হৈছে।

# শ্রীমন্ত শংকৰদেৱৰ অনুবাদ কলা—এটি আলোচনা।

হৰকুমাৰ নাথ
প্ৰবক্তা, অসমীয়া বিভাগ

মহাপুৰুষ শংকৰদেৱ স্বৰূপাৰ্থত উত্তৰ পূৱ ভাৰতৰ এজন শ্ৰেষ্ঠ অনুবাদক। ভক্তি ধৰ্মক তেওঁ মাধ্যম স্বৰূপে লৈ সমাজত যি জাগৰণৰ সৃষ্টি কৰিছিল; তাৰ ফলস্বৰূপে সমাজত অভিপ্ৰেত সামাজিক মূল্যবোধ জাগ্ৰত কৰিবলৈ বহু পৰিমাণে সক্ষম হৈছিল। গুৰুজনাই এই ধৰ্মীয় তথা সামাজিক জাগৰণ সৃষ্টি কৰিবলৈ যাওঁতে এনে কিছুমান কাৰ্য সম্পাদন কৰিছিল; যাৰ ফলস্বৰূপে অসমীয়া জাতিৰ ভাষা-সংস্কৃতি, ধৰ্ম আৰু সাহিত্য আদি প্ৰতিটি ক্ষেত্ৰতে তেওঁৰ সুদূৰ প্ৰসাৰী স্বাক্ষৰ খোদিত হৈ ৰ'ল। অনুবাদ কলাৰ ক্ষেত্ৰতো শংকৰদেৱ নিঃসন্দেহে যুগশ্ৰেষ্ঠ অনুবাদক। প্ৰাক্ শংকৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলিৰ অনুদিত ৰামায়ণ খনিয়ে শংকৰদেৱক বিশেষভাৱে উৎসাহিত কৰিছিল। কিয়নো তেওঁৰ দৃষ্টিত অনুবাদ কলাৰ যি ৰীতি, পাণ্ডিত্য আৰু ধৰ্মতত্ত্বৰ জ্ঞান থকাৰ প্ৰয়োজন, সেই আটাইখিনি গুণেই তেওঁ মাধৱ কন্দলিৰ ৰচনাত দেখিবলৈ পাইছিল। সেয়ে শংকৰদেৱে উত্তৰাকাণ্ড ৰামায়ণ অসমীয়া পদলৈ ভাঙনি কৰিবলৈ লৈ মাধৱ কন্দলিক 'পূৰ্ব্বকবি অপ্ৰমাদী' বুলি স্বীকৃতি দিছে আৰু কন্দলিক হস্তী আৰু নিজকে শহাৰ লগত ৰিজাইছে।

শ্ৰীমন্ত শংকৰদেৱে অনুবাদ কাৰ্যৰ পৰিকল্পনা কৰি আধ্যাত্মিক চিন্তাৰ প্ৰধান প্ৰধান গ্ৰন্থ সমূহৰ সাৰমৰ্ম জনসাধাৰণৰ মাজত বিলাবলৈ মানস কৰিহে অনুবাদ কাৰ্য গ্ৰহণ কৰিছিল। সেয়ে বৈষ্ণৱ ধৰ্মৰ লগত সঙ্গতি ৰাখি গুৰুজনাই ভাগৱতৰ দশম স্কন্দটো ১ম অধ্যায়ৰ পৰা ৪৭শ অধ্যায়লৈকে অনুবাদ কৰে। পুৰাণ সমূহৰ ভিতৰত শ্ৰেষ্ঠ ভাগৱত পুৰাণৰ দৰে জটিল আৰু দেৱভাষা সংস্কৃতৰ পৰা অসমীয়ালৈ দক্ষতা সহকাৰে অনুবাদ কৰাটো বৰ সহজ নাছিল। আনপিনে সেই সময়ছোৱালৈকে ভাগৱতৰ কোনো সংস্কৰণ ওলোৱা নাছিল। সেয়ে এনে প্ৰামাণিক গ্ৰন্থৰ অনুবাদ ৰীতি পৰিকল্পনাও তেওঁ নিজেই কৰিবলগীয়া হৈছিল। তথাপি মহাপুৰুষ জনাই হাতত লোৱা এনে অনুবাদ কাৰ্য নিঃসন্দেহে অনন্য সাধাৰণ।

অনুবাদৰ ক্ষেত্ৰত দেখা যায় সচৰাচৰ অনুবাদক সকলে মূল গ্ৰন্থৰ লগতে সেই গ্ৰন্থৰ টীকা-ভাষ্যাদিক অনুসৰণ কৰে। শংকৰদেৱেও ভাগৱত পুৰাণ অনুবাদ কৰোতে মূল সংস্কৃত ভাগৱতৰ লগতে শ্ৰীধৰ স্বামীৰ ভাগৱত-ভাবাৰ্থ-দীপিকাৰো সহায় লৈছিল। কিয়নো শ্ৰীধৰ স্বামীৰ টীকা প্ৰধান ভাৱে ভক্তিবাদকহে গ্ৰহণ কৰিছিল।

শংকৰদেৱৰ অনুবাদ কলাৰ এটি অনন্য বৈশিষ্ট্য হ'ল তেওঁ অনুবাদ কৰিবলৈ লোৱা গ্ৰন্থখন যিখন সমাজৰ বাবে প্ৰযোজ্য বুলি বিবেচনা কৰিছিল; সেই সমাজৰ ৰীতি-নীতি, আদৰ্শ আদিৰ ওপৰতহে অধিক গুৰুত্ব দিছিল। সেয়ে, ভাগৱত পুৰাণ অনুবাদৰ ক্ষেত্ৰত তেওঁ নিশ্চয় চিন্তা কৰিছিল যে যিখন সমাজৰ বাবে তেওঁ এই প্ৰামাণিক গ্ৰন্থখন অনুবাদ কৰিবলৈ লৈছে, সেই সমাজখন আছিল উচ্চ ৰুচি সম্পন্ন, আভিজাত্যাভিমানী আৰু বিদ্যোৎসাহী। সেয়ে এই গ্ৰন্থখন অনুবাদ কৰোতে তেখেতে মূল কাহিনীভাগৰ কোনো হৰণ ভগন নকৰাকৈ যথাযথ ৰাখিবলৈ চেষ্টা কৰিহে গ্ৰহণ আৰু বৰ্জন ৰীতি অৱলম্বন কৰিছে।

আধ্যাত্মিক গ্ৰন্থসমূহৰ অনুবাদ কৰোতে শংকৰদেৱে কোনো ধৰণৰ সীমিত ৰীতি অৱলম্বন কৰা দেখা নাযায়। বিষয়বস্তুৰ স্বৰূপ অনুসৰি তেওঁৰ অনুবাদ ৰীতি মুক্ত গতিত আগবাঢ়িছিল। স্বৰূপাৰ্থত শংকৰদেৱ এজন সমাজ সচেতন কবি। সেয়ে সেই সময়ৰ অধ্যয়নশীল সমাজখনৰ ওপৰত সততে দৃষ্টি ৰাখিহে মনোবিনোদনৰ সমলৰাজি উপস্থাপন কৰি গৈছে। গুৰুজনাই অনুবাদৰ মাজে মাজে স্থানীয় পৰিবেশ, ৰুচিবোধ, লোকবিশ্বাস আদিৰ বৰ্ণনা স্বকীয়ভাৱে উপস্থাপন কৰিছে।

অনুবাদ কাৰ্যৰ ক্ষেত্ৰত বিষয়বস্তু নিৰ্বাচনৰ ক্ষেত্ৰত তেওঁ অধিক গুৰুত্ব দিছিল। বৈষ্ণৱ ধৰ্মৰ লগত সঙ্গতি নথকা বা ক্ষীণ সম্পৰ্ক থকা কোনো বিষয়বস্তুকে তেওঁ গ্ৰহণ নকৰি পৰিত্যাগ কৰিছিল। এনেকি অনুবাদ কৰিবলৈ লোৱা গ্ৰন্থৰ মাজত বৈষ্ণৱ প্ৰতিকুলে যোৱা পদো পৰিত্যাগ কৰি তাৰ ঠাইত বিষ্ণু বা বৈষ্ণৱ সম্পৰ্কীয় কথা বা বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা কথাৰহে অৱতাৰণা কৰিছে।

অনুবাদৰ মাজে মাজে স্বকীয়তা প্ৰকাশ কৰাটোত শংকৰদেৱ বিশেষভাৱে পাৰদৰ্শী আছিল। উদাহৰণ স্বৰূপে আদ্য দশমৰ গোপীৰ বস্ত্ৰহৰণ

দৰাচলতে মূল দশম স্কন্দৰ ২২শ অধ্যায়ৰ শ্লোক সমূহৰ প্ৰাঞ্জল ভাঙনি যদিও শংকৰদেৱৰ দশমৰ পিছৰ ফালে থকা—

"ব্ৰতভঙ্গ ভয়ে কৰি কৃতাঞ্জলি
সিদ্ধি হৌক মনকাম।
সমস্ত ধৰ্মৰ ফল মূৰ্ত্তি কৃষ্ণ
কৰিলা তাঙ্কে প্ৰণাম।।
নিঃশেষ পাপৰ প্ৰলয়ৰ হেতু
যাহাৰ পদ স্মৰণ
জানু পাৰি সবে শিৰে পৰশিল
হেনয় কৃষ্ণৰ চৰণ।।"

এই পদ কেইটি গুৰুজনাৰ নিজা সৃষ্টি। ধৰ্মীয় গ্ৰন্থ যেনে ভাগৱতৰ দশম অনুবাদ কৰোতে মূলৰ লগত কেনেদৰে যথাযথ সঙ্গতি ৰাখি চলিছে, তাৰ উদাহৰণ স্বৰূপে তলৰ পদকেই ফাকি দাঙি ধৰা হ'ল —

মূল— বহবো হিংসিতা ভ্ৰাতঃ শিশৱঃ পাবকোপমাঃ।
ত্বয়া দৈৱনিসৃষ্টেন পুত্ৰিকৈকা প্ৰদীয়তাম্। (১০/৪/৫)

শংকৰদেৱ—

মাৰিলি অনেক পোক কন্যা খানি দিয়া মোক
হেনবা মই সন্তাপ পাসৰো।
একে আছো দগ্ধ হই দুনাই নজ্বালিবা জুই
দাদা তোৰ চৰণত ধৰো।। (১০/২৯/১)

সেইদৰে—

মূল— কাত্যায়নি মহামায়ে মহাযোগিন্যধীশ্বৰি।
নন্দগোপ সুতং দেৱি পতিং মে কুৰুতে নমঃ।
ইতি মন্ত্ৰ জপংত্যস্তাঃ পূজাং চক্ৰুঃ কুমাৰিকাঃ।।
এবং মাস ব্ৰতং চেকঃ কুমাৰ্য্যঃ কৃষ্ণ চেতমঃ।
(১০/২২/৪-৫)

অনুবাদৰ মাজে মাজে কবিৰ কল্পনাশক্তি আপোন মহিমাৰে ভুমুকি মাৰি অনুবাদৰ শাৰীৰ পৰা আঁতৰি মূলানুসৃত হলেও স্বকীয় যেন অনুভৱ হয়। উদাহৰণ স্বৰূপে আদি দশমৰ এফাকি পদ—

মূল— ইতিব্যৱস্যাজগৰং বৃহদ্বপুঃ স যোজনায়ামহাদ্ৰিপীবৰম্।
ধৃত্বাহস্তুতং ব্যত্তগুহাননং তদা পথি ব্যশেত গ্ৰসনাশয়া থলঃ।।
ধৰাধৰোষ্ঠো জলদোত্তৰোষ্ঠোদৰ্য্যাননান্তো গিৰিশৃঙ্গদংষ্ট্ৰঃ।
ধ্বান্তান্তৰাস্যো বিততাধ্বজিহ্বঃ পুৰুষানিলশ্বাসদবেক্ষণোষ্ণঃ।।
(১০/১২/১৬-১৭)

শংকৰদেৱ—

হেন মনে শুনি দুষ্ট দৈত্যে পাতি কাপ।
আগভেটি ভৈল ঘোৰ অজগৰ সাপ।।
দীৰ্ঘে একযোজন যুড়িল কলেবৰ।
বাইল বেন্তগোট যেন গিৰিৰ গহ্বৰ।।
তল ওঠগোট নমাই মাটিত থাপিল।
ওপৰৰ ওঠ গৈয়া মেঘত লাগিল।।
পৰ্বতৰ শৃঙ্গহেন দান্ত দুই পালি।
মেলিলেক জিহ্বাখনে যেন ৰাজআলি।।
প্ৰচণ্ড বতাহ যেন নিশ্বাস ফোকাৰে।
ৰঙ্গা দুই চক্ষু জুই আঙনি আকাৰে।।

অনুবাদ গ্ৰন্থৰ ক্ষেত্ৰতো শংকৰদেৱৰ বৰ্ণনা শক্তিৰ প্ৰভাবত মৌলিক গ্ৰন্থৰূপেহে প্ৰতীয়মান হয়। গুৰুজনাৰ দিগন্ত প্ৰসাৰী কবি প্ৰতিভা তথা বৰ্ণনা চাতুৰ্যৰ দ্বাৰা মূলৰ শ্লোকবোৰ বেছিহে ৰসাল হৈ ধৰা দিয়ে। এনে বৰ্ণনাবোৰক তেওঁৰ স্বকীয় ৰচনাৰূপেহে ধৰা দিয়ে। উদাহৰণ স্বৰূপে পুতনা ৰাক্ষসীৰ ৰূপৰ বৰ্ণনা দিবলৈ যাওতে ৰমণীৰূপৰ সুন্দৰ প্ৰতিফলন ঘটিছে। আনহাতে বীভৎস ৰস আদিৰ প্ৰয়োগেৰে পুতনা ৰাক্ষসীৰ কুৰূপৰ বৰ্ণনাও একেদৰেই সিদ্ধহস্ত ৰূপত দাঙি ধৰিছে। পুতনাৰ ৰূপৰ বৰ্ণনা মূলানুগ হলেও কবিৰ যাদুকৰী বৰ্ণনাৰ পৰশত অধিক সজীৱে হৈ উঠিছে—

ফুৰন্তে ভ্ৰমন্তে পাছে পুতনা পিশাচী।
গোকুলক পাইলা দিব্য নাৰী বেশে কাছি।।
মালতী ফুলৰ ভিতৰত দিল খোপা।
বান্ধি আছে সুন্দৰী উচ্চল কৰি খোপা।।
উচ্চ কুচ বৃহত নিতম্ব কৃশ কটি।
পিন্ধি নেত শাৰী ফুৰে ব্ৰজত প্ৰকটি।।
কুণ্ডলৰ কান্তি চিকিমিকি কৰে কেশ।
সেহি ৰঞ্জি আছে মুখ পঙ্কজ বিশেষ।।

সেইদৰে কুৰূপৰ বৰ্ণনা—

বেন্ত বাই নিজ ৰূপে পড়িল পুতনা।।
যেন বজ্ৰপাতে নিপাতিলা বৃত্ৰাসুৰ।
টল বল কৰিয়া কম্পিল গোপপুৰ।।
ডেৰ প্ৰহৰৰ পথ যুড়ি কলেবৰ।

চুৰ্ণীকৃত কৰিলেক বৃক্ষ নিৰন্তৰ।।
ঘাৰ ৰূপ দেখি প্ৰজা কৰে উসমিস।
তৰি আছে দান্ত যেন লাঙ্গলৰ ঈশ।।
নাকৰ ভিতৰ যেন পৰ্বত গহ্বৰ।
ভয়ঙ্কৰ শিলাসম তনু থুলন্তৰ।।

যুদ্ধ বৰ্ণনা আদিৰ অনুবাদ মূলৰ লগত সততে সঙ্গতি ৰাখিলেও শংকৰদেৱৰ পাণ্ডিত্য আৰু কবিত্ব শক্তিৰ পৰশ লাগি সোণত সুৱগা চৰোৱা দি সজীৱ হৈ পৰিছে। এনে বৰ্ণনাৰ ক্ষেত্ৰত অপ্ৰমাদী কবি মাধব কন্দলিৰ বৰ্ণনা কৌশলৰ সাদৃশ্যও চকুত পৰে। ঘোৰতৰ যুদ্ধৰ বৰ্ণনাত ঝুমুৰী ছন্দৰ প্ৰয়োগ দেখা যায়। উদাহৰণ স্বৰূপে—

আজি তোৰ কৰো উলি।
ক্ৰোধে ইন্দ্ৰ এহি বুলি।।
প্ৰলয়ৰ মেঘ আনি।
বুলিলা আদেশ বাণী।।
শুন সম্বৰ্ত্তক গণ।
গোকুলক কৰ ছন্ন।।
শ্ৰীমদে অন্ধ গোপ।
মোহোৰ তোলাৱে কোপ।।

* * *

পৰম আটোপ কোপে।
চলে চপকৰে জোপে।।
গগণ মণ্ডলে থাকি।
গৰ্জ্জে গোকুলক তাকি।।
শৱদ আস্ফাল বড়ে।
খনে খনে বজ্ৰ পড়ে।।
আটাসতে কান ফাৰে।
বিজুলি চমক মাৰে।।
দশোদিশে চমৎকাৰ।
তিৰিমিৰি অন্ধকাৰ।।

শংকৰদেৱৰ অনুবাদ উদ্দেশ্যধৰ্মী বৈষ্ণৱ ধৰ্ম প্ৰচাৰেই যিহেতু প্ৰথম আৰু প্ৰধান উদ্দেশ্য সেয়ে সুৰুঙা পালেই স্বকীয় ৰীতি আৰু আদৰ্শৰ ভিত্তিত পৰমপুৰুষ শ্ৰীকৃষ্ণৰ ভূবন-মোহন-ৰূপৰ চিত্ৰ নিখুট ৰূপত অঙ্কন কৰিছে।

অনুবাদৰ মাজে মাজে জঁটুৱা ঠাচৰ প্ৰয়োগ মন কৰিবলগীয়া। উদাহৰণ স্বৰূপে—

ক) অমৃতক তেজি যেন মৰে বিষপানে।
তেজি সোনা সানিয়াত গাণ্ঠি মাৰে টানে।।

খ) বাঘৰ আগত যেন লৰৰয় ছাগ।

গ) সিংহৰ আগত হৰিণৰ আটাইটাই।
এখনে লগাইবো তোৰ কুন্টুৰণি ঠাই।।

অনুবাদৰ ক্ষেত্ৰতো শংকৰদেৱে প্ৰচুৰ পৰিমাণে ঘৰুৱা শব্দ আৰু নাম ধাতুৰ প্ৰয়োগ কৰিছে। যেনে—

ঘৰুৱা শব্দ—

ক) দ্বাৰসৱ বান্ধি আছে লোহাৰ হাঙ্গাৰে।
খ) উৰুক-মুৰুক কৰি পিন্ধে অলঙ্কাৰ।
গ) কৈৰনো লৰৰা যমে নিলেক পুতাই।
ঘ) এহি বুলি পাৰন্ত মাটিত লোটা-লুটি।
ঙ) খাইবো তোৰ মুণ্ড পুতাই আজি যাইবি কই।
চ) ঠিস্ ঠিস্ ভৈল পেট যেন বাইল ঢোল।

নাম ধাতুৰ ব্যৱহাৰ—

ক) পুত্ৰক কোলাত লৈয়া বজাইবে খোজন্তে।
উপজিল যোগমায়া যশোদাত হন্তে।।

খ) দুনাই ভোগ ভুঞ্জিলাত আপুনি পুঠাই।

গ) কৃষ্ণক দেখিতে বজাই বিমোহিত ভাবে।

ছন্দ আৰু অলঙ্কাৰ প্ৰয়োগৰ ক্ষেত্ৰত গুৰুজনাই মূল পুথিক অনুসৰণ কৰা নাই। বৰঞ্চ পূৰ্ব কবি অপ্ৰমাদী মাধব কন্দলিৰ নিচিনাকৈ শংকৰদেৱেও তেখেতৰ অনুদিত পদত প্ৰচুৰ পৰিমাণে অলঙ্কাৰ প্ৰয়োগ কৰিছে। সেয়েহে অনুদিত কাব্য হলেও শংকৰদেৱে পদ সমূহৰ জাৰয়তে নিজৰ পাণ্ডিত্য আৰু কবিত্বৰ বিকাশ ঘটাব পাৰিছে। সেইদৰে কবি প্ৰসিদ্ধি প্ৰয়োগৰ দ্বাৰাও অনুদিত পদ সমূহৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। অলঙ্কাৰ সৃষ্টিৰ ক্ষেত্ৰত সংস্কৃত পণ্ডিত সকলে সৃষ্টি কৰা অলঙ্কাৰ সমূহ উদ্দেশ্য প্ৰণোদিতভাৱে সৃষ্টি কৰিছিল, কিন্তু মহাপুৰুষ জনাই ঘৰুৱা জীৱনৰ পৰাই বেছিভাগ অলঙ্কাৰ সৃষ্টি কৰিছিল।

# মোৰ দৃষ্টিত প্ৰেম...

হেমন্ত বড়ো
স্নাতক ২য় বৰ্ষ (কলা)

পৃথিৱীৰ আটাইতকৈ সুন্দৰতম অনুভূতিটোৱে হ'ল প্ৰেম। প্ৰেম এক সুৰভিত সংলাপ। মৌনতাতো বাংময়, এন্ধাৰতো চিন্ময়, প্ৰেম এক পৰম বিস্ময়। প্ৰেম প্ৰত্যেকৰে জীৱনলৈকে আহে সংগোপনে। জীৱনত এবাৰৰ বাবে হ'লেও প্ৰতিজন মানুহে প্ৰেমত পৰে। প্ৰেমৰ স্পৰ্শই কাৰোবাৰ জীৱনলৈ কঢ়িয়াই আনে শৰতৰ শেৱালিৰ স্নিগ্ধতা, জোনাকৰ উজ্জ্বলতা। প্ৰেমেই হৃদয়ত সভ্যতা গঢ়ে। যি কোনোদিনে কাৰো প্ৰেমত পৰা নাই তেওঁ পৃথিৱীৰ আটাইতকৈ মধুৰতম অনুভৱটোৰ পৰাই বঞ্চিত। প্ৰেম স্বৰ্গীয় বস্তু। ইয়াক চুই চাব নোৱাৰি, মাথোঁ অনুভৱ কৰিব পাৰি। প্ৰেম হৈছে জীৱনৰ চালিকা শক্তিৰ আধাৰ আৰু জীয়াই থকাৰ প্ৰেৰণা। প্ৰেমে জীৱন সুন্দৰ আৰু ৰাঙিয়াল কৰে। প্ৰেমৰ বাবেই সৃষ্টি হৈছিল তাজমহল। আনহাতে, প্ৰেমৰ বাবেই ধ্বংস হৈছিল ট্ৰয় নগৰী। প্ৰেমৰ যে ক'ত কি মহিমা।

প্ৰেমৰ উচ্চতম শিখৰটো বিবাহ যদিও আজিৰ প্ৰেমিক প্ৰেমিকাসকলৰ কেইজনে এই উচ্চতম শিখৰত উপনীত হোৱাটো বিচাৰে? তেওঁলোকৰ মতে প্ৰেম যৌৱনৰ এটা অপৰিহাৰ্য অংগ বাবেই তেওঁলোকে প্ৰেমক আঁকোৱালী লৈছে আৰু এই প্ৰেমত আমনি অনুভৱ কৰিলেই তেওঁলোকে প্ৰেম কৰি থাকিব পাৰিব কিন্তু সদায় বঞ্চিত হৈ থাকিব প্ৰেমৰ প্ৰকৃত মাদকতাৰ পৰা। জীৱনত নিজৰ প্ৰকৃত প্ৰেমিক বা প্ৰেমিকাক নিৰ্বাচন কৰি উলিওৱাটো সহজ কথা নহয়। প্ৰেমৰ জগতখনত কোনো বিঘিনি নঘটাকৈ তিষ্ঠি থাকিবলৈ নিজৰ প্ৰেমত বাস্তৱতাৰ প্ৰয়োজন। সদায় বাস্তৱ চিন্তাধাৰাৰ মাজেদি প্ৰেমত ল'ৰা বা ছোৱালীজনীৰ মানসিকতা বুজ লোৱা উচিত। প্ৰেমত আন্তৰিক সৌন্দৰ্য নাথাকিলে শাৰীৰিক সৌন্দৰ্যই একো আয়ত্ত কৰিব নোৱাৰে। শাৰীৰিক সৌন্দৰ্য খন্তেকীয়া, কিন্তু আন্তৰিক সৌন্দৰ্যৰ স্মৃতি মানুহৰ মনত, সমাজৰ ওপৰত থাকি যায়। প্ৰেমত দৈহিক সৌন্দৰ্যৰ নহয়, মনৰ সৌন্দৰ্যৰে মাদকতা লাভ কৰিবলৈ চেষ্টা কৰিব লাগে। তেতিয়াহে প্ৰেম হ'ব স্বচ্ছ আৰু এনে প্ৰেমৰ প্ৰতি ভগৱানৰো পৰম বিশ্বাস থাকিব।

আজি প্ৰেমৰ দৰে এটি স্বৰ্গীয় অনুভূতিক বাইক, ম'বাইল, কাৰ ইত্যাদি পণ্যসামগ্ৰীৰ সতে তুলাচনীত জুখিবলৈ চেষ্টা কৰা হৈছে। এনে প্ৰেম যৌৱনৰ কোনোবা এটা কোণতে বিলীন হৈ পৰিব আৰু প্ৰেমিক প্ৰেমিকাৰ ভিতৰত যিজনে তেওঁলোক দুয়োকে লৈ জীৱন গঢ়াৰ সপোন দেখিছিল তেওঁ বাছি ল'বলৈ বাধ্য হ'ব এক ভয়ংকৰ জীৱন। পশ্চিমীয়া ভাবধাৰায়ো আজিৰ যুৱক-যুৱতী সমাজক অবাস্তৱ প্ৰেমৰ প্ৰতি আকৃষ্ট কৰাইছে। তেওঁলোকে পাহৰি পেলাইছে সমাজৰ ৰীতি-নীতি উৎসৱ-পাৰ্বন আদিৰ অস্তিত্ব। আজিৰ তৰুণ প্ৰজন্মৰ অধিকাংশই প্ৰেমৰ নামত সস্তীয়া মনোভাৱক প্ৰাধান্য দিয়া পৰিলক্ষিত হৈছে। প্ৰেমৰ নামত কিছুমান দৃষ্টিকটু পৰিৱেশ ৰচনা কৰাই নহয়; কেতিয়াবা ভাই-বন্ধু বা জ্যেষ্ঠজনৰ লগত তেনে পৰিৱেশ অতিক্ৰমি পাৰ হৈ যাবলৈও সংকোচ লাগে। হোটেল, ৰেষ্টুৰেন্ট, পাৰ্ক আদিত এতিয়া সস্তীয়া প্ৰেমৰ এনেবোৰ দৃশ্য তেনেই সহজলভ্য। আমি কিয় পাহৰো আমি এখন সমাজৰ যুৱক-যুৱতী। যি প্ৰেমে সমাজৰ ৰীতি-নীতি, নিজৰ মান-মৰ্যদাক সন্মান কৰিব নাজানে সেই প্ৰেম সদায় অবাস্তৱ আৰু অবাস্তৱ প্ৰেম বিফল। গতিকে প্ৰেমক বাস্তৱ ভাৱে গ্ৰহণ কৰিবলৈ শিকক আৰু এই বাস্তৱ প্ৰেমৰ প্ৰতি আনক আকৃষ্ট কৰক আৰু বাস্তৱ প্ৰেমৰ মাজেদি গতি কৰি জীৱনৰ লক্ষ্য আৰু প্ৰেমৰ উচ্চতম শিখৰত উপনীত হওঁকগৈ।

বিশ্বাসেৰে পৰিপূৰ্ণ প্ৰেম কেতিয়াও অসফল হ'ব নোৱাৰে। কাৰণ বিশ্বাসৰ মাজতে প্ৰকৃত প্ৰেম লুকাই থাকে। প্ৰেমে মানুহক জীয়াই থাকিবলৈ যিদৰে সাহস, প্ৰেৰণা আদি দিয়ে, সেইদৰে প্ৰেমৰ মাজেদি আশা, আত্মবিশ্বাস, সততা, আনন্দ লাভ কৰিব পাৰি। এই প্ৰেমেই কেতিয়াবা কোনো এজন নিৰাশাবাদী লোককো প্ৰৱল আশাবাদী কৰি তোলে যাৰ বাবে তেনে ব্যক্তিয়ে জীৱনৰ প্ৰতি খোজতে প্ৰেমক নিজৰ আত্মবিশ্বাসী সংগী কৰি জীৱন যুঁজত নামে। প্ৰেমে যে কিছু সংখ্যক লোকক সফলতাৰ উচ্চ শিখৰলৈও লৈ আহে এয়া আমি কোনেও নুই কৰিব নোৱাৰো নিশ্চয়।

প্ৰেম যদিও মানৱ জীৱনৰ সৰ্বোত্তম অনুভূতি, কঠিনতম সম্পৰ্ক, তথাপি এই প্ৰেম কিন্তু কাঁচৰ দৰেই ঠুনুকা। ক'ৰবাত অলপ লাগিলেও যিদৰে কাঁচ এডোখৰ সহজতে ভাঙি টুকুৰা-টুকুৰ হৈ যাব পাৰে। ঠিক সেইদৰে

সামান্য একোটা কথাই প্ৰেমৰ সম্পৰ্ককো শেষ কৰি দিব পাৰে। ক'বলৈ গ'লে প্ৰেমৰ সম্পৰ্ক অটুট ৰাখিবলৈ হ'লে প্ৰেমিক-প্ৰেমিকাই বহুত ত্যাগ স্বীকাৰ কৰিবৰ বাবে সাজু থাকিব লাগিব। আৰু দুয়োজনৰ মাজত গভীৰ বিশ্বাস থাকিবই লাগিব। 'বিশ্বাস' হৈছে প্ৰেমৰ আটাইতকৈ দৰকাৰী উপাদান। বিশ্বাস অবিহনে প্ৰেম কেতিয়াও দীৰ্ঘস্থায়ী হ'ব নোৱাৰে। সেয়েহে ক'ব পাৰি বিশ্বাসেই প্ৰেমৰ প্ৰধান ভেটি স্বৰূপ আৰু ইয়ে প্ৰেমক দৃঢ় কৰি তুলিব পাৰে।

প্ৰেমৰ চকুত সকলো সমান। প্ৰেমত উচ্চ-নীচ, ধনী-দুখীয়া, ভাল-বেয়া বুলি কোনো কথা নাথাকে। বহুতে প্ৰেমক এইবোৰ কাৰণতে সম্ভৱ অন্ধ বুলি কয়। গৱেষক সকলেও মত পোষণ কৰিছে যে প্ৰেমে আমাক বিভিন্ন শাৰীৰিক-মানসিক ৰোগ আদিৰ পৰাও বচাই ৰাখিব পাৰে। প্ৰেমৰ সম্পৰ্কত বিখ্যাত সাহিত্যিকসকলেও কৈছে এনেদৰে—

খলিল জীব্ৰানে কৈছে—'প্ৰেম মানে এজনে আনজনলৈ ৰ লাগি চাই থকাই নহয়, বৰঞ্চ একেলগে চাই চাই একেটা পথেৰে আগবাঢ়ি যোৱাই হৈছে প্ৰেম।'

আকৌ ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছে—'পৃথিৱীৰ ভয়ক যদি কোনোবাই সম্পূৰ্ণৰূপে অতিক্ৰম কৰিব পাৰে, বিপদক তুচ্ছ কৰিব পাৰে, ক্ষমতাক অগ্ৰাহ্য কৰিব পাৰে, মৃত্যুক উপেক্ষা কৰিব পাৰে, তেন্তে সেয়াই হৈছে—প্ৰেম।'

প্ৰেমৰ ক্ষেত্ৰত পুৰুষৰ বিভিন্ন ধ্যান-ধাৰণা দেখা যায় যদিও প্ৰকৃত প্ৰেমিক পুৰুষৰ বাবে 'প্ৰেম' এক প্ৰকাৰৰ মানৱীয় আৱেগ, অনুভূতি, সহৃদয়তা, পৰস্পৰৰ প্ৰতি শ্ৰদ্ধা আৰু সহযোগিতাৰ মাধ্যমেদি এহাল নাৰী পুৰুষৰ মাজত গঢ় লৈ উঠা এক গভীৰ আত্মিক সম্পৰ্ক। এনে পুৰুষসকলে সময়ত প্ৰেমৰ দায়বদ্ধতা তথা যিকোনো সংঘাতৰ স'তে সম্মুখীন হ'বলৈ মানসিকভাৱে সাজু থাকে। প্ৰেমৰ ক্ষেত্ৰত দায়বদ্ধ প্ৰতিজন পুৰুষেই প্ৰেমিকাৰ অন্তৰৰ সকলোবোৰ কথা জানিবলৈ উৎসুকতা প্ৰদৰ্শন কৰে, প্ৰেমিকাৰ পৰা এনে পুৰুষসকলে সঁচা আন্তৰিকতা, সীমাহীন ভালপোৱা, অবিৰত প্ৰেৰণা, অকুণ্ঠ সহযোগিতা আৰু নিবিড় সান্নিধ্য কামনা কৰে। লগতে ভৱিষ্যতৰ 'যুগ্ম জীৱন' সম্পৰ্কে অন্তৰত এখন কল্পনাৰ সংসাৰ গঢ়ি তোলে। বাস্তৱ জীৱনত হাজাৰটো দ্বন্দ্ব-সংঘাত আৰু বেদনাৰে ক্লান্ত হোৱা সময়তো সিগৰাকী নাৰীৰ কথা কল্পনা কৰি এজন পুৰুষে নিজে শান্ত আৰু সহনশীল হ'ব পাৰে সেইগৰাকীয়েই পুৰুষ এজনৰ বাবে আকৰ্ষণীয় নাৰী।

প্ৰেম হৃদয়ৰ এক কঁহুৱা কোমল অনুভূতি। বিচিত্ৰ শক্তি যাৰ। প্ৰেম জীয়াই থাকে মৰম, শ্ৰদ্ধা আৰু ভক্তিৰ বুকুত। সম্ভৱত একে কৌশলৰ অভাৱতেই আমাৰ বহুতৰে প্ৰেম স্থায়ী নহয় অথবা বিচ্ছেদ ঘটে। প্ৰেমৰ পথ মসৃণ নহয়, কিন্তু সঁচা প্ৰেমত অসম্ভৱ বুলি একো কথা নাই।

## কৌতুক

তিনু বালা ৰাভা
স্নাতক ১ম বৰ্ষ (কলা)

গ্ৰাহক : (এটা কোমোৰাৰ উদ্দেশ্যি) ইয়াৰ দাম কিমান?

দোকানী : মাত্ৰ আঠ টকা।

গ্ৰাহক : দুই টকা কমাই দিয়ক।

দোকানী : হ'ব বাৰু। তুমি মোক দহ টকা দিলেই মই তোমাক দুই টকাতো ঘুৰাই দিব পাৰিম।

# অস্ফুট অনুভূতি

**কেশৱ শৰ্মা ভাণ্ডাৰী**
স্নাতক তৃতীয় বৰ্ষ (কলা)

অনাকাংক্ষিত বেদনাৰ শিলাবৃষ্টিত বিধ্বস্ত
নৈৰাশ্য স্বাক্ষৰিত গতানুগতিক হৃদয়ত
ইঙ্গিত বাসনাৰ উমাল সান্নিধ্য বিচাৰি
মনৰ নিভৃতত সাজিছো আত্মশ্লেষৰ সাকো
উষৰ বলীচৰতো জীৱনৰ বাট বুলিবলৈ।
ভাৰাক্ৰান্ত মনৰ ঘিট্‌মিটিয়া এন্ধাৰত
প্ৰজ্জ্বলিত অনলৰ বিজয়জ্যোতি কঢ়িয়াই
ৰহস্যঘন জীৱনৰ লুংলুঙীয়া বাটেৰে
অনামী অস্তিৰতাত সৰ্বত্ৰ ঘুম্মুটিয়াই
স্বপ্নাবিষ্ট হওঁ ভাৱনাৰ দিগবলয়ত
স্বপ্নৰঙী সুৰুযৰ বৰ্নিল ছবি আঁকিবলৈ।
স্ফটিক জোনাক ৰাতি প্ৰতীক্ষাৰ পিৰালিত বহি
ৰিনিকি - ৰিনিকি শুনিছো কেৱল বিষাদৰ স্বৰলিপি
এনেকৈয়ে পাৰ কৰিছো মই সহস্ৰ তেজৰঙা পুৱা
কত সম্ভাৱনাপূৰ্ণ দিন, অনেক প্ৰতিশ্ৰুতিপূৰ্ণ উষা।
প্ৰতীক্ষাৰ মৌন আকুতিত ক্লেদাক্ত হোৱা
ৰুক্ষ হৃদয়ত ভাৱাবেগৰ জোৱাৰ তুলিবলৈ
জাগতিক ব্যৰ্থতাৰ মদিৰা পান কৰি
নিদ্ৰাৰ কোলাত ঢলিবলৈ যত্নৰত মই
আপেক্ষিক জীৱনৰ ঠেক গণ্ডীত আউজি
স্বৰ্ণমৃগয়াৰ অন্বেষণত দিক্-বিদিক হেৰুৱাই
কালস্ৰোতৰ কেঁকুৰিত প্ৰশমিত মনক
আত্মোপলব্ধিৰে এতিয়া কৰিছো আলোকিত।

# অনুভূতি

**ছন্দামিতা দাস**
স্নাতক ১ম বৰ্ষ (কলা)

হৃদয়ৰ পৰা হৃদয়লৈ
গভীৰৰ পৰা গভীৰতৰলৈ
স্মৃতিৰ জোনাক ছটিয়াও
আবুৰহীন শূণ্য পৰাণত।

কাঁইটৰ বেষ্টনিত গোলাপ পাহি
যেন ৰামধেনুৰ বৰণ,
প্ৰভাতী সূৰুযৰ কোমল পৰশ
তাতেই ফুলে প্ৰেমৰ সপোন।

আকাশ উদাৰ প্ৰেমৰ পৰিধি
অতল গভীৰ মৰমৰ পৰিধি
হলাহল তীব্ৰ বিৰহৰ অনল
পথত কতনা উজুটি।

জীৱনৰ স্তৰে স্তৰে বিয়পি যায়
এটি মৰীচিকা, বিবিধ নষ্টালজিয়া।
বাঢ়ি যায় দিনে দিনে ......
যৌৱনৰ ধুমুহাত ক্ষত বিক্ষত হোৱা
কলিজাৰ এটুকুৰা ঘাঁ।

প্ৰেম,
আধা ছাঁ আধা আলোকৰ মাজে মাজে
'কুক ভা' খেলা,
মাথো এটি দুষ্ট নষ্টালজিয়া।

# নিজান বনৰ গান

**মিনাক্ষী দৈমাৰী**
স্নাতক ১ম বৰ্ষ (কলা)

মৰি মৰি শেষ হ'ল
খৰিকাজাঁই জোপাৰ সুগন্ধি ফুলবোৰ,
উৰি গল তলসৰা ফুলৰ গোন্ধ
আৰু বন বিহগীৰ বিজানৰ গানবোৰ
তোমাক কেনেকৈ বাৰু কওঁ
আৰু অলপমান সময় ৰৈ যোৱা বুলি
কঠিন সময়ে যে মাতিছে তোমাক
যোৱা গৈ,
ধূলিয়ৰি বাটত খেজবোৰ এৰি থৈ
আকাশী লতাৰ দৰে কলিজাটো
খামোচ মাৰি ধৰিছে শোকে।
সেউজীয়া মোৰ কামিজটো চকুলোৰে তিতিছে।
জানো,
তুমি আৰু উভতি নাহা
তোমাক কোনোদিন নেদেখো,
সেয়েহে দুহাতেৰে গঢ়িছো
তোমাৰ প্ৰতিমা।

# তুমি আহিলে

**বৰ্ণালী ৰয়**
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)

তুমি আহিলে মোৰ হৃদয়ে উচুপি উঠে
ঘৰৰ পৰ্দাখন কিঞ্চিত কম্পিত হয়
বাটৰ ধূলিবোৰ দূৰলৈ উৰি যায়
বতাহে থমকি ৰয়।
তুমি আহিলেই ফাগুন আহে
তোমাৰ উজ্জ্বল মুখত
ৰাঙলি আভাৰ বুলনি
দেহৰ ভাজত চঞ্চলতা
তোমাৰ ৰহস্যময় সৌন্দৰ্যত
মই নিজে মুগ্ধ হওঁ।
তুমি আহিলেই দেখা পাওঁ যেন
তোমাৰ দুচকুৰ নীলা গভীৰতা,
টৌ খেলি থকা চুলিৰ গাঢ়তা।
তোমাৰ চাৱনিয়ে দুচকুত মোৰ
সানি দিয়ে অনেক সপোন।
তুমি আহিলে সেমেকা ৰাতিবোৰত
নিয়ৰবোৰ জৰজৰকৈ সৰে
শেষ ৰাতিৰ নিশাচৰৰ মাতত
দেহৰ নোমবোৰ শিয়ৰি উঠে
ৰঙীন অতীতলৈ মনত পৰে,
তেতিয়া সময়বোৰ গৈ থাকে
তোমাৰ নৱতম সৃষ্টিৰ সতে
ৰাতিটো উন্মনা হয়
তোমাৰ অশান্ত আগমনত।

# চকুলো

**বাণীকান্ত নাথ**
স্নাতক ১ম বৰ্ষ (কলা)

চকুলো তুমি মোৰ চিৰদিনৰ লগৰী।
এতিয়াও মোৰ সুখ-দুখৰ সমভাগী।
প্ৰতিটো পলকতে মাথো মই
তোমাৰ আপেক্ষাত থাকো।
যেতিয়া মই অকলশৰীয়া হওঁ,
নিশান্ত আকাশৰ তৰাবোৰক চাই,
তোমাৰ লগত কথা পাতো,
তেতিয়া মোৰ এই ভাগৰুৱা জীৱন
কিছু ম্লান পৰি যায়।
মোৰ জীৱনৰ বাটত
যেন প্ৰতিটো খোজতেই
এতিয়া মাথো তুমিয়েই লগৰী
তোমাৰ অবিহনে মই
এজন তৃষ্ণাতুৰ পথিক।
এটি অবৰুদ্ধ প্ৰেমৰ চানেকী তুমি
সেয়েহে চকুলো তুমি মোৰ চিৰদনৰ লগৰী।

# মনৰ গুঞ্জন

**শ্ৰী গীতাঞ্জলি ৰয়**
স্নাতক ২য় বৰ্ষ (কলা)

মন যাক দি পালো মই
সেয়া যে আছিল মাথো ভ্ৰম;
হিয়াখনি ভাগি হ'ল চুৰমাৰ
দুগালেৰে বৈ গ'ল অশ্ৰুধাৰ।
পাখি লগা মনৰ কত যে আছিল সপোন,
কত যে আছিল দায়িত্ব মোৰ।
প্ৰেমৰ মোহত পৰি
উৰিলো মৰীচিকা বিচাৰি,
উদ্দেশ্য বিহীন যাত্ৰাৰ নাছিল সামৰণি।
লাহে লাহে পৰিলো ভাগৰি,
পিয়াহত মোৰ ডিঙিও শুকায়
বুজিলো নাই ইয়াৰ অস্তিত্ব নিজৰ,
সত্যৰ পোহৰত ই হেৰাই যায়।
ঘুৰি চাওঁতে দেখিলো,
লক্ষ্য বহু দূৰত এৰি আহিলো,
যিয়ে মোক মাতিছে ৰিঙিয়াই
ভাবিলো উৰি যাওঁ বুলি
পিছে পাখিখনিহে কৰবাত পেলালো হেৰুৱাই।

# নিত্যতা

ৰাজীব খাখ্‌লাৰী

নিত্যতা যদি তোমাৰ
শেৱালীৰ দৰে
তেন্তে নিজাৰ পৰা
'তলসৰা'
ময়ো বুটলিম।

সুবাসবোৰ যদি
নিৰহঙ্কাৰ
নিঃস্বাৰ্থ
তেন্তে মালী মই
'চিৰদিন'
সেই ফুলনিৰ।

অনুণয় যদি তোমাৰ
পদুমৰ দৰে
'বিতোপন'
তেন্তে তুমি য'ত
'ফুলিবা'
তাৰেই বিস্তৃত কৰ্দম মই।

# যৱনিকা

নিবেদিতা চৌধুৰী
স্নাতক ২য় বৰ্ষ (কলা)

বিষণ্ণ মোৰ মনৰ অৱস্থা
হাৰ্ - ৰি - কে'ন জাকত,
শূণ্যতাত পৰিমিশ্ৰিত
ক্ষুণ্ণ কণিকা তিমিৰৰ।
তিক্ততা ভৰা ডায়েৰীৰ পাতবোৰে
তিল্‌তিল্‌কৈ গ্ৰাসিত,
ঢালি দিছে কালে
তীব্ৰ 'হলাহল'।
মুনিচুণি বেলিটিও
সঁচাই নাই 'জীৱন'ত।

# কিবা এটা কোৰানা!

**ড° মিনতি চৌধুৰী (ভূঞা)**
শিক্ষা বিভাগ

ইমান হঠাতেই তুমি গুছি গ'লা —
এটি পলকতে সকলো ঠানবান হৈ গ'ল।
কি হ'ল কি নহ'ল হৃদয়ঙ্গম কৰিব নৌপাওতেই
মানুহেই মানুহ লোকাৰণ্য হৈ পৰিল।

এতিয়া একেবাৰেই নিঃশব্দ
সকলো শূণ্য।
আঃ ইমান শূণ্যতা
বুকুখন ইমান অবাধ্য
কেনেকুৱা যেন কৰি থাকে —
ক'বলৈ মই নাজানো।

সচাঁকৈয়ে তোমাক দেখোন দেখাই নাই বহুত দিন
তোমাৰ মাতো শুনা নাই
ক'ত আছা তুমি —
আমাক বেয়া পালা?
তুমি থকা অজান দেশত
শান্তিত আছানে সোণটো?

তুমি নথকা দুখতকৈও
তুমি শান্তিত থকাটো
এতিয়া আমাৰ বাবে বহুত উৰ্দ্ধত সোণটো!
তোমাৰ সোঁৱৰণী এতিয়া বুকুত আছে
তাকে লৈ আজীৱন ......
ইমান নিষ্ঠুৰ সত্য —
মোক কিবা এটা কোৰানা বাবা!
(উছৰ্গা — দেৱব্ৰতলৈ)

# তেজ

**সঞ্জয় কলিতা**
স্নাতক তৃতীয় বৰ্ষ

পিয়াহত আকুল হোৱা
মোৰ ক্লান্ত হৃদয়খনৰ
তেজাল কাহিনীবোৰ
তুমি বাৰু কেতিয়াবা পঢ়িছানে?
তুমি বাৰু অন্ততঃ এবাৰ ভাবিছানে
মোৰ শৰীৰৰ প্ৰতিটো কোণে,
হৃদয়ৰ প্ৰতিটো কোঠালীয়ে,
আৰু উত্তাল গতিত ধাৱিত
শিৰা-উপশিৰাৰ
ৰক্তাভ তেজৰ কণিকাবোৰে
মাথো যে তোমাকেই বিছাৰিছে।
মই যে দেখুৱাবও নোৱাৰো
বুকুখন দুফাল কৰি .........
দুহাতৰ মুঠিতো কেৱল শূণ্যতা।
মই যে নিৰুপায়।
সেয়ে, কুহেলিকাময় জীৱনবাটত
ক্লান্ত, উদাস আৰু ভাৰাক্ৰান্ত
ভগ্ন হৃদয়মনেৰে ৰৈ আছো
মাথো .............................. মাথো
তোমাৰেই আজন্ম অপেক্ষাত ...........।
.........................................।

# নিঃসঙ্গতা

**সমৰ সৰকাৰ**
স্নাতক ২য় বৰ্ষ

নিঃসঙ্গতা ......... হৈছে আমাৰ
সকলোৰে পৰিচিত এটি শব্দ।
কিন্তু এই শব্দৰ মাজতো যেন
লুকাই আছে কত যে ৰহস্য!
এই ৰহস্যময় শব্দটোৱেই হৈ পৰে,
আমাৰ দৰে কিছুমানৰ সঙ্গী।

নিঃসঙ্গতাই অকলশৰীয়া মানুহক সঙ্গ দিয়ে,
স্মৃতিৰ ৰোমন্থনৰ মাধ্যমেৰে।
অতীতক কৰে সুন্দৰ-মধুৰ আৰু
অধিক আনন্দময়।
কিন্তু অতীতৰ স্মৃতিৰ আনন্দৰ মাজতো
আছে কত যে ৰহস্য।
অতীতত যেন আছে সকলো,
তথাপিও মোৰ অনুভৱ, কিবা যেন মই নাই পোৱা, কিবা
হেৰুওৱাৰ বেদনাই, আজিও মনত খুন্দিয়ায়,
স্মৃতিৰ আনন্দৰ মাজতো যেন কিবা ৰহস্যময়
শব্দ এটি আছে,
.... প্ৰেম ......।
তাৰ বাবেই হয়তো আজি মোৰ এই অনুভৱ
কিবা এক নিঃসঙ্গতা।

# কাজল

**বিষ্ণু ৰাভা**

যৌৱনৰ আন্তৰিক মৰমবোৰ
ৰাখিছো মই হিয়াতে,
ল'বানে সাবটি দুহাত মেলি
কোমল ফুলৰ মাজতে।
আনৰ হৈ নাযাবা তুমি
নোৱাৰিম থাকিব শান্তিৰে,
কামনা কৰিছো তোমাক পাবলৈ
জীৱনৰ নতুন বহু আশাৰে।
ভুল নুবুজিবা মোৰে সোণজনী
মিছা কথা কোৱা নাই,
তুমিয়েই মৰমৰ তুমিয়েই হৃদয়ত
আন কোনোৱেই নাই।
উজাগৰী ৰাতি তোমাকেই ভাবি
সময় যায় বাগৰি,
দিঠকে সপোনে তোমাকেই দেখো
কেনেকৈ যাম পাহৰি।
প্ৰেমেই যদি মানৱ জীবন
হ'বলৈ নিদিম পৰাজয়,
প্ৰতিশ্ৰুতি দিলো আনিম তোমাক
নকৰিবা আনলৈ ভয়।
বুকুৰ মৰম বুজি লোৱা
মোৰ প্ৰেম নহয় অভিনয়।

# স্মৃতি

**ড° গায়ত্ৰী দাস**
প্ৰবক্তা, গণিত বিভাগ

মোৰ জীৱনলৈ অহা
এজাক প্ৰচণ্ড ধুমুহাই
গাৰ কাপোৰবোৰ
উৰুৱাই লৈ গ'ল।
সেয়ে —
সমাজত আজি
লজ্জিতা।
চূৰ্ণ হ'ল মোৰ ৰঙীন স্বপ্ন।
হাঁহি - কান্দি পাৰ কৰি দিছো
মোৰ জীৱনৰ —
সোণালী দিনবোৰ
ইতিহাস হ'ল মোৰ
ডায়েৰীৰ পাতত
স্মৃতি মাথো ৰ'ল পৰি
মোৰ হৃদয়ত।
এয়েই হ'ব মোৰ
চিৰ লগৰী —
যুগ - যুগান্তৰৰ।

# নিথৰ মধুক্ষণ

শ্ৰী দৰ্শনা নাথ
স্নাতক দ্বিতীয় বৰ্ষ

মায়াই আকৌ এবাৰ ভালকৈ মনত কৰিলে। হয়, ঠিকেই আজি সম্পূৰ্ণ এবছৰ হ'ল নিবিড়ৰ লগত কথা নোকোৱাৰ। আজিৰ পৰা সম্পূৰ্ণ এবছৰ আগতে এইটো দিনতেই অৰ্থাৎ ৯ জানুৱাৰীৰ দিনাই নিবিড়ে তাইৰ ওচৰত প্ৰেমৰ প্ৰস্তাব দিছিল। সেইদিনাখন মায়াই নিজকে পৃথিবীৰ সকলোতকৈ সুখী ছোৱালী বুলি ভাবিছিল। কাৰণা তাই ভাবিছিল তাইৰ প্ৰেম হয়তো একপক্ষীয়। কিন্তু তাই লাহে লাহে গম পাব ধৰিলে যে বিনিড়েও তাইক ভালপায়। কাৰণ সি তাইৰ লগ বন্ধুৰ দৰে কথা নপতা হ'ল। আৰু মায়া — তাইও নিবিড়ৰ ওপৰত যেন অভিমান কৰিব পৰা হ'ল। সেয়ে হয়তো নিবিড়ে প্ৰেমৰ প্ৰস্তাব দিওঁতে তাইৰ খুব আনন্দ লাগিছিল। কিন্তু তথাপিও মায়াই নিবিড়ক যেন সহাঁৰি দিব পৰা নাছিল। কিবা এটাই যেন তাইক বাধা দি আছিল। সেয়ে মায়াই নিবিড়ৰ পৰা এদিনৰ সময় খুজিছিল। ৰাতিটো তাই নিবিড়ৰ কথাকে ভাবিছিল। তাই নিজকে প্ৰশ্ন কৰিছিল তাই জানো ভাল কাম কৰি আছে? তাই একো সিদ্ধান্ত লব পৰা নাছিল। অৱশেষত তাই কথাটো মাকক কোৱাৰ সিদ্ধান্ত ললে। পিছাদিনাখন ৰাতিপুৱাই তাই কথাটো থাকক কলে। তাই ভাবিছিল মাকে হয়তো তাইক গালি পাৰিব। কিন্তু তাই ভবাৰ দৰে মাকে তাইক গালি নাপাৰিলে। মাথো ক'লে — ''মায়া, তই এতিয়া সৰু ছোৱালী হৈ থকা নাই। ডাঙৰ হৈছ', সকলো কথা বুজা হৈছ'। যিকোনো কাম কৰাৰ আগতে ঘৰ খনৰ কথা এবাৰ ভাবি চাবি। তই পাহৰি নাযাবি যে তই এই ঘৰখনৰ সকলোতকৈ ডাঙৰ আৰু একমাত্ৰ ছোৱালী। দেউতাৰাৰ কথা সদায় মনত ৰাখিবি। তোক তেওঁ নিজত কৈও বেছি বিশ্বাস কৰে।'' — দেউতাকৰ কথা কোৱাৰ লগে লগে মায়াৰ দুচকু সেমেকি উঠিল। তাই জানে দেউতাকে বিমান কষ্ট কৰি সিহঁত ভাই-ভনী কেইটাক ডাঙৰ দীঘল কৰিলে। নাই-তাই অন্তত দেউতাকৰ লগত বিশ্বাসঘাটকতা কৰিব নোৱাৰে। তাই কলেজলৈ গৈ নিবিড়ক ভাল নাপাওঁ বুলি কৈ দিছিল একমাত্ৰ দেউতাকৰ বাবে। তাই ভাবিছিল নিবিড়ে হয়তো তাইক বুজিব আৰু মাতবোল কৰিব। কিন্তু সকলো বিপৰীতহে হ'ল। তাই ভবাৰ দৰে নিবিড়ে তাইক মাতবোল কৰাৰ সলনি তাইৰ ফালে একেবাৰে নোচোৱা হ'ল। প্ৰথমতে মায়াৰ দুখ লাগিছিল। কিন্তু লাহে লাহে তাইও নিবিড়ক নোচোৱা হ'ল। নিবিড়ক নাচালেও মায়াই তাইৰ হৃদয়ত তাৰ প্ৰতি থকা ভালপোৱা আলফুলে সাঁচি ৰাখিছিল। তাই ভাবিছিল হয়তো দিন যোৱাৰ লগে লগে নিবিড় তাইৰ লগত আকৌ আগৰ দৰে কথা বতৰা পাতিব। কিন্তু এনেকুৱা এটা দিনত যেতিয়া তাই মৃত্যুৰ সৈতে যুঁজি থাকিব লগা হৈছে তেনেকুৱা দিন এটাতো নিবিড়ে যে তাইৰ খবৰ নলব তাই সপোনতা ভবা নাছিল। হয়, প্ৰতিটো পলতে মায়াই এতিয়া মৃত্যুৰ সৈতে যুজিছে। সিহঁতৰ ঘৰৰ মানুহখিনিয়ে যিকোনো মুহূৰ্ততে বেয়া খবৰ এটা পাব পাৰে বুলি সাজু হৈয়ে আছে। কাৰণ মায়াৰ আৰু জীয়াই থাকাৰ কোনো আশা নাই। ডাক্তৰে কোৱা মতে তাইক হেনো বহুত দেৰিকৈ চিকিৎসাৰ বাবে অনা হ'ল। তাইৰ বেমাৰটোৱে তাইক প্ৰায়খাই পেলাইছে। প্ৰথমতে এইবোৰ কথা তাইক ঘৰৰ কোনেও কোৱা নাছিল। কিন্তু পিছত তাই গম পাইছিল তাইৰ 'ব্ৰেইন টিউমাৰ' হৈছে। অপাৰেছন কৰিলেও জীয়াই থকাৰ আশা ক্ষীণ। দেউতাকে বাহিৰলৈ নিবলৈ জোৰ কৰিছিল। কিন্তু মায়া নিজেই ইচ্ছা নকৰিলে। কাৰণ তাই জানে তাইক বাহিৰলৈ নিলে বহুত টকাৰ প্ৰয়োজন হ'ব আৰু ইমানবোৰ টকা যোগাৰ কৰাৰ সামৰ্থ্য তাইৰ দেউতাকৰ নাই। তাইৰ যদি জীয়াই থকাৰ কোনো আশা নাই তেতিয়াহ'লে বাহিৰলৈ যোৱাৰ অৰ্থ কি? তাই নিজকে সান্ত্বনা দিয়ে — ভগৱানে হয়তো তাইৰ জীৱনটো চুটি কৰিয়ে পঠিয়াইছে। এইবোৰ কথা ভাবি তাই এতিয়া নিজকে বৰ অসহায় যেন অনুভৱ কৰে। মাক-দেউতাক, নিবিড় আৰু তাইৰ বান্ধৱী হিয়াৰ কথা ভাবিলে মায়া কান্দোনত ভাগি পৰে। কাৰণ এওঁলোকক এৰি যাবলৈ তাইৰ যে অলপো মন নাই। কিন্তু তাইৰ এতিয়া অন্য উপায়ো নাই।

চহৰৰ নাছিংহোম এখনত বৰ্ত্তমান তাইক ৰখা হৈছে। যদিও ভাল হোৱাৰ আশা নাম তথাপি চিকিৎসা চলাই থকা হৈছে। নাছিংহোমৰে কেবিন এটাৰ বিছনাখনত মায়াই অলসভাবে শুই আছে। আজিকালি তাইৰ মূৰৰ বিষটোও যেন বেছি হ'বলৈ ধৰিছে। —"মায়া মায়া" - হিয়াৰ মাতত মায়াই চকু মেলি চালে। হিয়াই তাইক ধৰি বিছনাখনতে বহাই দি ক'লে — "মায়া, নিবিড় আহিছে তোমাৰ খবৰ লবলৈ।" "কি?" — মায়াই আচৰিত হৈ সুধিলে — "নিবিড় মোৰ খবৰ লবলৈ আহিছে? ক'ত আছে সি? তাক মই এবাৰ চাবখুজো হিয়া!" "ৰবা মই মাতি দিছো" — এই বুলি কৈ হিয়াই নিবিড়ক মাতি ৰুমটোৰ পৰা ওলাই গ'ল। নিবিড়ক দেখাৰ লগে লগে মায়াৰ দুচকু সেমেকি উঠিল। তাইৰ বুকুৰ ভিতৰত যেন দুখবোৰে ধুমুহাৰ গতিত বলিব ধৰিলে। আৰু নিবিড়ে - সিও তাইক কি বুলি সান্ত্বনা দিব ভাবি নাপালে। মায়াই উচুপি উচুপিয়েই নিবিড়ক ক'ব ধৰিলে — "মোক ক্ষমা কৰি দিয়া নিবিড়। মই তোমাৰ মনত বহুত কষ্ট দিছো। তোমাক ভাল পাইও স্বীকাৰ কৰা নাছিলো। কিন্তু কিয়? জানানে? মোৰ ঘৰখনৰ কাৰণে, মোৰ দেউতাৰ কাৰণে। কিন্তু এতিয়া মোৰ হাতত সময় অলপো নাই। পৃথিৱীৰ পৰা যোৱাৰ আগতে তোমাক সঁচা কথাটো কৈ যাওঁ নিবিড় — মই মাথো তোমাকেই ভাল পাওঁ। মাথো তোমাক। আৰু তোমাৰ, কেৱল তোমাৰ হৈয়ে মৰিব খুজো।" তাই আৰু একো ক'ব নোৱাৰিলে। তাইৰ উচুপনিবোৰ ক্ৰমাৎ বাঢ়ি যাব লৈ ধৰিলে। "নহয় মায়া, ক্ষমা মইহে খুজিব লাগে।" — এইবুলি নিবিড়েৰ মায়াৰ হাত এখনত ধৰি ক'লে — "এই এবছৰে তোমাৰ লগত কথা নাপাতি মই তোমাৰ মনত খুব কষ্ট দিছো। কিন্তু মোৰ আন উপায় নাছিল। যাক মই নিজৰ জীৱনতকৈও বেছি ভাল পাওঁ তেওঁৱেই মোক ভাল নাপাওঁ বুলি কোৱা বাবে মই ভাগি পৰিছিলো। তোমাৰ লগত কথা নাপাতি মই যেন তোমাৰ ওপৰত প্ৰতিশোধ ল'ব বিচাৰিছিলো। তোমাক দেখিলেই মোৰ নিজকে শেষ কৰি দিম যেন লাগিছিল। সেয়েহে মই ...।" — পিছলৈ নিবিড়ৰ মাতটো লাহেকৈ ওলাল। সি কোনো মতে নিজৰ চকু পানীখিনি ধৰি ৰাখিলে। অলপ পিছত দুয়ো শান্ত হৈ পৰিল। কোনেও একো ক'ব নোৱাৰিলে। মনৰ ভিতৰত থকা কথাবোৰ দুয়ো কেৱল অনুভৱহে কৰিলে। কিছুসময় থকাৰ পিছত নিবিড় যাবলৈ ওলাল।

গোটেই পথছোৱা নিবিড়ে কেৱল মায়াৰ কথা ভাবি ভাবিয়েই ঘৰ পালে। তাই কোৱা "মই কেৱল তোমাৰ হৈয়ে মৰিব খুজো"— এই কথাষাৰে নিবিড়ক বৰকৈ আমনি কৰিলে। তাইৰ চকুযুৰিও যেন তাক একেষাৰ কথাকে কৈ আছিল। নিবিড়ে ভাবিলে সি কিবা এটা কৰিবই লাগিব। মৃত্যুৰ আগমুহূৰ্ত্তত মায়াক সুখ দিবৰ বাবে তাৰ হৃদয়ে হাহাকাৰ কৰি উঠিল। এনেতে তাৰ মোবাইল ফোনটো বাজি উঠিল। হিয়াৰ ফোন। ফোন ৰিছিভ কৰি নিবিড় স্তব্ধ হৈ ৰ'ল। মায়াৰ অসুখ বেছি হৈছে। সি কৰিম বুলি ভবা কামটো কৰিবৰ বাবে প্ৰায় দৌৰি দৌৰিয়েই নাছিংহোম পালে। তাত গৈ সি দেখিলে মায়াৰ দেউতাক কান্দোনত ভাগি পৰিছে এফালে আৰু আনফালে হিয়া আৰু মায়াৰ বাকী বন্ধু-বান্ধৱীবোৰ উচুপি আছে। সি গৈ মায়াৰ ওচৰ পালে। তাইৰ উলাহ-নিশাহবোৰ লাহে লাহে কমি আহিব ধৰিছে। নাই নিবিড়ে আৰু চাব নোৱাৰিলে। মায়াৰ হাত এখন ধৰি উচুপি উঠিল। সি আহোতে দোকানৰ পৰা লৈ অহা সেন্দূৰৰ টোমাটোৰ পৰা অলপ সেন্দূৰ লৈ মায়াৰ সিৰত আঁকি দিলে। তাৰ এই কাম দেখি সকলো অবাক দৃষ্টিৰে তালৈ চালে। কিন্তু নিবিড়ে একো ভ্ৰূক্ষেপ নকৰিলে। তাৰ কান্দোনখিনি জোৰকৈ ওলাব ধৰিলে। আৰু মায়া ... তাই যেন পৃথিৱীৰ সকলো সুখ আনন্দ লাভ কৰিলে মৃত্যুৰ আগ মুহূৰ্তত! মায়াই লাহেকৈ চকু দুটা মুদি দিলে আৰু এই পৃথিৱীৰ পৰা বিদায় মাগিলে। মায়াৰ নিথৰ দেহটোৰ ফালে চাই নিবিড়ে ভাবিলে 'মায়া তুমি কেৱল মোৰ আৰু মই, তোমাৰ মাথো তোমাৰ।"

# নৈতিক

সোণালী ৰাভা
স্নাতক প্ৰথম বৰ্ষ

শোৱাৰ পৰা উঠিয়েই আগফালৰ চোতালত নিঁয়ৰ সনা শীতৰ দুৱৰিত উদং ভৰিৰে খোজ দিবলৈ গৈ প্ৰথমতেই মোৰ চকু পাৰে আলি বাটত। অৰ্থাৎ জাকে জাকে গৈ থকা ডেকা - গাভৰুৰ জাকবোৰৰ ওপৰত।

কোনোবা খোজ কাঢ়ি, কোনোবা মটৰ চাইকেল,স্কুটাৰেৰে, কোনোবা গাড়ীৰে অহা আহিছে আৰু যোৱা গৈছে। কাৰোবাৰ সাজপাৰ বিয়া, জন্ম দিনলৈ যোৱাৰ দৰে, কাৰোবাৰ পোছাকত মধ্য বিত্তৰ চানেকি আৰু কাৰোবাৰ পোছাকত দৰিদ্ৰতাৰ হাঁহাকাৰ। কেইজনীমান ছোৱালী প্ৰায়েই দেখো সিহঁতৰ ৰুচি সম্পন্ন সাজ,গহীন খোজ। ভাল লাগে দেখি। আকৌ কেইজনীমান ল'ৰাৰ দৰে চুটিকৈ চুলিকটা ছোৱালীও যায়।

মুঠতে পুৱাতে যোৱা ডেকা-গাভৰুৰজাকবোৰ ঘৰুৱা শিক্ষকৰ ঘৰত পাঠদান ল'বলৈ যায়।

আজিকালি আগৰ দিনৰ দৰে পঢ়াশালিৰ শিক্ষাৰে পৰীক্ষালৈ প্ৰস্তুত হোৱা দিন নাই।

আগতে বিয়াৰ ক্ষেত্ৰত ছোৱালীৰ আভিভাৱকে দৰাৰ বিষয়ে সোধ পোছ কৰাতোৱেই আছিল প্ৰধান আৰু প্ৰথম প্ৰশ্নটো আছিল-শিক্ষকতা কৰে নে আন চাকৰি কৰে। কাৰণ লাহ বিলাসত ডাঙৰ দীঘল হোৱা চৌখিন ছোৱালীয়ে শিক্ষকৰ পত্নী হ'বলৈ নিবিচাৰে। তেওঁবিলাকৰ আন চাকৰিৰ দৰে বাহিৰা পইচা নাই। আজিকালি অৱশ্যে শিক্ষক সকলৰো আন চাকৰিয়ালৰ দৰেই ঘৰুৱা পাঠদানৰ পৰা বাহিৰা পইচা আহে। চহকীসকলৰ ল'ৰা- ছোৱালীয়ে প্ৰতিটো বিষয়তে ঘৰুৱা শিক্ষকৰ ওচৰত পইচা দি প্ৰতিটো বিষয়তে পাঠদান লয়। মধ্যবিত্তসকলে একেবাৰে বলে নোৱাৰা বিষয়টোতহে লয়। লাগিলে আধাপেটিয়াকৈয়েই খাব। দৰিদ্ৰ তৃতীয় শ্ৰেণীটোৱে পইচাৰ অভাৱতে অনিচ্ছাকৃত ভাৱেই পঢ়া - শুনাত ইতিৰ ৰেখা টানিব লগা হয়।

শিক্ষাগুৰু বুলি কলে সকলো শিক্ষকেই সমান নহয়। সংখ্যাত আগৰ দিনৰ তুলনাত কম হলেও আজিৰ দিনতো আদৰ্শ শিক্ষাগুৰু আছে। যি ছাত্ৰ-ছাত্ৰীৰ মঙ্গল কামনা কৰে। ছাত্ৰ-ছাত্ৰীৰ মেধাৱী হোৱা, আদৰ্শবান হোৱা,ভবিষ্যতৰ সমাজখনত সু - নাগৰিক হোবাটো বিচাৰে।

ইমানবোৰ কথাৰ মূলতে এটা কথা আছে। এই কথা আকাশীয়ে কোনো দিনেই পাহৰি যাব নোৱাৰিব। পুৱাৰ দুৱাৰ খুলি ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবলৈ যোৱা দৃশ্যটো দেখি প্ৰতিদিনেই জীগৰ নামৰ ল'ৰাটোৰ কথাবোৰে বুকুত খুন্দিয়াই যায়। এটা অকনমানি, মেধাবী,সৰল সহজ সপ্তম মানত পঢ়া ল'ৰা। জীগৰ আৰু তাৰ লগৰ আটাইবোৰে ছান্দাম শিক্ষকৰ ঘৰত অংক শিকে। এদিন সি মাক - দেউতাকক মান্তি কৰাই ছান্দাম শিক্ষকৰ ঘৰলৈ গ'ল। আৰু তাৰ মনৰ কথা শিক্ষকক জনালে। শিক্ষক ছান্দাম চাৰে সুধিলে ——

মাহত আঠ দিনকৈ এশ টকা দিব পাৰিবি জানো ? পাৰিম। মায়ে কাপোৰ বয় নহয়। বেচি পেলাই পইচা দিব বোলে।পাৰিবি যদি বৃহস্পতিবাৰে আহিবি বাৰু। জীগৰে যি আছে তাকে ধুই ধাই পৰিস্কাৰ সাজ পাৰ পিন্ধি বৃহস্পতিবাৰে ছান্দাম শিক্ষকৰ ঘৰ ওলাল গৈ। শিক্ষকে ক'লে — আজি জন্মদিন এটা খাবলৈ যাওঁ, অহা সোমবাৰে আহিবি।

আকৌ সোমবাৰে যোৱাত ক'লে — তোক অকলে পঢ়ালে মোৰ কি লাভ হ'ব? তাতকৈ তই তোৰ লগত আৰু পোন্ধৰটা ল'ৰা লৈ আহিবি। তাতিয়া এক তাৰিখৰ পৰা পঢ়াম।

এক তাৰিখে জীগৰে লগত লৰা লৈ হাঁহি মাৰি চাৰৰ ঘৰলৈ গ'ল। সকলোৱে বহী,কলম লৈ এফালৰ পৰা বহি গ'ল। জীগৰ বহিবলৈ ধৰোতেই ছান্দাম চাৰে কলে — এই,এই তই নবহিবি; তোক নপঢ়াওঁ। শান্তনু নামৰ স্পষ্টবাদী ল'ৰাটোৱে মাত মাতিলে — তাক যদি নপঢ়াই ইমান দিনে ঘূৰালে কিয় ? জীগৰে অবাক হৈ শিক্ষক নামৰ পবিত্ৰ চাকৰি এটা কৰা ছান্দাম চাৰৰ চকুলৈ চাই থাকিল।

ছান্দামে ক'লে — অকলে আহোঁতে

লাজ দিলে লাজ নাপাব নহয়। সেয়ে তইঁতৰ আগত লাজ দিলো। সেই দিন লাজ,অপমান দুখ আৰু ক্ষোভত চকুলো টুকি ওলাই অহা জীগৰৰ লগতে গোটেই ল'ৰাবোৰ বাহিৰলৈ ওলাই আহিছিল। বাকী ল'ৰাবোৰক পিছত চাৰে লগ ধৰি কৈছিল —"মোৰ তাতে নপঢ়িলে তইঁত কেইটাক অংকত ফেল কৰাই দিম।"

'ভয়তে সিহঁতে পঢ়িলে। আৰু বন্ধুক নপঢ়াও বুলি কোৱা সাৰ্থৰৰ উত্তৰ বিচাৰি পালে।

জীগৰৰ ঘৰৰ কাষৰ ৰহিলা নামৰ ছান্দাম চাৰৰ ভতিজাক এজনীয়ে জীগৰক হেনো অংকৰ অগাধ পণ্ডিত বিমল বৰা চাৰৰ ঘৰৰ আগত দেখিছিল। আৰু হেনো ৰহিলাই কৈছিল —বিমল চাৰৰ তাত চিট নাপায়হে জীগৰে ছান্দাম চাৰৰ তালৈ আহিছে।

মাঘমহীয়া হাফ পেন্টত কাঠ আলু, পকাকল কোমোৰা দাৰ ঘাপ খাই চনকি ফাটি যোৱাৰ দৰে আজিও জীগৰ নামৰ সেই লৰাটোৰ কথা মনত পৰিলে চনকৈকে বুকুখন বিষাই উঠে —— আকাশীৰ। সি যে কিমান নিৰ্দোষী ওপৰৰ জনেহে জানে। অথচ সেই জন ছান্দাম চাৰক দেখিলে আজিও সি দুচকীয়া যানৰ পৰা নামি শিক্ষকক সন্মান জনায়। সকলো শিক্ষক এনে নহ'লেও শতকৰা এজন বা হাজাৰত এজন হ'লেও ছান্দামৰ দৰে ক্ষুদ্ৰ স্বাৰ্থৰ শিক্ষক থাকে। আন্ধাৰ নিশা নোহোৱা হ'লৈ পৃথিৱীত জোনাকৰো মূল্য নাথাকিলহেতেন।

# কৌতুক

সঞ্জয় কলিতা
স্নাতক ৩য় বৰ্ষ

পুতেক সোনে দেউতাকক সুধিলে—'দেউতা, মই আপোনাক এটা কথা সুধিব লাগিছিল।'

ঃ কি কথা?

ঃ এটা বৰ ডাঙৰ কথা।

ঃ কি কথা কচোন।

ঃ বিশেষ একো কথা নহয়। কেৱল এটা প্ৰশ্ন।

ঃ কি প্ৰশ্ন?

ঃ দেউতা বান্দৰৰ পৰাই মানুহৰ সৃষ্টি হোৱা নাছিল জানো?

ঃ হৈছিল।

ঃ এতিয়াও তো বহু বান্দৰ আছে। সেইবোৰ মানুহ হোৱা নাই কিয়?

ঃ কাৰণ এতিয়া মানুহ বোৰেই বান্দৰ হৈ আছে।

# ত্যাগ

বৰ্ণালী ৰাভা

এসময়ত এনে এটা দিন আছিল, শেৱালী ফুল ডলিছা, নৈৰ পাৰৰ কঁহুৱা, গছৰ ডাল পাতে হালে জালে। আহিন মাহ, পুৱা দুবৰি বনত কুঁৱলি পৰিলে তাত ভৰি দি অনুপমা ফুৰিব ওলায়। কিন্তু— আজি-কালি পাহৰিয়ে গৈছে অনুপমা ফুৰিবলৈ। আগতকৈ কামৰ ব্যস্ততাত অনুপ্ৰেৰণাৰ উৎস অনুপমাৰ। ঘৰুৱা কামৰ পৰা আদি কৰি অনুপমাই বেংকৰ এজেঞ্চিত কাম কৰিবলৈ লয়। তাইৰ মনত সংগোপনে পুহি ৰখা আশা এটা প্ৰায় পূৰণ হোৱা বুলি ভাবে অনুপমাই এজেঞ্চিটো কৰি। অনুপমাৰ দেউতাক ঢুকোৱা আজি দুবছৰ মান হ'ল। অনুপমাৰ দেউতাকে আগতে চৰকাৰী চাকৰি কৰিছিল বাবে মাকে পেন্সন পায়। সেই পেন্সনৰ টকাকেইটাৰে ভনীয়েক নিৰুপমা আৰু পুলিৰ পঢ়ুওৱাৰ উপৰিও মাকে বৰ কষ্টৰে ঘৰখন চলায়। দেউতাক ঢুকোৱাৰ বছৰেই অনুপমাই বি. এ পাছ কৰিলে। তাৰ পিছৰ পৰাই আৰম্ভ কৰিলে জীৱনৰ ইন্টাৰভিউ। অনুপমাই চাকৰিৰ বাবে হিচাপ কৰিব নোৱাৰাকৈ পৰীক্ষাত বহিল, দেউতাক ঢুকোৱাৰ পিছৰ পৰাই। তথাপি তাই চাকৰি আৰু নাপালে। সেয়ে অনুপমাই এজেঞ্চিত কাম কৰিলে। এতিয়া তাইৰ ওপৰতে গোটেই ঘৰখনৰ সপোন। অনুপমাই এতিয়া ভনীয়েক নিৰুপমাহঁতে বিচৰা সকলোবোৰ বস্তু দিব পাৰে। মাকে দিবলৈ মানা কৰে যদিও অনুপমাই দিয়ে। আচলতে অনুপমাই ভনীয়েকক দুখ দিব নিবিচাৰে। দেউতাকৰ অভাব অনুভৱ কৰিবলৈ দিব নোখোজে। তাই ভালদৰে বুজি পায় যে ঘৰৰ পৰা মৰম, চেনেহ, টকা-পইচাৰ অভাৱ, ভনীয়েক নিৰুপমাহঁতৰ মনত কিমান, কেনেকৈ আঘাত হানে। অনুপমা মৰমৰ ভনীয়েকৰ বাবে তাই যিকোনো ত্যাগ কৰিব পাৰিব।

তেতিয়া পুৱাৰ সময় ৰেডিঅত গীতিমালিকা দি আছে। গীতটি—'বাবুকে ডুবায়ে লেকে জা...জা তুজিকো ছুখি চংছাৰ মিলে...।' অনুপমা অফিচলৈ যাব ওলাইছে — গীতটি শুনি শুনি। মাক ভাত ৰন্ধাত ব্যস্ত। দাপোনৰ সন্মুখত বহি গীতটি শুনি অনুপমাৰ অজানিতে মনটো সেমেকি উঠিল। তাই ভাবিলে — তাইকো এদিন উলিয়াই দিব এইখন ঘৰৰ পৰা আন এখন অচিনাকি ঘৰলৈ। কেনেকৈ যাব বাৰু ঘৰৰ সকলোকে এৰি। তাইৰ নীৰবে চকুৰ পৰা চকুলো বাগৰি আহিল। আৰু ভাবিলে মই বিচৰা মানুহজন জানো হ'ব মোক বুজিব পৰা, দুখ-সুখত সমভাগী হোৱা। এখন বহল অন্তৰৰ পুৰুষ। এনেতে—ক্ৰিং - ক্ৰিং - ক্ৰিং টেলিফোনটো বাজি উঠিল। তাই চকুলো মোহাৰি উঠি গৈ ফোনটো ধৰিলেঃ হেল্ল, হেল্ল হয় মই অনুপমাই কৈছোঁ। অনুপমা আচৰিত হৈ সুধিলে আপুনি। আজি কেনেকৈ মনত পৰিল বাৰু? কিমান দিনে দিছো মই আপোনাক ফোন নম্বৰটো বহুত দিনৰ মূৰতহে ফোন কৰিলা যে?

দিলীপ — নাই মানে, মই অলপ কামৰ ব্যস্ততাত আছিলোঁ। কৰোঁ কৰোঁ বুলি ভাবিয়ে আছিলো কিন্তু সময় নোপোৱাৰ বাবে কৰিব পৰা নাছিলো। কিন্তু এতিয়া মই একেবাৰে ফ্ৰি। অনুপমা, সুধিলে বাৰু আপুনি এতিয়া ক'ত?

দিলীপ — যোৱাকালিহে মই এমাহৰ বাবে ছুটিলৈ আহিলো। বাৰু এতিয়া তোমাক লগ কৰিব পাৰিনে অনুপমা? নিশ্চয় ... কিয় নোৱাৰিব যেতিয়াই আপোনাৰ ইচ্ছা তেতিয়াই আহিব পাৰে আমাৰ ঘৰলৈ—বুলি কথা পাতি ফোন ৰাখিল।

মাকে লাহেকৈ সুধিলে অনুপমা, কোন আছিল বাৰু?

অনুপমা — মা এইজন মোৰ এজন বাটৰুৱা চিনাকি। মই যে যোৱা বাৰ গুৱাহাটীলৈ গৈছিলো তাতে চিনাকি হোৱা, বাছখনত। মানুহজন বেংকত কাম কৰে। ঘৰ বকোত। মা মানুহজন বৰ ভাল। মই যেতিয়াই যাওঁ গুৱাহাটীলৈ তেতিয়াই মোৰ খা-খবৰ লয়। বাৰু, মাকে ক'লে, অনুপমা তোমাৰ অফিচলৈ দেৰি হোৱা নাই নে? অনুপমা অফিচলৈ গ'ল। অফিচত অনুপমাৰ একেবাৰে মন বহা নাই। কিয় জানো বাৰে বাৰে দিলীপৰ কথাই মনলৈ আহি আছে। তেওঁক লগ পোৱা দিন ধৰি মনতে ধাৰণা কৰিছিল দিলীপে সেই পুৰুষ।

এনেকৈ দুই, তিনি, চাৰি দিনৰ পাছে পাছে দিলীপে অনুপমাক ফোন কৰে। কেতিয়াবা অনুপমা নথকা সময়তো মাকৰ লগত মাত-কথা হয় ফোনত। মাকে এদিন দিলীপক ঘৰলৈ অহাৰ আমন্ত্ৰণ জনালে। দিলীপ অহাৰ সুবিধা আৰু মাকৰ আমন্ত্ৰণৰ সন্মান ৰাখিবলৈও আহিল। আহি দিলীপ সকলোৰে লগত চিনাকি হোৱাৰ লগতে আপোন কৰি তুলিলে সকলোকে। কাৰণ দিলীপে অনুপমাক মনে মনে ভাল পাই পেলাইছে। দিলীপৰ ঘৰত জনাইছে অনুপমাৰ কথা। ইপিনে অনুপমাইও দিলীপক বহুত ভাল পায় কিন্তু—ঘৰৰ পৰিস্থিতি চাই অনুপমা কাকো ক'ব পৰা নাই। মনৰ মৰম, মনৰ ভাষা মনতে বান্ধে, মনতে সজাইছে দিলীপৰ নামত তাজমহল। আৰু যে কত আশা, মৰমৰ ভাষা, হৃদয় ভৰা আকুলতা। মৰম, তেওঁক দিব বিচাৰে হিয়া উজাৰি দেহৰ উত্তাপেৰে। খাওঁতে-শুৱতে বহোতে-উঠতে কেৱল দিলীপৰে নাম অনুপমাৰ কমল দুপাৰি ওঠত। অনুপমাৰ বাবে দিলীপে জীৱনৰ লগৰী। তাই যে কেতিয়াবাই মনত কামনা কৰিছিল। তাইক বুজিব পৰা, দুখ-সুখত সমভাগি হ'ব পৰা, বহল অন্তৰৰ মানুহজন। কিমান যে উপাসনা কৰে অনুপমাই তাৰ কোনো সীমা নাই কোনেও বুজিব নোৱাৰাকৈ...।

অনুপমাই ভাবে দিলীপে যদি তাইৰ জীৱনৰ মানুহজন হ'ব নোৱাৰে আৰু তাই কাৰো লগতেই বিয়া নহয়। এনেকৈ কটাবগৈ জীৱন। কি হব? যদি কেতিয়াবা অজানিতে দিলীপ অনুপমাৰ হৃদয়ৰ পৰা হেৰায় বা আঁতৰি যায়? পাৰিব জানো তাই জীয়াই থাকিব। এই কথা ভাবি ভাবি অনুপমাৰ মন অস্থিৰ।

এদিন অনুপমা অফিচৰ পৰা আহি ভাত খাওঁতে মাকে সুধিলে; অনুপমা, তুমি কি ভাবিছা? অনুপমা কোনটো মা? দিলীপৰ কথা। অনুপমা — অ সি মোৰ ভাল বন্ধুহে। মাকে কলে — মই জানো অনুপমা তই তেওঁক কিমান ভাল পোৱা তুমি আমাৰ কথা চিন্তা কৰি লুকুৱাব বিচাৰিছা তোমাৰ ভৱিষ্যত। মাকৰ কথা শুনি অনুপমা লাজতে ক'লে মা— মই নেথাকিলে আপোনাক কোনে চাব? আকৌ মাকে মুখ মেলাৰ আগতে অনুপমা ভাতৰ পৰা উঠি ৰুমলৈ লৰা-লৰিকৈ গুচি গ'ল। দেখিলে ৰুমটোত ভমীৰ পালেঙত কাপোৰ কানিবোৰ আউল বাউলহৈ পৰি আছে। অনুপমাক গালি বকনি কৰি কাপোৰবোৰ ঠিক কৰোতে দেখিলে এখন ডায়েৰী। অনুপমা ডায়েৰীখনত মন কৰা নাই। তুলি থব বিচৰাত দিলীপৰ ফোটো এখন ওলাই পৰিল মজিয়াত। অনুপমা আচৰিত হৈ ডায়েৰীটো মেলি চালে। আৰু পঢ়ো-নপঢ়োকৈ ডায়েৰীৰ পাতটো পঢ়ি পেলালে—

দিলীপদা কিদৰে মই আপোনাক কম? যে মই আপোনাৰ প্ৰেমত বলিয়া। সঁচাই আপুনি বৰ মৰমিয়াল। চকুৰ কি যে চাৱঁনি, প্ৰথম দেখাৰ দিনৰে পৰাই মই আপোনাৰ প্ৰেমত পৰিছোঁ। আপোনাৰ চকুযুৰিয়ে মোক সকলো সময়তে আমনি কৰে। আপোনাৰ ভাষায় মোক পল পলকৈ অস্থিৰ কৰে। কেনেকৈ যে কম মই আপোনাক ভাল পাওঁ বুলি। মোৰ অন্তৰত আপোনাৰ বাহিৰে অন্য কোনোই ঠাই লব নোৱাৰে। মোৰ এই মৰম, ভালপোৱা কেৱল আপোনাৰ বাবে। কেৱল আপোনাৰ বাবে দিলীপদা।

অনুপমা — এক মুহূৰ্তৰ বাবে শ্বাস-প্ৰশ্বাস নোহোৱা যেন হৈ গ'ল। হাতৰ পৰা ডায়েৰীখন মজিয়াত সৰি পৰিল। সমস্ত আকাশখন যেন তাইৰ মূৰৰ ওপৰত খহি পৰিল, তেনে লাগিল। অনুভৱ কৰিলে তাই যে তাইৰ প্ৰাণে আজি ক'ৰবাত হেৰাব বিচাৰিছে।

কি হ'ল আজি তাইৰ। প্ৰাণভৰি ভালপোৱা মৰমৰ ভনীয়েকেই আজি তাইক দিব বিচাৰিছে পাপৰ শালত। যাক তাই পাব বিচাৰিছিল জীৱনৰ লগৰি হিচাবে আজি নিৰুপমা নিজৰ প্ৰাণতকৈও বেছি ভাল পায়। অনুপমাৰ এক মুহূৰ্ততে সকলো সপোন চূৰ্ণ-বিচূৰ্ণ হৈ ভাঙি গ'ল। সপোনৰ তাজমহল আধৰুৱা হৈ ৰ'ল। কাঢ়ি ল'লে নিৰুপমা, অনুপমাৰ জীয়াই থকাৰ প্ৰেৰণা, আশা, কল্পনা আৰু বিশ্বাস। কেতিয়াবা যে এনেকুৱা এটা দিন আহিব তাই কেতিয়াও ভবা নাছিল। আৰু হঠাৎ বৰষুণ দি পাৰ ভঙাদি ভাঙি পৰিল অনুপমা। হুক হুকাই কান্দিব ধৰিলে। দুচকুৰ চকুলো উপচাই নিলে ভঙা কাৰেংঘৰ। হঠাৎ মাকৰ মাত শুনি অনুপমা চকুলো মোহাৰি ল'লে। আৰু ধাৰণা কৰিলে যে নিৰুপমাক দিলীপৰ লগত বিয়া দি গোটেই জীৱন চিৰ কুমাৰী হৈ জীয়াই থাকিব। কাৰণ, অতিকৈ ভালপোৱাৰ মাজত ত্যাগ নামৰ শব্দটোৰে প্ৰিয়।

# বাইক

শ্ৰী ধীৰাজ নাথ
উ.মা. ২য় বৰ্ষ (কলা)

আজি অংকুৰৰ মনটো ৰাতিপুৱাৰে পৰা খুব ভাল লাগি আছে। কাৰণ তাৰ দেউতাকে আজি এখন তাৰ কাৰণে বাইক কিনিবলৈ গৈছে। অংকুৰৰ দেউতাক কোনোবা অফিচত কেৰাণীৰ চাকৰি কৰে। বাহিৰা টকা পইচা বহুত পায়। ইমানদিনে সি চাইকেলেৰে কলেজলৈ অহা যোৱা কৰি আছিল। এতিয়া চাইকেল লৈ কলেজলৈ যাবলৈ তাৰ লাজ লাগে। কাৰণ তাৰ প্ৰায়ভাগ বন্ধুৰে ভালেই হওঁক বা বেয়াই হওঁক মুঠৰ ওপৰত এখনকৈ বাইক আছে। সিদিনা অঞ্জনে তাক বহুত ল'ৰা ছোৱালীৰ আগত ঠাট্টা কৰিলে। সি ক'লে, "তোৰ দেউতা অফিচত চাকৰি কৰে। অথচ তোৰ ওচৰত এখন পুৰণা মডেলৰো বাইক নাই।প্ৰণৱলৈ চোৱা, তাৰ দেউতাক এজন সাধাৰণ গেলামাল দোকানী। কিন্তু তেওঁ প্ৰণৱক 'LML FREEDOM' কিনি দিছে।"

সিদিনা ৰাতি সি মাকক এখন বাইকৰ কথা ক'লে। নহ'লে সি ভাত নাখায় বুলি ক'লে। মাকে দেউতাকক কথাটো কোৱাত তেওঁ প্ৰথমে নিদিওঁ বুলি ক'লে। কাৰণ তাৰ এতিয়াই বাইক কিনি দিলে সি পঢ়াশুনাৰ প্ৰতি পিঠি দিব। কিন্তু অংকুৰ আৰু মাকৰ প্ৰচন্ড হেঁচাত এখন বাইক কিনাৰ সংকল্প ল'লে। সিহঁতে পিছত আলোচনা কৰি 'Bajaj Discover' কিনাৰ সিদ্ধান্ত ল'লে।

ৰাতি পুৱাই বাইক কিনিবলৈ গৈ সন্ধিয়াহে ঘূৰি আহিল। লগে লগে সি বাইক খন লৈ সিহঁতে আড্ডা মৰা ঠাই টুকুৰালৈ ঢাপলি মেলিলে। কিন্তু এয়া কি! আধামানতে তাৰ বাইকখন এখন ঠেলাগাড়ীলৈ ৰূপান্তৰিত হ'ল। সি চিঞৰি উঠিল।

: ঐ দাদা, সপোনত কি বেৰবেৰাই আছ? উঠ, চাৰে সাতটা বাজিল।

ভনীয়েক অংকিতাৰ মাতত সি সাৰ লই গ'ল। লগে লগে চকু দুটা মোহাৰি মোহাৰি দমকলৰ পাৰলৈ গ'ল।

# বিষাদৰে ভৰা চিঠি এখন

প্ৰণিতা ৰাভা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

হঠাৎ পালো চিঠি এখন। বছৰৰ প্ৰথম মাহ — ভাবিলো কোনোবাই মোলৈ কাৰ্ড পঠিয়াইছে। নৱবৰ্ষৰ শুভেচ্ছা যাচিছে। অকণো পলম নকৰি খুলি দেখিলো যে দীপ দাৰ চিঠি। মই কিন্তু, আচৰিত নহ'লো। চিঠিখনৰ পাতত লিখা আছিল —

মৰমৰ ভনী বৰ্ণা, তোমাৰ ভাল বুলি আশা কৰোঁ। মই কি জনাম কাবেৰীৰ অবিহনে আছো জীয়াই। মোক প্ৰেৰণা দিয়া সেই কাবেৰী আজি আৰু মোৰ হৈ থকা নাই। তাই আনৰ ঘৰৰ আগ দুৱাৰৰ তুলসী। বৰ্ণা মই তোমাকে ক'ব বিচাৰিলোঁ মোৰ এই ভগা হৃদয়ৰ কথাবোৰ। পঢ়িবা এই বিষাদেৰে ভৰা পত্ৰ মোৰ। আজি বৰ অকলশৰীয়া হৈ পৰিলোঁ অ ....... ভনী বৰ্ণা। ভৰা নাছিলো এদিন দিনৰ পোহৰে মোক তিল তিলকৈ গ্ৰাস কৰিব আৰু এটা সময়ত হৈ পৰিব নিশা। নিশাৰ এন্ধাৰে আজি মোক কি দৰে জীয়াই থাকিব লাগে শিকালে। সঁচাই বৰ্ণা মোৰ একোৱে ভাল নলগা হৈ পৰিছে। মাত্ৰ মিচিকিয়াই হাঁহি থকা, মন মোহিত কৰিব পৰা ওৱাইনচৰ বটল আৰু এটা গ্লাছ, য'ত মানুহে মদ ঢালি এটা উদাসীন হাঁহিৰে গ্লাছটো ওঁঠত লগাই তাত থকা ৰসাল মদক পান কৰে। জানানে, কিমান মধুৰ এটা গ্লাছ আৰু এযোৰ ওঠৰ প্ৰেম? কাবেৰীৰ দৰে গ্লাছৰ প্ৰেম মোৰ ওঁঠত মিছা হ'ব নোৱাৰে। আৰু মিছা হ'ব নোৱাৰে গ্লাছটোত স্পষ্টকৈ ভাহি উঠা এখিলা বিদ্ৰুপৰ হাঁহি। ক'ৰলৈ ধৰে মোক তুমি আৰু আঘাত নোপোৱা। তোমালৈয়ে ইমান দিন বাট চাই আছিলো মই। আহা আহা কাষলৈ আহা মোৰ নিচাত বিলীন হৈ সকলো দুখ-সুখ পাহৰি যোৱা। ইপিনে পকেটত চিগাৰেটটোৱে মাত লগায়, এটা সময়ত মোক ঘৃণা কৰিছিলা, দলিয়াই পেলাইছিলা গছকি ভাঙি দিছিলা। মোৰ বেয়া গুণ গাইছিলা। এতিয়া মই তোমাৰ মৰমৰ পকেটত উলিওৱা ....., উলিওৱা মোক তোমাৰ কোমল দুপাহি ওঁঠত সজোৱা। মই তোমাৰ ওঁঠৰ পৰশ পাই জ্বলি জ্বলি টোঁৱাহৈ বিলীন হ'ব বিচাৰোঁ তোমাৰ দেহত। পাহৰাব বিচাৰো তোমাৰ সেই ........ প্ৰেমৰ অনুভূতিক। য'ত কোনো সুখ নাই। প্ৰেম কি? ইয়াৰ উৎস ক'ত? ইয়াক পাৰি জানো সংজ্ঞা দিব? তুমি যে খাওঁতে শোওঁতে উঠোঁতে-বহোতে সদায় কৰি থকা মনত। বিচাৰি ফুৰিছা নিঃশব্দে ইয়াৰ শব্দ, বৰ্ণ আৰু ৰূপ? পাৰেনে প্ৰেমে জীয়াই থকাৰ প্ৰেৰণা যোগাব? আনি দিব পাৰেনে অনাবিল সুখ? অদম্য সাহস, সততা, কোমল হৃদয়ানুভূতি, দয়া, কষ্টসহিষ্ণুতা, স্বকীয়তা, উৎসাহ, উদ্দীপনাৰ সমাহাৰ, মন মন্দিৰত অমৃতৰ ফল্গুধাৰা আৰু ৰজনীগন্ধাৰ সুবাস। তোমাক প্ৰেমে নিঃসংগতাৰ আৱেষ্টনীত বন্দী কৰাই সপ্তৰঙী স্বপ্ন দেখুৱাই, প্ৰিয়জনৰ সান্নিধ্যৰ উষ্ণতাৰে যৌবন কুণ্ডলীৰ আপোনজনক নিঃশেষ কৰে। কিয়? এতিয়াও তোমাৰ মনত প্ৰেমৰ ওখ আসন? উপাসনাৰ ৰস, স্মৃতিৰ পাপৰি? কিয় ভাৱা প্ৰেমেই গতি আৰু প্ৰগতি চিৰশাশ্বত, অবিনশ্বৰ, মহাজাগতিক শক্তি। প্ৰেম যে জয়ী বা নিৰ্ভৰশীল কেনেকৈ কোৱা? তুমি সকলো বাদ দিয়া আৰু পাহৰি যোৱা তুমি যে কেতিয়াবা কাৰোবাক প্ৰেম কৰিছিলা। এতিয়া আন এটা পৃথিৱীত জীয়াই থাকিব নোৱাৰ'নে?

বৰ্ণা আমি বুজি পালো মই — প্ৰেমৰ ধক্কা কি? উপায় দিয়া মোক বৰ্ণা? এতিয়া মই কি কৰো কোৱাচোন? তাইৰ অবিহনে মই জানো জীয়াই থাকিব পাৰিম। কিয় দিলে মোক ইমান দুখ-যাতনা। এদিনত মই তাইক লৈয়ে সাজিছিলো সুন্দন মন-মন্দিৰ। কিন্তু দিলে মোক তাই বিষাদৰে ভৰা ভগা হৃদয়। কঠিন শব্দ, নিষ্ঠুৰ, হিয়া। মই এতিয়া হৃদয়হীন। কেতিয়াবা বাগৰী পৰিব শুকান কলহ, হৃদয়ৰ পৰা ধ্বংস হ'ব প্ৰেমৰ অনুভূতি।

# হৃদয়ৰ একুৰা জুই

দিলীপ কুমাৰ ৰাভা
উ. মা. ২য় বৰ্ষ (কলা)

নৱাগত ঘৰটোৰ নিজৰ ৰুমটোত সোমায়েই খিৰিকিবোৰ মেদি দিলে জুপিতৰাই। তাই খিৰিকিৰে বাহিৰলৈ চালে। ওখ ওখ গছবোৰে আকাশলৈ মূৰ তুলি আছে। পঢ়া টেবুলৰ কাষৰ খিৰিকিখন মেলি পৰ্দাখন দাঙি জুপিতৰাই বৈ গ'ল। এটা সৰু এল টাইপৰ ঘৰ। আনফালে এখন সৰু চোতাল। ঘৰটো দেখা মাত্ৰকেই জুপিতৰাৰ ভাল লাগি গ'ল- যেন এখন ধুনীয়া ছবিহে।

পিছদিনা ৰাতি পুৱা জুপিতৰাই খুব সোণকালে সাৰ পালে। খিৰিকিখন খুলি পৰ্দাখন দাঙি কিতাপ এখন টানি লওঁতেই তাই শুনিলে কাষৰ ঘৰটোত কোনোবাই পুৰণা হিন্দী গানৰ কলি আওৰাইছে। তাই উঠি আহি খিৰিকিৰ কাষত থিয় হৈ চালে। গানটো আছিল কিশোৰ কুমাৰৰ "হামে তুমচে প্যাৰ কিতিনা ইয়ে হাম নেহী জানতে, মাগাৰ জী নেহী চাকেটা, তুমহাৰে বিনা।" তিৰোতা এজনীয়ে চোতাল সাৰি আছে। বাৰান্দাৰ এচুকত মানুহ এজনে কিবা পঢ়ি আছে। এনেতে তাই পোনে পোনে দেখা খিৰিকিখন খোল খালে। খীন-মীন, মিঠা বৰণীয়া ল'ৰা এটাই ব্ৰাছ দি আছে। চোতাল সাৰাৰ পৰা তিৰোতাজনীয়ে ল'ৰাজনক কিবা এটা ক'লে। ল'ৰাজনে হাঁহি মাৰিলে। পৰিয়ালটো চাগে খুব সুখী। সেই পৰিয়ালটোৰ লগত চিনাকি হোৱাৰ ইচ্ছা এটা হ'ল জুপিতৰাৰ।

কলেজলৈ যাবলৈ ওলাই জুপিতৰাই দেখিলে কাষৰ ঘৰটোৰ গেট খুলি ছোৱালী এজনী ওলাই আহিছে। শুনাচোন, তুমি কলেজলৈ যাবা? অ'। অকমান ৰবা হাঁ। ময়ো যাম।

জুপিতৰাই ছোৱালীজনীক উপযাচিয়েই মাত লগালে। দেউতাকক মাত দি ছোৱালীজনীৰ লগতে জুপিতৰাই কলেজলৈ আগবাঢ়িল। তুমি গান গোৱা? ওহোঁ। কিয় সুধিলা? ৰাতিপুৱায়ে তোমালোকৰ ঘৰত কাৰবাৰ গানৰ কলি শুনিছিলো। অ' সেয়া ময়ে এনে গাই আছিলো অলপ। এইবাৰ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ পৰীক্ষা দিম।

কলেজ পোৱাৰ আগতেই ছোৱালীজনীৰ বিষয়ে আৰু বহুতো কথা জানিলে জুপিতৰাই। তাইৰ নাম ইলিজা শৰ্মা। ঘৰত 'ইলি' বুলি মাতে। পঢ়ে জুপিতৰাতকৈ এক ক্লাছ পিছত। তাইৰ মাক-দেউতাক দুয়ো সাধাৰণ চাকৰি কৰে। মাক অঙ্গনাবাড়ীৰ অৱাৰকাৰ আৰু দেউতাকহাইস্কুলৰ চকিদাৰ। তাইৰ ওপৰত আৰু এজন ককায়েক দীপবিচান। ঘৰত দীপ বুলি মাতে। বি. এ দ্বিতীয় বৰ্ষত পঢ়ে। দীপবিচানে গীটাৰ ভাল বজায়।

দীপবিচান হঁতৰ ঘৰৰ মানুহবোৰক আপোন কৰি ল'বলৈ বেছি দিনৰ প্ৰয়োজন নহ'ল জুপিতৰাৰ। তাইৰ দেউতাকে ব্যৱসায় কৰে। ঘৰটোত বেছি সময় নাথাকেই। মাক হাইস্কুলত শিক্ষকতা কৰে। খুব সুখী পৰিয়াল। জুপিতৰা মাক-দেউতাকৰ একমাত্ৰ ছোৱালী। তাই বৰ মৰমত ডাঙৰ-দীঘল হৈছে। সেই কাৰণে কেতিয়াবা মাক-দেউতাক নাথাকিলে নিজকে ভীষণ অকলশৰীয়া অনুভৱ কৰে।

জুপিতৰাৰ ককাকৰ ঘৰ গাওঁত। সৰুতে স্কুল বন্ধ দিলেই জুপিতৰা গৈ গাওঁৰ ঘৰ পাইছিল। তাই গ'লে যে ঘৰখনত কিমান স্ফুৰ্তি। জুপিতৰাৰ ককাকহঁত গাঁৱলীয়া মানুহ। গাঁৱলীয়া মানুহৰ মনবোৰ যেন জীপাল হয়। জুপিতৰাৰ কিয় জানো এনে লাগে দীপবিচানহঁতৰ ঘৰৰ মানুহবোৰৰ মাজতো জীপ আছে। আচলতে মানুহৰ মনৰ মাজতো 'চাগে' একো একোখন হৃদয়ৰ নদীয়েই থাকে, হৃদয়ৰ মাজেৰে মৰমৰ নৈ বৈ যায়। কেতিয়াবা নদীবোৰ শুকাই যায়, অহংকাৰ প্ৰাচুৰ্যৰ বালিচৰ পৰে। গোমোঠা হৈ পৰে নদী। কেতিয়াবা নদীত বান আহে, মৰমৰ বান। কেতিয়াবা চঞ্চল হৈ পৰে নদী, চঞ্চল হৈ পৰে নদীময় মানুহ।

মৰমৰ বান জুপিতৰাৰ হৃদয়ৰ মাজতো উঠিছে। সেই কাৰণেই চাগে কিছুদিন আগতে লগপোৱা ইলিজাক আজি কালি তাইৰ বান্ধৱীতকৈও বেছি নিজৰ ভনী বুলি ভাবিবৰ মন যায়। আৰু দীপবিচান? দীপ?—ওহোঁ দাদা বুলি মাতিবৰ অকনো মন নাযায়।

জুপিতৰাই জানে তাইৰ কিবা এটা হৈছে। দীপবিচান নামৰ সেই খীন-মীন ল'ৰাটো, যাক সি দীপদা বুলি মাতে। যাক তাইৰ নাম ধৰি মাতিবৰ মন যায়। কিয় তোক মোৰ নাম ধৰি মাতিবৰ মন যায়? মোৰ হৃদয়ে দীপদাক কিবা ক'ব বিচাৰে নেকি? দীপবিচানে এদিন তাইক ভুলতে 'ওৰা' বুলি মাতিছিল। তাই কিন্তু শুধৰাই নিদিলে। আজি কালি চোন তাইৰ বহীয়ে-কিতাপে 'ওৰা' বুলি লিখিয়েই ভাল পায়।

সন্ধিয়া সময়ত জুপিতৰাই সদায় তাইৰ ৰুমৰ লাইটটো অফ কৰি খিৰিকিৰে চাই থাকে। দীপবিচানৰ ৰূপটো তাৰ পৰা ধুনীয়াকৈ দেখা যায়। সি কেতিয়াবা খিৰিকিৰ কাষত থিয় হৈ চিগাৰেট হুপি থাকে। কেতিয়াবা গীটাৰ বজাই থাকে। দীপবিচানক এবাৰ নেদেখিলে জুপিতৰাৰ একোৱেই ভাল নালাগে। পঢ়াশুনাত মন নবহে। অন্তত এবাৰলৈ সেই খীন-মীন চেহেৰাটো, মিঠা বৰণীয়া মুখখন-গভীৰ চকু দুটা চাবৰ মন যায়। অৱশ্যে তাই জানে দীপবিচানে তাইক মুঠেও গুৰুত্ব নিদিয়ে। সাধাৰণ ভাল-বেয়া খবৰ লোৱাৰ বাহিৰে সি তাইক উপযাচি কথা এষাৰো নকয়। তাক লগ পালে কিবাকিবি কয়। সি হুঁ-হা কৰিয়েই গুচি যায়। দুখ লাগি যায় তাইৰ।

কাইলৈ মা-দেউতাক দুয়ো গুৱাহাটীলৈ যাব। দিনটো সি অকলে থাকিব। কেনেকৈ কটাব দিনটো সি ভাবি পোৱা নাই। জুপিতৰাৰ অভিমান হ'ল। ইলিজাও নাই। তাই বাৰু কেনেকৈ পাৰ কৰিব দিনটো? সন্ধিয়া জুপিতৰাই গেটৰ কাষতে থিয় হৈ আছিল। তাই দেখিলে দীপবিচানে ঘৰৰ পৰা ওলাই আহিছে। তাই চিঞৰি উঠিল। দীপদা ক'লৈ যোৱা? এনেই অকণমান বাহিৰলৈ যাওঁ। দেৰী নহয় যদি এবাৰ সোমাই যোৱানা কাম এটা আছে। অগত্যা দীপবিচানে জুপিতৰাৰ পিছে পিছে তাইৰ ৰুম পালেহি। দীপবিচানক ভিতৰত বহিবলৈ কৈ জুপিতৰাই ওলাই গ'ল। দীপবিচানে চাৰিওফালে চকু ফুৰালে কি ধুনীয়া পৰিষ্কাৰ ৰুম। পঢ়া টেবুলৰ কাষতেই কিতাপ থোৱা ছেল্ফ। দীপবিচানে টেবুলখনৰ ওপৰত পৰি থকা বহীখন টানি আনিলে। গোলাপীয়া কোভাৰৰ বহীখনৰ প্ৰথম পৃষ্ঠাতে গোট-গোট আখৰেৰে লিখা আছে জুপিতৰা বৈশ্য, ব্ৰেকেটৰ মাজত 'ওৰা'। সি এখন এখনকৈ পাত লুটিয়াই গ'ল, বহীখন কবিতাৰ। শেষৰ কবিতাটো সি পঢ়িলে। কবিতাটো পঢ়ি সি ভাবিলে—সঁচাকৈ ধুনীয়া কবিতা লিখে।

জুপিতৰাই কবিতা লিখে? আচৰিত লাগিল দীপবিচানৰ! শালীনতাৰ শেষ সীমা চোওঁ-চোওঁ কৰা কাপোৰ, ৰঙা কৰি লোৱা চুলি, উগ্ৰ মেক আপ্, এইবোৰৰ মাজতো ঢাক খাই থকা ছোৱালীজনীৰ মাজত কি অনুভৱী হৃদয় এখনো আছে? এই যে এসাগৰ অহংকাৰ লৈ ওফন্দি ফুৰা ছোৱালীজনী তাই কি কাৰবাক ভাল পাৱওঁ জানে? সি বহীখন টেবুলৰ ওপৰতেই থৈ ভাবিলে।

এনেতে জুপিতৰাই ৰুমটোলৈ সোমাই আহিল। হাতত একাপ চাহ। দীপবিচানে এবাৰ তাইলৈ চালে। ক'লা ট্ৰাউজাৰ এটাৰ ওপৰত হালধীয়া টপ্। চুলিখিনি দুয়োফালে বন্ধা মুখত নাম মাত্ৰও মেক-আপ্ নাই। ইমান নিষ্পাপ মুখখন তাই বাৰু কিয় মেক-আপ্ সোপাৰ মাজত লুকুৱাই থয়? দীপবিচানে বুজিবৰ চেষ্টা কৰিও বুজিব নোৱাৰে। চাহ কাপ টেবুলতে থৈ তাই লাহে লাহে ক'লে—

"দীপদা কাইলৈ মোৰ মা-দেউতা গুৱাহাটীলৈ যাব। দিনটো মই বৰ অকলশৰীয়া হৈ পৰিম। মই এতিয়ালৈকে ভাৱিপোৱা নাই মই কি কৰোঁ। ক'ৰবালৈ যাবা?" "ওহোঁ মোৰ ক'তো যাবৰ মন নাই। তোমাৰ ফ্ৰেণ্ডছ্‌বোৰক মাতা।" "ইলিজাৰ বাহিৰে মোৰ ইয়াত আৰু কোনো ফ্ৰেণ্ড নাই। কালিৰ দিনটো মই অকলশৰীয়া হ'ব নোখোজো।" জুপিতৰাৰ মাতত দুখ, অভিমানৰ সুৰ। দীপবিচানৰ বেয়া লাগিল। "কাম এটা কৰিবা কালিলৈ পুৱা আমাৰ ঘৰলৈ গুচি আহিবা।"

ৰাতিপুৱা গা, পা-ধুই পাতল হালধীয়া চুৰিদাৰ এযোৰ পিন্ধি জুপিতৰা দীপবিচানহঁতৰ ঘৰ পালে গৈ। দীপে তাৰ পিছত মাক-দেউতাক জুপিতৰাৰ লগত চিনাকি কৰি দিলে। জুপিতৰা, তুমি এতিয়াই যাব নালাগে। আমি যিমান পাৰো সোনকালে আহিম। দীপ তই এতিয়া ক'তো ওলাই নাযাবি।

মাক-দেউতাক দুয়ো ওলাই যোৱাৰ পিছত সিহঁতে দীপবিচানৰ ৰুমলৈ গৈ কথা পাতিলে। সন্ধিয়া জুপিতৰাই ঘৰলৈ গৈ ভাবিলে—মনটো ভীষণ ভাল লাগিছে তাইৰ। ভাবিবলৈকো টান লাগিছে এইয়া সপোন নে দিঠক। দিঠকো 'চাগে' কেতিয়াবা সপোনতকৈ সুন্দৰ হৈ আহি ধৰা দিয়ে। তাইৰ গানেই গুণ গুণাবৰ মন গৈছে নে নাচিবৰেই মন গৈছে, জঁপিয়াবৰে মন গৈছে তাই নাজানে। মুঠতে তাইৰ কিবা এটা কৰিবৰ মন গৈছে। কোনোদিনে নকৰা কিবা এটা। সৌ সিদিনা দীপবিচানে সিহঁতৰ ঘৰলৈ যাওতে দিয়া কিতাপখন লৈ তাই বিচনাত পৰিল—

"মোৰ বুকুত
এজোপা গোলাপ কোনে ৰুলে?"

ইলিজাই বান্ধবী এজনীৰ ঘৰলৈ গৈছিল। ঘূৰি আহি তাই অবাক। দীপবিচানে জুপিতৰাৰ লগত কথা পাতে, হাঁহি ধেমালী কৰে। কথাবোৰ শুনি ইলিজাৰ মনত ভয় লাগে। দীপ-জুপি দুয়োটাকে অত্যন্ত বেছি ভাল পায় তাই। ইহঁতৰ কোনোবা এটাইও জীৱনত দুখ পোৱাটো তাই সহ্য কৰিব নোৱাৰিব। ওৰা মানুহৰ শৰীৰো জানো কেতিয়াবা ৰবা ফুলৰ দৰে গোন্ধায় নেকি? কিয়? কিয় সুধিলা? তোমাৰ কবিতাত পাইছিলো। গোন্ধায়তো। যেনেকৈ মোৰ পাপা-পাপাৰ নিচিনা পোন্ধায়। তোমাৰ মা-মাৰ নিচিনা গোন্ধায়। তেনেদৰে ৰবাৰ ফুলৰ নিচিনাকৈ কোন পোন্ধায়। তোমাক কিয় লাগে চব কথা।

জুপিতৰাই উচাৎ মাৰি গৈ ইলিজাৰ ৰুমত সোমালে। দীপবিচানৰ বুকু ভৰি বৈ গ'ল জুপিতৰাৰ হাঁহি, হাঁহিৰ লগে লগে ওঁঠৰ দুকাষে পৰা দুটি ভাঁজ আৰু সৰু সৰু হৈ পৰা এযুৰি চকু। এইবোৰ মূহুৰ্ততেই সি পাহৰি যায় আগদিনাৰ কথাবোৰ। কিয়? সি বাৰু

জুপিতৰাৰ প্ৰেমত পৰিলে নেকি? দীপবিচানে প্ৰশ্নটোৰ উত্তৰ উলিয়াব পৰা নাই। সি তো জুপিতৰাৰ কাপোৰ-কানি, স্টাইল একোৱে ভাল নাপায়। বৰং উগ্ৰ প্ৰসাধন কৰি, ৰঙা চুলিখিনি মেলি, গাত লিপিত খাই পৰা কাপোৰ, ক'লা চশমা পিন্ধি ওলাই যোৱা দেখিলে তাৰ বিৰক্তিহে লাগে। কিন্তু জুপিতৰাৰ কথা কোনোবাই বেয়াকৈ ক'লে তাৰ যে খং উঠে। এইবোৰ কিয় হয়? সি মাথো জানে, এতিয়া কিবা এটা ভাবি আকাশখনলৈ চাম বুলিও সি চাব নোৱাৰে। খিৰিকিৰ কাষত থিয় হ'লেই তাৰ চকু দুটাই বিচাৰে এখন মেলা খিৰিকি এখন বগা পৰ্দা আৰু পৰ্দাৰ আঁৰত এখন পুতলা যেন লগা বগা মুখ।

তই সঁচাকৈয়ে এটা মহামুৰ্খ। তোৰ যে জুপিতৰাক চাই থাকিবৰ মন যোৱা হৈছে, তাইৰ কথা ভাবি থাকিবলৈ ভাল লগা হৈছে সেইয়াইতো প্ৰেম।

দীপবিচানে কথাবোৰ মহৎক নোকোৱাকৈ থাকিব নোৱাৰে। মহৎ তাৰ বন্ধু স্কুলৰ পৰা কলেজলৈকে একেলগে পঢ়া। একেটা গ্ৰুপতেই গীটাৰো বজায়। গ্ৰুপটোৰ গায়িকা পুৰবীৰ লগত মহৎৰ আকৌ হৃদয়ৰ সম্পৰ্ক এটাও আছে।

কিন্তু? কোনো কিন্তু নাই। প্ৰেমৰ বাটত হাজাৰটা কিন্তু আছে। শেষত গৈ প্ৰেমহে থাকিব, কিন্তুবোৰ নাথাকে। চা, মই কেনেকুৱা আছিলো তোতকৈ ভালদৰে কোনেওঁ নাজানে। পুৰবী মোৰ জীৱনলৈ নাহিলে মইতো কেতিয়াবাই ধ্বংস হৈ গালোহেঁতেন। আমাৰ তো একোৱেই নিমিলে না ধৰ্ম, না কালচাৰ। তাৰ পিছতো আমাৰ মন দুটাটো মিলিল। তোক মই সৰুৰে পৰা পাইছো। তোৰ মুখত কোনোবা ছোৱালীৰ কথা শুনা এয়াই প্ৰথম। গতিকে দেৰী কৰিব নালাগে। তাইৰ আগত কথাটো খুলি ক'। মোৰ চোন সাহসেই নহয়। ধুৰ বুৰ্বক অনুৰাধাৰ দেশ পঢ়া নাই? প্ৰেম ধৰি ৰাখিবলৈ মানুহৰ যোগ্যতা লাগে। মানুহৰ সহানুভূতি যে তাক বুজি সন্মান জনাবলৈ প্ৰয়োজন হয় তীব্ৰভাবে সংবেদনশীল এটা মন আকাশৰ দৰে বিশালতা আৰু নৈৰ পানীৰ দৰে সাহস। অলপ সাহসৰ বাবে তই তাক হেৰুৱাই পেলাবি?

মহতে কথাবোৰ সদায় নাটকৰ ডায়লগৰ দৰেই কয়। তথাপিওঁ তাৰ কথাবোৰ শুনি আমনি নলগাকৈ ভালহে লাগে। জুপিতৰাক যে ভাল পাই পেলাইছে সেয়া স্পষ্টকৈ কবই লাগিব। কিন্তু কওঁ কেনেকৈ? এইখিনি কথা ক'বৰ বাবে ১৪ ফেব্ৰুৱাৰীৰ প্ৰয়োজন অৰ্থাৎ এটা ভেলেন্টাইন ডেৰ প্ৰয়োজন। ভেলেন্টাইন ডেৰ আগদিনাখন সন্ধিয়া জুপিতৰা সিহঁতৰ ঘৰলৈ আহিছিল। সিদিনা ইলিজাৰ ৰুমত তিনিওটাৰে আড্ডা বহিল। জুপিতৰাই ক'লে বাৰু দীপদা, তুমি বিশ্বাস কৰা নেকি কোনোৱা এজনক ভাল পাওঁ বুলি ক'বলৈ কাৰবাক নিজৰ কৰি ল'বলৈ বিশেষ দিন এটা প্ৰয়োজন হয়? মানে? কিয় সুধিলা। মোৰ বোধেৰে কি জানা প্ৰেমৰ বাবে কোনো বিশেষ দিন এটাৰ প্ৰয়োজন নহয়। যেতিয়া এজনী ল'ৰা-ছোৱালীৰ মাজত প্ৰেম থাকে, বিশ্বাস থাকে বুজাবুজি থাকে তেতিয়া হ'লেতো সিহঁতৰ বাবে প্ৰতিটো দিনেই প্ৰেমৰ দিন, ভেলেন্টাইন ডেৰ। নহয় জানো?

কেইদিনমান হ'ল তাই দীপবিচানৰ ছাঁটাকে দেখা নাই। অসহ্য লাগি যায় তাইৰ। কিমান দিন লাগিব বাৰু সেই এযাৰ কথা শুনিবলৈকে। জুপিতৰাৰ মনত আৰু বেছিকৈ জেদহে বাঢ়িল। দীপৰ মুখৰ পৰা সেই কথাষাৰ তাই শুনিহে এৰিব। জুপি আজি ফাংশন চাবলৈ যাবা? দাদাহঁতৰ প্ৰগ্ৰেম আছে।

জুপি নোযোৱা প্ৰশ্নই নুঠে। সন্ধিয়া লাগিল কি নালাগিল তাই মেখেলা-চাদৰ পিন্ধি ইলিজাহঁতৰ ঘৰ ওলাল আৰু সিহঁত দুয়ো ফাংশনলৈ গ'ল। ইলিজা, দীপদাই গামোচাখন কিয় তেনেদৰে বান্ধি লৈছে। অ' সেইখন? পুৰবীবাই দিয়া বিহুৱান। বিহুৱান জানো নিজৰ প্ৰিয়জনকহে নিদিয়ে। জুপিতৰাৰ হৃদয়খন কঁপি উঠিল। দীপদাই পুৰবীবাক ভাল পায়? নহয় পুৰবীবাই মহৎদাৰহে গালফ্ৰেণ্ড। জুপিতৰাই মনে মনে শান্তিৰ উৎসাহ পালে। ৰক্ষা।

ষ্টেজৰ পৰা নামিয়েই সন্মুখৰ ইলিজা আৰু জুপিতৰাক দেখি চক খাই ৰ'ল দীপবিচানে। এয়া সঁচাকৈয়ে তাৰ তৰাজনী হয়তো। হাত দীঘল ৰঙা ব্লাউজ, মুগাৰ মেখেলা-চাদৰ, মূৰত খোপা-অপূৰ্ব লাগিছে তাইক।

পুৰবীবা গান খুব ধুনীয়া হৈছে। কাইলৈ ক'ত আছে প্ৰগ্ৰেম? ইলিজা, পুৰবীৰ সৈতে কথা কোৱাত ব্যস্ত হৈ পৰিল। দীপবিচান আৰু জুপিতৰা মুখা-মুখিকৈ থিয় হৈ আছে। কাৰো মুখত মাত নাই।

কোনোৱা এজন ল'ৰাৰ লগত দীপে গুচি গ'ল জুপিতৰাক এবাৰো 'থাকা' বুলিও নক'লে। কান্দি দিবৰ মন গ'ল তাইৰ। ইমানবোৰ সাজোন-কাচোন, সিচোন অকনো গুৰুত্ব নিদিয়াকৈয়ে গুচি গ'ল।

ইলি, বলানা ঘৰলৈ যাওঁ। মোৰ গাটো ভাল লগা নাই। জুপিতৰাৰ ক'লা পৰি যোৱা মুখখন দেখি ইলিজাই কিবা এটা বুজি পালে।

মাজনী, তোমাৰ লগত এটা কথা আছিল। ৰাতিপুৱা চাহ খাই থাকোঁতেই দেউতাকৰ গহীন মাত শুনি জুপিতৰাৰ ভয় লাগি গ'ল। দেউতাকে কথাবোৰ গম পোৱা নাইতো। কি কথা দেউতা? কালি ৰাতি মোৰ ব্যৱসায় বন্ধু বৈশ্যেই ফোন কৰিছিল। তেওঁৰ ফেমিলীয়ে হেনো সিদিনা ফাংশনত দেখি তেওঁলোকৰ ল'ৰাৰ বাবে পছন্দ কৰিছে। ল'ৰাজন ভাল শিক্ষক। আমি 'হা' কৰিলে তেওঁলোকে কথা পাতিব খোজে।

তোমাক মই জোৰ কৰা নাই, জুপিতৰাৰ নিৰৱতা দেখি দেউতাকেক'লে। মই বুজি পাইছো তুমি কি ভাবিছা। তোমাৰ ইচ্ছাৰ বিৰুদ্ধে মই যাব নোখোজো। মোৰ ফেমিলিটো চিনাকি। সেই কাৰণে ময়ো সম্পৰ্কটো বেয়া দেখা নাই।

দীপদা তুমি কাৰোবাক ভাল পোৱা? জুপিতৰাৰ প্ৰশ্নত দীপবিচান অবাক। টোপনিৰ জাল চকুৰ পৰা আঁতৰাই নাই তাৰ। কালি ৰাতি প্ৰগ্ৰেম কৰি আহি দুইমান বজাতহে বিচনাত পৰিছিল। ভাবিছিল দিনটো শুব। জুপিতৰাই আঠমান বজাতে আহি তুলি দিলে।

তুলি দিয়ে তাইৰ আগগুৰি নোহোৱা প্ৰশ্ন।

অ' পাওঁতো। মোৰ ঘৰখনক ভাল পাওঁ, বন্ধুবোৰক ভাল পাওঁ।

আৰু? আৰু এই কিতাপবোৰক ভাল পাওঁ। আৰু এই তৰাবোৰক ভাল পাওঁ। আকাশখনক ভাল পাওঁ। জুপিতৰাক জোকাবৰ মনেৰেহে ক'লে দীপে। নহয়—আকাশ, তৰা, বেলি, জোন নহয়। তুমি এনেকৈ কাকো ভাল নোপোৱা যাৰ লগত তোমাৰ প্ৰতিটো মুহূৰ্ত থাকিবৰ মন যায়, যাক তোমাৰ প্ৰতিটো কথাই কবৰ মন যায়, যাৰ ওপৰত তুমি খং কৰা, অভিমান কৰা অথচ যি নহ'লে তুমি জীয়াইও থাকিব নোৱাৰা? পাওঁটো। কাক? মোৰ এই গীটাৰ খনক।

উচাৎ মাৰি উঠি গুচি গ'ল জুপিতৰাই। দীপবিচানে ইলিজাক সুধিলে কথাটো কি? তায়ো একো নাজানে। তাই সম্ভৱ কান্দিছিল। দীপে তাকো মন নকৰিলে। সি নিজেতো কোনোদিনে আগবাঢ়িব নোৱাৰিলেই জুপিতৰায়ে সোধাতেও ক'ব নোৱাৰিলে যে সি মাথো জুপিতৰাকহে ভাল পায়। বাৰেণ্ডাতে বহি সি এনে কিবা-কিবি ভাবি আছে। ঘৰত মা-দেউতা নাই। সি চিগাৰেট এডাল জ্বলাই ল'লে। সি চাগে' এটা ভীৰু, এটা কাপুৰুষ। তাৰ কাৰো প্ৰেমত পৰাৰ যোগ্যতা নাই। নহ'লে জুপিতৰায়ে তাক ভাল পায় বুলি জনাৰ পিছতো সি কিয় মুখ ফুটাই এষাৰ কথাওঁ ক'ব নোৱাৰে।

দাদা, জুপিতৰাই সিদিনা কিয় তেনেকৈ আহিছিল জানা? ইলিজাৰ মাত থোকাথুকি। কিয়? তাইৰ বিয়া থিক হৈছে।

দীপবিচানে ধৰিব পৰা নাই ইলিজাই এইবোৰ কি কৈছে। সেয়া কেনেকৈ হ'ব? তৰাতো মোক ভাল পায় আৰু তায়ো ভাল পায় তাইক? অ' ময়ো ভাল পাওঁ। প্ৰথমবাৰৰ বাবে দীপবিচানৰ মুখেৰে ওলাল কথাষাৰ।

তেনেহ'লে শুন, তই তাইক বাধা নিদিবি। তাই কেনেকৈ ডাঙৰ হোৱা ছোৱালী তই জানই। তই পাৰিবি জানো তাইক তেনেকৈ ৰাখিব? ভাল পাই বিয়া হোৱাটো ডাঙৰ কথা নহয়, সুখেৰে থকাটোহে ডাঙৰ কথা। তাই যাৰ লগত বিয়া থিক হৈছে ল'ৰাজন B.Sc শিক্ষক চা জুপিতৰাৰ পৃথিৱী সেই খনহে। আমাৰ এই গান, বাজনা, নাটক এই পৃথিৱীখন তাই ভালহে পাব পাৰে, নিজৰ কৰি ল'বলৈ তাইৰ কষ্ট হ'ব। তই তাই কষ্ট পোৱাটো বিছাৰিবি জানো?

ইলিজাৰ কথাবোৰ শুনি হুক-হুকাই কান্দি উঠিল দীপবিচানে। হয়তো সি চোন চিগাৰেট এডাল জ্বলাবলৈকে আনৰ ওচৰত হাত পাতিব লাগে। সি পাৰিবনে তৰাক সুখেৰে ৰাখিব? কিন্তু তৰা আনৰ হৈ গ'লে সি জানো সুখেৰে থাকিব পাৰিব?

না: সি নাকান্দে। তৰাই যদি তাৰ কথা এবাৰো নভবাকৈয়ে তাৰ পৰা আঁতৰি যায়, যাব পাৰে সি নিজকে কিয় শাস্তি দিব। আচলতে ছোৱালীবোৰৰ মানসিকতাই তেনেকুৱা। ভাল পাব কাৰবাক। বিয়া পাতিব শিক্ষক ব্যৱসাইক অফিচাৰ সেইবোৰক। প্ৰেক্টিকেল হিচাপে। তৰাৰ বিয়াৰ কাম সি হাঁহিমুখে কৰি আছে। তৰাৰ দেউতাকে ফাৰ্ণিচাৰৰ খবৰ ল'বলৈ কৈছে, লৈছে, বহুত কিবাকিবি খবৰ ল'বলৈ কৈছে লৈছে, মাথোন সি তৰাক চাব পৰা নাই।

মহৎ আৰু পুৰবী আহিছিল তাৰ খবৰ ল'বলৈ। হাঁহি উঠে তাৰ। বৰ্তমান সি নিজেই দেখোন বন্ধুবৰ্গৰ মাজত এটা গৰম খবৰ।

পুৰবী কালি এটা ভাল চাকৰি কৰা ল'ৰা পালে তয়োতো মহৎক এৰি তাৰ লগত বিয়া হৈ যাবি? দীপৰ প্ৰশ্নত পুৰবীৰ চাগে খং উঠিছিল। তাই তীক্ষ্ণ সুৰেৰে ক'লে—তই তেনেকৈ নকবি দীপ। ভুলটো আচলতে তোৰেই। তয়েই জুপিতৰাক এবাৰো ভাল পাওঁ বুলি ক'বলৈ সাহস কৰিব নোৱাৰিল। তাই কি সাহসেৰে তোৰ বাবে ৰ'ব।

ভুলটো সঁচাকৈয়ে চাগে তাৰেই। কিন্তু তৰাৰ কি দৰকাৰ আছিল তাৰ জীৱনত আহি দখল দিয়াৰ। তাইক লগ পোৱাৰ আগতে তাৰতো কোনো অভাৱ নাছিল। অনাই-বনাই ঘুৰি ফুৰিছিল। তাৰ জীৱনৰ কোনো লক্ষ্য নাছিল। কোনো ভৱিষ্যৎ নাছিল। কিন্তু তথাপি সিটো সুখি আছিল। এতিয়া, যেতিয়া কাৰোবাৰ বাবে জীৱনকলৈ সি সপোন দেখা হ'ল, জীৱনৰ পৰা কিবা-কিবি বিচৰা হ'ল তেতিয়া তায়েই তাৰ জীৱনৰ পৰা আঁতৰি যাবলৈ ওলাল। এয়া কি অন্যায় নহয়?

দাদা, জুপিতৰাই তোক এবাৰ সন্ধিয়া যেনেতেনে যাবলৈ কৈছে। যাওঁ-নাথাওঁকৈ দীপবিচানে জুপিতৰাৰ ঘৰলৈ গ'ল। জুপিতৰাৰ ৰুমৰ দুৱাৰখন মেলা। তৰাই বিচনাত উবুৰি খাই শুই আছে। সি বাহিৰতে ৰৈ দুৱাৰত নক্ কৰিলে। বিচনাৰ পৰা উঠি তাক ভিতৰলৈ মাতিলে। সি বিচনাৰ কাষত থকা চকীখনতে বহিল।

দীপদা, তোমাৰ লগত মোৰ এটা কাম আছিল। কি কাম কোৱা। জুপিতৰাই কিতাপৰ ছেল্‌ফটোৰ পৰা বহীএখন উলিয়াই তাৰ হাতত দিলে। গোলাপীয়া কভাৰৰ তাৰ চিনাকি বহী সেইখন। কিয়, তোমাৰ ৰিচিকেশে কবিতা নপঢ়ে নেকি? দীপবিচানে কথাষাৰ জুপিতৰাক খোচ মাৰিয়েই ক'লে।

মই নাজানো ৰিচিকেশক মই মাথোন এবাৰহে লগ পাইছো। মই এতিয়াও নাজানো মই যাৰ লগত জীৱন কটাম তেওঁ আকাশ, জোন, তৰা, চাবলৈ সময় পায়নে নাপায়। তেওঁ কবিতা পঢ়ি ভাল পায়নে নাপায়। জুপিতৰাৰ ওপৰত যিমানেই খং নুঠক কিয় কিন্তু তাইৰ চকুত চকুপানী? না দীপবিচানে সহ্য কৰিব নোৱাৰে।

তৰা তুমি কথাবোৰ কিয় তেনেকৈ ভাবিছা? চাবা ৰিচিকেশক তুমি বিচৰা ধৰণৰেই হ'ব। তুমি একো চিন্তা নকৰিবা। এতিয়া মই যাওঁ। —দীপবিচানে তাৰ পৰা যাব বিচাৰিছে। তৰাই একো কোৱা নাই। অগত্য সি যাবলৈ থিয় হ'ল। তুমি কি আজিও একো নোকোৱাকৈয়ে যাবা? তৰা মই কি গম নাপাওঁ বুলিয়েই ভাবা নেকি? সদায় কিবা এটা ক'ম ক'ম বুলি কাষ চপা আৰু আঁতৰি যোৱা। তোমাৰ সেইকণ কথা কোৱাৰ সাহস কোনোদিনে নহব? তৰা, সেইবোৰ কথা আজি উলিয়াই কিবা লাভ আছে জানো?

সকলো কথাতেই লাভ-লোকচানৰ

কথা নাহে। মই তোমাৰ মুখৰ পৰা শুনিব বিচাৰো তুমি মোক ভালপোৱা?

দীপবিচানে কওঁ-নকওকৈ ক'লে— অ' পাওঁ। তেনে হ'লে স্পষ্টকৈ মোৰ চকুৰ ফালে চাই কোৱা।

দীপবিচানে জুপিতৰাৰ অলপ ওচৰ চাপি আহিল। তাইৰ হাতখন নিজৰ হাতত তুলি ল'লে। তাইৰ চকুৰ ফালে কিছু সময় চাই থাকি সি লাহেকৈ ক'লে—'তৰা' আই লাভ ইউ। তৰাই আৰু একো কোৱাৰ সুবিধা নিদিয়াকৈ তাক জোৰেৰে সাৱটি ধৰিলে। সি একো ক'ব পৰা নাই। তৰা তাৰ বুকুৰ মাজত তথাপি সি তাইক বুকু উজাৰি মৰম দিব পৰা নাই। সি তাইৰ কাণৰ কাষত অস্ফুট মাতেৰে ক'লে—এয়া ভুল তৰা। তোমাক বিচাৰিছিলো নাপালো। এয়া একো ভুল নহয়। মাথো মোক কথা দিয়া তুমি নিজকে ধ্বংস নকৰিবা। ইমানকৈ চিগাৰেট নাখাবা আৰু তোমাৰ হৃদয়ৰ মাজত মই সদায় আছো বুলি ধৰি থবা। প্ৰমিজ? প্ৰমিজ।

জুপিতৰাৰ কপালত চুমা এটা আঁকি দিব খুজিও ৰৈ গ'ল দীপবিচানে। তাইৰ কপালত সেন্দুৰৰ ৰঙা ফোট। একো নোকোৱাকৈ বহীখন হাতত লৈ দীপবিচানে ওলাই আহিল। ইমান হৃদয়ৰ বেদনা, ইমান হৃদয়ত জুই কিয়? নিজে নিজক প্ৰশ্ন কৰিলে দীপবিচানে।

আজি জুপিতৰাৰ বিয়া। বিয়াঘৰত চেনেহৰ কৰুণ সুৰ। সেই সুৰৰে অনুৰণন দীপবিচানৰ বুকুৰ ভিতৰতো, সি বিয়ালৈ নাযায়। সি এবাৰ খিৰিকিৰে চালে এখন মেলা খিৰিকি, বতাহত উৰি থকা এখন বগা পৰ্দা, এখন পুতলা যেন লগা বগা মুখ ওহোঁ নাই। এহাতত গীটাৰ আৰু আন হাতত জুপিতৰাই দিয়া বহীখনলৈ দীপবিচানে সন্ধিয়া ঘৰৰ পৰা ওলাই গ'ল। কিছু সময় সি অনাই-বনাই ঘুৰি আহি পাৰ্কৰ ভিতৰলৈ সোমাই বেঞ্চ এখনত বহি ল'লে। আজি তৰা, ধেৎ তৰা নহয় জুপিতৰা বৈশ্য। কোনোবা ৰিচিকেশ বৈশ্যৰ পত্নী হ'ব। কিছু সময়ৰ পিছত তাই এখন নতুন ঘৰলৈ গুচি যাব। কোনোবা এজন অচিনাকি মানুহে তাইৰ শৰীৰৰ মাজেৰে মনলৈ বাট বুলিব। না: আৰু ভাবিব নোৱাৰে সি। তাৰ তৰাতো কাষতে আছে। গীটাৰখনত চুমা এটা খাই সি তৰাই দিয়া বহীখন মেলি ল'লে। লাইটৰ শেঁতা পোহৰত সেমেকি আখৰেৰে সেয়া তৰাৰ কবিতা—

তুমি এবাৰ যদি ক'লাহেঁতেন
ভাল পাওঁ তোমাক
পদুলিৰ গোলাপ জোপাৰ
এপাহ ফুল মোৰ বাবেও ফুলিলেহেঁতেন,
জোনৰ পোহৰৰ এভাগ
সৰি পাৰিলেহেঁতেন মোৰ নামত।
আৰু বতাহত গুণ গুণকৈ বিয়পি
পৰিলেহেঁতেন
মোৰ হৃদয়ৰো এটি সুৰ।
মাথোন—
তুমি এবাৰ যদি ক'লাহেঁতেন
ভাল পাওঁ তোমাক।

"ঈশ্বৰ মন্দিৰত নাই, অৰণ্যত নাই, গুহাত নাই ঈশ্বৰ আছে মানুহৰ অন্তৰত বিচাৰিব জানিলেই হব।"

—মহাকবি তুলসী দাস।

"শিক্ষাৰ ক্ষেত্ৰত পাঠ্যপুথিৰ জ্ঞানতকৈ বাস্তৱ অভিজ্ঞতাৰ জ্ঞান বেছি মূল্যৱান।"

—হেনৰিক পেস্টালজী

সোনালী ৰাভা
স্নাতক ১ম বৰ্ষ (কলা)

# আশাৰ বিভিষিকা

**বিউতী শইকীয়া**
উ. মা.১ম বৰ্ষ

নিতুলে মাকৰ মৰম কি বুজিকে নাপালে। একমাত্ৰ বাইদেউয়েক লিপাৰ তত্ত্বৱধানত ডাঙৰ হৈ আজি হাইস্কুলৰ দুৱাৰ ডলিত থিয় হ'ব পাৰিছে। কদমতলি গাওঁৰ এমাইল মান আঁতৰত দিহিঙীয়া নৈ খনি। সেই নৈ খনিৰে নাঁৱৰীয়া নিতুলৰ দেউতাক পুৰ্ব্বেশ্বৰ দাস। দিনৰে দিনটো মানুহবোৰক ইপাৰ সিপাৰ কৰি যি পা-পইচা পায়, তাৰেই নিতুলহঁতৰ সৰু পৰিয়ালটো অভাৱ অভিযোগ নেওচি কোনো মতে দিনবোৰ অতিবাহিত কৰিছিল; কিন্তু নিষ্ঠুৰ নিয়তীয়ে সেই সুখৰ পৰিয়ালটো থানবান কৰি পেলালে।

আহিন মাহৰ এটি দিন। নিতুল যেতিয়া পঢ়াশালীলৈ অহা যোৱা কৰিব ধৰিছিল, বায়েক লিপা তেতিয়া চতুৰ্থ শ্ৰেণী পাইছিলগৈ। আন আন দিনাৰ দৰে সেইদিনাও মাক অৰূপা ঘৰৰ কাম-বন কৰি, ভাত-পানী ৰান্ধি-বাঢ়ি, ল'ৰা-ছোৱালী হালক খুৱাই, বুৱাই দেউতাকৰ বাবে ভাত-খাজ নিবলৈ সাজু কৰি লিপাক ক'লে—

—মাজনী, মই দেউতাৰাক ভাতখাজ দি আহো। তই নিতুবাবাক চাবি।

—হ'ব মা, সি যিহে দুষ্ট কৰে।

মাকে ক'লে কৰক দে, সৰু ল'ৰা। তই তাক চাম্ভালিবি। আমি দুখীয়া মানুহ। কাম নকৰিলে খাম ক'ৰ পৰা? তয়েই আমাৰ ডাঙৰ ছোৱালী। আমাৰ অবিহনে তয়েই তাক চাব লাগিব। মই সোনকালে ঘুৰি আহিম দে। তই তাক ক, খ বোৰ শিকাই থাকিবি। মোৰ দেৰি হৈছে। দেউতাৰাই খং কৰিব। এইবুলি মাকে নিতুলক চুমা এটা খাই লিপাৰ মুৰত হাত বুলাই দেউতাকৰ ভাতখাজ লৈ, নৈ লৈ বুলি খোজ পেলালে। মাক যোৱাৰ পিছত লিপাই, মজিয়াত পাটি পাৰি কিতাপ ফলী লৈ নিতুলক পঢ়া শিকাবলৈ ল'লে।

ইফালে মাক অৰূপাই গৈ গৈ পথাৰৰ মাজ পালে। সেই পথাৰখন পাৰ হলেই দিহিঙীয়া নৈ খনি দেখা যায়। পথাৰখনৰ মাজেৰে এটি সৰু আলিবাট গৈছে। সেই বাটেৰে কোনো মতে দুই এখন সৰু সুৱা গাড়ী যাব পাৰে। হঠাৎ, সেই খিনিতেই অৰূপাৰ বিপৰ্যয় ঘটিল। ক'ৰবাৰ পৰা এখন সৰু গাড়ী আহি অৰূপাৰ আগত বৈ কেইজন মান মানুহে অৰূপাক গাড়ীখনত উঠাই লৈ গাড়ীখন দ্ৰুত গতিত চলাই নিলে। অৰূপাই কিংকৰ্ত্তব্য বিমুৰত পৰিল। তাই নিজকে ৰক্ষাৰ বাবে পাৰে মানে চিঞৰিলে; কিন্তু তাইৰ চিঞৰ কোনো কামত নাহিল। ইতিমধ্যে তাইৰ মুখ কাপোৰেৰে বন্ধা হৈছিল।

অৰূপা এজনী শান্ত লাহি মিঠাবৰণীয়া, চুলি কোচা কঁকালত পৰা দেখিবলৈ ধুনীয়া আছিল। তাইৰ ৰূপ যৌৱনে আনৰ দৃষ্টি আকৰ্ষিত কৰিব পৰা এটা শক্তি আছিল। তাই কেতিয়াবা কেতিয়াবা গৈৰীয়েকক কিছুমান ভয় লগা কথা আকাৰে ইঙ্গিতে কৈছিল। গিৰীয়েকে তাইক সাহস আৰু বিশ্বাসেৰে চলিবলৈ কৈছিল। সেয়েহে তাই গিৰীয়েকৰ পৰামৰ্শ শিৰত লৈ, দিনবোৰ পাৰ কৰি গৈছিল; কিন্তু কালৰ কুটিল গ্ৰাসত অৰূপাৰ জীৱনৰ ইমানতে অন্ত পৰিল। গিৰীয়েক পুৰ্ব্বেশ্বৰ নাঁৱৰীয়াই বলীয়াৰ দৰে হৈ পৰিল। কিমান যে অৰূপাক বিচাৰিলে; কিমানৰ হাতে ভৰিয়ে ধৰিলে অৰূপাক বিচাৰি দিবৰ বাবে। নাই! কোনো আশাই দেখা নাপালে।

সেয়েহে বুকুত এবুকু বেদনা লৈ ল'ৰা ছোৱালী হালক বুকুত বান্ধি দিনবোৰ পাৰ কৰিব ধৰিলে। দিন গৈ থাকিল, হঠাৎ এদিন খবৰ পালে যে নৈৰ পাৰৰ হাবি ডৰাৰ মাজত কোনোৱাই অৰূপাৰ দেহাটো পেলাই থৈ গৈছে। গাওঁৰ মানুহবোৰে মৃতদেহটো ঘৰলৈ লৈ আহিল। মৃতদেহটো দেখিয়ে বুজিব পাৰি যে, কোনোবা লোকে প্ৰাশৱিক অত্যাচাৰেৰে অৰূপাক হত্যা কৰা বুলি; কিন্তু কোনে এই কাৰ্য কৰিলে? কোনে জানিব? কোনে বুজিব? পুৰ্ব্বেশ্বৰ কিন্তু অৰূপাই আগতে কোৱা কথাৰ ওপৰত কিছুমান লোকৰ ওপৰত সন্দেহ হৈছিল, কিন্তু প্ৰকাশ কৰিব নোৱাৰিলে। কাৰণ পুৰ্ব্বেশ্বৰ যে, নিঃসহায় অতি দুখীয়া লোক। গাওঁৰ ৰাইজে পুলিচ থানাত খবৰ দিলেগৈ। থানাই গুৰুত্ব নিদিলে আৰু কোনো তদন্তয়েই নকৰিলে। কেৱল কিছু টকা-পইচা দি মৃতকৰ শতকাৰ কৰিবলৈ ক'লে। অৱশেষত নৈত তুলুঙা নাওঁত বঠা বোৱাৰ দৰে, ল'ৰা-ছোৱালী দুটাৰ মুখলৈ চাই বাকী চোৱা দিনবোৰ পাৰ

কৰিব ধৰিলে। কেই বছৰ মান পাৰ হোৱাৰ লগে লগে লাহে লাহে লিপাই বুজিব পৰা হ'ল। তাইক মাকে কোৱা কথাবোৰ কাণত বাজি থাকিব ধৰিলে। সেয়েহে তাই নিজৰ কথা চিন্তা নকৰি মাকৰ মৰম স্নেহ আৰু আদৰ্শ সকলো বোৰ ভায়েক নিতুলক দি যাব ধৰিলে। তাইৰ উদ্দেশ্য হ'ল, অশেষ কষ্ট কৰিও মাকৰ আশা পূৰ্ণ কৰা।

এনেকৈয়ে মাহৰ পিছত বছৰ পাৰ হৈ যাব ধৰিলে। নিতুলে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰত একাদ্বশ স্থান অধিকাৰ কৰি, উত্তীৰ্ণ হ'ল। বাপেক আৰু লিপাৰ লগতে গোটেই কদঁমতলি গাওঁৰ মানুহবোৰৰ আনন্দৰ সীমা নোহোৱা হ'ল। বাপেকে কিন্তু বুকুৰ ভিতৰত থকা বেদনাৰ জুইকুৰাৰ কথা কেনেকৈ পাহৰিব? কাৰ আগত দেখুয়াৰ? সেই শোকৰ মাজতেই আনন্দৰেই পুতেকক উচ্চশিক্ষাৰ বাবে চহৰলৈ পঠালে।

ইফালে দিনবোৰ যোৱাৰ লগে লগে বাপেকৰ অৱস্থা বেয়ালৈ ঢাল খাবলৈ ধৰিলে। বাপেকে নাও অধিক চলাব নোৱাৰা হ'ল। বাপেকৰ কষ্ট লাঘকৰ কাৰণে লিপাই উল গোঠা, কাপোৰ বোৱা আদি কাম কৰি পোৱা টকা বোৰ ভায়েকলৈ পঠিয়াই থাকে; কিন্তু নিয়তিৰ কি বিধান। হঠাৎ পুৰ্ব্বেশ্বৰৰ এদিন ভীষণ জ্বৰ উঠিল। সেই জ্বৰ কোনোমধ্যেই নেৰে। লিপাই চিকিৎসকৰ পৰা ঔষধ আনিও খুৱালে কিন্তু কোনো ফল নধৰিল। তিনিদিনৰ দিনা ৰাতি পুৰ্ব্বেশ্বৰ নাঁৱৰীয়াই এই পৃথিৱীৰ মায়া মোহ আৰু আৰু ঘৰখনৰ কৰ্ত্তব্য আৰু মৰমৰ বান্ধোনৰ পৰা চিৰ দিনৰ কাৰণে গুচি গ'ল। সিদিনা লিপাৰ কান্দোন কোনেও ৰোধ কৰিব নোৱাৰিলে। তাইৰ হিয়া ভগা কান্দোনত গছ-গছনি, জীৱ-জন্তু, নদ-নদী সকলোৱে যেন হৃদয়ঙ্গম কৰিলে। এই মৃত্যুত গোটেই গাওঁবাসীৰ ওপৰত শোকৰ ছাঁ পৰিল।

সময়ত নিতুল আহি পালে, দুয়ো ভাই-ভনীৰ কৰুণ মিলন ঘটিল। নিতুল যেন অলৰ অচল। শেষত গাওঁবাসীৰ সহযোগত মৃতকৰ সৎকাৰ সুকলমে সমাপ্ত হ'ল। এমাহ মান পিছত নিতুলৰ বি-এ ৰিজাল্ট আহিল। সি ভালদৰে উত্তীৰ্ণ হ'ল। বায়েকে তাক এম, এ পঢ়াৰ বাবে যোজা কৰিলে। নিতুলে মান্তি নহ'ল। সি আৰু নপঢ়ে। সি চহৰলৈ গৈ যি কোনো চাকৰী এটা বিচাৰি লৈ, বায়েকক লৈ যাব আৰু তাত দুয়ো একেলগে থাকিব।

সময়ত নিতুলৰ সিদ্ধান্তই ঠিক হ'ল। সি বায়েকৰ আশীৰ্বাদ শিৰত লৈ এবুকু আশা বান্ধি চহৰলৈ ঢাপলি মেলিলে।

চহৰত গৈ সি কিমান যে অফিচে অফিচে ঘুৰিলে। কিমান যে ইন্টাৰভিউ দিলে। নাই কোনো লাভ নাই। আজিৰ যুগত চাকৰীৰ বাবে উচ্চশিক্ষাৰ কোনো প্ৰয়োজন নাই। সকলো চাকৰীৰ বাবে লাগে এটি শকত মূল্যৰ ভেটি। নিতুলৰ সেই ভেটি দিব পৰা শক্তি নাই। টকা থাকিলে সকলো মাফ। এইয়েই হৈছে আমাৰ দেশৰ কাৰ্য ক্ৰমণিকা। এই ভেটিৰ বাবেই আমাৰ দেশৰ বহুতো শিক্ষিত দুখীয়া যুৱক যুৱতী নিবনুৱা হৈ আছে। সেয়ে শিক্ষাৰ চাৰ্টিফিকেটবোৰ বহুতে দলিয়াই চৰকাৰৰ বিৰুদ্ধাচাৰণ কৰিব লৈছে, ভাৱি-ভাৱি নিতুলৰ মন উগ্ৰ হৈ উঠে। কিন্তু বায়েকৰ কথা মনত পৰিলে সি শান্ত হৈ পৰে। বায়েকে তাৰ বাবে কিমান যে কষ্ট কৰিলে। মাকৰ অভাৱ সি অনুভৱ কৰাৰ সুবিধা নাপাইছিল। হঠাৎ তাৰ মাকৰ ছৱিখন চকুৰ আগত ভাহিবলৈ ধৰিলে। যেতিয়া মাকৰ মৃতদেহটো ঘৰলৈ আনিছিল, সি মাকৰ মুখলৈ একেথৰে চাই আছিল। সি ভবা নাছিল যে মাকৰ মৃত্যু হৈছে।

আজি সি বুজি পাইছে, মাকৰ মৃত্যুৰ কাৰণ। কোনে বাৰু মাকক পশুৰ দৰে হত্যা কৰিছিল? সেই নৰ পিশাচবোৰৰ মা-ভনী নাছিল নেকি বাৰু? কিয় বাৰু পুলিচে অনুসন্ধান নচলালে। এইয়েই জানো আমাৰ দেশৰ আৰক্ষী বিভাগ। ভাৱি ভাৱি নিতুলৰ চকুত টোপনি নাহে। কিমান যে আশা লৈ সি চহৰলৈ আহিছিল। তাৰ মূৰে কাম নকৰা হ'ল, শেষত সি জোৰকৈ চকু দুটা মুদি দিয়ে।

ইফালে বায়েক লিপাই নিতুলৰ খবৰ লৈ থাকে। নিতুলেও বায়েকক শান্তনা আৰু আশা দি বহুতো চিঠি পঠাই থাকে। এদিন সি এখন চিঠি লিখিলে যে তাৰ এটা চাকৰি হৈছে। বাহিৰলৈ যাব লাগে। সময়ৰ অভাৱত ঘৰলৈ আহিবলৈ নোৱাৰিলে। বায়েকে যেন চিন্তা নকৰে। দিনবোৰ যেন আনন্দেৰে পাৰ কৰে। চিঠি পাই বায়েক লিপাৰ যে কিমান ফূৰ্ত্তি। দূৰৰ পৰাই তাক হিয়াভৰা মৰম আৰু আশীৰ্বাদ দিলে। এটা যেন উশাহ ঢুকি পালে। গধুলি মন্দিৰত এখন শৰাইও আগবঢ়ালে।

এনেকৈ দিন মাহ বছৰ যাবলৈ ধৰিলে। বায়েকে নিতুলৰ খবৰ নোপোৱা হ'ল। নানা ধৰণৰ চিন্তাই বায়েকক আগুৰি ধৰিলে। ভায়েকে অহা বুলি সদায় পদুলী মুখত ৰৈ থাকিব ধৰিলে। এদিন বায়েক লিপাই ঘৰৰ দুৱাৰ দলিত বহি ৰৈ আছিল। এনেতে দেখিলে গাওঁৰ কেইজনমান ল'ৰাই বাতৰি কাকত এখন পঢ়িবলৈ টনা আজোৰা লগাইছে। লাহে লাহে লিপাই ল'ৰা কেইজনৰ ওচৰত গৈ ক'লে, "তহঁতে কিনো খবৰৰ বাবে ইমান হেঁতাওপৰা লগাইছ বুলি সুধিলে। ল'ৰা কেইজন থতমত খালে আৰু কাকতত দিয়া ননুনাটো লিপাৰ চকুৰ আগত দাঙি ধৰিলে। লিপাই ননুনাটোত চকু ফুৰালে। তাই আচৰিত হ'ল। এইটো খবৰ যেন তাইলৈকে পঠাইছে। তাই অধৈৰ্য হ'ল। তাই চিঞৰি উঠি ক'বলৈ ধৰিলে—নাই, নাই এইটো কেতিয়াও হ'ব নোৱাৰে। তাৰ একো হ'ব নোৱাৰে। মোৰ নিতুল কেতিয়াও সংগঠনৰ সদস্য হ'ব নোৱাৰে। সি বাহিৰত চাকৰীহে কৰিবলৈ গৈছে। তাই কান্দি কান্দি চিঞৰী চিঞৰী ক'বলৈ ধৰিলে সি ঘুৰি আহিব। সি মোক অকলশৰীয়াকৈ থৈ যাব নোৱাৰে। সি মাৰ আশা পুৰ কৰিব লাগিব। তাৰ কেতিয়াওঁ মৃত্যু হ'ব নোৱাৰে। সি মাৰ হত্যাকাৰী বিচাৰি উলিয়াব লাগিব। এই ধৰ্ষণকাৰী, হত্যাকাৰী সকলৰ বীজবোৰ আমাৰ দেশৰ পৰা ধ্বংস কৰি মাৰ নিচিনা বোৱাৰী জীয়াৰীবোৰক উদ্ধাৰ কৰিব লাগিব। এই নৰপিশাচ বোৰে দেখা অলিক সপোনৰ মৰিচিকা বোৰ আঁতৰ কৰিব লাগিব।

লিপাৰ কি হ'ল তাই কবকে নোৱাৰা হ'ল। লাহে লাহে তাই চকুৰে বিভিষিকা দেখিলে। তাইৰ আশাৰ ৰঙীন ছৱিবোৰ চকুৰ আগত ভাহিবলৈ ধৰিলে। লাহে লাহে লিপা মাটিত ঢলি পৰিল আৰু চকু দুটা চিৰকালৰ বাবে মুদ খালে।

# জীৱনৰ বৰ্ণমালা

শুক্ৰচাদ সূত্ৰধৰ
স্নাতক ১ম বৰ্ষ (কলা)

মানুহৰ জীৱনত ইমূৰ-সিমূৰ কৰ্মসূত্ৰে ঘূৰিবলগীয়া হয়। মোৰো জীৱনত স্কুলীয়া বয়সত এখন স্কুলৰ পৰা আন এখন স্কুললৈ গৈ মোৰ স্কুলীয়া বহু সঙ্গীয়েই একো একোটা সময়ত গৈ বিস্মৃতিৰ গৰ্ভত হেৰায় গৈছিল। বহুজনৰ স্মৃতিৰ একাঁজলীৰ অস্তিত্বই হৃদয়ত খোপনি পুতিছিল। কোনো প্ৰিয় সঙ্গীক সুঁৱৰিছিলো, অথচ নাজানিছিলো তেওঁৰ একোয়ে খবৰ। কিন্তু নিয়তিয়ে জানে হৃদয়ে বিচাৰে কি! সেয়ে বছৰ বছৰকৈ বহু কাল বাগৰি যোৱাৰ পাছতো কেতিয়াবা নিয়তিয়ে অকস্মাৎ মুখামুখি কৰাই দিয়ে হৃদয়ে বিচৰাজনৰ স'তে। একালৰ বাল্যবন্ধুৰ স'তে মুখামুখি হৈ গৈছে নভৰা-নিচিন্তা কোনো এক বিশেষ সময়ত বিশেষ স্থানত। তেতিয়ালৈ হয়তো দেহৰ চৰ্ম শোটোৰা-শোটোৰা দৃষ্টিও ধূসৰ হৈ পৰিছে। কিন্তু স্মৃতিৰ কুণ্ডলীত পাকখাই সোমাই আছে একালৰ বাল্যবন্ধুৰ নাম-ধাম আৰু শাৰীৰিক অবয়ৱ। যাক আপোনাৰ হৃদয়ে অহৰহ বিচাৰিছিল অথচ তেওঁক পাব পৰাৰ কোনো সুযোগ নথকাৰ কাৰণে আপুনি সেই শূন্যতা মানি লৈছিল আৰু সেই স্মৃতি কাহিনী হব খোজোতেই হঠাৎ পাই গ'ল এদিন তাইক। পাই গল হৃদয়ে বিচৰা বাল্যবন্ধুক, কেনে লাগিব পাৰে তেতিয়া।

মই কলেজৰ স্নাতক প্ৰথম বৰ্ষত পঢ়ি থাকোতে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত ভৰি দিয়া এজনী ছোৱালী নিচেই কম কথা কোৱা পৰিস্কাৰ-পৰিচ্ছন্ন হৈ থকা তাইৰ হাঁহিমুখীয়া ব্যক্তিত্বত মই মুগ্ধ হৈ পৰিছিলো। তাই মোক এদিন লাইব্ৰেৰীত কিতাপ উলিয়াই দিবলৈ ক'লে আৰু ক'লে — ''আপুনিয়ে জীৱন দা নহয় জানো। আপোনাৰ গল্প, কবিতাবোৰ মোৰ বৰ প্ৰিয়। আপোনাৰ প্ৰতিটো লিখনিয়েই মই পঢ়ো।'' মই মাথো মিচিকিয়া হাঁহিৰে তাইক ধন্যবাদ জনাইছিলো। তাই পুনৰ লগপোৱাৰ প্ৰতিশ্ৰুতিৰে সেইদিনা মোৰ পৰা বিদায় লৈছিল। যাওঁতে তাই বাৰে বাৰে ঘূৰি চাইছিল মোলৈ আৰু মিচিকিয়া হাঁহি মাৰিছিল। ময়ো এপলক নেত্ৰেৰে চাইছিলো তাইলৈ। নাজানো কিবা যেন মিঠা আমোঘ আছিল সেই দৃষ্টিত, সেই হাঁহিত। নাৰীৰ এটিবাৰৰ মধুৰ চাৱনিয়ে পুৰুষৰ অন্তৰক চিৰকালৰ কাৰণে হৃদয়ত এটা ৰেখাপাত কৰে। দেখিলে মৰম লগা মিঠা বৰণীয়া উঠন বুকু আৰু লাহী ককালেৰে সুগঠিত দেহাত পাতল আকাশী ৰঙৰ চুৰিদাৰে তাইক ধুনীয়া শুৱাইছিল। তাইৰ প্ৰতি অজানিতে মোৰো দুৰ্বলতা উপজিছিল। সেইদিনাৰ পৰা বৰ উৎস্যুকতাৰে তাইৰ লগত কথা পাতিবলৈ আগ্ৰহী হৈ পৰিলো। শেষত তাইৰ নাম জানিলো 'হীৰা', হীৰাৰ দৰে উজ্জ্বল আছিল তাই। হীৰাক মানুহে খালে যেনেকৈ ভিতৰি ভিতৰি খাই নাইকীয়া কৰিব পাৰে। তাইৰ লাজুক লাজুক চাৱনিৰ মৰম সনা ভাষাবোৰে পুৰুষৰো অন্তৰ গলাই খাব পাৰে। তাইৰ ৰূপ-গুণৰ কথা বৰ্ণাব নোৱাৰি, আনকি কবিৰো ওচৰত ভাষা নাই। কিন্তু তাই কাৰো সান্নিধ্যত সহজে যোৱা নাছিল।

নিয়তিয়ে কৰিলে কি? তাই মোক প্ৰেমৰ প্ৰস্তাৱ দিলে। মই ভাবিলো এয়া সপোন নে বাস্তৱ। এয়া কি মই নাজানো কিন্তু মই তাইক ভাল পাই পেলালো। ভাল পোৱাটো পাপ নহয়, ভালপোৱা এক অনন্য অনুভূতি যাৰ অস্থিত্ব চিৰন্তন, পবিত্ৰ আৰু নিস্কলুষ। যাৰ হৃদয়ত প্ৰেমানুভূতিৰ ঝংকাৰ নাই তেওঁ মানুহ নামৰ অযোগ্য, অনুভূতিহীন শিলৰ টুকুৰা। সেয়ে ভালপোৱাৰ প্ৰতিশ্ৰুতি দিছিলো তাইক।

মই যেতিয়া বি. এ. ফাইনেল দি প্ৰাইমাৰী স্কুলৰ শিক্ষকতা কৰিবলৈ গলো এদিন ঘনে ঘনে মনত পৰিছিল তাইৰ সেই ছবিখনি কি সুন্দৰ চকু দুটা গোলাপৰ পাহিৰ দৰে আৰু ৰঙা ওঠ দুটিয়ে মোৰ মনক পাগল কৰিছিল। গালদুখনৰ গোলাপী আভাই মোৰ মনত স্মৰণ কৰি দিছিল সেই কবিতাটি —

''কোন সুন্দৰীৰ নিমজ গালত
ফুটাই তুলিছিল চিকুন কাজ
উঠিল প্ৰেমিক ছাহজাহানৰ
ভুৱন বিজয়ী মৰ্মৰ তাজ।''

মমতাজৰ গোলাপী গালৰ সৌন্দৰ্যই বোধ হয় ছাহজাহানৰ ভুৱন বিজিত তাজমহল

নিৰ্মাণৰ ঘাই হেতু। সঁচাকৈ ধুনীয়া মুখৰ এটা মায়া আছে যিহে মানুহক মুগ্ধ কৰিব পাৰে।

শ্ৰেণীৰ কোনোৱেই তাইৰ সতে কন্দলৰ সৃষ্টি কৰিলে নিৰ্দোষী হলেও তাই মনে মনে ৰৈছিল। কাৰো পৰা কোনো কৈফিয়ৎ বিচৰাও নাছিল আৰু নিজেও নিদিছিল। কাৰো সতে তাইক শৈশৱৰ গ'লা-গলি বন্ধুত্ব কৰা দেখা নাছিলো। কিন্তু মন কৰিছিলো কিদৰে তাই সদায় মোৰ বহা ঠাইখিনি ফটা কাগজেৰে মোহাৰি পৰিস্কাৰ কৰি দিয়ে। কিদৰে কেতিয়াবা শিক্ষকৰ ধমক শুনি মই মন বেয়া কৰিলে তাই বাহিৰা বহীত ব্যঙ্গ চিত্ৰ আঁকি মোক হঁহুৱাব খোঁজে। গ'লা-গলি বন্ধুত্ব আমাৰ মাজত নাছিল। কিন্তু জিৰণীৰ সময়ত ফিল্ডৰ এটা কোণত নিৰলে বহি আমি ঈশ্বৰ, ৰামধেনু, প্ৰিয় খাদ্য, প্ৰিয় বতৰ আৰু আঙুলিৰ চিয়াঁহিৰ দাগ নিমিষতে কিদৰে গুচাব পাৰি তেনেবোৰ কথা পাতি বহু সময় কটাই দিছিলো। আৰু যেতিয়া মই তাইক এৰি থৈ যাবলগীয়াত পৰিছিলো, আগদিনা জিৰণীৰ সময়ত ফিল্ডত বহি থাকোতে বহু সময়ৰ বাবে তাইৰ ডিঙিত ধৰি থকাটো মোৰ মনত পৰে। মনত পৰে তাই চুপচাপ বিষাদ-বদনে বহি থকাৰ দৃশ্য।

কিমান দিন পাৰ হৈ গৈছিল, হীৰাক সেই ঠাইত এৰি থৈ যোৱাৰ মনত নপৰে। কিন্তু সেই ঠাইতে কোনোবা এজনে মোক এদিন দিছিল হীৰাৰ খবৰ। আৰক্ষী বিষয়া এজনৰ স'তে অনিচ্ছা সত্ত্বেও বিয়াত বহা হীৰাই স্বামীৰ ছাঁ হৈ ৰ'বলৈকে প্ৰাইমাৰী স্কুলৰ চাকৰি ইস্তোফা দিছিল। আৰু অৰঙে-দৰঙে গুৰি ফুৰিছিল প্ৰিয়জনৰ ছাঁ হৈ। সঁচাই ছাঁ হ'ব পাৰিছিলনে তাই প্ৰিয়জনৰ? হীৰাৰ দৰে স্নিগ্ধ মধুৰ ব্যক্তিত্বময়ী ছোৱালী এজনী সঁচাই ছাঁ হব পাৰিছিলনে কোনো এক অস্ত্ৰধাৰী পুৰুষৰ?

তাৰ কিছুদিন পাছত পুনৰ শুনিছিলো মদ খাই প্ৰায়ে হুলস্থূল সৃষ্টি কৰি সংসাৰলৈ অশান্তি কঢ়িয়াই অনা হীৰাৰ গিৰীয়েকৰ বিষয়ে নানান কথা। কৈফিয়ৎ বিচৰা বা দিয়াৰ দস্তৰ যাৰ ব্যক্তিত্বতেই নাই, সেইজনী হীৰাই বাৰু তাইৰ স্বামীক কোনোবা দিনা সোধেনে মদপান কৰাৰ কাৰণ? বা মদ্যপানে কঢ়িয়াই অনা অশান্তিৰ কাৰণ আঙুলিয়াই বিচাৰেনে সেইজনৰ পৰা কোনো কৈফিয়ৎ? যিজনৰ ছাঁ হবলৈকে তাই নিজৰ কেৰিয়াৰকো দলিয়াই গুচি আহিছিল। ভাবি থাকো হীৰাৰ কথা। ভাৱো, যোগাযোগ কৰিম তাইৰ স'তে। কোনো দিনেই তাইৰ বা মোৰ ব্যক্তিগত সংসাৰৰ কথা নাপাতিম।

তেতিয়া মাথো আমি অতিত ৰোমন্থন কৰি হাঁহিত ঢলি পৰিম। তেতিয়া মাথোন মই তাইৰ ডিঙিত ধৰি নিশ্চুপ হৈ ৰম বহু পৰ! এৰা বহুপৰ! দুই তিনিজনমানক লগ পাই মই তাইৰ ফোনৰ নম্বৰ আৰু ঠিকনা বিচাৰিছিলো। শুনিছিলো তাইৰ কোলালৈ এক দেৱশিশুও অহাৰ বতৰা। শুনিছিলো মাতাল স্বামীৰ মানসিক অত্যাচাৰত অতিষ্ঠ হৈ হীৰাই হাতৰ মনিবন্ধনৰ সিৰা কাটি হাস্পাতালত ভৰ্তি হবলগীয়াৰ দৰে দুঃসংবাদ।

হাহাকাৰ কৰি উঠিছিল মোৰ হৃদয়। বন্ধ আৰু সুযোগ লৈ বাট চাই ৰৈছিলো তাইৰ কাষ চাপিবলৈ। নিশ্চয়কৈ যাম এদিন তাইৰ কাষলৈ। দুখ-নিৰ্যাতনৰ দলদল পিতনিৰ পৰা দুহাতত টানি আল-ফুলে উলিয়াই আনিম তাইক আমাৰ শৈশৱৰ দিনবোৰৰ দৰে মধুৰ সময়লৈ। জীয়াই থকাৰ প্ৰেৰণা যোগাম মই তাইক, সাহস দিম বাস্তৱক গ্ৰহণ কৰাৰ।

কিন্তু যুদ্ধৰ বতৰাৰে শোণিতময় পুৱাৰ বাতৰি কাকতখন মেলি চাওঁতেই এদিন এক মুহূৰ্তৰ কাৰণে যেন মোৰ হৃদস্পন্দন বন্ধ হৈ গ'ল। হীৰাৰ মৃত্যু ঘটিছে! হীৰাৰ মৃত্যু ঘটিছে!!

এৰা কোমল বয়সতে যি ফুটাব পাৰিছিল স্নিগ্ধ ব্যক্তিত্ব, নীৰৱে-নিমাতে; সেই হীৰাই কিন্তু কান্ধ পাতি ল'ব নোৱাৰিলে অস্ত্ৰধাৰী পুৰুষৰ মদমত্ত প্ৰতাপ। ফুলৰ দৰে স্নিগ্ধ আৰু কোমল সেই ব্যক্তিত্ব যেন আজিৰ পৃথিৱীত একেবাৰে এক 'বেখাপ্পা জিনিচ'।

শোৱনি কোঠাৰ চিলিং ফেনত ওলমি আছিল তাইৰ নিস্পাপ দেহ। মৃত্যুৰ নিষ্ঠুৰ হাতোৰাৰ মোচৰাত মোটোকা খাই ওলমি পৰিছিল তাইৰ ডিঙি; যত মই আদৰেৰে আঁকোৱালি ধৰি এদিন বহি আছিলো এখন সেউজীয়া ফিল্ডৰ এটা কোনত বহুপৰ নীৰৱে নিমাতে। আৰু যি ডিঙিত মই এদিন হলেও আদৰেৰে আঁকোৱালি ধৰাৰ সপোন আছিল। যি সপোন বাস্তৱ নহ'বগৈ কেতিয়াও, এই জীৱনত!

# ডেউকা ভঙা চৰাই

বাণীকান্ত নাথ
স্নাতক ১ম বৰ্ষ (কলা)

তেতিয়া ৰাতি গভীৰ হৈছে। গোটেই প্ৰকৃতি ৰাজ্যত নিৰবতাই বিৰাজ কৰিছে। মৌচুমী সু-কোমল বতাহে আৰু এজাক বৰষুণে নিশাৰ নিৰবতাক নিস্তব্ধ কৰিছে। ঘৰৰ সকলোৱে তেতিয়া শান্ত ক্লান্ত এটা দেহ লৈ নিদ্ৰা দেবীৰ কোলাত। মাথো সাৰে আছিল "ৰাজ"। কিতাপ এখন পঢ়িবৰ বাবে কাষ চাপিও মন বহুৱাব নোৱাৰিলে। আবেলি পৰত পোৱা চিঠিখনে তাৰ ভোক পিয়াহ টোপনি একেবাৰে নাইকীয়া কৰিছে। অতীতৰ মিঠা স্মৃতিবোৰ এটা এটাকৈ মানস পটত ধৰা দিছেহি। সি ভাল পাইছিল সীমাহীন নীলা আকাশখনক, ভাল পাইছিল সেউজীয়া পৃথিবীৰ অপৰূপ সৌন্দৰ্য্যক আৰু এটা সময়ত ভাল পাইছিল ধুনীয়া ৰং বিৰঙৰ ফুলবোৰক। কিন্তু আজি তাৰ সেই মধুৰ স্মৃতিবোৰ টুকুৰা-টুকুৰ হৈ আনন্দৰ পৰিৱৰ্তে দুচকুত অশ্ৰুৰে ভৰি পৰিছে। তাৰ জীৱনৰ এক সেয়া অন্য কাহিনী।

ৰাজ আছিল এজন দুখীয়া পৰিয়ালৰ লৰা। তাক মাক-দেউতাকে অশেষ কষ্টৰে ডাঙৰ-দীঘল কৰিছে। তেওঁলোকৰ ঘৰখনৰ একমাত্ৰ মাণিক। সৰুৰে পৰা ৰাজ বৰ চতুৰ আছিল। সদায় সি নিজৰ নিত্য কৰ্ম কৰাৰ উপৰিও বাহিৰৰ জগতখনৰ কথা জানিছিল। এদিন মাক দেউতাকৰ আশীৰ্বাদ লৈ মেট্ৰিক পাছ কৰিলে। পিছে সেইদিনা তাৰ আনন্দ লগা নাছিল, সি খুব কান্দিছিল। কাৰণ সি দুখীয়া পৰিয়ালৰ লৰা, তাৰ ইচ্ছা আছিল উচ্চ শিক্ষাৰে শিক্ষাতহৈ বাহিৰৰ জগতখনৰ বিষয়ে জনা। তাৰ ঘৰখনৰ অৱস্থা দেখি নিৰুপায় হৈ ইয়াতে সমাপ্ত কৰিব বিচাৰিছিল। কিন্তু 'মা'কে তাক অতি সাহস দি কৈছিল যে, "মই তোমাক পঢ়ুৱাম ডাঙৰ মানুহৰ শাৰীত বহুৱাম তোমাৰ বাবে মই ভিক্ষা মাগিম।" সেই তেইসেৰে মনত আশা লৈ ৰাজ ওচৰৰ এখন কলেজত নাম লগালে। সি নিত্য নতুনতাৰে পঢ়া-শুনাত আগবাঢ়িছিল। কোনো এটা শ্ৰেণীত সি পিছ পৰি থকা নাছিল। কেৱল পঢ়ি গৈছিল পাছ কৰি গৈছিল।

সেই কলেজত নাম লোগোৱাৰ পিছৰ পৰাই তাৰ জীৱনত আৰু এক অধ্যায় নামি আহিল। ৰাজ তেতিয়া স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ। সেই কলেজত তাৰ চেহেৰাত বহুতেই গুণমুগ্ধ হৈছিল। তাৰ স্বভাৱ-চৰিত্ৰ, ভাল, গহীন-গম্ভীৰ, ভাল চিত্ৰকাৰ আৰু গীতিকাৰ আছিল। গতিকে কোনেও তাৰ লগত সম্পৰ্ক স্থাপন কৰিব বিচাৰিলেও সাহস কৰা নাছিল। সেই বিষয়ে সি ভালদৰে গম পাইছিল যদিও সেইবোৰৰ প্ৰতি তাৰ কোনো ভ্ৰূক্ষেপ নাছিল। কিন্তু তাৰ জীৱনলৈ হঠাৎ পৰিবৰ্তন আহিল। তাৰ জীৱন যৌৱনৰ ৰূপ সান্নিধ্য কাঢ়ি নিয়া এজনী বৰদৈচিলা আহিছিল। তাৰ জীৱনত আহিছিল মাদকতাৰ গোন্ধ।

সেই বছৰৰ কলেজত নৱাগতা সকলৰ ভিতৰত ৰশ্মি এজনী আছিল অন্যতম ছোৱালী। গতিকে সেই বছৰত ছাত্ৰসকলৰ মাজত এটা নিৰ্দিষ্ট নাম, বেছিকৈ উচ্চাৰণ হৈছিল। সেইটো হ'ল ৰশ্মি। ৰশ্মিৰ সেই ৰূপ-যৌৱন ছাত্ৰ-ছাত্ৰীৰ মাজত ঈৰ্ষাৰ কাৰণ হৈ পৰিছিল। ৰশ্মি কিন্তু সেইবোৰ বিষয়লৈ কোনো ধ্যান কৰা নাছিল। কলেজলৈ তাই আহিছিল ক্লাছ কৰি পুনৰ ঘৰলৈ উভতিছিল। সেই ৰশ্মিৰ অজানিতে 'ৰাজ'ক ভাল পোৱাৰ অনুভূতি আহিছিল। কিন্তু সিহঁতৰ মনৰ মাজত উদ্ভৱ হোৱা ভাৱৰাশি মুক্তভাৱে প্ৰকাশ কৰিবলৈ সুবিধা পোৱা নাছিল। সেই সময়ত ৰাজৰ অতি সৰুকালৰ বান্ধৱী জয়াই মাত লগালে। ৰাজ দা আপোনাক অলপ আমনি কৰো দেই, বেয়া নাপাবা, এয়া মোৰ বান্ধৱী ৰশ্মি, গানৰ পাগলী। 'ৰাজক' ৰশ্মিয়ে নমস্কাৰ জনালে। ৰশ্মিৰ নমস্কাৰৰ প্ৰতি নমস্কাৰ জনাই অলপ কৌতুহলেৰে ৰাজে কলে, কি যে সুন্দৰ নাম ৰশ্মি। তেতিয়া জয়াই কলে, সেই বাবেইতো অপোনাক চিনাকী কৰি দিছো। ৰাজে কলে পিছে মৰম চেনেহৰ ভাগবোৰময়ো পাব লাগিব দেই। তেতিয়া লাজত তলমুৰ কৰি ৰশ্মি বাহিৰলৈ ওলাই গ'ল।

সেইদৰে চিনাকী পুৰণি হোৱাৰ লগে লগে সিহঁতৰ মাজত প্ৰেমৰ জোৱাৰ নামি আহিল। কলেজৰ চৌহদৰ মাজত দুভৰিৰে ভৰা দলিচা লাইব্ৰেৰী, কেন্টীন, সেউজীয়া

ঘাঁহনী পথাৰৰ মাজত থাকি ইটোৰ পৰা সিটো কথা পাতি সময় পাৰ কৰিছিল। ৰশ্মিৰ লগত চিনাকী হৈ ৰাজ সিঁহতৰ ঘৰখনৰো মন জয় কৰিলে। তেওঁলোকেও ৰাজক সিহঁতৰ এজন সদস্য বুলি ভাবি ললে। সেইদৰে সময় বাগৰিল, এদিন বি. এ. পৰীক্ষাৰ ৰিজাল্ট ওলাল। ৰাজ কলেজৰ ভিতৰতে প্ৰথম স্থান পাইছে। সেই খবৰ পাই ৰশ্মিয়ে আনন্দিত হৈছিল আৰু ৰাজক কিদৰে স্বাগতম জনাব উপায় বিচাৰি পোৱা নছিল।

ৰাজৰ পঢ়াৰ কোনো ইচ্ছা নাছিল, কিন্তু এইবাৰ ৰশ্মিৰ মাক-দেউতাকে সাহস দিলে যে 'আমি তোমাৰ পঢ়াৰ খৰচ দিম। তুমি ভালদৰে পঢ়া। তেনে মনোবল পাই এম. এ পঢ়িবৰ বাবে ওলালগৈ। ৰাজে মাক-দেউতাকৰ পৰা বিদায় লৈ, ৰশ্মিৰ পৰা বিদায় লবলৈ যোৱাত ৰশ্মি খুব কান্দিছিল, কিন্তু ৰাজে তাইক সান্তনা দিলে, "মই পঢ়িবলৈহে যাম।" সেই সময়ত সিহঁতে জনা নাছিল যে এই বিদায় চিৰ বিদায় হ'ব। এইয়ে পৃথিবীৰ ধৰ্ম।

সকলোৰে পৰা বিদায়লৈ পঢ়িবলৈ গ'ল ৰাজ। সি বিশ্ববিদ্যালয়ত সম্পূৰ্ণ এবছৰ পাৰ কৰিলে। তাৰ মাজতো সিহঁতৰ চিঠি-পত্ৰ আদান-প্ৰদান হৈ থাকিল। হঠাৎ এদিন সেই দিনটো আহিল কিতাপ পঢ়ি থাকোতে চিঠিখন পালে। চিঠিখন পাইয়ে সি গম পালে যে এই চিঠিখন ৰশ্মিৰ।

ৰাজে চিঠিখন খুলি দেখিলে যে, —

"মৰমৰ ৰাজদা,

প্ৰথমে মোৰ অভাগিনীৰ মৰম লবা। মই গুৱাহাটি হস্পিতালৰ পৰা লিখিছো। তোমাক আমনি কৰাৰ মোৰ ইচ্ছা নাছিল যদিও, মোৰ অন্তিম মুহূৰ্তত মোৰ লোভ, মোহ সামৰিব নোৱাৰিলো। তাৰ বাবে মোক ক্ষমা কৰিবা। এসপ্তাহ আগতে আমি শদিয়ালৈ গৈছিলো। আমাৰ বিপৰীতমুখী ট্ৰাক এখনে আমাৰ গাড়ীত খুন্দা লগায়। তাৰ পিছত মই একো গম নাপাওঁ আৰু মনত নাই। বৰ্তমান মই অন্তিম অৱস্থাত আছো আৰু মই তোমাক চাবলৈ বৰ ইচ্ছা কৰিছো। ৰাজদা মোৰ বাবে অকনো দুখ নকৰিবা, নহ'লে মোৰ আত্মাই শান্তি নাপাব। মোৰ মনক দমাব নোৱাৰি বহুত লিখিলো জীৱনৰ অন্তিম মুহূৰ্তত। তোমাৰ ভৱিষ্যত জীৱন উজ্জ্বল হওঁক তাৰ কামনাৰে —

ইতি

"ৰশ্মি"

ৰাজে চিঠিখন পঢ়ি একান্তমনে এটা মকৰাৰ খেল চাই আছিল এজন মৃত মানুহৰ দৰে।

## মহৎলোকৰ বাণী

সংগ্ৰাহক : নৱজ্যোতি ৰাভা
স্নাতক ১ম বৰ্ষ (কলা)

১. এবাৰ কিয় হেজাৰ বাৰ পৰাজিত হলেও হতাশ হোৱা উচিত নহয়।
— আব্ৰাহাম লিংকন।

২. পাৰ্থিৱ খ্যাতি বতাহৰ নিঃশ্বাসৰ বাহিৰে আন একো নহয়।
— ডান্টে।

৩. ভৱিষ্যৎ সেই সকলোৰে, যিয়ে নিজৰ গুণৰ সৌন্দৰ্যত গভীৰভাৱে বিশ্বাস ৰাখে।
— ইলিয়েনৰ ৰোজভেল্ট।

৪. মনবোৰ শুদ্ধ হলে পৃথিৱীত সংকোচ কৰিবলগীয়া একো নাই। কলুষিত মানুহেহে সকলোতে কলুষ দেখে।
— হেম বৰুৱা।

# সুখৰ বতৰা

বৰ্ণালী ৰাভা
স্নাতক ১ম বৰ্ষ (বিজ্ঞান শাখা)

"বোলো, বিৰিণা হেন পাওঁ। একেবাৰে খৰধৰ দেখোন, কলৈ নো যোৱা।" পিছপিনৰ পৰা মাত শুনি বিৰিণাই ঘুৰি চালে আৰু মহাজনক দেখি মাত দিলে, "অ দেউতা ঈশ্বৰ, খৰধৰ মানে আজি ভোগনদীৰ পাৰত হাট বহিব নহয়। তাতেই বলধহাল লৈ যাও বুলি ওলাইছো। পিছে দেউতা ঈশ্বৰ বা কলৈ যায়?" মহাজনে মাত দিলে, "মোৰনো আৰু কি ক'ম। দেহা পৰি আহিছে। ককালৰ বিষটো নোযোৱাই হ'ল নহয়। সেয়ে জেতুকী পেহীৰ তাৰ পৰা দৰব আনো বুলি ওলাইছো। পিছে তোৰনো এনে কি সকাম ওলাল একেবাৰে হালৰ বলধহাল বেছিবলৈ ওলাইছা।"

'এ নকব আৰু দেউতা। ভগৱানৰ কৃপাত আমাৰ শৰতে ডাক্টৰী পঢ়িবৰ বাবে ছিট পালে। সেয়ে এডমিছনৰ বাবে টকা লাগে। মই ভাবিলো বলধ হালকে হাটলৈ লৈ যাও। বলধহাল গ'লেও গ'ল। শৰতে ভালকৈ পঢ়াশুনা কৰি নিজৰ ভৰিত নিজে থিয় দিব পাৰিলে আৰু মোক একোৰে নালাগে।" "ভালেই হব দিয়া। আমাৰ শৰত বোপা ডাক্টৰ হ'লে আমাৰ গাঁওখনৰো কিছু উন্নতি হ'ব। নে কি কোৱা বিৰিণা বোপা।"

"এতিয়া পিছে মই যাও ৰেই নেকি দেউতা, নহলে আৰু ইপিনে হাটলৈ দেৰি হব!" "অ যোৱা বোপা, মইও যাওঁ। খবৰটো দিবা।"

বিৰিণা হাটলৈ গ'লহে কিন্তু বুঢ়া বলধহাল দেখি কোনেও লবলৈ মন নকৰিলে। গোটেই দিনটো বহি বহি বিৰিণাই এজনো গ্ৰাহক নাপালে। এই পিনে বেলিও পৰি আহিছে। বলধহাল বেচিব নোৱাৰিলে ক'ৰ পৰা টকা দিব। বিৰিণাৰ মনটো কলা মেঘে আবৰি ধৰিলে। বিৰিণাই আশা প্ৰায় এৰিয়ে দিলে। এনেতে এজন ডাঙৰীয়া প্ৰায় খৰধৰ কৰি বিৰিণাৰ কাষলৈ আহিল আৰু বলধহাল দৰাবলৈ ধৰিলে। বেলি পৰি অহা দেখি বিৰিণাই আৰু দাম-দৰ নকৰিলে। গ্ৰাহকে যি দিলে তাকে লৈ বুলি ঘৰলৈ খোজ দিলে।

এই পিনে ঘৰত বিৰিণা ককাইৰ একমাত্ৰ বিধৱা ভনীয়েক কমলা বহি চিন্তা কৰি কৰি ভাগৰি পৰিছে। "বলধহাল বেচিবলৈ যাও তে ইমান দেৰি হয়নে। নে বলধহাল বেচিবলৈ যোৱা গ'ম পাই বাটতে কোনোৱাই ডকা দিলে। নে বাটতে ভূতে পালে ......।" এনে ধৰণৰ নানানটা অমংগলীয় চিন্তাই কমলা বাইৰ মনটো উচপিচাই থাকিল। কমলা বায়ে বিৰিণা ককাইক নিজৰ প্ৰাণতকৈও খুব ভাল পায়। সেয়ে বিৰিণা ককায়েকৰ বাবে কমলা বাইৰ চিন্তা হৈছিল। অধৈৰ্য হৈ কমলা বায়ে নঙলামুখতে ককায়েকৰ বাবে ৰৈ থাকিল। কমলা বাইৰ মনত অতীতৰ স্মৃতিয়ে দোলা দিব ধৰিলে। কমলা বায়ে আই বোপাইৰ মৰমৰ উম নাপালেই। সৰুতেই আই-বোপাই ঢুকাল। বিৰিণা ককায়ে কমলা বাইক খুব কষ্টৰে ডাঙৰ কৰিলে। সময়ত ভনীয়েকৰ বিয়াখনো পাতি দিলে। কিন্তু কপালৰ কি লেখন। ভনীয়েকে যেন দুখ লৈয়ে জন্মিছিল। বিয়াৰ এমাহৰ পিছতে গিৰিয়েক জহনী বেমাৰত ঢুকাল। ঘৰৰ মানুহে কমলাকেই দোষিলে। কমলা হেনো কুলক্ষণী। ঘৰত সোমোৱাৰ লগে লগে গিৰিয়েকৰ জীৱন কাঢ়িলে। কমলাৰ ওপৰত নানা অত্যাচাৰ চলিব ধৰিলে। বিৰিণা ককায়ে একমাত্ৰ ভনীয়েকৰ দুখ সহ্য কৰিব নোৱাৰি তাইক নিজৰ ঘৰলৈকে লৈ আনিলে। কমলাই ঘৰলৈ আহি ককায়েকৰ বুকুত মুখ গুজি খুব কান্দিলে। কমলাই সচাঁয়ে নিজকে কুলক্ষণী বুলি ভাবিবলৈ ধৰিছিল আৰু জীয়াই থাকিবলৈ সাহস নোহোৱা হৈছিল। কিন্তু বিৰিণাই ভনীয়েকক খুব বুজালে আৰু ক'লে যে "কাৰ জীৱনতনো দুখ নাথাকে। সেই বুলিনো আৰু মানুহে জীয়াই নাথাকে নেকি। সংসাৰত যদি দুখ নাথাকেই তেন্তে সুখৰ অস্তিত্বনো কি? আৰু নিজৰ বাবে নহলেও মোৰ বাবেতো জীয়াই থাকা। তই নাথাকিলে মই কাৰ মুখলৈ চাই জীয়াই থাকিম।" এইবুলি বিৰিণা হুক-হুকাই কান্দি উঠিছিল। কমলাৰ মনটো ককায়েকৰ বাবে দুখেৰে ভৰি পৰিছিল আৰু

ককায়েকৰ বাবে জীয়াই থাকিবলৈ বাধ্য হৈছিল। এনেদৰেই দিনবোৰ গৈ আছিল। এইপিনে বিৰিণাৰ বয়স ভটিয়াই গৈছিল। কিন্তু একমাত্ৰ ভনীয়েকৰ কথা চিন্তা কৰিয়েই বিয়ালৈ মন নকৰিলে। কেনেবাকৈ যদি বৌয়েকে কমলাৰ মনত আঘাত দিব লগা হয় তেন্তে বিৰিণাই সহ্য কৰিব নোৱাৰিব। কমলাই কিন্তু ককায়েকক ঘৰখন পাতিবলৈ খুব জোৰ কৰিছিল। ককায়েকে এনেয়ে কৈছিল যে, ''কোনোবাই জানো এই বুঢ়া বয়সত বিয়া পাতে। মই বিয়া পাতিলেও জানো কোনোবা ছোৱালী মোলৈ আহিব।'' কিন্তু কমলাৰ লগত যেতিয়া গাঁৱৰ বয়সিয়াল মানুহবোৰেও ভোৰ দিলে তেতিয়া বিৰিণাই বিয়া পাতিবলৈ বাধ্য হ'ল। বিৰিণাৰ কপালত কিন্তু এজনী সুলক্ষণা তিৰোতা আছিল। নাম আছিল তাইৰ সৰলা। নাম যেনেকুৱা মানুহজনীও ঠিক তেনেকুৱাই সৰলমনৰ আছিল। সৰলাই কমলাৰ জীৱনৰ সকলো কথাই জানিছিল। সেয়ে কমলাক খুব মৰম কৰিছিল আৰু গিৰিয়েকে যেন মনত একো আঘাত নাপায় তাৰ বাবে যত্ন কৰিছিল। ঘৰখন নিয়াৰিকৈ চলাই নিয়াত বিৰিণাও সৰলাক যথেষ্ট সহায় কৰিছিল। কিন্তু নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস। সৰলাই শৰতক জন্ম দিয়েই মৃত্যুক সাৱটি ল'লে। বিৰিণাই সিদিনা খুব কান্দিছিল। কমলাই শৰতক মাকৰ দৰে মৰম কৰিলে আৰু ডাঙৰ-দীঘল কৰিলে। পঢ়ালে-লিখালে আৰু সেই শৰতেই আজি মেডিকেল পঢ়িবলৈ ছিট পালে। কমলা বাইৰ মনটো আনন্দৰে ভৰি পৰিলে। আনন্দৰ চকুলোৰে দুগাল তিয়াই পেলালে। এনেতে বিৰিণা ককাই নঙলামুখ পালে আৰু কমলা বাইক টকাকেইটা দিলে। কমলা বায়ে মিচিকিয়া হাঁহি এটা মাৰিলে আৰু ক'লে, ''দেখিছনে ককাই তোৰ পুতেয়েৰা আজি ইমানলৈ ডাঙৰ হ'ল যে সি ডক্টৰী পঢ়িবৰ যোগ্যতা অৰ্জন কৰিলে। এতিয়া আৰু আমাৰ দুখৰ দিন নাই। এতিয়া আমাৰ সুখৰ দিন।''

# মহৎলোকৰ বাণী

সংগ্ৰাহিকা : নিবেদিতা চৌধুৰী
স্নাতক ১ম বৰ্ষ (কলা)

কোনোবাই যদি তোমাৰ সৎ প্ৰচেষ্টাক লৈ ৰগৰ কৰে, কৰিবলৈ দিয়া। প্ৰথমে তোমাক অৱজ্ঞা কৰিব, তাৰ পিছতে তোমাক তাচ্ছিল্য কৰিব, পিছত খুঁজিব আৰু দেখিবা যে অৱশেষত জয় হ'ব তোমাৰেই।

*—মহাত্মা গান্ধী*

সুখী হোৱাৰ সহজ উপায়—ৰাস্তাৰ কাষৰ দুৰ্দশাগ্ৰস্তজনৰ লগত তুলনা কৰক।

*—কনফুচিয়াছ*

কামেই উপাসনা কিন্তু হাঁহিয়েই জীৱন। যিজনে জীৱনত সুখ-দুখ দুয়োকে হৰ্ষমনে গ্ৰহণ কৰিব জানে তেওঁহে জীৱনত সৌন্দৰ্য ভোগ কৰে।

*—চৰ্দাৰ বল্লভভাই পেটেল*

# অনুভৱে অনুভৱে তোমাৰ প্ৰেম

বৰ্ণালী ৰায়
উ. মা. ২য় বৰ্ষ (কলা)

জৰ্ণাক লৈয়েই ঘৰখনৰ এটা ডাঙৰ সমস্যা। মাক-দেউতাকে তাইৰ কথা চিন্তা কৰিয়েই দিনক দিনে শুকাই ক্ষীণাই গৈছে। বিশেষকৈ তাইক লৈ মাকৰ বেছি চিন্তা হৈছে। ভায়েক-ভনীয়েক হ'তে তাইক মাতিবই নোখোজে। তথাপি তাইৰ কোনো আক্ষেপ নাই। যদিও তাই মাকৰ গালিত কেতিয়াবা অসহনীয় হৈ উঠে, উত্তেজিত হৈ উঠে।

মাকে খঙতে কয় "হে ভগৱান ইহঁতক যে মই কিয় জন্ম দিছিলো। সকুতেই মাৰি পেলালেই হয়তো ভাল আছিল।" মাকৰ কথাষাৰ তাই নুশুনা নহয়। তাইও ভাবে যে তাইৰ জন্ম নোহোৱা হ'লেই ভাল আছিল কিজানি। সকলোকে তাই কষ্ট দিছে। বিশেষকৈ তাই নিজকে বহুত ধিক্কাৰ দি আছে। এদিন মাকে জৰ্ণাক ক'লে, 'জৰ্ণা তোৰ নীলাভৰ খবৰ নোলোৱা নেকি?' নীলাভৰ খবৰ মোক কেলেই লাগে বুলি কৈ জৰ্ণাই ভিতৰৰ পৰা দুৱাৰৰ হুকডাল লগাই থলে।

মূহূৰ্তে মূহূৰ্তে এটা পৰিৱৰ্তনশীল বিচিত্ৰ মনে তাইক যেন বেছি অস্থিৰ কৰি তোলে। সময়ৰ বুকুত হেৰাই যোৱা বহুবোৰ পুৰণা স্মৃতি, আনন্দময় মূহূৰ্ত তাইৰ মানস পটত ভিৰ কৰি দেখা দিয়েহি। শান্ত-গাম্ভীৰ্যৰ মাজত অলপ অলপকৈ সংযত হৈ অহা অতীতৰ অতি চঞ্চল মনটো আকৌ যেন নতুনকৈ চঞ্চল কৰি তোলে তাইৰ মাকৰ মুখত উচ্চাৰিত হোৱা সেই নীলাভ নামটোয়ে।

যোৱা কেইবছৰমানৰ আগৰ কথা। তেতিয়া তাই উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী। সেই সময়তে তাইক মাহীয়েকে সুদূৰ দিল্লীলৈ লৈ গৈছিল। সেইদিনাই নীলাভ তাইৰ জীৱনলৈ প্ৰথমবাৰৰ বাবে আহিছিল। তথাপি নীলাভৰ আগমনে তাইক কোনো প্ৰতিক্ৰিয়া কৰা নাছিল। তেতিয়া তাইৰ মনলৈ মাত্ৰ এখন ছবিয়েই বাৰুকৈয়ে প্ৰতিক্ৰিয়া কৰি গৈছিল সেয়া হৈছে তাইৰ মাক দেউতাকৰ ছবি। কাৰণ তাইৰ দেউতাকে তাইক বৰ আগ্ৰহেৰে সৰু-সুৰা যিকোনো চাকৰি এটা কৰাৰ বাবে প্ৰৱল আগ্ৰহেৰে তাইক মাহীয়েকৰ সৈতে পঠিয়াই দিছিল।

কিন্তু তাই নীলাভৰ দুচকুৰ পৰা সাৰি যাব নোৱাৰিলে। নীলাভৰ ব্যক্তিত্বই তাইক বাৰুকৈয়ে আকৃষ্ট কৰিলে। নীলাভ তাইৰ বাবে এটা পোহৰৰ উৎসৱ, এটা প্ৰেৰণা। নীলাভ পোহৰৰ সাতোটা ৰঙৰ বৰ্ণালিৰ ৰঙেৰে সুগঢ়িত। তাৰ চেহেৰা, ৰূপ সৌন্দৰ্য বৰ্ণনাতীত। সঁচা কথাত ক'বলৈ হ'লে সি সকলোৰে কল্পনাৰো অতীত। গতিকে তাৰ ৰূপ সৌন্দৰ্যত যিকোনো ছোৱালীয়ে প্ৰেমত পৰাটো স্বাভাৱিক। কিন্তু এইবোৰলৈ জৰ্নাৰ কোনো ভ্ৰূক্ষেপ নাছিল। তাইৰ বাবে এয়াই যথেষ্ট নাছিল। কাৰণ, প্ৰেম মানুহৰ অন্তৰৰ এক সহজাত কোমল প্ৰবৃত্তি, এক ৰমণীয় অনুভূতি। তাইক বাহ্যিক ৰূপ সৌন্দৰ্যই স্পৰ্শ কৰিব পৰা নাছিল যদিও তাই নীলাভৰ অনুভূতিৰ স্পৰ্শ বিচাৰি যাবলৈ উদ্বাউল হৈছিল। তাই সঁচাই 'হিউমিজিকেল' most unpredictable হঠাৎ যে কেতিয়া কোনো মূহুৰ্তত কি কৰি পেলায় তাই নিজেই নাজানে। আৰু তাই নাজানে কি যাদু আছে নীলাভৰ দুচকুত। যাৰ বাবে তাই বাৰে বাৰে নীলাভৰ ভালপোৱাক স্বীকাৰ কৰি আহিব লগা হৈছে। আগতে তাই কিতাপ এখন পঢ়িছিল যে "নাৰীনং চৰিত্ৰং পুৰুষং ভাগ্যং। অৰ্থাৎ নাৰীৰ চৰিত্ৰই পুৰুষৰ ভাগ্য। কথাষাৰ পঢ়িলেই তাইক কিবা এটা অভাৱবোধে আগুৰি ধৰে। হয়তো সেয়াই আৰম্ভণি। নীলাভে তাৰ জীৱনৰ ভগ্ন হিয়াৰ কথাবোৰ অকণো লুকঢাক নকৰাকৈ এফালৰ পৰা কৈ গৈছিল। তাই মাথোন নীৰৱ নিস্তব্ধ হৈ এক অদ্ভুত সহানুভূতিৰ দৃষ্টিৰে চাইছিল। নীলাভে তাইক কৈছিল—'জৰ্ণা তুমি যদি মোৰ বাগৰি পৰা জীৱনটোক ধৰি ৰাখিব পৰা তেতিয়া মই মন প্ৰাণ খুলি হাঁহিব পাৰিম, স্ফুৰ্তি কৰিব পাৰিম।' জৰ্ণাই তেতিয়া ভবা নাছিল যে ওখ পাহাৰৰ পৰা বাগৰি অহা নিজৰাক জানো কোনোবাই বাধা দি ৰাখিব পাৰে? তাইৰ তাতেই ভুল হৈ গ'ল। তাই তৎক্ষণাত পাৰিম বুলি কৈ দিলে। তাই সপোন দেখিছিল নীলাভৰ সতে। জীয়াই থকাৰ সপোন—বাস্তৱৰ সৈতে মুখামুখি হোৱাৰ সপোন। কিয় অসম্ভৱবোৰ সম্ভৱ কৰি

তুলিবলৈ সপোন ৰাজ্যত বিচৰণ কৰি থাকে তাই। অথচ বাস্তৱৰ ৰূঢ়তাৰ সৈতে মুখামুখি হ'লেই তাইৰ বুকুত যন্ত্ৰণাই আগুৰি ধৰে। তথাপি তাই সপোন দেখে। তাই বুজি নাপায় নীলাভ কি ধাতুৰে গঢ়া। ইমান ধৈৰ্য। চাৰিওফালে তেওঁৰ তাইৰ লগতে বদনাম। গাওঁত, চহৰখনত আনকি ঘৰতো নীলাভক লৈ এখন ডাঙৰ কাজিয়া। তথাপি নীলাভে কোনোদিনে তাইক মৰমৰ অভাৱ পাৱলৈ দিয়া নাই। জৰ্ণাই আচৰিত হয়।

কেইদিনমানৰ পিছতে, নীলাভ আৰু জৰ্ণাৰ প্ৰেমৰ কথাবোৰ যেন একো একোখন খোলা কিতাপৰ দোকানৰ দৰে হৈ পৰিল। নীলাভ আৰু তাইৰ প্ৰেমৰ সাক্ষীস্বৰূপ হৈ পৰিল সিহঁতৰ বুজাবুজি ভালপোৱা আৰু তাইৰ কপালৰ অকনমানি 'ফোঁট'টো। কিন্তু তাইৰ 'ফোঁট'টো অস্পৃশ্য। তাই হৃদয়ৰ নিভৃত কোণৰ পৰাই বিচাৰিছিল তাইৰ ভালপোৱা। জীয়াই ৰাখিব তেওঁক তাইৰ কপালত। কিন্তু এই মৰ্যাদা দিবলৈ নীলাভে অস্বীকাৰ কৰিলে। তাই লাহে লাহে বুজি পালে নীলাভৰ প্ৰেমৰ কোনো অভাৱ নাই তাৰ প্ৰেমত বহুত ছোৱালীয়ে পাগল। তাই অনুভৱ কৰিলে যেন দিন যোৱাৰ লগে লগে নীলাভৰ প্ৰতি থকা প্ৰেমৰ বিশ্বাসবোৰ কমি আহিবলৈ ধৰিলে। কি আচৰিত নীলাভ ছোৱালী দেখিয়েই দুৰ্বল হৈ যায়। যিটো তাই অন্য ল'ৰাৰ ক্ষেত্ৰত দেখা নাছিল। অৱশ্যে তাই নজনা নহয় যে পুৰুষবোৰ শাৰীৰিকভাৱে যিমানেই সৱল তাৰ দুগুনমান বেছি মানসিক ভাৱে দুৰ্বল।

আন এদিনৰ কথা, নীলাভে এদিন সিহঁতৰ ভাৰা ঘৰলৈ এজনী ছোৱালী নিজৰ গাড়ীৰ পিছত বহুবাই লৈ আহিছিল। সেইদিনা আছিল দেওবাৰ। তাই মাত্ৰ বিস্ময়-বৰ্জিত নিৰ্বিকাৰ হৈ নীলাভৰ পিনে চাইছিল। সেইদিনা সিহঁতৰ ওচৰত এখন ফাংচন আছিল। সেই ফাংচন চোৱাৰ উদ্দেশ্যৰে নীলাভে তাইক লৈ আনিছিল। তথাপি তাই কোনো মাইণ্ড কৰা নাছিল যদিও নীলাভৰ কিছুমান ব্যৱহাৰত জৰ্ণাই অতিষ্ঠ হৈ পৰিছিল। শেষত তাই গম পাইছিল যে ছোৱালীজনী আন কোনো নহয় নীলাভৰ 'জান'। তাৰ পিছত নীলাভ আৰু তাই একেখন বিচনাত। তাই আৰু ভাবিব নোৱাৰিলে। ৰাতি ক্ৰমে গভীৰ হৈ আহিছে। তাই লগে লগে বাহিৰলৈ ওলাই আহিল। ফাংচনত হোৱা গীতৰ কলিবোৰ যেন তাইৰ কাণত জোৰকৈ আহি খুন্দা মাৰি দূৰৈত প্ৰতিধ্বনিত হৈছিল। জৰ্ণাই কিন্তু কোনোফালে লক্ষ্য কৰা নাছিল। জোনাক ৰাতি তাইৰ হাত দুখন গেটত পেলাই দূৰৰ আকাশ খনলৈ ৰ'লাগি চাইছিল। সেই তৰা দুটা...কেষ্টৰ আৰু পোলাক্স। পোলাক্স আৰু কেষ্টৰ। অপৰিসীম ক্লান্তিত, হতাশাত মন প্ৰাণ নিথৰ নিস্পন্দ হৈ যোৱাৰ দৰে ধীৰে ধীৰে তাই ৰুমলৈ উভতি আহিছিল। পিছদিনাখন যেতিয়া তাই সাৰ পালে তেতিয়া আৰ্চিত মুখখন চাই দেখে যে তাইৰ চকু দুটা ৰঙা ৰঙা আঙঠাৰ দৰে হৈছে আৰু চকু দুটা ফুলাৰ সলনি সৰু সৰু সেমেকি গৈছে। নীলাভৰ মানত এইটো এটা সাধাৰণ ঘটনা আছিল। সেইদিনাখনেই নীলাভে তাইৰ ওচৰত শপত খাইছিল আৰু কেতিয়াও তেনেকুৱা নকৰো বুলি। তাইক বুকুৰ মাজত লৈ কপালত এটা চুমা আঁকি দিছিল আৰু মৰমেৰে বুজাইছিল। পিছত জৰ্ণাই কোনো প্ৰতিবাদ কৰা নাছিল। কিন্তু লাহে লাহে জৰ্ণাই গম পালে যে নীলাভক বিচাৰি বহুত ছোৱালীয়ে আহে। ঘন্টাৰ পিছত ঘন্টা ধৰি নীলাভে বিচনাত শুই ছোৱালীবোৰৰ লগত ফোনত কথা পাতে। কেতিয়াবা কেতিয়াবা নীলাভে কাম কৰো বুলি দিনটোৰ বাবে ওলাই যায়, কিন্তু কাম বন নকৰি এজনীৰ পিছত এজনীক বাইকত উঠাই ফুৰে। হয়তো নীলাভে এইবোৰ কৰিয়েই ভাল পায়। তাই আৰু সহ্য কৰিব নোৱাৰিলে।

তাই জীৱনৰ বহুত ৰঙীন স্বপ্ন চূৰ্ণ-বিচূৰ্ণ কৰি এদিন তাই নীলাভৰ জীৱনৰ পৰা আতৰি গৈছিল। হয়তো নীলাভৰ এইবোৰ চৰিত্ৰৰ বাবেই। নীলাভৰ জীৱনৰ পৰা একেবাৰে আতৰি যোৱাৰ উদ্দেশ্যে তাই সকলো বস্তু বাহিনী বান্ধি যাবলৈ ওলাইছিল। হঠাৎ জানো নীলাভৰ কি হ'ল সি কান্দি কান্দি ক'লে—'ছোৱা জৰ্ণা তুমিয়েই মোৰ প্ৰথম ভালপোৱা। তোমাৰ বাহিৰে মই আন কাকো ভাল নাপাওঁ। আচলতে মানুহে মোৰ বিষয়ে যিবোৰ কথা কয় সকলো মিছা।

জৰ্ণাই তেতিয়া ৰৈ থাকিব নোৱাৰিলে। তাই দুঃস্বপ্নৰ মাজেদিয়েই আশাহত, বেদনা ভৰা দিন কেইটাৰ অন্তত নীলাভক যেন বিচাৰি পাইছিল এখন ৰঙীন পৃথিৱীত। তাই বুজি নাপায় নীলাভে এইবোৰ কৰি যোৱা সত্ত্বেও কিয় তাই নীলাভক ইমানকৈ ভাল পায়।

তাই জানে আৰু বুজি পায় নীলাভ নিজৰ মৰ্যাদা লৈ জীয়াই থাকিব বিচাৰে। আনকি তাইক লাভ কৰিবৰ কাৰণেও নিজৰ মৰ্যাদা বিসৰ্জন দিবলৈ প্ৰস্তুত নহয়। তাই ভাবে নীলাভৰ মৰ্যাদা লৈ তাই কি কৰিব। অথচ তাই জানে এজনী ঘৈণীয়েক হিচাপে এজন স্বামীৰ পৰা পোৱা মৰ্যাদাই আচল মৰ্যাদা। কিন্তু এয়াই জানো যথেষ্ট। আজি কালি প্ৰত্যেকজন পুৰুষেই ভাবে যে নাৰীৰ কপালত অকণমান সেন্দুৰ গুজি দিলেই সকলো মৰ্যাদা পোৱা বুলি। কিন্তু এজনী নাৰীয়ে কপালত অকণমান সেন্দুৰ পিন্ধি সকলো অধিকাৰ পুৱাব পাৰিবনে? তথাপি তাই বিশ্বাস অবিশ্বাসৰ দোমোজাত।

তাই ভাবে যে তাইৰ ভালপোৱা একপক্ষীয়। কেৱল তাইহে নীলাভক ভাল পায়। কিন্তু তাই জানো দ্বিতীয়বাৰ আন কাৰোবাৰ সৈতে বিয়া হোৱাৰ কথা ভাবিব পাৰিব। কেতিয়াবা কেতিয়াবা জৰ্ণাক তাইৰ বাইদেউয়ে কয়— "জৰ্ণা এইবোৰ বাদ দে তই জনা বুজা ছোৱালী। নীলাভ ফান্টু ল'ৰা। তাৰ ছোৱালী বুকিং হৈ আছে।" "তই কলি বুলিয়েই মই নীলাভক পাহৰি যাব পাৰিমনে?" জৰ্ণাৰ চুটি উত্তৰ। আকৌ তাইৰ ভিনিইদেউৱে কয়— "মানুহৰ জীৱনটো ভালকৈ সজাই তুলিব জানিলে জীৱনত সফলতাৰ উচ্চ শিখৰ পাব পাৰি। বিশেষকৈ তোৰ জীৱনটো। ইটচ্ 'ছ' ছিম্পল।" "এয়া জানো সম্ভৱ। দিনে ৰাতিয়ে এজনক অন্তৰত ৰাখি আন এজনৰ সৈতে বিয়া হৈ যাব পাৰিমনে?"

হঠাৎ এদিন নীলাভৰ সখীয়েকজনে আহি নীলাভৰ বিয়াৰ দিন বাৰ আন এজনী

ছোৱালীৰ স'তে ঠিক হোৱাৰ বাতৰি দিলে। তাই সম্পূৰ্ণকৈ জানিলে যে ইমান দিনে জৰ্ণাই যিজনী ছোৱালীৰ সৈতে দ্বন্দ্ব যুদ্ধ কৰি আহিছে সেইজনী ছোৱালীয়েই নীলাভৰ জান। নীলাভে সেই ছোৱালীজনীয়েই তাৰ জীৱনৰ লগৰী কৰিব। তাৰ মানে নীলাভে এনেদৰে প্ৰত্যেকজনী ছোৱালীৰ কঁপালত সেন্দুৰ পিন্ধাই বিবাহিত পত্নীৰ ৰূপত সজাই শেষত সকলোকে আঁতৰাই পঠিয়ায়।

তাই ইমানদিনে নীলাভৰ সেই প্ৰেমক বিশ্বাস কৰি আছিল। তাই তেতিয়া একোকে ভাবিব নোৱাৰিলে। লগে লগে তাই বেডৰুমলৈ দৌৰি গ'ল আৰু গাৰুটো সাৱটি ধৰি হুক হুকাই কান্দিব ধৰিলে। নীলাভৰ বিবাহিত জীৱনক 'মোৱাৰক' জোনালে।

সেইদিনাই জৰ্ণাই শপত খালে তাই কেতিয়াও নীলাভৰ অমঙ্গল কামনা নকৰে আৰু তাক বেয়া পাবলৈ নিশিকে। কাৰণ তাইৰ ভালপোৱা আছিল চিৰ আত্মিক। তাইৰ ঘৰখনৰ পৰা তাইৰ শাৰীৰিক আৰু মানসিক ভাবে যিবোৰ ক্ষতি কৰিছে এই বোৰৰ ক্ষতি পুৰণ বিচাৰি নীলাভৰ ওচৰত তাই কেতিয়াও নাযায়। নীলাভক এখন নতুন পৃথিৱীত বাস কৰিবলৈ দিব তাই। আৰু জৰ্ণাই হৃদয়ত যন্ত্ৰণাৰ স্মৃতি লৈ জীয়াই থাকিব আদিৰ পৰা অন্তলৈ নীলাভ নামৰ ভালপোৱাক লগত লৈ যাব যুগ যুগান্তৰৰ এক সমাধি স্থানলৈ।

## মহৎলোকৰ বাণী

১. যিজন জীৱন ত্যাগ কৰিব পাৰে, সেইজনহে জীৱন ভোগ কৰিব পাৰে।
— মহাত্মা গান্ধী।

২. এবাৰ কিয় হেজাৰ বাৰ পৰাজিত হলেও হতাশ হোৱা উচিত নহয়।
— আব্ৰাহাম লিংকন।

৩. আমাৰ এনেকুৱা হৃদয়ৰ আৱশ্যক যি সাগৰৰ নিচিনা গভীৰ আৰু আকাশৰ নিচিনা উদাৰ।
— স্বামী বিবেকানন্দ।

৪. একাগ্ৰতা থাকিলে অন্তৰৰ পবিত্ৰ বাসনা সদায় সফল হয়।
— মহাত্মা গান্ধী।

৫. যিজনে নিজকে সৰ্বগুণৰ আধাৰ বুলি ভাবে, সেইজন লোক বাস্তবিকতে ফেটি সাপতকৈ কোনো গুণে কম বিষাক্ত নহয়। তেনে লোকক পৰিত্যাগ কৰিবা।
—উপনিষদ।

# এজনী অহংকাৰী ছোৱালী

## লোককথা

সংগ্ৰহক, অৰ্পিতা ৰাভা
স্নাতক ২য় বৰ্ষ

এখন দেশত এজন ৰজা আছিল। তেওঁৰ এজনী জীয়েক আছিল। নাম চন্দ্ৰপ্ৰভা। সকলোৰে পৰা মৰম চেনেহৰ মাজেৰে চন্দ্ৰপ্ৰভাই দিন কটাইছিল।

এদিন দুদিনকৈ চন্দ্ৰপ্ৰভা ডাঙৰ হ'ল। চন্দ্ৰপ্ৰভাক ৰজাই যি শিক্ষা দিছিল, সেই শিক্ষা তাই নল'লে। সেয়ে, চন্দ্ৰপ্ৰভাকলৈ ৰজা নানা সমস্যাত পৰিল। চন্দ্ৰপ্ৰভাৰ অহংকাৰৰ কাৰণে কোনেও তাইক ভাল নোপোৱা হ'ল। বিশেষকৈ দীঘল চুলিকোছাক লৈ তাইৰ বৰ অহংকাৰ।

এদিনাখন বাহিৰত বহি চন্দ্ৰপ্ৰভাই মূৰ ফণিয়াই আছিল। এনেতে এগৰাকী বুঢ়ী আহি ক'লে — "আই, মই তোমাৰ চুলিকোছা আৰু ধুনীয়া কৰি দিব পাৰিম।" তেতিয়া চন্দ্ৰপ্ৰভাই দৌৰ মাৰি আহি বুঢ়ীক ক'লে — "আইতা, তোমাক যি লাগে মই তাকেই দিম। তুমি মোৰ চুলিকোছা আৰু ধুনীয়া কৰি দিয়া, যাতে মোৰ চুলি যেন এই পৃথিৱীত আৰু কাৰোৰেই নহয়। তেনে কৰি দিব তুমি পাৰিবানে আইতা?" চন্দ্ৰপ্ৰভাৰ কথা শুনি বুঢ়ীয়ে ক'লে — "পাৰিম আই, পাৰিম। কিন্তু, এই কাম ইয়াত কৰিব নোৱাৰি। সৌ হাবিখন দেখিছানে আই? তাতহে ইয়াৰ ঔষধ আছে। তুমি জানো তালৈ যাব পাৰিবা? তোমাৰ পিতাৰা হৈছে এই ৰাজ্যৰ ৰজা। তোমাক জানো যাব দিব আই?" বুঢ়ীৰ কথা শুনি চন্দ্ৰপ্ৰভাই ক'লে — "আইতা আজি পিতাই নাই। মই এতিয়াই তোমাৰ লগত যাঁও। ব'লা আইতা। পলম নকৰিবা।" বুঢ়ী আৰু চন্দ্ৰপ্ৰভা হাবিলৈ গুচি গ'ল।

হাবিৰ মাজত এটি ধুনীয়া ৰাজকাৰেং দেখি চন্দ্ৰপ্ৰভা আচৰিত হ'ল আৰু বুঢ়ীক ঘৰটো কাৰ সুধিলে। বুঢ়ীয়ে তেতিয়া এটা হাঁহিমাৰি ক'লে — "অহংকাৰী ছোৱালী, চুলিকোছাক লৈ তই বৰ অহংকাৰ কৰিছিলি নহয়; তাৰ ফল আজি হাতে হাতে ভোগ কৰিবি। মই কোনো মানুহ নহওঁ। মই এই হাবিৰ ডাইনী বুঢ়ী। আজিৰ পৰা তই হবি মোৰ লিগিৰী। সকলো কাম তই আজিৰ পৰা কৰিবি, নহ'লে মই তোক কেঁচাই কেঁচাই খাই পেলাম।" বুঢ়ীৰ কথা শুনি চন্দ্ৰপ্ৰভাই কান্দিবলৈ ধৰিলে আৰু ক'লে — "আইতা, তুমি মোক নাখাবা। মই কেতিয়াও আৰু অহংকাৰ নকৰো। মোক ঘৰত থৈ আহাঁগৈ আইতা।" চন্দ্ৰপ্ৰভাৰ কথা শুনি বুঢ়ীয়ে খিল-খিলাই হাঁহিবলৈ ধৰিলে আৰু যাদুৰ লাঠিডালেৰে চন্দ্ৰপ্ৰভাক তৎক্ষণাত এটা মেকুৰী সজালে।

চন্দ্ৰপ্ৰভাৰ অহংকাৰৰ কাৰণে আজি ডাইনী বুঢ়ীৰ হাতত তাই মেকুৰী হ'ল। সেয়েহে বন্ধু-বান্ধবীসকল, তোমালোকে কোনো কথাতেই, কোনোদিনে অহংকাৰ নকৰিবাহঁক। কাৰণ — "অহংকাৰে মানুহৰ পতন ঘটায়।"

# আয়ানি খুৰাং

**উৰ্বশী ৰাভা**
**উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ**

আনতাঙো নেমচাদংবা
আঙো নেমেন নেমা
আঙি আয়ানি খুৰাং
ছোনানি হাছং দাম।
জিব্রা চিঙি নাং
নাঙান ৰাখুনাতা
চাৰপাক ইছি জনম
চায়ে ৰুঙে চুঙাতা চিং।
নাঙি বোমায়; খুচুকে
নাঙি পিঠাৰ চিকা ৰুঙে
আয়া নাঙো চিং
বাপমুগী ৰেংচা জামুঙে।
বি হাদামি গেৰজো আঙি
চাৰপাকনি নায়কায় ৰাম
খেৰজো বিছি আঙি
ৰিজামকায়নি দংকায় হাদাম
ফানে মানজো আং।
নাঙি বাদাং মানজো ছোনানি খুৰাঙো
নুঙা মানজো একায় বাঁছা মাঁতা
এনচোক চিথোৱা অ ছিঙি
আয়ানি খুৰাং .....।।

# আঙি নাচিকায় গোলাপ পাৰ

**শ্ৰী তৰিণি ৰাভা**
**উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ**

অ, আঙি নাচিকায় গোলাপ পাৰ নাংয়ে
নাং যে নিখিন চিথোৰাঙা
নাঙো আং নিখিন নেমতাবা
তেবা আঙি মুনি কিয়া নাঙো ছানি-ফাৰি,
অ' আঙি নাচিকায় গোলাপ পাৰ।
মানেচা নাঙো আং একায় জনমি
দুক মান জো আং মনিনুক চি কি,
বাৰ তুপাকজো আনা আঙি খাপাকি
একায় জনমি চাংজো আঙি চাৰ্পাক ৰামমপ পাৰ্।
জাৰে ৰেঙো আং জানবাংনা ছোংহাদাম ৰাখাতে
চাংজো আঙি চাৰ্পাক ৰাং-ৰামমপপাৰ গান্দা
তেবে এখেয়ান আঙি চাৰ্পাকনি বাৰ ৰেংজো মতে।

# ফাৰিনি প্ৰামচি

**মহেন্দ্ৰ ৰাভা**
স্নাতক ১ম বৰ্ষ (কলা)

পাৰ চাঙে পাৰেতা নাং
চাঙিবা পাৰ বাগানী,
তোপাক চাঙে ছামো নাঙা
আঙি মন বাগানী।
চাক্কায় বক্কায় কান ট্ৰায়ে
ফাংটি নুই তয়তা নাং,
নাং কাৰায় পুৰে তোঙো
মিনি খেৰে আং।
নেকেন তংচা নাকৰ তংচা
উনাবা নাং চিথোৰা,
তাছি জাপে আঙাকে প্ৰাৰা
নাং কাৰায় ফাৰিনি প্ৰামচি
নায়ৰোক নায়ৰোক কিনো,
ফাৰ নায়ে উবোন আং
চুকচুকে চুকচুকে ৰুঙো।
নাং পাকে খেৰে আং
চাক কাৰায় নুনো,
চাক কাৰায় নুনো,
চাক কাৰায় নুৰে নাঙা
আং চায় কানিনো।
পাৰ নাঙি মুং পাঙা হাদাম পাঙা
নেমচুক মাৰি পাৰে তং
ইছিবা উছিবা জাছিবা বং
কামকায় মাপাঙা দং।

# কানিতা নাঙা

**তিনুবালা ৰাভা**
স্নাতক ১ম বৰ্ষ (কলা)

আঙা লি'গা ৰাচাকায়ান নেমো
হাচুনি তালতি নক হামা
চুং চুকায় ৰংকা ককেকে পাটা কেকে
হাচু তালাও ছমান খাৰে
ৰাংছাংকাকে নিংগিকায় জোৰায়
নাঙি চিকা চি'কাংকায়ো গি'জাৰনা
বেচেৰে ফানে মানাতংচা আমে
হাবাংহায় হাটাকানি
চি'ক্ চি'ককায় চিকানি চিকানালা
বেংগুদুঙি কনাহায় কায়া তুলছিং পান
যাদিনা গি'দাপে ৰাবানো নায়কায়ো
গি'তি হান্দাৰকায় ৰাংখপ
উৰ গি'জাৰনা গছা চাবি তিপাকে
নায়সাৰে ৰাছামা নাঙি জোৰায়
আমে বেখেৰে ৰাবানো ৰাম তুনুকে
কান্তা জাগা গ্ৰি'প - জাপছিয়া গ্ৰি'ম দিবি দিবি
হাচু তালায়নি নক চাতালায়না
আং ফামানা ছক্‌চা
ছাৰ ৰাখুই চিকা তি'তে
নৰ নৰ চিথোৰাঙে ৰাছামা
নাঙি নক নছপায় কায়কায়
আশানি পাৰ ফাং আৰো জি'মাং।।

# নাছিনি পাৰ

**হেমলতা ৰাভা**
স্নাতক ১ম বৰ্ষ (কলা)

'খাঁছান বিতাৰণি পূৰ্ণিমায়
ৰাংগ্ৰেচাক নুকা নায় নায়
উপুৰুঙি চাংছে তাকজো
চিথোৰাঙা নাঙি ছোনানি নুখাং'
অ' কাথা ভাবি তংবায়
নাছেঙে ৰেঙা আং শেৰালীনি গি'নতি।
ফাৰ হান্দাৰিয়ান নুকে জো নেমখাৰে
কাফায়নি পান তিয়ান
বক ঢ্ৰাৰে পাৰেতা মান্দায়;
জেলা ফুং চাঙা
নেমছুকে নাং ছালে
তোৰা বি'ছমুতায় আয়ানি বোমায়।
ৰাংছ্ৰিয়ান ৰাঞ্জক্ৰেৰে ৰেংজো
নাঙি নাছিনি কান,
চাংছে তাকবা নাঙো
চিথোৰাঙে ছানছানি বাদাং ....।

# মৌল বায়নি ছীত্ৰান

**শ্ৰী আনন্দ চন্দ্ৰ ৰাভা**
স্নাতক ১ম বৰ্ষ

ম্যুনি কিয়া আঙা তিকাঙান পাতে তামাকায়
অ, আ, ক, খ বু জুম,
মিনি খেৰে আং ল্যিগা পাকে
ছিকাইনাতা ম্যুন অকায় বুজুম,
খেৰনাতা ম্যুন পাঙা খেলা আছি তাছি তয়ে
ল্যিগা পাকে মিনি খেৰে,
ছিকাইনাতা ম্যুন মাষ্টাৰ নেমছুক ৰাঙে
জাংছাদংৱা বাৰে বাৰে।
ৰেঙাতা ম্যুন আং দিনাং দিনাং
পঢ়ায় দামিনা নেকে,
জাংছাদংবা পঢ়ায়না ফামানছাদংবা লিখিনা
ৰেঙাতাম্যুন আং তাছিতি কাওছা পায়ে।
কানিনাতা ম্যুন মাষ্টাৰপাঙা কাথা নায়ৰক
ছোনানি মালা গান্দা
আৰো তংকায় বিছি আটো,
ছোনানি মৌলবা ছময় চাওছা ৰেংদংৱে
ৰিৱাছা অকায় আৰো গুৰায়।

# শান্তিনি পাৰেক

**নবনীতা চাৰাঙা**
স্নাতক ৩য় বৰ্ষ

মায় ৰেঙজো বিছি
চিথো ৰাঙা বককায় পাৰেক
ছাকায়নি মাজাৰিনি ?
পিথাৰ ৰাংৰেও
ছাং গীদাবজো ?
পিথাৰ মনো
ছাং চুকচাজো ?
ৰানে ৰেঙজো
হাচুইনি চিকা নালা
চিকাঙে চিফায়তা কায়।
তেনিকায় ৰুঙা
কাননি চি চেপে
চাৰপাকো ৰাখুচা মান,
তে চিং
চাং ফাজো আলাঙ-চালাঙ
গিটি হান্দাৰি নুকেচা ৰাম;
ছাৰকায় ফাই ৰিবা দগতে
ছাকায়নি হাছঙি
ৰাছংচানি শান্তিনি পাৰোকে
প্ৰাৰে ৰাবানা
বাছাকালিনি বাদাঙা।।

# आथिखालनि ब'र राव आरो बेनि बिबान

2003 मायथायनि 10 फेब्रुवारी खालि बरफोरा B.T.C. मोनबाय, लोगोसे बर रावआ भारतारि संबिजिदनि दाइनथि Schedule आव जायगा मोनबाय. जों दा बर रावखौ Office, parliament जेराबबो बाहायनो हाथो। आरो बइनिखुइनो देरसिन गोगानाय बाथ्राया जादों जीं दिनै बर रावजों Regional language हिसाबै IAS नि Exam. बो होनो हासिगोन। बो राव थुनलाइ आरो Bodoland सीमावसारनायति थारवाय जों गासैबो बर फोरजा फिसाफोरा गोबां हेंथा हेंसि, दुखु नांथाव हालसालजों जीउ खुंबोदोंमोन। जाय दुखु आरो खैफोदफरखौ जों दिनै गोसोखांब्ला बिखायात अरगें बेरफ्रुनानै मेगननिफ्राइ साउननि अखा गयो। देहानि माबा मोनसे जायगायाव गाराय जाब्ला सान बारलांबाय थाब्ला बे गाराया गायो. बे बायदिनो जों दिनै सान आरो सम बारबोनाय लोगो लोगो जोंनि बे दुखु नांथाव खुगानि रावजों फोरमायनो हायै खैफादफीरखौ जीं लासै लासे बावलांजोबगासिनो दं। बे बर आलादा हादोर दाबी खालामनाय, रावनि थाखाय सीमावसारनायाव गोबां मेलेम गोबौ बर गेदेमाफोरा गावनि बेसेन गोसा जीउखौ बावलांबाय। बरफोरा बे B.T.C. नि सोमावसारनायाव सोरबा गावनि आंगो फिसा खोमानो गोनां जादों, सोरबा बिनानाव, सोरबा फंम्बाय खोमानानै दुखु दाहा साहायनो गोनां जादों। गोबां बोसोर सोमावसारनायाव, आरो गोबां बुग्लिजानानै, जोख्रबजानानै, गोबां बर फिसाजो, बिनानाव, बिसि, बिमा Rape खालामजानानै खोमसि जिउ दैदेननानै दिनै बरफोरा B.T.C. मोनबारा। बे खौ B.T.C. बरफोरा औरैने उन्दु उन्दु थानाने, बेदर जौ जानानै Enjoy life pass खालामनो मोनाखै, बे बाथ्राखौ बर माहारिया आरो गुबुन माहारियाबो थारला मोनथियो। गोबां दुखु खस्तानि गेजेरावबो बर फोरा गासै दुखु खस्ताखौ दिनै B.T.C. मोननायाव गासैबी बावलांबाय। जीं जारिमिनिफ्राइ मोनथिनो मोनो बरफोरनि बिफा उपेन्द्र नाथ ब्रह्मआनो बे सोमावसारनायति गिबि दैदेनगिरि। आं नुवाखै नाथाइ खोनानो मोनदों दिनै बडफाया थांना थाब्ला बरफोरा 2006 मायथायनि गोबां बोसोरनि सिगांङगवनो B.T.C. नङग आसाम हादरनिफ्राइ उदां Bodoland मोनगौमोन।

जीं दाबोनो बुंनो हाया दि बरफोरआ B.T.C. मोननानै सोरांनि लामायाव आगान सुरसिगोन। B.T.C. मोनब्लाबो, Boro रावआ 8th schedule आव हाबब्लाबो बरफोरा गावनि फिसाफोरखौ Boro medium जों दिनै फराय होआ। गुबुन बिजोंनि परायसालियाव फराय होयो। बे बायदि हालसाल आव जों हसेबो मिजिं खालामनो हाया दि बरफोरनि दुखुनि समआ बारबाय सुखुनि लामायाव आगान सुरबाय। मानोना गुदि फरायसालियानो बिजों थांना थानायनि गुदि कुंका। गुदियानो थांना थायाब्ला बिजौ आरो जोलैआ जोबस्रां लाङगे गुदिजों लोगोसे खेबसेयावनो। बिमा-बिफाफोरा बर medium school नि फोरोंगिरि नाथाइ फिसाफोरखौ English Missionary School फोराव मुं थिसना होयो। जायनि मेजेराव गामिनि बर School फोराब जाम्बा-जाम्बि, हालुवा शं खावरिफोराव गेरेबनाय मानसिकोरासोगावनि फिसा फिसौफोरखौ बर बिजीं फरायसालियाव फराय होयो। जानो हागौ बिसोरबो गोरों गोराब्ला शं खावरिनि आंखाल गैबाब्ला गाव गावनि फिसाफोरखौ English Medium आव फराय हागौमोन। सरासनस्राथै बवंनो थाङगेब्ला माहारिनि राव, हारिमु, गाननाय, जीमनाय, सोलोंथाइ आरो सोलिबोनाय आसार खान्थिखौ गामिनि जाम्बा-जाम्बीफोरासी लाखियो। बे जाथाया बर फोरनि गेजेरावल नङग गुबुन गुबुन जौगानाय हारिफोरनि गेजेरावबो एखे फिथाय।

जोंति बर बिजोंखौ फरायसालियाव थिसननाय जाजों 1963 मायथायाव आतो M.I.L. हिसाबै Gauhati Universityआव गनायना लानाय जादों 1977 माइथाइआव। गासैजो बाथ्राखौ जों रोखा मोनथिजोबनानै बो गोबां बर बिमा बिफाफोरा गाव गाव बर बिजोंजों फरायना गावनि फिसा फिसौखौ इंराजि बिजोंजों सोसोंथाय होयो। गोबां बर फोरोंगिरि, 99% बर बिमा-बिफायानो गावसोरनि फिसाफोरखौ इंराजि बिजोंजों सोलोंथाइ होयो। बिथांमोना जि बर फरायसालीयाव खामानि मावो मा थांखि लानानै मावो सोरबा सोरबा बुङगे रांनि थाखाय, शोरबा सोरबा बुङगे आरो नि थाखाय। मानोना खालि दिमाक थाब्ला सेताना बाहा

लायो ओंखायनो सानसेयवनो 6-7 घन्टा खालामनाय लोगोसे गावखौ हिसाबैबो जाबाय आरो रांबो मोनबाय। बे जाय जाम्बा-जाम्बि फोरनि फिसा फिसौफोरखौ लानानै सारथ ल फुरा खालामनाय बर विजोंखौ Valuless सानी बिदिब्ला सानसी समाव औरै बायदि सम फौगोन बे Computer आरो Technology नि मुगायाव बुहुमाव रावबो जाम्बा जाम्बि थानाय नङ्ग। होनब्ला जोंनि बर medium आ थैनानै हा सिंआव गोदोना थागोन। सरासनस्रायै बिदि जामारब्ला B.T.C. नि थाखै सोमावसारनाय बर थुनलाइनि थाखाय बाइ हाजार मुंरब्लं जानाय आरो बे मुं.....लंफोरनि खाम्फायाव बोसोरफ्रोमबो आथिं जंरायाव बिबार बावनानै समाय खिरा लानाय -

हे मुं लं नोंसोरखौ जों
जुगे जुगे फुजिबाय थागोन
नोंसोरनि बोसोनखौ जों
अराय सिबिलांगोन।

बे बुंनाय बाथ्रायाबो खुगानि रावल जागोन खामानियाव फैनाय नङ्ग।

ओंखायनो समाय खिराखौ फालिलांनो आरो गावनि हारि, हारिमु, थुनलाइ, रावखौ फोथांना लाखिमी थाखाय जों बर बिजोंजों फरायथारनांगीन। जुदि थारैनो बर हारिखौ बुगुमाव गेरेमसा महर होनी नागिरदोंब्ला जों गावनि राव थुनलाइखौ सिबिथारनो नांगोन साफ्रोमबी बर फिसाफोरा। मोनसेहारिनि थांना थानाय राहायानी जादों हारिमु आरो सोलोंथाय। बर फोरा सोलोंथाय गोनां जानो नांगौब्ला फरायनांगोन बर बिजोंजों होमब्लासो बर बिजोंआ रंगिना सांगिना थांना थागोन जों मानो खौ Boro medium नेवसियो बर फरायनानैबो गिदिर मानसि जाखायी गासै सुबिधीखौ मोनखायो - जीं बेखौ बर जारिमिननिफ्राय रोखा मोनथियो।

Businessman बर' गोरों-गोरा सुबुंफोरनि फिलाफोराबी जुदि बर' बिजोंजों फरायोब्ला गावसोरखौनो जों मालायनिख्रुइबी बांसिन जौगानाथ हारि हिसाबै बुहुमाव सिनायथि होनो हाखागोन।

## মহৎলোকৰ বাণী

১. ভাগ্যক বিশ্বাস নকৰিবা, বিশ্বাস কৰিবা তোমাৰ শক্তিক

— লক্ষ্মীনাথ বেজবৰুৱা

২. শিক্ষাই হৈছে মূল উপায় যি মানৱ জীৱনলৈ সুখ-শান্তিৰ নিজৰা বোৱাই আনিব পাৰে।

—এৰিষ্টটল

৩. শিক্ষক এজন মমবাতিৰ দৰে যি নিজে গলি আনক পোহৰ দিয়ে।

— নেতাজী সুভাষ চন্দ্ৰ বসু

৪. মৰিলে সকলো বস্তুৰ পৰাই দুৰ্গন্ধ ওলায়। অতীতটোৱেই একমাত্ৰ বস্তু যিটো মৰিলেহে তাৰ পৰা সুগন্ধ বাহিৰ হয়।

—এডৱাৰ্ড টমাছ

# सम

बिनिता बसुमतारी
T.D.C. part - I

थांगासिनो थाबाय थायो
अराय गावनि लामायाव,
नेनानै थाया रावखौबो
दसेनि थाखायल' बो।
जिरायनाय गैया, मेंनाय गैया
मावबाय थायोल नों खामानि,
सानो आं जेब्लाबो
लोगोसे नोंजों
समान समान आगान सुरफानो।
लुबैआ आंहा नोंखौ,
नागारनानै जानगारआव थानो।
जाय समजों
आगान सुरफानो रोङा,
आन्दायगोन बियो सानसे
मुलुग संसारआव हासिंडै.नो।
मा मोन्थोर नोंनि
बे मुलुग संसारआव
जुगे जुगे सोलिबाय थायो नों
अराय गावनि लामायाव।

# मोदै

पबन कुमार बर
T.D.C. Part - I

बोहैबाय मेगननि मोदै
जानानै हाजौनि निजिरा दै,
गोग्लैफैदोंमोन बुहुमनि फैलाव बिखायाव
साग्लोबजोबदोंमोन मोनथिया ह'सिया मोदोमाव।
सिरि सिरि फैसालिनि आन्दोआव
साया साया नुजानायनि हाबिलासाव,
गोसोनि दुंहाव बालाहामाया
उन जोलैनि निजराया,
दुखुनि मोदैजों
गुवार लैथोमा गेजेरनि दीप'आव
जालांगोन थैनि लैथो सानसे समाव।
रावनिबो नङा बे हाथाइथिलिया
दोमसे सम मोनदोंब्ला
गावखौ गोथारै फोसाबनायनि,
नाजानाय बोलोनि गोलोमदैआ
फैमाल थाड.ा ओंरैनो
मोदैजों सिदोमनाइ सोलेरनि ओंथिया।

# रजे

रिंकुमनि बसुमटारी
T.D.C. part - II

हाबाब! मा एसे मोजां
मिनिस्लु, नोंनि मिनिनाया,
गस्ला, नोंनि गाननाया
लंफेन, नोंनि गाननाया आरो
जुथा नोंनि गाननाया,
रुजुदों सोर्गोनि राजकुमार बायदि।
दङ थारैनो नोंनि महराव जादु,
जेराव आंनि अन्याय गोसोआबो मुहिनांबाय।
हाबाब! मा एसे गोदै!
बैरै मोदै बायादि
नोंनि रावआ,
नोंनि मेथाय खननाया,
जायजों रुजुयावै।
निजोम हराव, निजोम निन्दोआव
गोर्बोआ आंनि रिंखाङगे
नोंनि गोदै राव।
अ आंनि गोरबोनि रजे
नों आंनि सेराव थानानैबो
मानोथो गोजानाव।

# दोंबा लिमारिक

खुंख्रा कचारी
T.D.C. Part - I

(1)
दानि जुगति एल.पि.फशयसालिनि फोरोंगिरि
जौआनो जाटों बिसोरनि जिउनि गिरि
थांनाय समाव थाङो गानफब-जोमफबयै
फैनाय समाव फैयो बिसोरो हादि बालायै
नेखायनो बुङो बिसोरखौ जौ लोंनापति लामा दिन्थिगिरि।

(2)
दिनैनि फरायसा फरायसुली फोरनि Aim
गोसो थोलायनायआनो जानाय बिसोरनि Aim
गोनाखायानो मारियो गुबुन सासेजों Dating
नेरवायनो जायो बिसोरनि गेजेराव Fighring
इओ, लुओ, साओ, माओ आनो जानाय बिसोरनि Name

(3)
गोदान मुगानि गोदान राजखान्थि
नांलाए खमलाइ जाहोनायआनो जावाय नेनि खान्थि
मासिनि थारवाय बिसोरो खालामो नारा-नाथा
देरहानायनि उनाव खालामो गुवुन सुबुखौ हैया हेंया
गिदिर खालामना लानायआनो जाबाय बेनि गोरा खान्थि।

(4)
जोंनि खाथिसिनाव थानाय गंसेल College
फरायसाक्रा सोलोङो नेयाव मोजां गाज्रि Knowledge
ढङो नेयाव गोवां Dept. नि Professor
फोरोङो निसोर बेयाव गोसो थोलायनायलिनो Lecture
नेखायनो बारलाङो बेयाव बयनिबो हालो दैलोयैनो Age

(5)
मुङा बिथांनि कारिया
संसाराव निथांङनो बयनि खुदबो हावरिया
खामानि मावो बियो सान हाबजासे
थेवबो मोनजाया बियो उदै बुंजासे
गोजांब्लाबो गोलोमब्लानो थायों बियो अराय लारिया।

# अखाफोर

जीउमाश्री बसुमटारी
T.D.C. part - I

हरनि खोमसि अखरांआव
जोमै रोजानि सेर सेराव
नुहरो नुहां नुवाहां
समायना अखाफोर गावदां।
मिनिखुइरी नों मिनिनानै
लायो नों मुलुग संसारखौ गोबानानै
थाखोमायो मानो नों माब्लाबा समाव
नायगिरो आं नोंखौ खराव-माराव।

रगोजौ अख्रांआव नोंखौ लोगो हमनो
उदां अख्रां बिखायाव नोंजों थाफानो
गोसो दंब्ला आंखौ ब'जबनो
होगोन गोर्बो बुंजासे अननायखौ नोंनो।
सोर ग'सायआ सोरजिदों नोंखौ
शवबो हायनारीया फेजेनहाया नोंखौ
समायना महर मुश्री नोंनि
बाखनायथाव आखुआ नोंनि।

# मानो ?

मुश्री नेरसोन जोः बसुमटारी
T.D.C. part - I

गोसोआ गोजांझिउ मोनो
नांलाय खमलाय खोनाब्ला
बयबो आनान ग'सायनि फिसाब्लाबो
मानो राव, धोरोम, हारि
गुबुन गुबुन जाबायबा ?
मुसल'मानफोरा म'ज्जिदाव थाङणे,
थाङणे हिन्दुफोरा म'न्दिराव
आं सान्नाय बादिब्ला बयबो
थाङणखैना सासेनिनो आथेङव ?
बयबो आनान ग'सायनिनो फिसा
थानांगौ बयबो मिनि खुसियै जुथुमना
गेदेर उन्दै नङण रावबो
बे बिलाट लाथायाव,
बाथ्राखौ रावबो बुजिया मानो ?

# Need For A Relook At The Undergraduate Education System Of India

Ms. Dipali Deka
Lecturer, Dept. of Botany

The undergraduate education system is one of the largest system of higher education in India which has undergone rapid progress in the recent era. There were only 28 universities, 695 colleges and 1,74,000 students in India in the year 1951. Today we have more than 200 universities, more than 9,000 colleges and nearly eight million students. This education system has been expanding year after year in our country with the starting of 200 new colleges every year.

In India the undergraduate system constitutes 85% of the higher education system more than 75% of which includes undergraduate affiliated colleges with limited facilities and these are engaged in ritual teaching. Major percentage of undergraduate students study in science, Commerce and specially in Arts faculty. On the otherhand the percentage of enrolment in technological line and law is found to be very poor being 3.5 and 5.0 respectively.

It is true that our country has become able to produce all the manpower needed for its social, economic and political development. Despite this, due to enormous decline of standard the undergraduate education system has failed to reach the goal of higher education. With the increase of the number of colleges, though the number of graduates have increased but the fact remains that the quantitative expansion has been accompanied by qualitative deterioration.

Obviously the goal of the institutions of undergraduate education should be to provide intellectual, ethical and physical development of the students. These institutions should be able to develop the mind, body, heart and personality of the students in all positive directions. These institutions should be able to develop the younger generation in such a way that they not only have a broader outlook but can also make a worthy contribution to the progress of the society to which they belong. The institutions of undergraduate education can fulfil their purpose only when these will be able to make the young generation intellectually keen, economically sound, morally upright, aesthetically pleasing and socially committed. The only way to fulfill these goals is to ensure qualitative upliftment of undergraduate education system in our country.

Therefore, the fact remains that, to remove deficiencies and to raise the quality of education there is an urgent need for reforms of education in general and undergraduate education in particular.

The quality of undergraduate education is based mainly on—

(i) the quality of content.

(ii) the quality of teachers

(iii) the quality of students

(iv) the quality of infrastructure and finally

(v) the role of the heads of the institutions

The points may be analysed in the following way—

**(i) The quality of content :**

The quality of undergraduate education is mainly dependent on its content. The content of education must fulfill the standard of excellence. In every discipline the pattern of course, curricular, syllabi etc. should have a good design and these should be relevant to the progress of knowledge of the present world. The course cannot remain stagnant against the progress of knowledge in diverse fields and our students of undergraduate education must cope with every new frontiers of the field of knowledge. Our universities and academic councils also should be alert and dynamic in designing courses and syllabi. They should take responsibility of introducing new disciplinary and interdisciplinary courses to meet the demands of the employment market and expansion of knowledge. In the

new era of globalisation knowledge has assumed the form of intellectual property rights and countries with a high quality of university system can alone emerge reservoir of knowledge. Jawaharlal Nehru was of the opinion that everything is well with the nation if the role of universities are all right.

**(ii) The quality of teachers :**

Competence of teachers is an another essential need for upgrading quality of undergraduate education and it is however not a mere matter of syllabi and curricular. A good teacher always feel himself or herself to be a student throughout his or her life. To be a competent teacher one has to be devoted to scholarship. He or she should acquire special capacity to—

(a) stimulate the minds of the students.

(b) communicate and transfer knowledge to the students.

(c) invoke in students an abiding interest in the subject.

(d) develop motivation and commitment to the subject in himself or herself and then in his or her students too.

(e) adopt new techniques of teaching including the computer technology and electronic media for dissemination of knowledge.

(f) introduce innovative techniques of teaching like assignments to the students, tutorials, problem solving sessions, individual and team studies, project work, field work etc.

In the earlier era teachers engaged in higher education were less paid but they were committed to their students, to their subject and to their profession. They looked upon their duties as a noble mission. In contrast, now it is supported by everybody that, to day teachers have been enjoying high UGC salaries but the commitment is almost totally lacking. The "Challenge of Education" document observes—"Many undergraduate teachers working in the affiliated colleges work for few hours a day, a few days in a week and a few months in a year. Many teachers spend their time in taking private tutions or teaching in coaching classes." Ofcourse it is not applicable for all, definitely there are some honourable exceptions—but the percentage is negligible.

**(iii) The quality of students :**

In the present system of undergraduate education, our students are expected to follow dictation of notes, guide books, model answers etc. just to earn limited knowledge in the subject (s) and to obtain passing mark in the examination. Very little self-study has been observed. Our students lack in communication skills, have only limited latest information and hardly any sense of social, moral or national responsibility.

If undergraduate education is aimed only at the passing of examinations and obtaining a degree, if teachers are not competent and committed and the whole learning process is failure in passing the new inputs of knowledge to the students then the students tend to lose their interest in actual studies and introduce themselves in superficial studies. In that situation they look upon the college years as just only a waiting period till getting a degree and then a job. They engage themselves in some irrelevant indisciplinary activities, campus violence and even society violence.

**(iv) The quality of infrastructure :**

An unhealthy academic atmosphere is made worse by the lack of physical facilities. In contrast to the undergraduate education system in the West, a considerable percentage of institutions of undergraduate education in our country have been suffering from poor library and laboratory facilities both of which need to be strengthened in several ways. The library of an institution of undergraduate education should provide not only text-books but enough recently edited reference books on every subject including informative periodicals and journals. In this modern age such a library should provide sufficient number of computers with internet connection. Again, the laboratories must be well equipped without which proper teaching of science subjects is not possible.

The hopes of providing required infrastructure facilities are not fulfilled due to severe financial crisis faced by the whole higher education system in our country. Though at all levels education has to be promoted but it is found that our Govt. have been laying more emphasis on primary education rather than on higher education. It would be a blunder to fix priority in this manner and to create a dichotomy between lower and higher education. In other words we can say our country could neglect higher education only at the cost of its future.

**(v) Role of the heads of the institutions :**

The role of the heads of the institutions of undergraduate education i.e. Principals is very crucial. The whole staff and students of such an institution expect the head with lots of strong personality traits.

The heads of the institutions of undergraduate education must be able to stimulate both teachers and students for commitment to scholarship to make the academic atmosphere more healthy. The skillful leadership role of the heads of the institutions will go a long way in developing the infrastructure and institution building in several directions. They have to be strict administrators, efficient leaders and good managers. With these qualities they can do a great deal for introducing innovations and improvements in the rules of admissions, selection of courses and structure of courses, class routines, methods of teaching, evaluation of students etc. They have to improve both curricular and co-curricular activities introducing schemes

like NCC, NSS etc. But they must look upon that these schemes successfully fulfil the purpose for which these are planned. They have to try to promote the participation of all students in sports and cultural activities. Infact they have to skillfully play the role of co-ordinators of the activities of all teaching and non-teaching staff and also students in the institutions.

**Restructuring of undergraduate education is inevitable:**

It is evident that something should to be done for restructuring the undergraduate education system in our country. Some basic principles should be followed for such restructuring which may be mentioned as follows—

Stress must be laid on the applicability aspect of the courses of the subjects.

The courses should be relevant and structured on the basis of latest development in the subjects.

Classroom teaching should be improved through practicals and extension programmes.

The courses must incorporate certain modern techniques through the use of computers.

A continuous evaluation process should be maintained.

Concern for environment, value for life and promotion of national and international understanding must be reflected by the course contents.

The restructuring of undergraduate education should go a long way in raising the quality of higher education. In fact the process of reconstruction has to be taken up at all stages of education because there is a symbolic relationship among its various stages.

# কৌতুক


ভট্টদেৱ চৌধুৰী

উ. মা. ২য় বৰ্ষ (কলা)


১. স্বামী-স্ত্ৰীৰ মাজত বহুদিন ধৰি মাতবোল নাই। এদিন স্বামীয়ে এটুকুৰা কাগজত ঘৈণীয়েকলৈ লিখিল।

ঃ—মই কাইলৈ এফালে যাব লাগে, ৰাতিপুৱা সোনকালে উঠাই দিবা।

তাৰ পিছত কাগজ টুকুৰা ঘৈণীয়েকে পোৱাকৈ বিচনাত থৈ দিলে।

পিছদিনা যথেষ্ট দেৰিকৈ তেওঁ সাৰ পালে। ঘৈণীয়েকে তেওঁক সোনকালে উঠাই নিদিয়া দেখি মনে মনে খঙো উঠিল। হঠাতে তেওঁ গাৰুটোৰ কাষত এডোখৰ কাগজ দেখা পালে। ঘৈণীয়েকে লিখি থৈ যোৱা কাগজ তাত লিখা আছিল, "হেৰি উঠক"।

২. মহানগৰৰ চাৰিআলি। চাৰিওফালৰ পৰা দুৰ্বাৰ গতিৰে গাড়ী মটৰবোৰ আহি আছে। গাওঁৰ পৰা অহা বুঢ়ী এগৰাকী ট্ৰেফিক ছিগনেল বুজি নাপাই সেই ভিৰৰ মাজেৰে চাৰিআলিটো পাৰ হবলৈ মোজা দেখা পাই ট্ৰেফিক পুলিচজনে জোৰেৰে হুইছেল বজাই হাতেৰে ইঙ্গিতৰে বাধা দিবলৈ চেষ্টা কৰিলে। কিন্তু বুঢ়ীয়ে সকলো আওকাণ কৰি চাৰিআলিটো পাৰ হৈ আহিলে। তাকে দেখি ট্ৰেফিক পুলিচজনে খঙতে বুঢ়ীৰ ওচৰলৈ আহি সুধিলে, ঃ—আপুনি কেনে মানুহ? মই হাতেৰে ইঙ্গিত দিছো, সুঁহুৰি বজাইছো, তথাপি আপুনি মোলৈ নাচালে বৰং, বাটটো পাৰ হৈ গুচি আহিল।
